# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ১৮/০২/২০২৬ বুধবাৰ**

**আজি ইংৰাজী ১৮-০২-২০২৬ তাৰিখে অসম বিধান সভাৰ নৱ-নিৰ্মিত সদন কক্ষত অসম বিধান সভাৰ বাজেট (লেখানুদান) অধিৱেশন পূৰ্ব নিৰ্দ্ধাৰিত সময়সূচী মতে ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-২১। ছামছুল হুদা ডাঙৰীয়াই ক'ব।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী (জলসম্পদ) বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ছামছুল হুদা, (পূঃ বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্ন কৰা মতে উত্তৰটো পোৱা নাই। মোৰ বিৰসিং জৰুৱা বিধান সভা সমষ্টিত ৩৬ টা গাওঁ পঞ্চায়ত আছে। সেই গাওঁ পঞ্চায়তৰ প্ৰথম ..........Interruption.........

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক আজি ৰাতিপুৱা দুখন পত্ৰ দিছো।

**মাননীয় অধ্যক্ষ ঃ** মই পত্ৰ দুখন পাইছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দুজন মাননীয় সদস্যই ৰাজনৈতিক মতাদৰ্শ ত্যাগ কৰি বেলেগ দলত যোগদান কৰিছে। Schedule-10 অনুসৰি তেওঁলোকৰ ওপৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেখেতসকলে যদি সদনলৈ আহি অন্য দলৰ সদস্য পদ গ্ৰহণ কৰাৰ পিছত সদনত থাকে, সদনৰ পৱিত্ৰতা নষ্ট হ'ব। ইয়াৰ পূৰ্বেও আমি এনেকুৱা অভিযোগ দিছিলো। সেইখিনিও এতিয়াও বিবেচনা হৈ আছে আৰু "Justice delayed is justice denied". আমি তাৎক্ষণিকভাৱে এই সদস্য দুজন নিলম্বনৰ ক্ষেত্ৰত আপোনাৰ হস্তক্ষেপ কামনা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** নিশ্চয় আমি এই বিষয়টো চাম।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্যসকলে বেলেগ দলৰ পৰা জয়লাভ কৰি অহাৰ পিছত অন্য দলত অংশ গ্ৰহণ কৰিলে সদনৰ পৱিত্ৰতা নাথাকিব। সেয়েহে সদনৰ পৱিত্ৰতা ৰক্ষা কৰাৰ ক্ষেত্ৰত তেখেতসকলৰ ওপৰত সাময়িকভাৱে আপুনি ব্যৱস্থা লৈ সদনৰ ভিতৰৰ পৰা বাহিৰ কৰিবলৈ দাবী জনালো।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আলি-আই-লৃগাং। সেয়েহে আজি চৰকাৰী বন্ধৰ দিন ঘোষণা কৰিব লাগে আৰু মিচিং সকলক ষষ্ঠ অনুসূচীত জাতি কৰিব বুলি বিজেপি চৰকাৰে প্ৰতিশ্ৰুতি দিছিল। কিন্তু এতিয়ালৈকে সংবিধান সন্মত কোনো স্বায়ত্ব শাসন দিয়া নাই। গতিকে মিচিং সকলক সংবিধান সন্মত স্বায়ত্ব শাসন দিয়াৰ বাবে ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। আপোনালোকৰ কথাখিনি মই শুনিলো। মই আমাৰ সন্মানীয় বিৰোধী দলৰ দলপতিৰ পৰা কেইমিনিট মান আগতে আবেদনখন পাইছো আৰু মই আবেদনখন

চাবলৈ ইতিমধ্যে সচিবলৈ প্ৰেৰণ কৰিছো। ইয়াৰ ওপৰত নিয়ম অনুসৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কিন্তু কথাটো হ'ল যে এতিয়াও আমি সংবাদ মাধ্যম অথবা অন্য কৰোবাত পাইছো আৰু আপোনালোকেও এতিয়া লিখিতভাৱে দিছে। কিন্তু ইয়াত কিছু formalities আছে। কোনোবাই মৌখিকভাৱে কোৱাৰ লগে লগে মই disqualify কৰিব নোৱাৰো।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগতেও পাঁচটা কেচ দিয়া হৈছিল। সেইকেইটা ও নিষ্পত্তি হোৱা নাই আৰু কোনো ৰায় ও নাহিল। কিয় ইমান দিন পেণ্ডিং হৈ আছে? পুনৰবাৰ কৈছো যে "Justice delayed is justice denied". সদনৰ অন্তিম মুহূৰ্ত্তলৈকে যদি আমি Schedule-10 ৰ প্ৰয়োগ নকৰো, তেন্তে এনেকুৱা আইন থকাৰ কোনো মানে নাথাকিব। আমি আজি চাৰি বছৰ ধৰি এই পাঁচজন সদস্য-শ্ৰী বসন্ত দাস, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী শশীকান্ত দাস, শ্ৰী সিদ্দিক আহমেদ আৰু শ্ৰী শ্বেৰমান আলী আহমেদৰ বিষয়ে অভিযোগ প্ৰমাণসহ দিলো। কিন্তু এওঁলোকৰ ওপৰত একো সিদ্ধান্ত গ্ৰহণ কৰা নহ'ল। কিন্তু মহাৰাষ্ট্ৰ আৰু মণিপুৰৰ অধ্যক্ষৰ ক্ষেত্ৰত চুপ্ৰিম কোৰ্টে এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত নিষ্পত্তি কৰিবলৈ কৈছিল। মই পাঁচবছৰ সময় যথেষ্ট বুলি ভাৱো। যিহেতু সদন মাত্ৰ বছৰত ২০-২৫ দিনহে অনুষ্ঠিত হয়। বাকী সময়ছোৱাত যিহেতু কৰা নহ'ল, সেয়েহে সদনৰ এই অন্তিম সময়ত এনেকুৱা দল বিৰোধী কাৰ্য্যকলাপ কৰা লোকসকল আমাৰ মাজত নাথাকে তাৰ বাবে পুনৰবাৰ আপোনাক দাবী আৰু অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, ইয়াত মই সকলো কথা ক'ব নোৱাৰো আৰু ক'বও নাপায়। আমাৰ মাজত argument হ'ব ও নালাগে। এইটো ন্যায়ালয়ৰ কথা আৰু ন্যায়ালয়ত প্ৰক্ৰিয়া চলি আছে। মোক সংবিধানে যিখিনি কৰ্তৃত্ব প্ৰদান কৰিছে, সেই মতে মোৰ ফালৰ পৰা কৰি থকা হৈছে। এই অভিযোগৰ ওপৰত পোনপটীয়াকৈ যি action লোৱাটো বিচাৰিছে, সেই ধৰণে action ল'ব পৰাকৈ কোনো findings পোৱা নাই। আজি ইয়াত শাসকীয় দলৰ পৰা আদি কৰি সকলো দলৰ সদস্য উপস্থিত আছে। মই এটা কথা অনুৰোধ কৰিছো যে নিজৰ দলীয় সদস্য সকলৰ কাৰ্য্যকলাপৰ ওপৰত final সিদ্ধান্তটো দলে ল'লে ভাল হয়। আজিলৈকে দলে নিশ্চিত হৈ নিজৰ দলৰ দল বিৰোধী কাম কৰা সদস্যসকলক expel কৰিব যদি নোৱাৰে, কেৱল অধ্যক্ষৰ ওপৰত যদি এৰি দিয়ে, মই ভাৱো যে আমাৰ গণতন্ত্ৰৰ বাবে এইটো ঠিক নহয়। নিজে দায়িত্ব ল'লে বা ক'লে বেয়া হ'ব। কিন্তু অধ্যক্ষৰ হাতেৰে কৰিলে আমাৰ দোষ নাথাকে। গতিকে যদি expel কৰি দিয়ে তেতিয়া তেওঁ দলত নাথাকিব। আপোনালোকে suspend কৰি থাকে আৰু আপোনালোকৰ দলৰ সদস্যসকলৰ ওপৰত final সিদ্ধান্তটো আপোনালোকে ও ল'ব পৰা নাই। সিদ্ধান্ত লোৱাৰ বাবে দলৰো ক্ষমতা আছে। দলেও expel কৰিব পাৰে। কিন্তু দলে expel নকৰি সিদ্ধান্তটো আধাতে ৰাখি এক নিৰ্দ্দিষ্ট সময়ৰ বাবে suspend কৰি থাকে। যিজনে ন্যায় দিব তেওঁৰো বহুখিনি চাবলগীয়া থাকে। আপোনালোকৰ দলৰ যিমানখিনি ব্যক্তি আছে আজিও suspend হৈ আছে, expel কৰা হোৱা নাই আৰু সম্পূৰ্ণকৈ দলৰ পৰাও বাহিৰ কৰি দিয়া নাই। আনফালে তেওঁলোকে অন্য দলত যোগদানো কৰা নাই। হয় তেওঁলোকৰ বিৰুদ্ধে কিছুমান criticism আছে। কিন্তু সেইটোৱে Schedule-10 মতে ফাইনেল হ'ব নোৱাৰে। এইবাৰ যিহেতু সদন শেষ হ'ব, সেইকাৰণে মই এই কথাখিনি কৈছো। যিবোৰ অভিযোগ আহিছে, সেইবোৰ আমাৰ সদনৰ ভিতৰত নহয়। Schedule-10 ত এইটো ও আছে যে সদনৰ বাহিৰৰ ক্ষেত্ৰত অধ্যক্ষৰ কৰিবলগীয়া একো নাথাকে। কিন্তু সদনৰ ভিতৰত যদি কিবা থাকে, অধ্যক্ষই নিশ্চই এই বিষয়টো চাব আৰু

ব্যৱস্থা গ্ৰহণ কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি কৈছে যে আবেদনখন দুই মিনিট আগত পাইছে। কিন্তু দল বিৰোধী কাৰ্য্যকলাপত যিসকল লিপ্ত তেওঁলোকৰ ওপৰত অভিযোগ আমি দিছিলো। কিন্তু আপোনাৰ টেবুলত মাহৰ পিছত মাহ ধৰি পৰি আছে। .....Interruption..........

**মাননীয় অধ্যক্ষ ঃ** দলে ব্যৱস্থা ল'ব লাগিছিল। মাননীয় সদন, আপোনালোকে আপুনি expel কৰিব নোৱাৰাৰ কি কথা আছে?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি অভিভাৱক হিচাপে আপোনাৰ যিখিনি দায়িত্ব আৰু কৰ্তব্য সেইখিনি পালন কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই অভিভাৱক হিচাপে বুজাই আছো। কোনো দলে নিজৰ দল বিৰোধী মানুহ ৰাখিব নালাগে।........Interruption.......... এই ক্ষেত্ৰত কোনো বিতৰ্ক কৰিব নালাগে। মই এইটো বুজি পোৱা নাই যে নিজৰ দল বিৰোধী লোকসকলৰ ওপৰত একশ্যন কিয় ল'ব পৰা নাই?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আপোনাৰ ওচৰত অভিযোগ দিছো। আপুনি মাহৰ পিছত মাহ পেলাই থৈছে, ইয়াৰ ওপৰত কোনো সিদ্ধান্ত দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** মোৰ ইয়াত উত্তৰ দিবলগীয়া একো নাই। মাহৰ পিছত মাহৰ লগত কোনো কথা নাই।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিয়েই আপুনি ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰক।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়াই কেনেকৈ ব্যৱস্থা ল'ব পাৰিম? মই সঁচা-মিছা চাব লাগিব। আপোনালোকে স্পটত আছিল যদি তেতিয়া কিয় ব্যৱস্থা নল'লে? মইতো প্ৰচাৰ মাধ্যমতহে দেখিছো, সঁচা-মিছা নাজানো।...........Interruption......... মই নোটিচ পাইছো আৰু ইয়াৰ ওপৰত ব্যৱস্থা লম। কিন্তু নোটিচ পোৱাৰ লগে লগে ব্যৱস্থা ল'ব পাৰি নেকি?

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, বিধায়ক (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাত আমি তেওঁলোকৰ লগত কেনেকৈ একেলগে বহিম? আপুনি তেওঁলোকৰ ওপৰত ব্যৱস্থা ল'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** Politician সকলে একেলগে বহিবই লাগিব। আমি ইয়াত একেলগে বহা নাই জানো। নিজৰ নিজৰ মতত অথবা আদৰ্শত পাৰ্থক্য থাকিব পাৰে। বিধান সভাত দল নাথাকে আৰু অধ্যক্ষৰ দৃষ্টিত সকলো সদস্যই সমান প্ৰতিনিধি। দল সদনৰ বাহিৰত। দলৰ কিছুমান কথা আছে...........Interruption.........

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, বিধায়ক (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দল সদনৰ ভিতৰতো আছে। যি ধৰণে বিভিন্ন দলৰ সদস্য বি জে পি, কংগ্ৰেছ, এ আই ডি এফ আদি সদনৰ ভিতৰত বেলেগকৈ বহিছে। ভিতৰতো দলৰ কথা আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ দলৰ সংবিধান মতে সদস্য কেইজনক expel কৰিব পাৰে। কিন্তু আজিলৈকেতো নকৰিলে।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, expel কৰিলে তেওঁলোকৰ পদ বাহাল থাকিব। সেইকাৰণে যিটো Schedule-10 ত দিছে যে তেওঁলোকৰ পদ খাৰিজ হ'ব লাগে আৰু পুনৰ নিৰ্বাচন হ'ব

লাগে।...........Interruption......... যিহেতু জনমত আহিছিল কংগ্ৰেছৰ সপক্ষে। সেয়েহে কংগ্ৰেছৰ সপক্ষে বা বিপক্ষে যিয়ে ৰাইজৰ মতামত আহে তাৰ বাবে বিধান সভাৰ পৰা expel হোৱাটো বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে just নোটিচখন আজি দিছে। মই দিয়াৰ লগে লগে ইয়াৰ ওপৰত সিদ্ধান্ত ল'ব নোৱাৰো। কোৰ্টত কিবা এটা বিষয় গ'লে ন্যায়াধীশে লগে লগে ৰায়দান দিব পাৰে নেকি? তেওঁলোকে লগে লগে ৰায়দান দিব নোৱাৰে। মই নিশ্চিত ভাৱে এই বিষয়টো চাম।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকক full Rulling অহালৈকে তেওঁলোকক suspend কৰা যায়। সেইখিনি কৰিলেও আমি সন্তুষ্ট হ'ম।

**মাননীয় অধ্যক্ষ ঃ** নহয়। মই কৈছো তাৰ কাৰণে within minutes ত যদি সিদ্ধান্ত ল'ব লাগে তেনেহ'লে দেশত কি থাকিব। Complaint তো সকলোৱে দিব পাৰে আৰু লগে লগে যদি তাৰ ওপৰত action হয়.......

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** ছাৰ, complaint নহয়, আপোনাক তথ্য সহকাৰে প্ৰমাণ দিয়া হৈছে। আপুনি যদি বিধান সভাৰ guardian হৈ কোনো সিদ্ধান্ত......

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** আমি সদন ত্যাগ কৰিছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** আমি সকলোৱে সদন ত্যাগ কৰিছো।

**(কংগ্ৰেছ দলৰ সদন ত্যাগ)**

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো অধিকাৰ আছে। সদন ত্যাগ কৰিব পাৰে। কাৰণ সদন ত্যাগ কৰাতোও এটা discipline.

(শাসকীয় পক্ষ ঃ এইটো ৰেকৰ্ডত থাকিব লাগে যে অখিল গগৈ ডাঙৰীয়াৰ কাৰণে সদন ত্যাগ হ'ল)

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য, সদনৰ clarification ৰ কাৰণে ক'ব বিচাৰো...

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, এটা বাক্য ক'ব বিচাৰিছো....

**মাননীয় অধ্যক্ষ ঃ** Sit down please. কোনো তৰ্ক নচলিব। যিসকলে যাব বিচাৰে তেওঁলোকে যাব পাৰে। এইটো আমাৰ ৰুলত আছে। এতিয়া, সন্মানীয় সদন, যি অপ্ৰীতিকৰ বাতাবৰণ এটা ইয়াত সৃষ্টি হ'ল, অধ্যক্ষৰ ওপৰত এটা অভিযোগ অনা হ'ল, সেইটো ভাল কথা নহয়। এনেকুৱা হ'ব নালাগে। কোনোবা বিধায়কে নিজৰ দল এৰি অন্য দললৈ গৈছে সেইটো অধ্যক্ষৰ দায়িত্ব নহয় আৰু সেইবোৰ কৰিলে আমাৰ নিয়ম আছে, সেই নিয়ম অনুযায়ী ব্যৱস্থা লোৱা হ'ব। এইমাত্ৰ ১০ মিনিট মান আগত মই ন'টিচ পাইছো সন্মানীয় বিৰোধী দলৰ দলপতিৰ পৰা আৰু তেনেকৈ individually অন্য সদস্যসকলেও মোক অভিযোগ দিছে। এটা দলৰ পৰা দুই- তিনিখন পিটিশ্যন পাইছো। গতিকে একেলগে ল'বও পাৰা নাই আৰু দল বিৰোধী কাৰ্য্যকলাপৰ ক্ষেত্ৰত অভিযোগ অধ্যক্ষক আগৰে পৰাই দি আহিছে। কিন্তু দলে নিজেই ইয়াৰ ওপৰত এটা final decision ল'ব পাৰা নাই, only suspension. Expel য়েই কৰিব পৰা নাই। দলে নিজেই যদি সিদ্ধান্ত ল'ব নোৱাৰে অধ্যক্ষক অভিযোগ কৰাৰ কি অৰ্থ থাকে? দলে যদি বিবেচনা কৰি দল বিৰোধী কাম কৰাৰ ক্ষেত্ৰত দলৰ পৰা বহিষ্কাৰ কৰিব পৰা নাই , এজন অধ্যক্ষই কোনোবাই অভিযোগ দিলেই লগে লগে কৰিব নোৱাৰে আৰু 10th Schedule ত সেইটো নাই। 10th Schedule ৰ মতে হয়তো দলে তেওঁক suspend কৰিব লাগিব নহ'লে তেওঁ পাৰ্টী ৰিজাইন দিব লাগিব বা কোনোবা

বেলেগ দলত যোগদান কৰিব লাগিব। গতিকে আগৰ বিষয়বোৰ আৰু যিটো অভিযোগ আছিল সেইটো 10th Schedule মতে নহ'ল আৰু আমি judgement টো দিছো। কিছুমান বিষয়ত এতিয়াও argument চলি আছে। কিছুমান সদস্য আছে যিসকল suspend হৈ আছে কিন্তু দলৰ পৰা expel হোৱা নাই। দলে এতিয়াও final decision লোৱা নাই। গতিকে আমাৰ নিয়মটো হ'ল বিধান সভাৰ ভিতৰত যদি তেনেকুৱা ধৰণৰ যদি দল বিৰোধী কাম-কাজ কৰে তেতিয়া ইয়াৰ ওপৰত অভিযোগ দিয়াৰ লগে লগে 10th Schedule ৰ দ্বাৰা action লোৱা হ'ব। কিন্তু আজিলৈকে suspended বিধায়কসকলে পাৰ্টীৰ কামাণ্ড মতে চলি আছে। মইতো তেখেতসকলক ধন্যবাদ দিম যে suspend হোৱাৰ পিছতো তেওঁলোকে দলৰ কামাণ্ড মতে attend হৈ আছে আৰু even দলৰ favour ত ভোট দি আছে। গতিকে এইবোৰ মোৰ দোষ নহয়। যেতিয়া ভোট হৈছিল তেতিয়া ভোটো ল'ব নালাগিছিল। গতিকে সেইটোৰ কাৰণে দায়িত্ব সকলোৰে আছে আৰু সকলোতকৈ ডাঙৰ দায়িত্ব আছে দলটোৰ। দলে নিজৰ মাজতেই বিচাৰ কৰিব লাগে আৰু মাজতে ফাইনেল সিদ্ধান্ত আৰু তাৰ পিছত যদি কৰ্তৃত্ব প্ৰদান কৰে, ইয়াৰ ওপৰত definite action হ'ব। গতিকে এতিয়া বিৰোধী দলৰ দলপতি আৰু বিৰোধী দলৰ অন্য সদস্যসকলে যিজন সদস্যই নিজৰ দল এৰি বেলেগ দলত যোগদান কৰাৰ অভিযোগ দি dis-qualification ৰ কথা কৈছে সেইটো আমি নিশ্চয় বিবেচনা কৰিম আৰু ইয়াৰ ওপৰত ব্যৱস্থা ল'ম। সংবাদ মাধ্যম বা কোনোবাই অভিযোগ দিয়াৰ লগে লগে মই কোনো সন্মানীয় সদস্যৰ ওপৰত action ল'ব নোৱাৰো। সদনৰ ভিতৰত সকলো সদস্যই সমান। ইয়াত পদবীৰ লগত কোনো সম্পৰ্ক নাই। ইয়াত আমি ৰাজ্যৰ প্ৰতিনিধি হিচাপে সকলোকে সমান দৃষ্টিৰে চাওঁ আৰু সকলোৰে ভূমিকা সমান। গতিকে ইয়াত কোনো misunderstanding থাকিব নালাগে আৰু ৰাজনীতি কৰা মানুহবোৰেও ভৱিষ্যতে এনেকুৱা হ'ব নালাগে যে নিজেই নিজৰ দলত থাকিব আৰু নিজৰ দলক ভাল নাপাব। গতিকে দলক ভাল নোপোৱা কেইজনে ৰিজাইন দি দিব লাগে । তেতিয়া এই সমস্যাটোৰ সমাধান হৈ যায়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আপোনাৰ ক্ষেত্ৰত আজি কংগ্ৰেছ দলে যিখিনি কথা কৈছে সেইখিনি কথা আমি প্ৰত্যক্ষ কৰিছো আৰু দেখিছো যে আপুনিও Rules and Procedures and Conduct of Business in Assam Legislative Assembly ৰ 10th Schedule মতে আপুনি নিজৰ কামখিনি ঠিকমতে কৰি আছে। আমি সদনত সেই কথাখিনি বিবেচনা কৰো আৰু আপোনাৰ যিটো সিদ্ধান্ত সেই সিদ্ধান্তক আমি ধন্যবাদ জনাইছো আৰু আদৰণি জনাইছো এই সিদ্ধান্তক। সম্পূৰ্ণ গণতান্ত্ৰিক সিদ্ধান্ত লৈছে। আপুনি এক পক্ষীয় কোনো সিদ্ধান্ত লোৱা নাই। গতিকে আজি সদন যে ত্যাগ কৰিলে, সদন ত্যাগ কৰি আজিৰ দিনটোত মই ভাবো আপোনাৰ প্ৰতি এটা অপমানসূচক ব্যৱস্থা কংগ্ৰেছ দলে লৈছে আৰু সেই কথাটো আমি ভাল পোৱা নাই। আমি আপোনাৰ কথাখিনি সম্পূৰ্ণ সমৰ্থন কৰিছো আৰু আপোনাক আমি ধন্যবাদ দিছো আৰু আপোনাৰ মনত যিটো আজি দুখ সেই দুখখিনিও আমি উপলবদ্ধি কৰিছো। আমি অনুৰোধ কৰিছো যে আপুনি ইমান ভালদৰে সদন চলোৱাৰ পিছতো আজিৰ শেষৰ দিনত, শেষৰ অধিৱেশনত আজি এটা প্ৰধান দল কংগ্ৰেছৰ এই কথাখিনি আমি উচিত হোৱা নাই বুলি বিবেচনা কৰিছো আৰু এই ঘটনাটোক আমি নিন্দা কৰিছো আৰু আপোনাৰ প্ৰতি আমি পূৰ্ণ সমৰ্থন আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Question No.21.

**শ্ৰী ছামছুল হুদা, (বিলাসীপাৰা পূব )** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিৰছিং জৰুৱা সমষ্টিৰ ধিৰেশ্বৰ তাৰাংগাপুৰৰ পৰা নিলখীয়া বাংলাদেশলৈ মুঠ ৩৬ টা গাঁও পঞ্চায়ত আছে। এই ৩৬ টা গাঁও পঞ্চায়তেই হৈছে ব্ৰহ্মপুত্ৰৰ ইপাৰ আৰু সিপাৰ। এই সমষ্টি কেইটাৰ ৩৬ টা গাঁও পঞ্চায়তৰ maximum গাঁও পঞ্চায়তেই গৰাখহনীয়াৰ কৱলত পৰিছে। তাৰ ভিতৰত বাউস্‌কাৰা, হাজিৰপাৰা, বিৰছিং জৰুৱা, মোল্লাপাৰা, নিচিনপুৰ, বুঢ়া-বুঢ়ী থান আৰু নিচিনপুৰ গাঁও পঞ্চায়ত, ছিয়াগুৰি, ফুলগাচাপাৰা, হিন্দুপাৰা, ফকিৰগঞ্জ হামিদাবাদৰ অহাৰ্ব্বাজায়েদা ভাঙি একেবাৰে শেষেই পাইছে। হামিদাবাদ হাইস্কুল এতিয়া প্ৰায় ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ অৱস্থা। আমাৰ ধিৰেশ্বৰ তাৰাংগাপুৰ গাঁও পঞ্চায়তৰ একেবাৰে শেষেই পাইছে। বন্দিহানা, সুন্দৰপাৰা আৰু বাউস্‌কানা গাঁও পঞ্চায়ত, পৰাশৰ গাঁও পঞ্চায়ত, মেদেৰটাৰি গাঁও পঞ্চায়ত এনেকৈ প্ৰায় ৩৬ টা গাঁও পঞ্চায়তেই ব্ৰহ্মপুত্ৰৰ ইপাৰে আৰু সিপাৰে গৰাখহনীয়াৰ কৱলত পৰিছে। ইয়াত উত্তৰত কোৱা হৈছে যে আমাৰ ফকিৰগঞ্জত মন্ত্ৰী মহোদয়ে ভালে কেইটামান স্কীম দিছে। কিন্তু সেইকেইটা স্কীম অহাৰ্ব্বাজাৰত দিছিল যদিও ঠাইখন এতিয়া ব্ৰহ্মপুত্ৰৰ কৱলত পৰিছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আমাৰ ব্ৰহ্মপুত্ৰৰ ইপাৰে-সিপাৰে permanent মথাউৰিৰ ব্যৱস্থা কৰিব পাৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** Hon’ble Minister.

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী, সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগ ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় বিধায়ক গৰাকীৰ পৰা এটা কথা জানিব বিচাৰিছো যে ফকিৰগঞ্জ এলাকাটো তেখেতৰ সমষ্টিৰ অন্তৰ্গত নেকি ?

**শ্ৰী ছামছুল হুদা, (বিলাসীপাৰা পূব )** ঃ এতিয়া পৰিছে।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী, সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগ ঃ** অধ্যক্ষ ডাঙৰীয়া, তেঁওৰ সমষ্টিত এতিয়া পৰিছে কাৰণে তেখেতে গম নাপায় আমি তাত কিমান কাম কৰিছো। আজিৰ দিনটো বাদ দি তেখেতে কেতিয়াও মোক ফকিৰগঞ্জৰ কথা কোৱা নাই। এদিন মই মানকাচাৰলৈ গৈছিলো, মই ধন্যবাদ জ্ঞাপন কৰিম শ্ৰী ওৱাজেদ আলি ডাঙৰীয়াক। কোনোপধ্যে মোৰ সময় নাছিল ফকিৰগঞ্জলৈ যোৱাৰ, মই ঘূৰি আহিব লাগে। এক প্ৰকাৰ মোক জোৰ-জুলুম কৰি ওৱাজেদ আলি ডাঙৰীয়াই ফকিৰগঞ্জলৈ লৈ গৈছিল। গৈ দেখিলো সঁচাকৈ ভয়াবহ অৱস্থা। তাৰ ভয়াবহ অৱস্থাটো দেখি আমি প্ৰায় ২৬ কোটি টকাৰ কাম immidiately কৰিছো।
৮২ কোটি ১৮ লাখ টকাৰ ADB ৰ পৰা sanction লৈ tender কৰিলো আৰু কাম ইতিমধ্যে আৰম্ভ হ'ব। অধ্যক্ষ ডাঙৰীয়া তেখেতৰ সমষ্টিত অন্য কেইটামান ঠাইত ৭ টা scheme ত under PDMA ১৬ কোটি টকাৰ কাম আমি ইতিমধ্যে হাতত লৈছো। মই কেতিয়াও অস্বীকাৰ নকৰো মই ৫ বছৰ ধৰি কৈ আছো যে আমি পৰ্য্যায়ক্ৰমে কামখিনি কৰিব লাগে। অসমৰ সমস্যাটো একে দিনাই সম্ভৱ নহয় লগতে এইটোও কৈছিলো যে অসমত এই মূহুৰ্ত্তত ৭০-৮০ শতাংশ বানপানী নাইকিয়া হৈছে। কাৰণ ১০০০ কি.মি. মঠাউৰি আমি বনাইছো। গতিকে ক'ৰবাত নহয় ক'ৰবাত definitely থাকিব। কিন্তু তাৰ মাজতো আমি কাম কৰিছো। অধ্যক্ষ ডাঙৰীয়া যোৱাকালি এটা clarification দিব নাপালো। তেখেত সদস্য গৰাকী ওলাই গ'ল। অখিল গগৈ ডাঙৰীয়া ইয়াত থাকিলে তেখেতক এটা অনুৰোধ কৰিলো হয় কথা এটা উঠাই ল'বলৈ। কালি তেখেতে এটা কথা ক'লে কিন্তু মই পিছতহে T.V চাই গম পালো। মই অলপ সময় লৈ ক'ব বিচাৰিছো যে মোৰ আৰু চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ মাজত কাজিয়া হ'ব বিচাৰিছিলে আৰু আপোনাক পুলিচ

দিব লাগে বুলি কৈ আছিল। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া মই এইখন সদনৰ যি কেইজন ব্যক্তিক সকলোতকৈ বেছি সন্মান কৰো তাৰ ভিতৰত নিশ্চয়কৈ এগৰাকী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া। মই কথাটো হুলস্থুলৰ মাজত গম পোৱা নাছিলো। কিন্তু যেতিয়া ৰাতি T.V ত দেখিলো তেতিয়া মই স্তম্ভিত হৈ গ'লো। সন্মানীয় সদস্য গৰাকীক মই এই কথা নক'বলৈ অনুৰোধ জনাইছো। তেখেত যদিও নাই, কিয় নাই তেখেতে গম পাব। মই কালিৰ কথাটোত clarification এটা দিওঁ কাৰণ ADB ৰ কাম তেখেতৰ সমষ্টিত প্ৰায় ২০৫ কোটি টকা ৰ কাম চলি আছে। অধ্যক্ষ ডাঙৰীয়া ADB ৰ project ত আমি অসমত প্ৰায় ৩,৫০০ কোটি টকাৰ কাম কৰি আছো। ২০৫ কোটি টকাৰ কাম এইবাৰ শিৱসাগৰ সমষ্টিত কৰি আছে। অধ্যক্ষ ডাঙৰীয়া তেখেতে loan ৰ কথা ডাঙৰ ডাঙৰকৈ কয় আৰু loan ক ঘৃণা কৰে। তেখেতক মই অনুৰোধ কৰিছো যে তেখেতৰ সমষ্টিত loan ৰ টকাৰে কৰা কামকেইটা নকৰিবলৈ অনুৰোধ কৰিব লাগে। অধ্যক্ষ ডাঙৰীয়া শেষত এটা কথা কওঁ কালি সুবিধা নাপালো কাৰণে আজি কওঁ এইখন ভাৰতত পাঞ্জাৱ চৰকাৰৰ loan আছে ৪ লাখ ১৭ হাজাৰ কোটি, কৰ্ণাটক চৰকাৰৰ loan আছে ৭ লাখ ৭৪ হাজাৰ কোটি, পশ্চিমবংগ চৰকাৰ যাক তেওঁ আদৰ্শ মানে তেওঁলোকৰ loan আছে ৭ লাখ ৯ হাজাৰ কোটি, তেলেংগণা চৰকাৰৰ loan আছে ৬ লাখ ৮০ হাজাৰ কোটি আৰু অসমৰ চৰকাৰৰ loan হ'ল ১ লাখ ২৭ হাজাৰ কোটি অধ্যক্ষ ডাঙৰীয়া। ইয়াতে সকলো সদস্যই loan ৰ ওপৰত বহুত বেয়াকৈ কয়। সদনক বিপথে পৰিচালিত নকৰিবলৈ অনুৰোধ কৰিছো। যদি সদস্য গৰাকীয়ে কথাখিনি lobby ত শুনি আছে পাৰিলে এবাৰ মোৰ ওচৰত আহি কথাখিনি ক'বলৈ অনুৰোধ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰী ছামছুল হুদা, পূৱ বিলাসীপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩.১০ মিনিট.......... সুন্দৰপাৰাৰ বালাতাৰি, হামিদাবাদ হাইস্কুল, Higher Secondary, নিচিনপুৰৰ বুঢ়া-বুঢ়ী নিচিনপুৰ বা চিৰাকুটি গাওঁ পঞ্চায়তৰ গকুলগছা হিন্দুপাৰা এইকেইটা একেবাৰে নদীৰ গৰাখহনীয়াত ভাঙি পৰিছে। এই কেইটা ৰক্ষা কৰি আমাক সুবিধা কৰি দিব পাৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** ঠিক আছে কামখিনি কৰিবলৈ চেষ্টা কৰিম। এই মূহুৰ্ত্তত permanent কাম কৰাটো অসুবিধা। যিহেতু নিৰ্বাচনলৈ আমাৰ ১৫-২০ দিন আছে। গতিকে temporary কাম কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন। এইটো শেষ session আৰু মই হয়তো অধ্যক্ষ হৈ নাথাকিম তথাপিও মই ভৱিষ্যতৰ কাৰণে ইয়াত কিছু কথা আৰু আপোনালোকৰ পৰাও যদি সেইটোৰ ওপৰত আলোচনা কৰে প্ৰশ্নকালীন ঘন্টাৰ সময়ত সেইটোত অসুবিধা নাই। এতিয়া সমস্যাটো হ'ল কংগ্ৰেছ দলে walk out কৰিলে কিন্তু আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়া এতিয়াও সদনতে আছে। এতিয়া মোক যদি কালি notice দিয়ে কংগ্ৰেছে যে তেখেতক disqualification কৰিব লাগে আকৌ যদি কংগ্ৰেছে কয় তেখেতক আমিয়ে থৈ আহিছো, তেনেক্ষেত্ৰত মই কি বুজি পাম? সন্মানীয় সদস্যজনে নিজৰ risk ত আছে নে কংগ্ৰেছে তেখেতক অকলে থৈ গৈছে যে সকলোবোৰ আহিলে বেয়া হ'ব, গতিকে কি কথা পাতে অলপ শুনি লোৱা। যদি সদনত কোনোবাই দলৰ command টো নামানে যদি দলে তেওঁক disqualification ৰ বাবে কয় তেওঁলোকৰ command নামানাৰ বাবে তেতিয়া কিন্তু সেইটো disqualification হৈ যায়। আব্দুৰ ৰশিদ

মণ্ডল ডাঙৰীয়াই সেইটো নাজানিব ও পাৰে। নজনাকৈ বহিব পাৰে মই কথাটো কৈ দিছো। কাৰণ এতিয়া party য়ে walk out কৰিছে। মই জনাত কিন্তু মোক party য়ে লিখিত দিয়া নাই আৰু কোৰাও নাই কিন্তু আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়াৰ এটা বিশেষ বিষয় আছে। তাৰ কাৰণে তেখেতক আমি consider কৰিছো। মোক কিন্তু এতিয়াও দলপতিয়ে কোৱা নাই। কথাবিলাক সদনৰ নিয়ম বিলাক বুজিবৰ বাবে কৈ আছো। আমাৰ নিয়মটো হ'ল party এটাই যেতিয়া walk out কৰে তেতিয়া কোনো party ৰ সদস্যই তাত ভাগ নলয়। ভৱিষ্যতৰ কাৰণে মই কৈছো যাতে কোনোবাই জগৰীয়া কৰিলেও এই কথাটো বুজি পায়। মই সদস্য এজনক মোৰ পৰা command দিব নোৱাৰো। মই কোনো partyৰ মানুহ নহয়। তেখেত থকাটোও মই বেয়া নাপাওঁ কিন্তু মই কথাটো বুজাই দিছো। 10th schedule ৰ কথাটো কি? disqualification ৰ কথাটো কি? Party ৰ কথা অৱমাননা কৰা কেইজনমান বিধায়কৰ ওপৰত যিটো অভিযোগ দি আছে, এতিয়া আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়াই party ৰ কথা মানিছে নে মানি চলা নাই, এতিয়া সদন চলিয়ে আছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, পূৰ গুৱাহাটী ঃ** অধ্যক্ষ মহোদয়, আপুনি যিটো Rule ৰ কথা ক'লে সেই কথাটো সঠিক। কিন্তু তাত এটাই কথা আছে যদি হুইপ দিছে আৰু হুইপ দিয়াৰ পিছত সদস্যজনে সেই হুইপ অমান্য কৰিছে তেতিয়াহে diqualification ৰ কথা আহে। এনে আমি walk out কৰিলো বুলি ক'লে সেইটো হুইপ দিয়া নহয়। গতিকে যেতিয়ালৈকে দলে one line হুইপ হওঁক বা two line হুইপ হওঁক তাৰ পিছত three line হুইপ হওঁক তেতিয়াহে তেখেতৰ disqualification ৰ কথা আহে, otherwise নাহে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া হুইপ টো অধ্যক্ষই নাজানে, তেখেতসকলে কালি আকৌ ক'ব মোক যে তেখেতে মনা নাই, তেওঁলোকৰ party ৰ মাজত নিয়ন্ত্ৰণ কি মই কেনেকৈ বুজি পাম এতিয়া।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, পূৰ গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মই গোটেই কথাখিনি শুনিলো, শুনি মই বৰ দুখ পাইছো। এই কাৰণে দুখ পাইছো যে অধ্যক্ষৰ নিৰপেক্ষতাৰ ওপৰত তেওঁলোকে এটা question mark কৰিছে। এইটো কিন্তু খুব অনুচিত। কিয়নো এই কাৰণে অনুচিত যে তেখেত সকলে যদি কৈছে যে তেখেতসকলৰ এজন সদস্যই দল ত্যাগ কৰিছে। আপুনি এটা Judicial process ৰ মাজেৰে গৈ হে সেই সিদ্ধান্তটো ল'ব পাৰিব। এইটো এনেকুৱা নহয় যে তেওঁলোকে ক'লে এজন সদস্য আমাৰ party ৰ পৰা গ'ল আপুনি নামটো strike out কৰি দিলে, তেনে নহয়। আপুনি সেইটো কৰিব নোৱাৰে। আপুনি কৰিব লাগিব কি যিজন সদস্যৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে তেখেতক আপুনি এটা chance দিব লাগিব। To say whether he has genuinely left the party or not. তেওঁ যদি লিখিতভাৱে আপোনাক নজনায় যে তেওঁ কংগ্ৰেছ দল ত্যাগ কৰা নাই তেতিয়াহ'লে কিন্তু তেওঁ disqualification নহয়। এইটোৱে পৰম্পৰা আপুনি যদি পূৰণি বিধানসভাৰ proceeding বোৰ চায়। গতিকে মই ভাৱো আপুনি যিখিনি পদক্ষেপ লৈছে সঠিক হৈছে। মই ব্যক্তিগত ভাৱে সদায় এটা কথা অনুভৱ কৰো যে You never questioned the Judge, You can questioning its judgement, not the Judge. ময়ো High Court ত ৩০ বছৰ ওকালতি কৰিছো। কোনোবা এজন বিচাৰপতিয়ে যদি কিবা এটা সিদ্ধন্ত দিছে, মই তেওঁৰ সিদ্ধান্তটোৰ ওপৰত প্ৰশ্ন কৰিব পাৰো কিন্তু Judge জনক মই প্ৰশ্ন কৰিব নোৱাৰো। Judge জন নিৰপেক্ষ হয় নে নহয় that's not for anybody to decide. গতিকে এইটো এটা পৰম্পৰা যিটো পৰম্পৰা

আজি বিধানসভাৰ শেষ অধিবেশন চলি আছে। এইটো অনুচিত আছিল and I feel this should go on record.

মাননীয় অধ্যক্ষ ঃ ঠিক আছে। এইটো থাকিব।

এতিয়া প্ৰশ্ন নং ২২ শ্ৰী নজৰুল হ'ক। অনুপস্থিত।

প্ৰশ্ন নং ২৩ শ্ৰী জাকিৰ হুছেইন লস্কৰ। অনুপস্থিত।

**মাননীয় অধ্যক্ষ ঃ-** প্ৰশ্ন নং ২৩ শ্ৰী জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী পীয়ুষ হাজৰীকা, মন্ত্ৰী ঃ-** অধ্যক্ষ ডাঙৰীয়া উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, বিধায়ক ( হাইলাকান্দি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো কোৱা নাই যে মন্ত্ৰী মহোদয়ৰ পৰা আমি হাইলাকান্দি বা বৰাকভেলী পোৱা নাই। বৰাকভেলীত ডাঙৰ ডাঙৰ স্কীম পাইছে। সেইটো হয়, আমি মানি লৈছো। কিন্তু এই যিটো হাইলাকান্দিৰ কাৰণে বিপদজনক অৱস্থা। আমি আপোনাৰ মাধ্যমে মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিছো তেখেতৰ এই Strength আছে। যদি এই ১৫০ , ২০০ মিটাৰ জেগাটো যদি Clear কৰি দিয়ে তেনেহ'লে চাৰিটা বাগান আছে ১ লাখৰ ওপৰত মানুহৰ ঘৰবাৰী আছে। গোটেই খিনি Clear হৈ যায়। আৰু তাৰ লগত এটা কথা আছে, যে temporary যিটো কাম হৈছিলে Last year ত সেই temporary কামতো এতিয়ালৈকে Work order হোৱা নাই। তাৰ কাৰণে আমাৰ Local Officer বিলাকে এই ঠিকাদাৰ বিলাকক হেচা দিব নোৱাৰিলে। এই কামটো অতি সোনকালে সমাধান কৰিব লাগে। এইটো মন্ত্ৰী মহোদয়ৰ কাৰণে অলপ আগতে কৈছে, তেখেতক এটা কথা কৈছো যে Loan ৰ পইচা মুখ্য মন্ত্ৰী মহোদয়ে যেতিয়া সদনত কৈছিলে যে কাৰ কাৰ নালাগে? তেতিয়া এজন মেম্বাৰেও কোৱা নাই যে মোক নালাগে। তেতিয়া এটা কথা কৈছিলে, বিশেষকৈ Loan লৈ চিএওৰ বাঘক কৰা মানুহজন হৈছে আখিল গগৈ ডাঙৰীয়া।

**মাননীয় অধ্যক্ষ ঃ-** প্ৰশ্নটো কৰক।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, বিধায়ক ( হাইলাকান্দি)ঃ** ছাৰ, একমিনত, তেখেতে শিৱসাগৰৰ কথাতো কেতিয়াওঁ নামানে,আমি কৈছো যে মন্ত্ৰী মহোদয়ে যেনে তেনে আমাৰ কামতো কৰি দিব লাগে।

**শ্ৰী পীয়ুষ হাজৰীকা, মন্ত্ৰী ঃ-** অধ্যক্ষ ডাঙৰীয়া তেখেতৰ কথাতোৰ ওপৰত আমি Study কৰিছেলো বিভাগে, NIT Silchar ক দিওঁ আমি Survey কৰাইছিলো, Resource কৰাইছিলো। এটা সমস্যা আছে, মই photo কেইখন লৈ আহিছো। আপোনাৰ যোগেদি সন্মানীয় সদস্যজনক দিব পাৰিম । অধ্যক্ষ ডাঙৰীয়া এই অঞ্চলটো তেখেতে কাটাৰ কথা কৈছে। ইয়াত সমস্যাতো হ'ল এই গোটেইখিনি ম্যদি মাটি। কাটি দিব আমি একসপ্তাসতে পাৰিম, সেইটো ডাঙৰ issue নহয়। কিন্তু অধ্যক্ষ ডাঙৰীয়া আমি Water Resource department য়ে এটা সিদ্ধান্ত লৈ থৈছো Cabinet ত যেWater Resource department. য়ে একো কামত Land acquisition cost নিদিয়ে। অধ্যক্ষ ডাঙৰীয়া আমি য'ত মঠাউৰি বনাওঁ, সেই মঠাউৰিতো ক'ত বনাম। সেই অঞ্চলটোৰ মানুহক protection কৰিব লাগিব। বানপানী হোৱা মানে তেওঁলোকৰ ক্ষতি হোৱা । গতিকে মানুহক আমি বুজাওঁ আপোনালোকে অলপ মাটি এৰি

দিয়ক আমি মঠাউৰি বনাওঁ। এতিয়া issue খিনিক বুজাব লাগিব অলপ মাটি এৰি দিয়ক, আমি এই চেনেলটো কাটো আৰু আ পোনালোকক আমি বচাওঁ। অধ্যক্ষ ডাঙৰীয়া Land acquisition cost যিহেতু আমি দিব নোৱাৰো , গতিকে আমি এইটো কাটি দিবলৈ অপাৰগ, যেতিয়া লৈকে তেখেতৰ সমষ্টিৰ মানুহকিনিক convince নকৰে যে আপোনালোকে অলপ মাটি এৰি দিয়ক। আমি চেনেল এটা কাটি, নদীখনৰ যে বহুত দূৰৰ পৰা ঘূৰি আহিব লাগে সেইটো বচাওঁ পিছত পিচফালৰ মানুহখিনি বাচি যাব। গতিকে অধ্যক্ষ ডাঙৰীয়া বলতো তেখেতৰ ওপৰতে, তেখেতৰ সমষ্টি, তেখেতে মানুখিনিক বুজাওঁক, মাটিখিনি আমাক উলিয়াই দিয়ক, আমি Immediately তাতে extravsation কাম কৰি দিম।
মাননীয় অধ্যক্ষ ঃ ঠিক আছে। হ'ব?

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, বিধায়ক ( হাইলাকান্দি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো হয় যে Water Resource যে এটা পৰিকল্পনা লৈছে। কথাতো হ'ল গোটেইখিনি ম্যাদি মাটি।

মাননীয় অধ্যক্ষঃ-। আপোনালোকলৈ ললে, ।
**শ্ৰী জাকিৰ হুছেইন লস্কৰ, বিধায়ক ( হাইলাকান্দি)ঃ** নহয় ছাৰ। যি মানুহবিলাক আছে সিহতৰ ইমান land নহয়। তাৰ যিটো যাব Kindly এটা স্কীম Consider ৰৰ কাৰণে আমি কৈছো। আমি বাকী বিলাকক কোৱা নাই। মন্ত্ৰী ডাঙৰীয়াই assurance দিলে , তেখেতে কৈছে আমি কৰি আছো। particular এটা স্কীমৰ কাৰণে এই মাটিতো আমি ল'ব লাগিব।

**শ্ৰী পীযুষ হাজৰীকা মন্ত্ৰী ঃ-** ঠিক আছে, আপোনি মোক Question hour শেষ হোৱাৰ পিছত এবাৰ লগ ধৰিব। মই চাই দিম। মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেখেতে আৰু এটা কথা কৈছিলে, এটা ৩ কোটি ৪৮ লাখৰ স্কীমৰ কথা। সেইটো sanction ইতিমধ্যে হৈছে আৰু কাম তাত চলি আছে। sanction হৈ গৈছে।

**মাননীয় অধ্যক্ষঃ-** শ্ৰী ছুজাম উদ্দিন লস্কৰ।

**শ্ৰী ছুজাম উদ্দিন লস্কৰ , বিধায়ক ( হাইলাকান্দি) ঃ-** অধ্যক্ষ মহোদয়, আমাৰ হাইলাকান্দিত দুটা সমষ্টি। হাইলাকান্দি আৰু আলগাপুৰ, কাটলিচৰা , এই দুটা সমষ্টিত নিমাইচনপুৰ যিটো Village ৰ পচলাৰ যিটো বান্ধ ডাঙিছিলে তাতে হাজাৰ হাজাৰ গাওঁ ক্ষতিগস্থ হৈছে। Temporary যিটো কমি হৈছে চলি আছে, আমি ১৫ দিন আগতে তাতে গৈছিলো। এইটো কাম ইমান বেয়াকৈ হৈ আছে, ৰাইজে এইটো Complain কৰি আছে। জনপ্ৰতি নিধিৰ ল'ৰাই কাম কৰি আছে। ডাঙৰ ডাঙৰ স্কীম Sanction হৈছে। কিন্তু জনপ্ৰতিনিদিৰ ল'ৰা বিলাকে কাম কৰি আছে। এই বিলাক কামত আমি আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, যে কমাচেকম হাইলাকান্দি জিলা অধিপতিক এটা enquiry immediate দিব লাগে,২৪ ঘণ্টাত report টো আহিব লাগে। কিয় আমাৰ হাইলাকান্দি জিলাখন যদি এইটো বান্ধ Reparing নহয়। তেনেহ'লে পোৱা জিলা হ'ব।

মাননীয় অধ্যক্ষ ঃ- ঠিক আছে.

**শ্ৰী পীয়ুষ হাজৰীকা, মন্ত্ৰীঃ**- অধ্যক্ষ ডাঙৰীয়া তাতে এটা সমস্যা হৈছে। এটা সমষ্টিতে তিনিজন বিধায়ক অহাবাৰ কোন হ'ব পাৰে তেওঁলোকৰ মাজত Competion আছে। গতিকে তেওঁলোকে ইজনে সিজনক মাৰেই। তথাপিও তেখেতে যিটো কথা কৈছে strongly enquiry কৰিম তাত কোনো ধৰনৰ Compromised নকৰো।

মাননীয় অধ্যক্ষঃ- ঠিক আছে। " হুলস্থুল" Please sit down Question 20.24 abesent then Q. No, 25 Khallidun Mazumdar absent, Q,No. 26 Aminul Islam ডাঙৰীয়া।

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, মন্ত্ৰীঃ**- Hon'ble Speaker sir Answer is late in the House.

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, বিধায়ক(গোৱালপাৰা পশ্চিম)ঃ**- মাননীয় অধ্যক্ষ মহোদয় উত্তৰ খিনি আছে ইয়াতে। উত্তৰ বিলাক আংশিক ভাৱে শুদ্ধ, আংশিক ভাৱে নোকোৱাকৈ থাকিল। যেনেকৈ কৈছে যে misappropriation হোৱা নাই enquiry Comittee য়ে কৈছে, report বিলাক চাইছে।simple টো কথা কলৈ misappropriationৱাকাফ সম্পত্তিৰ হৈছেনে নাই ? ৱাকাফ ভৱন নিৰ্মাণৰ কাৰণে তাত ৩৭ লাখ টকা খৰচ হৈছিলfunction টো পতাৰ নামতেই। এটো House Committee য়ে enquiryকৰি পাইছে। গতিকে যিখিনেকি enquiry কৰিব দিয়া হৈছিল আৰু তাতো আজি দেখা গৈছে, চৰকাৰেJustify কৰি পেলায় replyদিছে। তাৰবাৰে মই সাংঘাটিক আচৰিত হৈছো। যে এটা হজ ভৱন নিৰ্মাণৰ কাৰণে foundation laying programme ত যদি ৩৭লাখ ৮৭ হাজাৰত ২৯ টকা খৰচ হৈছিল। এইতো house Committeeয়ে পোৱা তথ্য। কিন্তু আজি চৰকাৰে কৈ আছে যে অপব্যয় হোৱা নাই। মই এই কথাটো agree হ'ব পৰা নাই। Next ত্ৰটা কৈছে কেৱল কিছুমাHouse Committee report ৰ ওপৰত ভিত্তি কৰি ব্যৱস্থা কি লৈছে? অথাৎNotice দিছে,কিবা কিবি কৈছে, তাৰ Actionreport টো কিন্তু ইয়াত furnished কৰা হোৱা নাই। D.C বিলাকক চিঠি লিখা হ'ৱ, Encroachment clear কৰাৰ কাৰণে। কি কি Action লৈছে ইয়াতে মই just গাই দিছো।show couse notice দিয়া হৈছে বিভিন্ন মুটাৱলীক, তেওঁলোকৰ পৰা explanation Statement লোৱা হৈছে। সেই statement খিনি শুদ্ধনে অশুদ্ধ এই কথাখিনি নকলে। কাৰণ এইখিনি সন্দেই আছে যে statement দিব, কিন্তু সেইখিনি Verification ৰ প্ৰয়োজন আছে। কিছুমান illegal মুটাৱলী আছে। যদি illegal মুটাৱলীৰ কথা কওঁ, আজি নগাওঁৰ জিলাৰ তাতে মুটাৱলী Fixed কেনেকৈ হৈছে, সেটো জনাব প্ৰয়োজন আছিল। কিন্তু ৱাকাফ state আছে। আমাৰ ইয়াত ভঙাগড়ত যিটো ৱাকাফ state আছে, আমাৰ ইয়াত ভঙাগডত যিটো ৱাকাফ state আছে ভঙাগড় ৱাকাফ state ৰ যিজন মুঠাৱলী সেই মুটাৱলীজন কেনেকৈ মুটাৱলী হ'ল ? হাইদৰাবাদৰ মানুহ এজনে বেদখল কৰি তাতে বহি আছে। গতিকে এই report টোত আংশিক ভাৱে কিছুমান সচাঁ কথা কৈছে, কিছুমান নোকোৱাকৈ আছে। আৰু বেয়া কামবিলাকক চৰকাৰে বেয়া নহয় বুলি স্বীকৃতি দিব বিচাৰিছে, যাৰ কাৰণে মই আপোনাৰ জৰিয়তে পুনৰ বাৰ চৰকাৰক ক'ব বিচাৰিছো সম্পত্তিৰ, নিজৰ যিটো property ৰ rent fixation হৈছে, তাতে আপোনাৰ fixation আছে। বিচাৰিচো যে যিমান বিলাক ৱাকাফ properly লিজত দিয়া আছে। গতিকে গোটেই লিজৰ rent যিটো Fixed কৰিছে, গোটেই বস্তুটো enquiry কৰিব নে নাই ?

to the

**মাননীয় অধ্যক্ষঃ**- আপুনি 2nd Supplimentary কৰিব পাৰিব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, বিধায়ক(গোৱালপাৰা পশ্চিম)ঃ**-ছাৰ, Fancy Bazar ৰ ওৱাহিদুৰ ৰহমান Waqf Estate ৰ encroachment clear কৰা হ'বনে নাই? ভাঙাঘড় বা নগাওঁৰ দুই নম্বৰী মোতাৱল্লী যিবিলাক আছে, সেই দুই নম্বৰী মোতাৱল্লী বিলাকক আইনমতে খাৰিচ কৰি প্ৰকৃত মোতাৱল্লী যিসকল আছে, তেওঁলোকক দিয়া হ'বনে নাই, এইখিনি কথাৰ উত্তৰ চৰকাৰৰ পৰা বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী।

**Smti. Nandita Gorlosa, Minister:** Hon'ble Speaker Sir, regarding the questions that have been raised, according to The Unified Waqf Management, Emproverment, Efficiency and Development (UMEED) Act, 2025, which was ammended on 16th October, 2025, all Waqf properties have to be estimated and handed over to them under the Governmet of Assam. Accordingly,we have found 183 numbers of Waqf estates. Out of these 93 have already been registered, and while registering them, we held series of meetings with all the Waqf properties amoungst Mutawallis. We found that there is considerable resentment among the Mutawallis till date also. So, from the Goveronment's end we have been holding constant meetings with them and we found that these numbers have already been registered. The Govt. of India has already granted an extension to the UMEED portal for the next six months so that it can be registered. I would like to say that the question you have raised has been given to the Government based on the misappropriation and on the list of what percentages had been taken. All these matters now fall under the UMEED Act and can be categorically seen in the UMEED portal. You have asked what are the criterias that have been given? As per the notification dated 18th February 2020 which has been ammended, there is provision for renewal of list and the renewal of the list is already been given here. What I want to say to the House is that whatever has been given is according to the Act. I donot think that anything has been done beyond the Act by the Depatment. So, it is very clear to the Hon'ble Member who has raised the question that from the Government's end everything has been in the UMEED Portal and we will aksed you to see once so that it is very clear from our

end. Thank You.

**Shri Abdul Rashid Mandal (Goalpara West) :** Hon'ble Speaker Sir, the Hon'ble Minister has furnished the rules and Act. However, my specific question is regarding the rate of rent fixed by the Waqf Board for certain lessee or Mutawallis. I have been informed that it has been fixed on the basis of the mutual understanding. Will it be enquired or not?
Secondly, the Wahidur Rahman Waqf Estate of Fancy Bazar is encroached. Whether this encroachment will be cleared or not?
In addition if that, you have mentioned that 1344 bighas of land is under encroachment. Will you clear it or ot? Further, the person who has illegally self declared himself as Mutawalli of Bhangagarh Waqf Estate is held from Hyderabad and he is not Mutawalli at all, that I come to know from the local resident. That person is occupying the Estate. Whether it will be enquired or not? Lastly, the spending amount shown in connecion with the Haj Bhawan foundation laid ceremony is amounting to rupees around 38 lakh. Is it permissible? Will you enquiry it or not?

**Smti. Nandita Gorlosa, Minister :** Hon'ble Speaker Sir, based on the list of the security deposit, I would like to read it out. There are lessee periods of one month, upto one year, three months and even more than period of five years. This has been already there. It is according to rule. Regarding the enquiry of Wahidur Rahman Waqf Estate in Fancy Bazar, the survey is going on by the Circle officer. On the other hand, the observation and recommendations made in 2013, are already available and we will be able to furnish them. Once the Hon'ble Member visit the Department, we will hand over to him and then he can clear it. Based on the other amount that he has asked, we had seen that for 2025-26 the recent estimate of 41,88351 is received by the Waqf Estate. Earlier all this misappropriation was occured when it was not being taken into account. Now, after the introduction of UMEED Portal, I would like to make it very clear that the transperancy that Govt. intends is already in place that you can see to it. Regarding the enquiry you have asked for is also been given. Beyond this if there is anything further that you like to

know you may kindly approach the Department.

Hon'ble Speaker: Thank you --- Interruption----

**Shri Abdul Rashid Mandal (Goalpara West) :** More ten years the Hon'ble Supreme Court has ordered to clear the encroachment of Fancy Bazaar Waqf Estate. Will you kindly clear it? What about the illegal Mutawalli of Bhangagarh Waqf Estate? --interruption--

Hon'ble Speaker :- You will get all the information in paper.
Now, Dr. Rofiqul Islam.

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Waqf property ৰ সম্পৰ্কে মাননীয় সদস্য গৰাকীয়েযিটো প্ৰশ্নআনিছে আমিও বহুবাৰ এই বিষয়ে বিধান সভাত আলোচনা কৰিছা। আজি হাজাৰ হাজাৰ বিঘা Waqf property encroach হৈ আছে। ইফালে সাধাৰণ ভূমিহীন মানুহে ---interruption----

**মাননীয় অধ্যক্ষ ঃ** বুৰঞ্জী সকলোৰে জানে। আপুনি প্ৰশ্নটো কৰক।

ড০ ৰফিকুল ইছলাম, জনীয়া ঃ আজি ফাঁচী বজাৰৰ দৰে পান বজাৰ, লাখটকীয়া, নগাওঁ টাউন, শিলচৰ, তেজপুৰ, ধুবুৰী এনেধৰণৰ গুৰুত্বপূৰ্ণ ঠাই সমূহত বহুত মাটি বেদখল হৈ আছে। আজি ৭ বছৰ হ'ল তাত কোনো কমিটিয়ে নাই। আগতে Waqf property ৰ কমিটি হয়, তাৰ সভাপতি থাকে, বিধায়ক, সাংসদ, উকীল, মোতাৱল্লী সকল সদস্য হিচাপে থাকে। কিন্তু এতিয়া সেইবোৰ চোৰাচিতা কৰা মানুহ নাই। এই কোটি টকাৰ সম্পত্তি মানুহে দান কৰিছে। মানুহে বেদখল কৰি সম্পত্তি বিলাক দখল কৰি আছে। চৰকাৰে সাধাৰণ মানুহ এজন চৰকাৰী মাটিত বহিলে বুলডোজাৰ চলাই উঠাই দিয়ে কিন্তু Waqf property ত চৰকাৰৰ বুলডোজাৰ কিয় নাযায়? সেয়েহে আমি অনুৰোধ কৰিছো যে যিখিনি Waqf property ত বেদখল হৈ আছে, সেইখিনি for the safety of the community evict কৰিব লাগে। এই Waqf property খিনি যদি Community cause ত ব্যৱহাৰ কৰা হয়, যেনে- গুৱাহাটী ফাঁচী বজাৰৰ Waqf property আৰু এনেকুৰা দুটামান Waqf property যদি উন্নত কৰা হয় তেন্তে মাহত ১০০ কোটি টকাৰ ৰাজহ আহিব। আমাৰ ইমান সম্পত্তি আছে কিন্তু দুৰ্ভাগ্য যে আমি ইমানবাৰ কোৱাৰ পিছতো এই কামখিনি গুৰুত্ব সহকাৰে লোৱা হোৱা নাই। গতিকে চৰকাৰ তথা মাননীয় মন্ত্ৰী হোদয়ে এই বিষয়টো গুৰুত্ব সহকাৰে ল'ব লাগে। আমাৰ ইমান লাখ লাখ বিঘা মাটি থকাৰ বছৰ বছৰ ধৰি এই মাটিৰ বাবে কোনো কমিটি নাই। ----interruption----

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** অধ্যক্ষ মহোদয়, এই মাটিসমূহ বেদখলমুক্ত কৰিব লাগে। তাত বুলডোজাৰ চলক আমি সহযোগ কৰিম। দুখীয়া মানুহৰ বাহিৰে বাকীখিনি বুলডোজাৰ চলিব লাগে। এই মাটিৰ পৰা যদি ১ লাখ টকাৰ ভাড়া পোৱা যায়, তাৰ বিপৰীতে আজি তাত ভাড়া ১০০০ টকা হৈ আছে। গতিকে এই ৰাজহখিনি ভালদৰে---- ----interruption----

**माननीय अध्यक्ष ঃ** The Hon'ble Minister has already given the reply. You ask additional question or something.

**ড° ৰফিকুল ইছলাম, জনীয়া ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়লৈ অনুৰোধ কৰিছো যে এই মাটিসমূহ বেদখলমুক্ত কৰি যাতে সমিতি বনায় আৰু এই ক্ষেত্ৰত সঠিক ব্যৱহাৰৰ ব্যৱস্থা কৰে।

**Nandita Gorlosa, Minister**: Hon'ble Speaker, Sir, thank you for the suggestion, and I have also seen it when the meetings were being done. When the Board was there, the revenue was not as high it was supposed to be. Now that the Government has taken over, we just mentioned that these many lakhs had already been taken by the estate which we can show it to you all. What you have said, the suggestion that you have given is very good. Definitely, if you are giving us a suggestion, we accept that suggestion. We strongly condemn that this have not been taken, and we take your suggestion to go for the eviction and all. Thank you so much.

**Hon'ble Speaker**: Thank you. Sherman Ali Ahmed, please ask the question to the point and no lecture.

**Sherman Ali Ahmed, Baghbar**: Hon'ble Speaker, Sir, I would like to point out one thing. The Hon'ble Minister, in her reply, has stated that no Board officials has been found involved in any misappropriation. But, I would like to say that.

**माननीय अध्यक्ष** ঃ আপুনি প্ৰশ্নটো কৰক।

**Shri Sherman Ali Ahmed, Baghbar**: This is the question. Perhaps Hon'ble Minister has not gone through the inquiry report in P/18, Sl. No. 22. The expenditure of Rs.37Lakhs 87 thousands only for foundation stone laying ceremony at Waqf Bhawan is too huge and needs to be inquired through a high level inquiry Committee. The Waqf Board has not maintained any proper records of income of share from various Waqf States. Many Waqf states, all though they have deposited their share to the Board, the Board has not maintained any proper record. A major chunk of the Board share collected from various Waqf States properties are misappropriated by the Board officials.

At every point there are many examples and instances that Waqf Board officials and Mutawalli are highly corrupted.

**Hon'ble Speaker**: What do you want to know just ask.

**Sherman Ali Ahmed, Member**: What I want  make it clear to the Hon'ble Minister is that, Hon'ble Minister's reply states that Board officials have not been found to be involved in any misappropriation is not correct. In every point the Board Officials are involved. The Mutawallis are involved and the House Committee has recommended for an inquiry. Why the inquiry has not been conducted yet?

**Hon'ble Speaker**: It is not a debate. Just ask the question only. This is already submitted as a reply. Please Hon'ble Member. No need to reply as you have already submitted it. You can just read it out. Next Question No 26, Shri Aminul Islam( Senior).

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন উত্তৰত দেখা গৈছে, যোৱা ১০ বছৰত MSDP আৰু PMJVK আঁচনিৰ অধীনত যিমান আঁচনি আছিল, ১৬৭৪ খন আঁচনিৰ ভিতৰত মাত্ৰ ৬০১ খন আঁচনি সম্পূৰ্ণ হৈছে, বাকী ৮১৬ এতিয়াও চলি আছে। The completion rate is not higher than 30%, even after 10 year also. গতিকে এইটো অন্য কোনো বিভাগত অসমত এনেকুৱা নাই য'ত ইমান ৮-১০ বছৰ পিছটো ৩০ শতাংশলৈও কাম সম্পূৰ্ণ নহয়। আচলতে এই বিভাগৰ কোনো জিলা বিষয়াও নাথাকে, DC ৰ অধীনত থাকে, কোনেও কামটো গুৰুত্ব নিদিয়ে। গতিকে এই কাম কেইটা যে, ১০ বছৰলৈকেও সম্পূৰ্ণ হোৱা নাই, কেৱল ৭০ শতাংশ হে এতিয়ালৈকে হৈছে। এই বিষয়টোত তৎকালীনভাৱে সম্পৰ্ণ কৰিবলৈ মন্ত্ৰী মহোদয়ে কি পদেক্ষপ ল'ব এই বিষয়টো আনিব বিছাৰিছো।

**Nandita Gorlosa, Minister**: Hon'ble Speaker, Sir, this 30% has not yet been increased as they have said it. Accordingly, this MSDP and all the schemes are central-related schemes. The amount of work that can be completed is based on the amount that is being sanctioned by the Central Government. Here, what I have seen, not only in your particular area, but in all the areas under the minority development, wherever the works are being given, there are mostly some areas where the land is not being applicable, but the work has already been selected from the Deputy Commissioner's office, which the Member or some or the other being related are seated in the house itself. So, from there, when it comes here and finally when it is being sanctioned, what we see is that the land is not available at the particular moment.

So, there are many cases where due to unavailability of land, the work could not be completed. Otherwise, wherever land availability is there, all the works are completed on time and based on the completion of the time, the amount has been sanctioned, and we do give it accordingly. Thank you.

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী গৰাকীয়ে যিটো কথা কৈছে, আচলতে land availability কাৰণে মাত্ৰ ২৫৭ scheme যিকোনো dropped কৰা হ'ল। বাকী ৮১৬ খন আঁচনিৰ যিখিনি কাম চলি থকা বুলি দেখাইছে, তাত land ও হৈছে আৰু কিছু কামো হৈছে। হোৱাৰ পিছত first installment টো release হোৱা নাই বা হোৱাৰ পিছত second installment ৰ কাৰণে কেইবা বছৰো, ৫-৬ বছৰে আৰু অলপো কাম আগবঢ়া নাই। এইখিনিত কিন্তু, land ৰ problem নাই। গতিকে এই কথাখিনি মন্ত্ৰী গৰাকীয়ে, যাতে চায় আৰু মোৰ second supplementary টো হ'ল যে, ইয়াত minority scholarship ৰ যিটো scandal হৈছিল। সেই scandal ত দেখা গৈছিল, বহুতে ভুৱা শিক্ষাৰ্থীৰ নামত আৰু কিছুমান স্কুলৰ পৰা যিবিলাক স্কুলৰ লিখা পঢ়া নকৰা বা কৰা নাই এনেকুৱা ল'ৰা-ছোৱালীৰ নামত বহুতে scandal কৰিছে, কোটি কোটি টকা তেওঁলোকে আত্মসাৎ কৰিছে। কিছুমান account উত্তৰ প্ৰদেশৰ, ৰাজস্থানৰ আৰু গুজৰাটৰ account number ৰটো এই পইচা বিলাক হৈছে। কিছুমানে কোটি কোটি টকা ইয়াৰ পৰা আত্মসাৎ কৰি, এতিয়া কংগ্ৰেছৰ candidate হৈছে, এতিয়া election ও খেলিব। কোটি কোটি minority scholarship ৰ পৰা যিবিলাক scandal তেওঁলোকে কৰিছিল। গতিকে ইয়াত মাত্ৰ ৩০ জন মানুহক গ্ৰেপ্তাৰ কৰা দেখাইছে। তেওঁলোকক গ্ৰেপ্তাৰ কৰিছিল, কিন্তু এই পইচা খিনি recovery কৰাৰ কাৰণে, এতিয়ালৈকে ১ টকাও recovery কৰা নাই। ইয়াত মন্ত্ৰী মহোদয়ে, কৈছে যে, State Level Bankers Committee য়ে এই পইচা খিনি আকৌ পুনৰউদ্ধাৰ কৰাৰ কাৰণে পদক্ষেপ হাতত লৈছে, কিন্তু পদক্ষেপটো এতিয়ালৈকে কাৰ্য্যকৰী কিয় হোৱা নাই। এতিয়ালৈকে এজন মানুহৰ পৰা ১ টকাও recovery কৰা নাই। বহুতে কোটি কোটি টকা ল'লে, এতিয়া election ত candidate হৈ আছে, তেওঁলোকে election খেলিব, এই কোটি কোটি টকা আত্মসাৎ কৰি।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**Nandita Gorlosa,Minister**: From the scholarship of the students' fund, the case is already there. Individuals are arrested, as you all know, and the cases are still going on. The bank details are here. You will be able to receive this bank details, and then you will come to know what are the rules and regulations and how it is to be taken out again from the bank. This we will definitely let you know later on. Thank you.

**Hon'ble Speaker**: Thank you. Next question no.27, Shri Ponakan Baruah.

**শ্ৰী পোনাকণ বৰুৱা, সদস্য** ঃ অধ্যক্ষ মহোদয়, যোৱা ২০২৫ বৰ্ষৰ চাবুৱা লাহোৱাল বিধান সভা সমষ্টিৰ অন্তৰ্গত উত্তৰ বালিজান চাহ বাগিছা, পুখুৰীজান গোবৰতলীয়া আদি অঞ্চলত ব্যাপৰ্ক খহনীয়াৰ সৃষ্টি হৈছে। খহনীয়াফলত উত্তৰ বালিজান চাহ বাগিছা পৰা বগদৰিয়ালৈকে ১.৫ কিলোমিটাৰ পথ বা ১.৫ কিলোমিটাৰ অংশ । সেই ১.৫ কিলোমিটাৰ অংশত ১৩শ মিটাৰত ব্যাপৰ্ক ভাৱে খহনীয়া হ'ল, বহু সংখ্যক চাহ বাগিছাৰ চাহ গছ তাত জাহ গ'ল প্ৰায় ৩০০ মিটাৰ ব্ৰহ্মপুত্ৰ নদী সোমাই আহিল। অনুৰূপ ধৰণে উত্তৰ বালিজান চাহ বাগিছাৰ পৰা পুখুৰিজানলৈকে ৩ কিলোমিটাৰ দৈৰ্ঘ্য হ'ব আৰু সেই অঞ্চলটো ঠায়ে ঠায়ে ব্যাপৰ্ক ৰূৰে খহনীয়াৰ সৃষ্টি হ'ল যাৰ ফলত ২৪-২৫ টাৰৈ ঘৰ ব্ৰহ্মাপুত্ৰৰ নদীত জাহ গ'ল। তাৎক্ষণিক ভাৱে মাননীয় জল সম্পদ মন্ত্ৰী তালে গ'ল, সাময়িক ভাৱে সকাহ দিবৰ কাৰণে সেই অঞ্চলত পাৰ্কুপাইন আৰু geo bag ৰ কাম কৰা হৈছে। কিন্ত স্থায়ীভাৱে প্ৰতিৰোধৰ এতিয়ালৈ কোনো ব্যৱস্থা কৰা নাই। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা এইটো বিষয়ৰ ওপৰত জানিব বিচাৰিছো।

**শ্ৰী পীয়ুষ হাজৰীকা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ব্যৱস্থা কৰা নাই বুলি কোৱাটো শুদ্ধ নহয়। ব্যৱস্থা গ্ৰহণৰ কাৰণে আমাৰ প্ৰক্ৰিয়া চলি আছে। বালিজানত এটা ৪.৩৪ কোটি টকাৰ আঁচনিৰ কাম এটা চলি আছে। Flood fighting ৰ কাৰণে ১০ কোটি টকাৰ কাম চলিছিল আৰু ৪১ কোটি sanction ৰ কাৰণে process ত আছে। গতিকে অধ্যক্ষ মহোদয়, আমি initiative লৈছো, কিন্তু একেদিনাই কামটো নহয়। আমি নিশ্চয় কামটো সোনকালে কৰিবলৈ যত্ন কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰী পোনাকণ বৰুৱা, সদস্য** ঃ অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰীৰ উত্তৰটোত সন্তুষ্ট হৈছো। সন্তুষ্টহৈয়ো মই আশ্বস্ত হ'ব পৰা নাই। সেই অঞ্চলটোত ১৯৮৭ চনৰ পৰা প্ৰৱলভাৱে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া বান পানীৰ ফলত বহু ৰাজহ গাওঁ কাটা গ'ল। মোডী চাহ বাগিছাৰ নামৰ এখন চাহ বাগিছা যাৰ নিচিনা এখনো চাহ বাগিছা নাই, Factory ও নাই । ৰংমলা চাহ বাগিছাৰ নামৰ এখন চাহ বাগিছা আছিল, তাৰ অকল ২-৩ শতাংশ বাগিছা হে বাছি আছে। অনুৰূপধৰণে ছাতকাটা tea estate চাহ বাগিছাৰ গোটেই অংশটোয়ে নাই। ৰাস্তা পদুলি আছিল সেই বিলাকো নাই। ব্ৰহ্মপুত্ৰ ১০ কিলোমিটাৰ উজাই আহিল। গতিকে চাহ বাগিছা বহুত কাটা গ'ল। গতিকে আমাৰ উদ্যোগৰ প্ৰশ্নটো হৈছে যে, তাত তাৎক্ষণিক ভাৱে কামখিনি কৰা নহয়, যিহেতু বাৰিষা আহি আছে। বহাগ মানে বাৰিষা।

**শ্ৰী পীয়ুষ হাজৰীকা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা সদনত ক'ব পাৰো যে. যোৱা ৫ বছৰত major erosion যদি হৈছিল, সেইটো হৈছিল মোৰ সমষ্টিত আৰু ডিব্ৰুগড়ৰৰ মাইজানত। তাৰ বাহিৰে বহুত major erosion যোৱা ৫ বছৰত হোৱা নাই। যিমান গৰাখহনীয়াৰ কথা কয়, আচলতে সিমান নহয়। মই ৫ বছৰত এই বিভাগটোৰ মন্ত্ৰী হিচাপে থাকিলো। আগতে হৈছিল সেইটো মই অস্বীকাৰ নকৰো কিন্তু, যোৱা ৫ বছৰত অসমত major erosion হোৱা নাই। আকৌ কৈছো, ৩০০ শ মিটাৰ মান মোৰ সমষ্টিত এখন গাওঁত সোমাই আহিছিল আৰু ৩০০ মিটাৰ মান মাইজাং বুলি এখন গাওঁ ডিব্ৰুগড় সমষ্টিত সোমাইছিল। য'ত এইখিনি হৈছে তাত আমি strongly কাম কৰিছো। আমাৰ দিনত এনেকুৱা এখন চাহ বাগিছা, ৩ খন ৰাজহ গাওঁ গুচি যোৱা আমাৰ কতো হোৱা নাই। কামখিনি আমি strongly কৰিছো কিন্তু কামখিনি sanction হওতে

অলপ সময় লাগে। আমাৰ Flood fighting materials সম্পূৰ্ণ ভাৱে থাকে সেই কাৰণে আমি immediately কৰিব পাৰো। কিন্তু চৰকাৰৰ নিয়ম মতে sanction কৰিব লাগে tender কৰিব লাগে award কৰিব লাগে, তেনেকে হে হয়। গতিকে আমি without delay প্ৰায় ১৫ কোটি টকাৰ কাম কৰিলো আৰু ৪২ কোটি টকাৰ process চলি আছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। Question Hour over.

মই এতিয়া "Report on the Participation of CPA Assam State Branch at the 68th Commonwealth Parliamentary Conference in Bridgetown, Barbados 5th to 22nd October 2025" সদনত দাখিল কৰিলো। এতিয়া মই "Report on Youth Immersion Program Organised by Assam Legislative Assembly."খন সদনত দাখিল কৰিলো। এতিয়া Item No. 4 আমাৰ পৰিপূৰক দাবী মঞ্জুৰী ওপৰত আলোচনা কৰা হ'ব। আমি বাচনি কৰি লৈছিলো পৰিবেশ আৰু বন বিভাগ। গতিকে মই পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰীক অনুৰোধ কৰিছো প্ৰস্তাৱটো উত্থাপন কৰাৰ বাবে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ৰ অনুমতিক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো ২০২৫-২৬ বৰ্ষৰ ৩১ মাৰ্চ শেষ হব লগীয়া বিত্তীয় বৰ্ষটোৰ কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং ৫৫ পৰিবেশ আৰু বন বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত টকা মঞ্জুৰী কৰিবলৈ মই সদনত প্ৰস্তাৱটো উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱ আছে ইয়াৰ ভিতৰত শ্ৰী দেৱব্ৰত শইকীয়াৰ আৰু তেওঁৰ সহযোগী বৰ্তমান তেওঁলোক অনুপস্থিত। ইয়াত আমাৰ মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া আছে, অখিল গগৈ অনুপস্থিত, শ্বেৰমান আলী আহমেদ ডাঙৰীয়া আছে আৰু হাফিজ বচিৰ আহমেদ ডাঙৰীয়া আছে আৰু তেওঁৰ সহযোগী সকল আছে। আমি এই কৰ্তন প্ৰস্তাৱটো শেষত আলোচনা কৰিম। এতিয়া আমি আলোচনালৈ যাওঁ। প্ৰথমতে মই শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াক তেখেতৰ মন্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী মৃনাল শইকীয়া, খুমটাই** ঃ মাননীয় অধ্যক্ষ মহোদয়, পৰিবেশ আৰু বন বিভাগত আজি আমাৰ মননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই এটা প্ৰস্তাৱ আনিছে যিটো অতি গুৰুত্বপূৰ্ণ আৰু বিভাগকেইটাও অতি গুৰুত্বপূৰ্ণ। মোৰ মতে বন আৰু পৰিবেশ যিটো বিষয় বৰ্তমান পৃথিৱীত এইটো গুৰুত্বপূৰ্ণ বিষয়। What is Environment ? Dictionary ৰ definition মতে Environment refers to the surrounding conditions in which humans, animals and plants live. It includes the natural world-air, water, land, and living beings- that together sustain life on earth. মানে এই পৰিবেশটোয়ে সকলো বস্তুকে সামৰি লৈছে। পৰিবেষ নাথাকিলে পৃথিবীখন বাচি নাথাকে। এতিয়া আহিল What is Forest ? Forest lies to the area dominated by Animals plants, micro-orgnizm which forming a complete eco system. Forest play crucial role in maintaining bio-diversity, regulating climat and supporting life on earth. বন আৰু পৰিবেশ এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। বন বুলিলে কেৱল গছ থকা বননিক নুবুজায়। য'ত Bio-Diversity থাকে আৰু গোটেই পৰিৱেশটো নিয়ন্ত্ৰন কৰি থাকে। আমাৰ অসমত Forest cover টো বহুত আছে আৰু ১৯৪৭ চনত আমাৰ ইয়াত

যিটো Forest cover আছিলে সেইটো ৪০ বা ৪৫ শতাংশ আছিল কিন্তু আজিৰ দিন সেই Forest cover হৈছেগৈ ৩৪-৩৫ শতাংশ। ইয়াৰ মূল কাৰণ হৈছে বেদখল। আজি অসমত লাখ লাখ বিঘা বনভূমি বেদখল হৈছে। আৰু সেইখিনি কংগ্ৰেছ চৰকাৰৰ দিনতে বেদখল হল আৰু বেদখলকাৰীক ইমানে মুক্ত হাত দিয়া হ'ল যে গভীৰ বনঞ্চল কাটি তাত পূৰ্ববঙ্গীয় মুছলমান লোকে বসবাস কৰিব ধৰিলে। তাৰ বাবে Forest cover টো কমি গল। এতিয়া কথা হ'ল যে ৰাস্তাঘাট বনোৱাৰ সময়ত কেতিয়াবা দুই এজোপা গছ কটা গলে গণ্ডগোল কৰে কিন্তু সেইসকলে লাখ লাখ বিঘা বনভূমী ধংস কৰি বসবাস কৰিবলৈ লৈছিল তেতিয়া এশাৰো মাত মতা নাছিল। আমাৰ চৰকাৰে চেষ্টা কৰিছো যে যিখিনি বন সম্পৰ্কীয় আইন আছে সেইখিনি বলবৎ কৰিব পাৰো যাতে। আমাৰ যিটো অমৃত বৃক্ষ আন্দোলন মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত লোৱা হৈছিল তেতিয়া কোটি কোটি গছপুলি ৰোপণ কৰা হৈছিল। ইয়াৰ লগতে আমাৰ যি অমৃত সৰবোৰ আঁচনি আছে সেইটো কোনো পুখুৰী নহয়। এইটো হৈছে বিভিন্ন প্ৰজাতিৰ এটা আশ্ৰয় স্থল। It is a bond of Bio-diversity. মাননীয় অমিত শ্বাহ ডাঙৰীয়াই যিটো wet land development ৰ কথা কৈছিল বানপানী প্ৰতিৰোধৰ বাবে কিছুমান পুখুৰী খান্দি ইয়াক লৈ মানুহে হাহিছিল। wet land শব্দটো আমাৰ মানুহে পুখুৰী বুলি ভাৱে কিন্তু সেইবোৰ একোটা ডাঙৰ ডাঙৰ হ্ৰদ। আমাৰ খুমটাই সমষ্টিত তিনিটা প্ৰকল্প লোৱা হৈছে wet land development ৰ বাবে 50 কোটিৰ ওপৰত পুঁজি ধাৰ্য্য কৰা হৈছে মাননীয় মন্ত্ৰী পিয়ুষ হাজৰিকাৰ নেতৃত্বত। এই wet land বিলাকে climate change ত প্ৰভাৱ পেলাই। সেই কাৰণে আমাৰ বন, পৰিৱেশ, climate change, Bio-diversity এইবিলাক সকলো Interlink হৈ আছে। অসমত Bio-diversity কমিছে। মই সদনত আগতে এটা প্ৰশ্ন কৰিছিলো তাৰ উত্তৰ হিচাপে মোক এখন তালিকা দিছিলে যে অসমৰ পৰা কিমান প্ৰজাতি বিলুপ্ত হৈ গল। শ শ প্ৰজাতি অসমৰ পৰা নোহোৱা হৈ গল। বনাঞ্চল কমাৰ কাৰণে বতৰৰ পৰিৰ্বতন ঘটিছে, পৰিবেশ বেয়া হৈছে যাৰ ফলত বহু প্ৰজাতি নোহোৱা হৈ গল। এই গোটেই Eco system টোত ই প্ৰভাৱ পেলাইছে। আজিৰ গোটেই পৃথিৱী জুৰি আন্তঃৰাষ্ট্ৰীয় সন্মিলন বিলাকত climate change আৰু global warming বিষয়ে আলোচনা হৈ আছে, এইটো কমোৱাৰ বাবে। এতিয়া আমি এই climate change ৰ লগত কেনেকৈ যুজিব পাৰো। ১৬-০৯-২০২২ চনত এই অসম বিধান সভাত মই এটা প্ৰশ্ন কৰিছিলো যে What are the impacts for climate changing in Assam? What measures are taken by the Government of Assam to fight the climate change in Asssam? তেতিয়া উত্তৰত প্ৰথমতে লিখিছিল যে The temperature and rainfall are important for climate variables. In various recent research published mention these two variables. There has been increasing trend in temperature and decreasing the rainfall pattern.

যেতিয়া বৰষুণ হ'ব লাগে তেতিয়া বৰষুণ হোৱা নাই। যেতিয়া হৈছে তেতিয়া বেছিকৈ হৈছে আৰু climate change ৰ কাৰণে মানুহ বহুত ক্ষতিগ্ৰস্ত হৈছে। climate change ৰ কাৰণে য'ত আগতে বানপানী নাছিল এতিয়া বানপানী হ'বলৈ ধৰিছে, য'ত খৰাং নাছিল, দ ঠাই আছিল, তাত আজি শুকান হৈ পৰিছে। সকলো climate change, মানে সকলো Forest Environment, Forest থাকিলে Environment থাকিব। Environment থাকিলে climate change টোক ৰক্ষা কৰি থাকিব পাৰিম।

একেটা উত্তৰত দিছিল "Assam is highly vulnerable to climate change due to its geographic proximity to the delta region and poor socio - economic condition. তাৰ মানে অসমখন climate change ৰ কাৰণে অতি vulnerable, যিটো কাৰণত আমি Forest আৰু Environment ত বিশেষভাৱে গুৰুত্ব দিব লাগিব। A study by the centre of Environment, social and policy research 2012 in collaboration with the Indian network on ethics and climate change noted the widespread loss of livelihood option for thousands of people accross Assam due climate disaster, particularly flood change errosion, আজি কৰবাৰ বানপানী হৈছে, আমি ভাৱিলো যে খুব বৰষুণ দিছে কাৰণে বানপানী হৈছে। খহনীয়া হৈছে, আমি ভাৱি ল'ব নালাগিব যে খহনীয়া হৈছে। ইয়াৰ সকলো গুৰি কিন্তু Forest & Environment।

অলপ আগতে মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াই কৈছিল যে খহনীয়াৰ ওপৰত, তেখেতে যথেষ্ট কাম কৰিছে anti erosion ৰ ক্ষেত্ৰত। মই কেইদিনমান আগতে ৫ টা স্থানত anti erosion measure ত আধাৰশিলা স্থাপন কৰি আহিছো।

আৰু এটা মোক উত্তৰ দিছিল, মই কৈছিলো যে what the state government is taking action against climate change? The cabinet has approved to set up a seperate directorate of climate change?

The department has already started the process for that, মই সেইটো নাজানো, তেতিয়া process এটা আৰম্ভ কৰিছিল যে climate change ৰ কাৰণে। যিহেতু climate change ৰ বিভাগ এটা নতুনকৈ ইয়াত অনা হৈছে, Ministry of Climate Change। মই ভাৱো যে মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া সেই বিভাগৰ মন্ত্ৰী আৰু Directorate এটা বনোৱাৰ কথা আছিল, সেইটোও মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে Directorate টো ইতিমধ্যে কাৰ্য্যকৰী হ'ল নে নাই?

Govt. of Assam through the SPP has got a pre-physibility study conducted for green big production in Assam to reduce the green house gas emissions from brick kilns and the adoption of new green technologies in the significant brick kiln hubs of Assam, aims to serve as a guide for the different stakeholders involve in the construction and manufacturing sector of Assam.

তেনেকৈ আমাৰ চৰকাৰেও এই climate change ৰ বিৰুদ্ধে কাম হাতত ল'ব আৰম্ভ কৰিছে। আমাৰ Forest cover বঢ়াবলৈ চেষ্টা কৰিছে। আমাৰ যিবিলাকত encroachment হৈছিল, লাখ লাখ বিঘা ভূমিত, forest land ত encroachment হৈছিল, বহুখিনিত ইতিমধ্যে উচ্ছেদ কাৰ্য সমাপ্ত হ'ল আৰু বহু ঠাইত উচ্ছেদ কৰিবলৈ আছে। যেতিয়ালৈকে forest land বিলাক eviction কৰি forest establishment নকৰো, তেতিয়ালৈকে কিন্তু অসমৰ আগৰ যি ঐতিহ্য, আগৰ climatic condition ৰ গৌৰৱ, সেইটো কেতিয়াও ঘুৰি নাহিব। আমি eviction কৰিব লাগিব তাৰ পিছত আকৌ আগৰ Forest station টো ঘুৰাই আনিব লাগিব।

আজি কাজিৰঙা নেচেনেল পাৰ্ক, কিমান দিন তাত encroachment হৈ আছিল, যেতিয়া

২০১৬ চনত বিজেপি চৰকাৰ আহিছিল, তাৰ পিছত eviction কৰিছিল কেইটাও ঠাইত আৰু সেই ঠাইসমূহ এতিয়া গৈ দেখিলে ভাল লাগে যে এটা সময়ত তাত কিমান মানুহ, আৱৰ্জনা আদিৰে ভৰি আছিল আৰু এতিয়া তাত সেউজীয়া গছৰে ভৰি আছে আৰু তাত গড়, হৰিণ, হাতী আদি চৰি থাকে। মই যেতিয়া ঘৰলৈ যাওঁ তাত দেখি আনন্দ লাগে।

আমাৰ অমৃত বৃক্ষ আন্দোলনত সম্ভৱত একেদিনাই ১ কোটি গছ পুলি ৰোপন কৰিছিল। বহুতে কৰবাত মৰি যোৱা গছ পুলি এটাৰ ফটো দি কয় যে অমৃত বৃক্ষ আন্দোলন বিফল হ'ল। কিন্তু মই নিজে যেতিয়া মোৰ সমষ্টিত ঘুৰি ফুৰি থাকোতে নতুন গছপুলি ডাঙৰ হৈ অহা দেখো, মই সুধিছিলো - 'কেতিয়া ৰোপন কৰা?' তেতিয়া কোনোবা মহিলা এগৰাকী আহি কয় যে অমৃত বৃক্ষ আন্দোলনত ৰোপন কৰা। সেই কাৰণে যেনেকুৱা এটা অমৃত বৃক্ষ আন্দোলনৰ ছবি কিছুমানে দেখুৱাব খোজে, তেনেকুৱা এটা ছবি নাই। ১০ শতাংশ গছ পুলি মৰিব পাৰে, কিন্তু বাকী গছপুলি বোৰ এতিয়াও জীয়াই আছে আৰু ৫ বছৰৰ পিছত এই গছপুলিবোৰে জলবায়ুৰ লগত সুন্দৰকৈ মিলাই যাব পাৰিব।

আমাৰ Forest land সমূহত মানুহৰ পৰা নহলেও, কিছুমান উদ্ভিদৰ পৰা bio-diversity আৰু পশুৰ ক্ষেত্ৰত প্ৰভাৱ পৰা দেখা যায়। আমি Act Implementation Committee ৰ এটা প্ৰতিনিধি দল মানস ৰাষ্ট্ৰীয় উদ্যানলৈ গৈছিলো। তাত আমাৰ লগত মানস ৰাষ্ট্ৰীয় উদ্যান আৰু Tiger Reserve ৰ Director উপস্থিত আছিল। তাত আমি এবিধ গছ দেখিছিলো, বহুত একেধৰণৰ গছ। মানস ৰাষ্ট্ৰীয় উদ্যান আৰু Tiger Reserve ৰ Director জনে আমাক এটা বহুত গুৰুত্বপূৰ্ণ কথা জানিবলৈ দিছিল যে - Bombax & Dillenia বুলি এবিধ উদ্ভিদ, যাক আমি invasive species বুলি ক'ব পাৰো, সেই উদ্ভিদ বিধ যেতিয়া হয়, ঘাঁহবোৰ সি নাইকিয়া কৰি গৈ থাকে। মানসৰ Director ৰ মতে মানসত ১৯৮০ চনত ৬০ শতাংশ grass land আছিল, যিবোৰ mega herbivores যেনে হাতী, গড় আদি বোৰে খাই, যিটো আজি ৪৫ বছৰৰ পিছত গৈ এতিয়া ৩০ শতাংশ হৈছে। এইটো এটা ভয়ংকৰ trend। যদি আমি আৰু ৩০-৪০ বছৰলৈ এই ক্ষেত্ৰত কোনো ধৰণৰ পদক্ষেপ লোৱা নহয়, তেতিয়া হলে সম্পূৰ্ণভাৱে মানসত পশুয়ে খোৱাৰ কাৰণে ঘাঁ নাথাকিব আৰু গড়, হৰিণ, হাতী আদি নাথাকিব। এই পশুবোৰ নাথাকিলে, তাত বাঘো নাথাকিব। যিটো Tiger Reserve নাম আছে, সেইটোও নাইকিয়া হৈ যাব। সেই কাৰণে আমাক Director জনে জনাইছিল যে এইটো উদ্ভিদ উঠাবলৈ হলে অন্তত ১ হাজাৰ কোটি টকা খৰছ হ'ব। সেই কাৰণে মই ভাৱো মাননীয় মন্ত্ৰী মহোদয়ে যি পুঁজি ধৰি বাজেট উপস্থাপন কৰিছে, সেইটো বৃদ্ধি কৰিব লাগে আৰু ইয়াৰ দ্বাৰাই মই এই বিষয়টো তেখেতৰ দৃষ্টিগোচৰ কৰিলো। এইটো নকৰিলে হয়তো অহা ৩০-৪০ বছৰৰ পিছত মানস ৰাষ্ট্ৰীয় উদ্যানৰ কেৱল মাটি কালিটোহে থাকিব। গতিকে এই বিষয়টো যাতে মন্ত্ৰী মহোদয়ে প্ৰয়োজন হলে এটা দল তালৈ পঠিয়াই হলেও গুৰুত্ব দিয়ে, তাৰ বাবে মই অনুৰোধ জনাইছো। আমি আমাৰ ফালৰ পৰা UNESCO লৈও চিঠি দিছিলো, কিয়নো মানস ৰাষ্ট্ৰীয় উদ্যান হৈছে এখন UNESCO site।

লগতে মই আজি বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিব, আগতীয়াকৈ তাৰ বিৰোধিতা কৰিছো আৰু Environment & Forest বিভাগত প্ৰচুৰ পুঁজি আগবঢ়ালৈ আমাৰ চৰকাৰক অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদাৰ (কাটিগড়া সমষ্টি) ঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, আজকে বিশেষ

করে আপনারা সবাই জানেন বরাক ভ্যালিতে অনেক পাথরের, বালির মহাল আছে। আজ বিভিন্ন ক্ষেত্রে আমাদের বরাক ভ্যালির তিন জেলার মধ্যে সরকারি রোয়েলিটি ছাড়া অনেক টোকন সিস্টেম আছে সেটা সিন্ডিকেট মতে কাজ চলছে। আমরা বিভিন্ন সময় বিভিন্ন সরকারি রোয়েলিটির জন্য বিভিন্ন ডিপার্টমেন্ট, সোসিয়্যাল মিডিয়া থেকে নিয়ে প্রত্যেক মিডিয়া সেলে অনেক প্রতিবাদ আসে যে বরাক ভ্যালির কোয়ারির মধ্যে যে সিন্ডিকেট চলে। তাদের জন্য বহুত মানুষের উদ্দেশ্য থাকে সরকারি রোয়েলিটির জন্য কিন্তু প্রতিবাদ করলে দেখা যায় ফরেস্ট অনেক সমস্যা করে। বরাক ভ্যালিতে বিভিন্ন ধরনের কাজ কাম চলে কিন্তু জেনুয়িন হিসাবে যারা কাজ করে ভারত মালা হোক, আসাম মালা হোক ,ভারত মালা যে কাজটি করছে সরকারি রোয়েলিটি ছাড়া কোয়ারিতে জিসিবি ব্যবহার করে। আজ ফরেস্ট ল্যান্ড বলতে হাইলাকান্দির দামছড়াতে উচ্ছেদ হচ্ছে। সেখানে অনেক পরিবার আছে যা আজ সরকার কোন ব্যবস্থা নেয়নি। অনেক পরিবার আছে প্রতিবাদ করেছে । ফরেষ্ট ল্যান্ডের মহাল থেকে মানুষ অনেক অবৈধ ভাবেপাথর এবং বালু নিয়ে যায় সেটা তদন্ত করার জন্য ব্যবস্থা নেওয়া হোক সরকারের তরফ থেকে। আমাদের বরাক ভ্যালিত অনেক বন্যা হয় সেই ৰন্যার মধ্যে রাস্তা ঘাট অনেক খারাপ হয় আর আমাদের বরাক ভ্যালির বিভিন্ন ক্ষেত্রে উন্নতির জন্য লালমাটি একগাড়ি ব্যবহার করতে প্রত্যেকের উদ্দেশ্য থাকে ছোট ছোট পাহাড় থেকে এক গাড়ী, দুই গাড়ী মাটি নিয়ে সুব্যবস্থা করার। কিন্তু দেখা যায় জেনুয়িন মানুষের কোন মাটির ব্যবস্থা নাই কোন সুযোগ সুবিধা ফরেস্ট দেয় না। কিন্তু ওপেন ভাবে পাথর বালুর গাড়ী সরকারি রাস্তা দিকে যাচ্ছে। এবং ওভারলোড হয়ে যাচ্ছে যার জন্য রাস্তা ঘাট অনেক খারাপ হচ্ছে। সেটা বিবেচনা করার জন্য সরকার তদন্ত করা দরকার।

**माननीय উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীভূবন পেগু।

**শ্ৰীভূবন পেগু, জোনাই ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে আমাৰ বন বিভাগৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে, তাৰ বিৰোধ কৰি আজি মই বক্তব্য আৰম্ভ কৰিব বিচাৰিছোঁ। আমাৰ মিচিং সমাজৰ কাৰণে যি আলি আই লৃগাং আমাৰ কৃষি ভিত্তিক উৎসৱ আজিৰ পৰা আৰম্ভ হৈছে। এই আলি আই লৃগাংটো হ'ল প্ৰকৃতিৰ লগত মিলি আমি চলা পৰম্পৰাৰ এটা প্ৰতীক। আলি মানে হ'ল যিকোনো আলু আৰু আই মানে হ'ল যি কোনো বীজ, লৃগাং মানে হ'ল আৰম্ভণি। যিটো দিনত আজিৰ পৰা নিয়ম মতে খেতিৰ চিজনটো আৰম্ভ হয়। মই এই আলি আই লৃগাং উৎসৱৰ দিনা আমাৰ NDA groupৰ সদস্য সকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আজি পৰম্পৰাগত পোচাক পিন্ধি আজি বিধান সভাত অহাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে সকলো অসম বাসীক, ভাৰত বাসীক আমাৰ আলি আই লৃগাং উৎসৱৰ শুভেচ্ছা আগবঢ়াইছোঁ।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীভূবন পেগু, জোনাই ঃ** মই আলি আই লৃগাঙক ব্যখ্যা কৰি থাকোতে হস্তক্ষেপ কৰি আমাৰ জাতীয় উৎসৱক কিয় অপমান কৰিব বিচাৰিছে? মই আলি আই লৃগাংৰ শুভেচ্ছা দিছোঁ। কিয় অপমান কৰিব বিচাৰিছে? ইমান ধুনীয়া এটা জাতীয় উৎসৱ, আজি মই সকলোকে শুভেচ্ছা দিব বিচাৰিছো, আপোনাকো শুভেচ্ছা দিব বিচাৰিছো, কিয় interruption কৰি আছে? আপোনাৰ কোৱাৰ সুযোগটো আপুনি পাব নহয়। আপুনি আপোনাৰ কোৱাৰ সুযোগটো পাব। আৰু যেতিয়া আপোনাৰ কোৱাৰ সুযোগটো পাব তেতিয়া আপুনি ক'ব আপোনাৰ কবলগীয়াখিনি। মোৰ অধিকাৰত কিয় হস্তক্ষেপ কৰিছে আপুনি?

(হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীভুবন পেগু, জোনাই ঃ** সেইটোত মই ক'ম। আপোনাৰ শ্ৰুতলিপিত মই বিধান সভাত বক্তব্য ৰাখিম নেকি? মোৰ ক'বলগীয়াটো মই কম। আপোনাৰ কবলগীয়াটো আপুনি ক'ব, আপোনাৰ সময়ত ক'ব।

(হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** Please. Don't disturb. অখিল গগৈ ডাঙৰীয়া আপোনাৰ কাৰণে সদন বহা নাই।

**শ্ৰীভুবন পেগু, জোনাই ঃ** উপাধ্যক্ষ মহোদয়, আজি সকলোৱে আজি পৰম্পৰাগত এই উৎসৱ পালন কৰি আছে আৰু আলি আই লৃগাং এই উৎসৱ is deeply connected with nature. আৰু বিশেষকৈ জনজাতীয় মানুহ আমি এতিয়াও প্ৰকৃতিক সন্মুখত ৰাখি সন্মান কৰি আমি আগুৱাই যাম। আমি পূজা কৰো, সূৰ্য্যক, চন্দ্ৰক আমি পূজা কৰো। নদীক সন্মান জনাও, নদীৰ লগত আমি একেলগে সহাৰস্থান কৰোঁ। প্ৰকৃতিৰ লগত অবস্থান কৰি এই উৎসৱ আজি আৰম্ভ হৈছে। মই সকলোকে আজি শুভেচ্ছা জনাইছো আৰু লগতে মই অধ্যক্ষ আৰু বিধান সভাৰ কৰ্তৃপক্ষক সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো, ৰাতি আলি আই লৃগাং উৎসৱৰ উপলক্ষে আমাৰ মিচিং পৰম্পৰাৰ খাদ্য আৰু গোটেই আজি dinner এটা দিছে তাৰ কাৰণে মই অধ্যক্ষক ধন্যবাদ জনাই সকলোকে মই মোৰ ফালৰ পৰা ধন্যবাদ জনাব বিচাৰিছোঁ। আৰু উপাধ্যক্ষ মহোদয়, বিশেষকৈ মোদীজি প্ৰধানমন্ত্ৰী হোৱাৰ পিছত মোদীজিয়ে ইমান সুন্দৰকৈ

(হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, অখিল গগৈ, if you again disturb, I will suspend you.

**শ্ৰীভুবন পেগু, জোনাই ঃ** ইমান সুন্দৰকৈ initiative এটা লৈছে, এক পেৰ মা কে নাম। এগৰাকী মাতৃ হ'ল জন্ম দিয়া, এগৰাকী মাতৃ হ'ল যিজনে জীৱন দিয়ে। এক পেৰ মা কে নাম, প্ৰকৃতিয়ে, গছে আমাক জীৱন দিয়ে, এটা মাতৃয়ে যি গৰাকীয়ে আমাক জন্ম দিছে তেওঁক সন্মান জনালোঁ আৰু যি জনে জীৱন দিছে তাক সন্মান জনাই প্ৰত্যেক জন ভাৰতীয় নাগৰিকলৈ প্ৰধানমন্ত্ৰী মোদীয়ে অনুৰোধ জনাইছো যে এটা গছ নিজৰ মাতৃৰ নামত ৰুবলৈ। ঠিক সেই দৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ, তেখেতে যি অমৃতবৃক্ষ আন্দোলন আৰম্ভ কৰি অসমত গছ ৰোপন কৰাতো এইটো habit হিচাপে কৰিবলৈ দৈনন্দিন জীৱনৰ পাৰ্ট হিচাপে কৰাৰ কাৰণে যি প্ৰচেষ্টা এটা চলাইছে তাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াকো মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। কিন্তু it is very alarming যিটো সময়ত এতিয়া আলি আই লৃগাংৰ গোটেই উৎসৱটো আমি পালন কৰি আছো, নিয়ম মতে চিজনটো আজিৰ পৰা আমাৰ আৰম্ভ হ'ব লাগিছিল, খেতিৰ চিজনটো। কিন্তু climate changeয়ে এনেকুৱা এটা পৰিস্থিতি সৃষ্টি কৰিছে বানপানী, বৰষুণ এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি কৰিছে গোটেই অসমত। গোটেই climate change য়ে বৰষুণৰ বতৰ বোৰ কেনেদৰে সলাই পেলাইছে। এটা সময় আছিল আজিৰ তাৰিখত যদি বা এই সময়ত যদি দিনৰ ১২ বজাত ৰ'দত বহি থাকিলে ভাল লাগিছিল। এতিয়া ৰ'দত বহি থকা পৰিৱেশ নাই আৰু এটা সময় আছিল দূৰ্গা পূজা অক্টোবৰ মাহৰ সময়ত আমি জেকেট পৰিধান কৰো আৰু আমি যেতিয়া ডেকা বয়সত নতুনকৈ ডেকা হৈছো তেতিয়া দূৰ্গা পূজাৰ সময়ত আমি জেকেট পিন্ধিব পাম বুলি আমি সদায় ফুৰ্তিত থাকো, নতুন

জেকেট পিন্ধিব পাম বুলি।

কটন কলেজত যেতিয়া ১৯৮৬ চনত মই পঢ়িবলৈ আহিছিলো হায়াৰ চেকেণ্ডৰীত তেতিয়া অক্টোবৰ- নৱেম্বৰ মাহত গুৱাহাটীত জেকেট পিন্ধিছিলো । আজিকালি গুৱাহাটীত জেকেট দৰকাৰেই নাই । আগতে এপ্ৰিল মাহলৈ গুৱাহাটীত বতৰটো খুব সুন্দৰ হৈ আছিল । এতিয়া ফেব্ৰুৱাৰী মাহ চলি আছে কিন্তু জেকেট দৰকাৰ নাই । আমাৰ অঞ্চলবোৰতো এতিয়া জেকেট দৰকাৰ নাই । ইতিমধ্যে ৰাতি ফেন চলাবলীয়া হৈছে । কেনেকুৱা এটা ভয়ানক Climate change হৈ আছে । এই ক্ষেত্ৰত ৰিপোৰ্টে কি কৈছে - যদি আপুনি চায় ৰিপোৰ্টটো , অসম সম্পৰ্কে কেনে ডেঞ্জেৰাচ ৰিপোৰ্ট হৈছে , অসমৰ Forest degradation Report টো যদি চায় খুব বেয়া । ফৰেষ্টৰ ২৫ লাখ বিঘা মাটি অসমত এনকোৰ্ছমেন্ট হৈ আছে । তাৰ মানে ২৫ লাখ বিঘা মাটিৰ ফৰেষ্ট অসমত ইতিমধ্যে ধ্বংস হৈ গ'ল । যেতিয়া এই ফৰেষ্ট ধ্বংসৰ ৰেকৰ্ডটো চাওঁ আমি, য'ত এনকোৰ্ছমেন্ট হৈছে ,তেনেহ'লে সেইবোৰ ঠাইত এভিকশ্যন কৰিহে আমি Forest খিনি re-claim কৰিব লাগিব । ফৰেষ্টৰ মাটি ৰিক্লেইম কৰি তাত পুনৰ গছ ৰুব লাগিব । উপাধ্যক্ষ মহোদয় , এই ফৰেষ্ট ৰিক্লেইমৰ বাবে যেতিয়া প্ৰচেষ্টা চলোৱা হৈছে , সৰহভাগ মাটি যেতিয়া এভিকশ্যন কৰি থকা হৈছে - এটা কথা লক্ষ্য কৰা হৈছে যে, এটা section of Society ৰ মানুহে এই ফৰেষ্ট লেণ্ডবোৰ এনকোৰ্ছ কৰিছে । এটা চেকশ্যন অব চোচাইটীৰ মানুহে ফৰেষ্ট এনকোৰ্ছ কৰাৰ সুযোগটো কেনেকৈ পালে, উপাধ্যক্ষ মহোদয়- There was a plan Agendas since independence. আজি ৭৫ বছৰ ধৰি অসমত এটা প্লেন এজেণ্ডা আছিলে এটা চেকশ্যনৰ মানুহক পুৰনি চৰকাৰ বিলাক , বিশেষকৈ কংগ্ৰেছ চৰকাৰে এনকাৰেজ কৰি ফৰেষ্ট মাটিবোৰ ধ্বংস কৰি , মাটি দখল কৰি গোটেই অসমৰ Demographic patern টো চেঞ্জ কৰাৰ এটা গভীৰ ষড়যন্ত্ৰ আছিলে । উপাধ্যক্ষ মহোদয়, গড় আজিও কাজিৰঙাত আছে , কিন্তু এটা সময়ত এটা মাহতে ১০-১৫ টাকৈ গড় হত্যা হৈছিল এইখন অসমত। বছৰত ৫০-৬০ টা গড় হত্যা হৈছিল অসমত । তেতিয়াও চৰকাৰ আছিল, তেতিয়াও ফৰেষ্ট ডিপাৰ্টমেন্ট আছিল । তেতিয়াও পুলিছ প্ৰশাসন আছিলে। এতিয়া যদি আপুনি চায় অসমত গড় হত্যা ভাৰ্চুৱেলী নীল হোৱা আৰম্ভ হৈছে । কিয় হৈছে, উপাধ্যক্ষ মহোদয়- একেই ফৰেষ্ট ডিপাৰ্টমেন্ট , একেই গৰ্ভমেন্ট মেচিনাৰী - কাৰণ তেতিয়া পলিটিকেল উইল নাছিলে । কংগ্ৰেছ চৰকাৰৰ দিনত পলিটিকেল উইল নাছিলে আৰু লগতে এটা ভিতৰুৱা ষড়যন্ত্ৰ আছিলে । ফৰেষ্ট ডিপাৰ্টমেন্টৰ মুৰব্বীৰ পৰা আৰম্ভ কৰি, ফৰেষ্টৰ মন্ত্ৰীৰ পৰা আৰম্ভ কৰি এটা প্লেন আছিল। গড় হত্যাটো স্বাভাৱিক ঘটনা হিচাপে লৈছিলে । গছ-গছনি কটা, বন ধ্বংস কৰা , গড় হত্যা কৰাটো এটা স্বাভাৱিক প্ৰক্ৰিয়া আৰু ঘটনা কৰি পেলাইছিলে । আৰু এটা চেকশ্যন অৱ চোচাইটীৰ মানুহৰ দ্বাৰা ফৰেষ্ট ধ্বংস কৰি, ফৰেষ্টৰ মাটি এনকোৰ্ছ কৰি অসমৰ ডেম'গ্ৰাফিক পেটাৰ্ণটো চেঞ্জ কৰাৰ এটা ষড়যন্ত্ৰ তলে তলে আছিলে উপাধ্যক্ষ মহোদয় । মই আজি মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাইছো , তেখেতৰ বলিষ্ঠ পদক্ষেপত এই ফৰেষ্টৰ মাটিবোৰ উদ্ধাৰ কৰাৰ বাবে যি এভিকশ্যন আৰম্ভ কৰিছে , ডেৰ লাখ বিঘা মাটি ইতিমধ্যে এভিকশ্যন কৰি উদ্ধাৰ কৰা হৈছে আৰু ২৫ লাখ বিঘা মাটি এভিকশ্যন কৰাৰ বাবে যি প্ৰক্ৰিয়া হাতত লৈছে তাক সৰ্ব্ব শক্তিৰে আমি বিধান সভাই সমৰ্থন আগবঢ়া ব লাগে বুলি মই আজি আহ্বান জনালো । বিৰোধীয়ে কৰ্ত্তণ প্ৰস্তাৱ কিয় নানিব ? তেখেতসকলে আৰু ফৰেষ্ট ধ্বংস হোৱাটো বিচাৰিছে । ফৰেষ্ট ডিপাৰ্টমেন্ট দূৰ্ব্বল হোৱাটো বিচাৰিছে । ফৰেষ্ট ডিপাৰ্টমেন্টক পুঁজি দিব নালাগে বুলি ভাবিছে । তেওলোকে কাজিৰঙা আৰু ধ্বংস হওক বুলি

ভাবিছে , অচিনাক্ত মানুহ আহি কাজিৰঙা শেষ কৰক , মানস শেষ কৰক, গড় শেষ কৰক , বনাঞ্চল শেষ কৰক- কিন্তু এইবোৰ শেষ কৰিবলৈ যাওঁতে বিৰোধীয়ে কেতিয়াও নাভাবিলে যে এইবোৰ ধ্বংস কৰিবলৈ যাওঁতে আমি নিজৰ প্ৰজন্মকে ধ্বংস কৰিবলৈ গৈ আছো । আহিবলগা প্ৰজন্মক যে এনেকুৱা এখন পৃথিৱী দিবলৈ গৈ আছো য'ত কাইলৈ মানুহ উশাহ ল'ব নোৱাৰিব । য'ত কাইলৈ খেতি নাইকীয়া হৈ যাব । য'ত কাইলৈ গড়াখহনীয়া, বানপানী বেছি তীব্ৰতৰ হ'ব । উপাধ্যক্ষ মহোদয়, আজি মই এটা উদাহৰণ এটা দিওঁ - মোৰ সমষ্টিত কোবো চাপৰি বুলি এটা ঠাই আছে । পো বা ৰজাৰ্ভৰ ওচৰত। সেইখিনি ফৰেষ্টৰ মাটি তাত আজি ২০-৩০ বছৰ আগতে কোনো অচিনাকী মানুহে এনকোৰ্ছ কৰি থৈছে । আমি লাগি লাগি ফৰেষ্ট অফিচাৰক তালৈ নি মাটিখিনি এভিকশ্যন কৰালো।

কিন্তু যেতিয়া অফিচাৰ জনে এভিকশ্যন কৰি ঘুৰি আহিল আৰু সন্ধিয়া গা ধুই ভাত খাবলৈ লওঁতেই তেখেতলৈ এটা WT Message আহিল যে তেখেতক ৰাতিৰ ভিতৰতে জোনাইৰ পৰা বদৰপুৰলৈ ট্ৰেন্সফাৰ কৰা হৈছে । সেই সময়ত ফৰেষ্টৰ মাটি ধ্বংস কৰাৰ বাবে প্ৰটেক্ট কৰিছিল । এভিকশ্যন কৰাৰ সময়ত এনেকৈ প্ৰটেকশ্যন দিলে কোন অফিচাৰ তালৈ যাব ? কোনো অফিচাৰে সাহস কৰা নাছিলে , এই অচিনাকি লোকসকলক এভিকশ্যন কৰিবলৈ । আমি সেইফালেৰে অহা যোৱা কৰিছিলো আৰু কাজিৰঙা পাৰ হৈছিলো । প্ৰত্যেকদিনাই দেখিবলৈ পাওঁ ফৰেষ্টৰ ঠাইবিলাক সৰু সৰু নতুন নতুন টিনৰ ঘৰ হৈ উঠিছে । ঠিক তেনেকৈয়ে ৰাতিটোৰ ভিতৰতে এখন গাওঁ সৃষ্টি হৈ যায় । আমি তেতিয়া সুধো যে ইয়াত এফিকশ্যন কিয় নহয় ? এভিকশ্যন কেনেকৈ হ'ব , সেই সময়ত কংগ্ৰেছ চৰকাৰৰ মেইন ফৰেষ্ট মিনিষ্টাৰ জনেই সেই লোকসকলক উৎসাহ যোগাইছিলে । গড় হত্যাৰ পৰা আৰম্ভ কৰি কাজিৰঙা দখল কৰিবলৈ এই ক্ষেত্ৰতো উৎসাহ দিছিলে । আজি যিটো কাম এই চৰকাৰখনে কৰি আছে পূৰ্ব্বৰ কংগ্ৰেছ চৰকাৰে কিয় কৰিব নোৱাৰিলে ? গড় হত্যা বন্ধ কৰি ফৰেষ্টক নিৰাপত্তা প্ৰদান কৰা এই কামবিলাক আজি যে কৰিব পাৰিছে চৰকাৰে সেই সময়ত কংগ্ৰেছ পাৰ্টিয়ে কিয় নোৱাৰিলে ? এই অসম্ভৱ কাম নহয় বুলি এই চৰকাৰে দেখুৱাই দিলে । গড় হত্যা বন্ধ কৰি , ফৰেষ্টৰ মাটি দখলৰ পৰা উদ্ধাৰ কৰি দেখুৱাই দিছে । এইখিনি কাম চুপ্ৰিম কোৰ্ট আৰু হাইকোৰ্টৰ নিয়ম নীতি মানিহে কৰা হৈছে । তাৰ পিচতো এটা চেকশ্যনে প্ৰতিবাদ কৰি আছে । মানে ফৰেষ্ট ধ্বংসও কৰিব লাগে আৰু ফৰেষ্ট উদ্ধাৰ কৰিবলৈ আগবাঢ়িলে আকৌ প্ৰতিবাদো কৰিবলৈ লাগে । গতিকে এই বাতাৱৰণৰ পৰা অসমখন ওলাই আহিব লাগিব । অসমীয়া মানুহ ওলাই আহি এই ষড়যন্ত্ৰবিলাক বন্ধ কৰিব লাগিব আৰু অসম চৰকাৰে যেনেকৈ যুঁজিছে , অসমৰ মানুহকো মই আহ্বান জনাইছো যে, সকলোৱে ওলাই আহি অসমৰ চৰকাৰক সমৰ্থন জনাই এই যুঁজখন অব্যাহত ৰখাত সহায় কৰক ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ আপোনাক লৃগাওঁৰ বন্ধটো লাগেনে নাই এতিয়া ?

**মাননীয় উপাধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া তেখেতৰ বক্তব্যত আপুনি ডিচটাৰ্ব নকৰিব ?

**শ্ৰীভুবন পেগু, জোনাই ঃ** আপুনি লৃগাওঁৰ বন্ধ ধুবুৰীত পালন কৰি থাকক । ধুবুৰীত কাক চুমা খাব লাগে চুমা খাই ধুবুৰীত লৃগাওঁৰ বন্ধ মনাই থাকক । আমি আমাৰ বন্ধ আমাৰ ঠাইতেই পালন কৰিম । আমি লৃগাওঁৰ বন্ধ য'ত মানিব লাগে তাত পালন কৰিম আপুনি আমাক শিকাব নালাগে আপুনি ধুবুৰীত গৈ শিকাওক।

( বাদ-বিবাদ - হুলস্থূল )

**মাননীয় উপাধ্যক্ষ ঃ অখিল গগৈ** Nothing will go on Record. - অখিল গগৈৰ

বক্তব্য ৰেকৰ্ডত নাহে। আপোনাক বক্তব্য ৰাখিবলৈ ২ মিনিট আছিল ৩ মিনিট দিছো , লাগিলে আৰু ১ মিনিট দিম , আপুনি ভালকৈ পাৰ্টিচিপেট কৰক ।

**শ্ৰীভূৰন পেগু, জোনাই ঃ** ইমান ধুনীয়া কথা চলি আছে, অচিনাকী মানুহৰ কথা আহিলে আপোনাৰ গাঁত লাগে নেকি ?

( বাদ-বিবাদ - হুলস্থূল )

**মোঃ আমিনুল ইছলাম (কনিষ্ঠ),দক্ষিন শালমাৰা মানকাছাৰ ঃ** আপোনালোকৰ দিনতেই ফৰেষ্ট ধ্বংস হৈ আছে ।

**মাননীয় উপাধ্যক্ষ ঃ** আমিনুল ইছলাম (জুনিয়ৰ) প্লিছ ছিট ডাউন, অখিল গগৈ প্লিছ ছিট ডাউন ।

( বাদ-বিবাদ - হুলস্থূল - কাৰো বক্তব্য বুজা নাযায় )

**শ্ৰীভূৰন পেগু, জোনাই ঃ** আপোনালোকৰ দিনত ফৰেষ্ট ধ্বংস হৈছে । এইখন চৰকাৰৰ দিনত অসমত আৰু ফৰেষ্ট ধ্বংস কৰিবলৈ দিয়া নহ'ব । এইখন চৰকাৰৰ দিনত সকলো মাটি উদ্ধাৰ হ'ব। আকৌ ২৫ লাখ মাটি উদ্ধাৰ হ'ব। নতুনকৈ আকৌ অসমক ৰূপহী হিচাপে গঢ় দিয়া যাব।

..(সদনত হূলস্থূল) ..

(মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই আলি-আই-লিগাং পাহৰি গ'ল বুলি নিজৰ আসনৰ পৰা বাৰে বাৰে উঠি উঠি সদনত কৈ থাকে)

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ কোনো বক্তব্য ৰেকৰ্ডত নাথাকে।

..(সদনত হূলস্থূল) ..

**শ্ৰী ভূৰন পেগু, ধেমাজী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসমত যদি Forest অলপো বাচি আছে, আজি জনজাতি ৰাইজক ধন্যবাদ দিব লাগিব, খিলঞ্জীয়া মানুহক ধন্যবাদ দিব লাগিব। এইখিনি জনজাতিৰ মানুহে Forest বোৰ অচিনাকি মানুহৰ পৰা বচাই থৈছে আৰু এই agenda Forest ৰ যি ২৫ লাখ বিঘা মাটি encroach হৈ আছে, এইখিনি পুনৰ উদ্ধাৰ কৰি এই ২৫ লাখ বিঘা মাটিত নতুন Forest সৃষ্টি কৰাৰ agenda টোত অসম চৰকাৰ আগুৱাই যাওঁক আৰু Forest Department ক অধিক পুঁজি দিয়ক আৰু Forest Department ক আৰু অধিক শক্তিশালী কৰক। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডo বিশ্ব শৰ্মাৰ হাতখন আৰু মজবুত কৰক বুলি আহ্বান জনাই এই বিৰোধীৰ কৰ্তন প্ৰস্তাৱক বিৰোধীয়ে যি Forest ক দুৰ্বল কৰি, Forest ধ্বংস কৰি অচিনাক্ত মানুহক encroach কৰাৰ যি ষড়যন্ত্ৰ চলাই আছে, এইটোৰ বিৰুদ্ধে আজি বিধান সভাই পূৰ্ণগতিত বিৰোধিতা কৰি, কৰ্তন প্ৰস্তাৱক বিৰোধিতা কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, আপুনি মোক এটা কথা কওঁকচোন? আপুনি কোনটো Rule ত বাৰে বাৰে উঠি এইটো কৈ আছে? আপোনাক এটা পৰামৰ্শ দিওঁ, আপুনি এই Rule ৰ কিতাপখন পঢ়ক আৰু পঢ়ি উঠি অংশ গ্ৰহণ কৰিব। যেতিয়া মন যায়, তেতিয়া আপুনি উঠিব নোৱাৰে। এইখন ১২৬ গৰাকী সদস্যৰে গঠিত এখন পৱিত্ৰ সদন। এইখন সদন নিয়মমতে চলে। আমি BAC ৰ Meeting হোৱাৰ পিছতে সময় নিৰ্ধাৰণ কৰা হৈছে আৰু প্ৰত্যেক গৰাকী সদস্যক ক'বলৈ দিয়া হৈছে যাতে সদস্য সকলে সময়ত কথা ক'ব পাৰে। তাত যদি unparliamentary word থাকে, সেইখিনি আমি expunge কৰিম। কিন্তু আপুনি বাৰে বাৰে উঠি থাকিব নোৱাৰে। মোৰ এটা অনুৰোধ থাকিল আপুনি Rule খিনি ভালকৈ পঢ়িব। পঢ়ি অলপ জ্ঞান অৰ্জন কৰক আৰু তাৰপিছত সদনত আহিব। এতিয়া মই পৱিত্ৰ সদনৰ পৰা অসমবাসী ৰাইজক আলি-আই-লিগাংৰ শুভেচ্ছা জ্ঞাপন কৰিলো। এতিয়া মাননীয় সদস্য শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী, ওডালগুৰি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি Forest Department ৰ যি অতিৰিক্ত মঞ্জুৰী বিচাৰি দাবী উত্থাপন কৰিছে, তাৰ বিৰুদ্ধে বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে মই কেইআষাৰমান কথা ক'ব বিচাৰিছো।

( সদনত উপবিস্ত মাননীয় সভাপতি শ্ৰী ভূৱন পেগু)

অসম এটা সময়ত বনৰে ভৰা অঞ্চল আছিল, কিন্তু ক্ৰমশ এই বনাঞ্চল প্ৰায় নাইকিয়া হৈ আছে। বে-দখলেৰে ভৰি আছে। সেই কাৰণে অসমৰ যি বায়ুমণ্ডল, যি জলবায়ু সেইটো সম্পূৰ্ণৰূপে পৰিৱৰ্তন হৈ মানুহৰ জীৱন জীয়াই থকাৰ এটা পৰিৱেশ নাইকিয়াৰ নিচিনা হৈ গৈছে। বৰ্তমান Forest কমি যোৱাৰ কাৰণে climate যথেষ্ট পৰিৱৰ্তন হৈছে আৰু পৃথিৱীৰ উত্তাপ বাঢ়ি গৈছে। তাৰফলত বানপানী খহনীয়া ইত্যাদি হৈছে। সেই কাৰণে গোটেই সমস্যাখিনি নাইকিয়া কৰিবৰ কাৰণে Forest ৰ অঞ্চল বৃদ্ধি হোৱাটো প্ৰয়োজন অনুভৱ কৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে আজি অসমত বিশেষকৈ Forest সম্পদ সুৰক্ষিত কৰি ৰাখিবৰ কাৰণে লগতে জলবায়ু পৰিৱৰ্তন কৰি বাসউপযোগী কৰিবৰ কাৰণে যিখিনি ব্যৱস্থা লাগে, সেইখিনিৰ কথা চিন্তা কৰি Forest Department ত অতিৰিক্ত মঞ্জুৰী লাগে বুলি যি দাবী কৰিছে। ইয়াত মই সমৰ্থন কৰিছো। মই ভাৱো তেখেতৰ যি চিন্তা-চৰ্চ্চাৰে অসমত এটা ভাল পৰিৱেশ আনিবৰ কাৰণে চেষ্টা কৰিছে য'ত সকলো জীৱ-জন্তু নিৰাপদভাৱে জীৱিত থকাৰ লগতে আমাৰ বানপানী আৰু গড়াখহনীয়া যাতে কমি যায়, বনাঞ্চল যাতে বৃদ্ধি কৰিব পাৰি, বৃক্ষৰোপণ অধিক কৰিব পাৰি, সেই কথা চিন্তা কৰিছে আৰু এই কথা চিন্তা কৰিয়েই ভাৰত চৰকাৰৰ তৰফৰ পৰা অমৃত বৃক্ষৰোপণৰ এটা আঁচনি লৈছে। সেই আঁচনিৰ জৰিয়তে অন্তত অসমত আমি একেদিনাই ১ কোটি গছপুলি ৰোৱাৰ এটা সিদ্ধান্ত লৈছো আৰু সেইটো সম্পূৰ্ণৰূপে সফল হৈছে। BTAD অঞ্চলতো একেদিনাই ১০ লাখ গছপুলি ৰুই এটা World record সৃষ্টি কৰিবৰ কাৰণে কাম কৰিছো আৰু সেইটো সফল হৈছে। তাৰ কাৰণে আমি এই ব্যৱস্থাটো অব্যাহত ৰাখিব লাগিব আৰু Forest বৃদ্ধি কৰিব লাগিব। এইখিনিৰেই আজি যি Forest Department ৰ দাবী মঞ্জুৰী উত্থাপন কৰিছে, সেইখিনি সমৰ্থন কৰি মোৰ বক্তব্য ইমানতে সামৰিছো। ধন্যবাদ।

**শ্ৰী ভূৱন পেগু, সভাপতি ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন ডাঙৰীয়া, তেখেত অনুপস্থিত। ইয়াৰ পিছত সন্মানীয় সদস্য, শ্ৰী নুৰুল হুদা, তেওঁ অনুপস্থিত। ইয়াৰ পিছত সন্মানীয় সদস্য শ্ৰী সুশান্ত বৰগোঁহাই। আপোনাৰ সময় ১৭ মিনিট।

**শ্ৰী সুশান্ত বৰগোঁহাই, থাওৰা ঃ** মাননীয় সভাপতি মহোদয়, আজি যি কৰ্তন প্ৰস্তাৱ বিৰোধীয়ে আনিছে, সেই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দুষাৰমান ক'বলৈ আগবাঢ়িছো। আমি জানো যে অসম হৈছে প্ৰাকৃতিক সৌন্দৰ্য্য আৰু জৈৱিক বৈশিষ্ট্যৰে ভৰা এটা অপূৰ্ব ভাণ্ডাৰ। এষাৰ কথা আছে, যদি বন আছে, তেন্তে জীৱ আছে। যোৱা সময়ছোৱাত আমি দেখিছিলো আমাৰ অসমৰ কেনেধৰণে বনজ সম্পদ লুণ্ঠন, সংৰক্ষিত বনাঞ্চলত কেনেধৰণে অবাধ বে-দখল আৰু আমাৰ যিবিলাক প্ৰাকৃতিক সম্পদ, সেই প্ৰাকৃতিক সম্পদবিলাক কেনেধৰণে ধ্বংস কৰা হৈছিল, যোৱা সময়ছোৱাত দেখা পোৱা গৈছিল। ইয়াত আমি যদি চাওঁ, দুটা অৰ্থত বিশ্লেষণ কৰিব পৰা যায়। এটা সময়ত অসম যিহেতু অৰ্থনৈতিক ভাৱে দূৰ্বল আছিল আৰু সেই সময়চোৱাত এনে বহু মানুহে বনজ সম্পদ, বন ধ্বংস আদি কৰি বনাঞ্চল বেদখল আদি সকলো ফালৰ পৰাই অসমখনক ধ্বংসত পৰিণত কৰাৰ এটা ষড়যন্ত্ৰত লিপ্ত হৈছিল। সময়ৰ লগে লগে আমাৰ যিবিলাক ঐতিহ্য ক্ষেত্ৰ আছে, মানস অভয়াৰণ্যই হওঁক, কাজিৰঙাই হওঁক, আমাৰ দিহিং পাটকাইয়েই হওঁক বা আমাৰ যিসমূহ

বনাঞ্চল আছে সেই প্ৰায়বোৰ বনাঞ্চলত আমাৰ বনজ সম্পদ আৰু আমাৰ এশিঙিয়া গড়ৰ পৰা আৰম্ভ কৰি সকলোবোৰ বিপদাপন্ন হৈ আছিল। চৰকাৰখনে যদি শক্তিশালী পদক্ষেপ নলয় তেতিয়াহ'লে হয়তো আজিৰ দিনটোত আমি এনে এটা পৰিবেশত গলো হেঁতেন যে আমাৰ এশিঙিয়া গড়, যাক লৈ আমি গৌৰান্বিত বা গৌৰৱ অনুভৱ কৰো সেই এশিঙিয়া গড় হয়তো আমি মিউজিয়ামৰ এখন ফটোত চাবলগীয়া হ'ল হেঁতেন। এই পৰিবেশ বিলাক উন্নীতকৰণ কৰাৰ কাৰণে আৰু বন বিভাগটোক শক্তিশালী কৰি তুলিবৰ কাৰণে আৰু আমাৰ নতুন প্ৰজন্মই যাতে এক সুৰক্ষিত পৰিবেশত থাকিব পাৰে বা আমাৰ যিবিলাক বন্য প্ৰাণীৰ লগত সংঘাত, এই সংঘাত বিলাক নহ'বৰ কাৰণে আমি এই বিভাগটোক আৰু শক্তিশালী কৰিব লাগিব। এই বিভাগটোত আৰু অধিক অৰ্থ বা বাজেট বঢ়াই দি যাতে আমি সংৰক্ষিত কৰিব পাৰো তাৰ এটা ব্যৱস্থা কৰিব পাৰো। কিন্তু এই কৰ্তন প্ৰস্তাৱটো কিয় অনা হৈছে, এই প্ৰস্তাৱটোৰ অন্তৰালত কিবা ষড়যন্ত্ৰ আছে নেকি সেইখিনি আমি অনুধাৱন কৰিব লাগিব। কাৰণ বন নিধন, নদী ভাঙোণ, বানপানী, জলবায়ু পৰিবৰ্তন, প্লাষ্টিক প্ৰদূষণ, প্লাষ্টিক ব্যৱহাৰৰ যিখিনি আজি দেখিছো এই গোটেই বিলাক সামৰি আমি গোটেইখিনি আলোচনা কৰিব লাগিব। কাৰণ আমি আজি বন সংৰক্ষণ বুলি ক'লে বন সংৰক্ষণৰ লগতে প্ৰদূষণো যাতে নহয় আৰু আমি ব্যৱহাৰ কৰিব লগীয়া যিবিলাক বস্তু সেইবিলাক যাতে আমি জধে-মধে ব্যৱহাৰ নকৰো তাৰ ওপৰতো কিছু ব্যৱস্থা বন বিভাগে কৰিব লগীয়া প্ৰয়োজনীয়তা আজি আমি অনুভৱ কৰিছো। আজি বন বিভাগটো বন সংৰক্ষণৰ লগত জড়িত হৈ থকাৰ উপৰিও আমাৰ যিটো climate change ৰ ওপৰত জড়িত হ'ব লাগিব। এই climate change ৰ বিষয়টোত আজি সমগ্ৰ বিশ্বই চিন্তিত হৈছে। বিশ্বৰ সকলোতকৈ শক্তিশালী দেশ বিলাকে আজি চিন্তিত হৈছে। তাৰ পৰা কেনেধৰণে পৰিত্ৰাণ পাব পাৰি তাক লৈ আলোচনা হৈছে। আজি এফালে industrialisation ও হ'ব লাগিব আৰু জলবায়ু পৰিবৰ্তন নোহোৱাকৈ যাতে আমি আমাৰ নতুন প্ৰজন্মই জীয়াই থাকিব পাৰে, আমি সকলোৱে যাতে এটা ভাল পৰিৰেশত বিশুদ্ধ খাদ্য, পানী লৈ যাতে জীয়াই থাকিব পাৰো তাৰ এটা পৰিবেশ আমাৰ এই বিভাগটোৱে কৰিব লাগিব। এইখিনি কৰিবলৈ যাওঁতে সকলোৰে সহযোগিতা অতি প্ৰয়োজনীয়। ইয়াত কোনো ৰাজনৈতিক দল বা ৰাজনৈতিক শক্তি বা এইধৰণৰ যিবিলাক কথা-বতৰা আমি পাতো তাৰ উৰ্দ্ধত গৈ এই কামখিনি কৰাৰ প্ৰয়োজনীয়তা আছে। কাৰণ আমি আহি থকা প্ৰজন্মক এনে এটা জলবায়ু দিব লাগিব যি জলবায়ুত তেওঁলোকে যাতে সুস্থ ভাৱে জীৱন নিৰ্বাহ কৰিব পাৰে। আজি এই বিধান সভা খনৰ ভিতৰত আমি যিমান বিধায়ক আছো, আমাৰ সকলোৰে কোনেও আজন্ম এই বিধান সভা খনত বহি নাথাকো। আমি যিসকলে আজি ইয়াত নীতি-নিৰ্দেশনা তৈয়াৰ কৰিম বা নিয়মাৱলী তৈয়াৰ কৰিম বা ইয়াত যিবিলাক আইন প্ৰনয়ণ কৰিম, আমি এনেধৰণৰ আইন প্ৰনয়ণ কৰিব লাগিব যিখিনি আইনৰ দ্বাৰা যাতে আমাৰ নতুন প্ৰজন্মই সুৰক্ষিত আৰু স্বাস্থ্য সন্মত অসমত বসবাস কৰিব পাৰে। সেইকাৰণে আজি আমাৰ যি বন আৰু পৰিৱেশ বিভাগ আছে, সেই বিভাগটো আৰু অধিক কাৰ্য্যক্ষম কৰি তেওঁলোক আগবাঢ়ি যাব লাগিব। কাৰণ আমি দেখিছো যে বিভিন্ন সময়ত আমি প্লাষ্টিকৰ প্ৰয়োগৰ কথা দেখিছো। প্লাষ্টিক প্ৰয়োগ বন্ধ কেৱল কাজিৰঙাৰ ভিতৰলৈ সোমায়েই কৰিলে নহ'ব। বাকী যিবিলাক বনাঞ্চল আছে, যিবিলাক অঞ্চল আছে, যিবিলাক অঞ্চলত আমাৰ ফৰেষ্ট লেণ্ড নাথাকিলেও য'ত প্লাষ্টিকৰ বেছি ব্যৱহাৰ হৈছে সেই অঞ্চল বিলাকত আমি এনেধৰণৰ কিছুমান আঁচনি ল'ব লাগে যি আঁচনিৰ যোগেদি আমি প্লাষ্টিক ব্যৱহাৰ ক'ম কৰিব পাৰো। কাৰণ আমি দেখো যে picnic ৰ সময়ত বা আমাৰ উৎসৱ সমূহৰ সময়ত আজিকালি সহজে ব্যৱহাৰ কৰিব পৰা বস্তুটো হ'ল প্লাষ্টিক। সেই

প্লাষ্টিক বিলাক যেতিয়া নদীৰ কাষে কাষে পৰি থকা দেখা পোৱা যায় আৰু বানপানীৰ সময়ত যেতিয়া সেই প্লাষ্টিক বিলাক নদীলৈ যায় তেতিয়া নদী প্ৰদূষণ হোৱাৰ উপৰিও আমাৰ বায়ু প্ৰদূষণ, জল প্ৰদূষণ আদি যথেষ্টখিনি অসুবিধা হোৱা দেখা পোৱা যায়। এইখিনিৰ ক্ষেত্ৰত যিহেতু আমাৰ এখন pollution board আছে, বন বিভাগে পৰিবেশৰ ওপৰতো কাম কৰে গতিকে এই গোটেইখিনি সামৰি কিছুমান এনে ধৰণৰ নিয়ম কৰিব লাগে, যিবিলাক নিয়মৰ যোগেদি আমি অন্তত এই প্লাষ্টিক ব্যৱহাৰ কিছু হলেও যাতে কমাব পাৰো তাৰো ব্যৱস্থা বন বিভাগে কৰিব লাগে। এইখিনিতে এটা কথা কওঁ যে আগতকৈ আমাৰ যি বনাঞ্চল আছে এই বনাঞ্চল যোৱা ১০ টা বছৰত যথেষ্টখিনি বাঢ়িছে। কিন্তু তাৰ উপৰিও বহু বনাঞ্চলত এতিয়াও বহুখিনি মানুহ বসবাস কৰি আছে। বন সংৰক্ষিত কৰিবৰ বাবে ২০০৬ বা ২০০৭ ৰ যিখিন Forest Act আছে তাত দেখা পোৱা গৈছে যে বনত সংৰক্ষিত কৰিবৰ কাৰণে বহুতে Forest village স্থাপন কৰিছে। কিন্তু সেই Forest village বিলাকৰ যোগেদিও আমি কেতিয়াবা দেখো যে তাত যেতিয়া অনুষ্ঠান বিলাক পতা হয়, তাত বহুত প্লাষ্টিকৰ ব্যৱহাৰ আমি দেখা পাওঁ। সেই কাৰণে এতিয়া প্লাষ্টিকটো one of the major concern হৈ গৈ আছে। কাৰণ বনাঞ্চল বাঢ়িছে। আমি তাত গছ পুলি ৰুইছো। গছ পুলি ৰোৱাৰ লগে লগে গছৰ লালন-পালনো বহুত কৰা হৈছে। নিজৰ নিজৰ ফৰেষ্ট এখনো কৰিছে। Urban forest ও আমি দেখা পাইছো। আমাৰ মাননীয় বিধায়ক মৃণাল শইকীয়া ডাঙৰীয়াই Urban forest ৰ concept এটাও আনিছে। টাউনৰ মাজত যদি Urban forest এখন হয় তাত আমাৰ যিবোৰ দুষ্প্ৰাপ্য জীৱ-জন্তু আছে সেইবোৰ Urban forest ত ৰখাৰ ব্যৱস্থাও আছে। কিন্তু তাৰ উপৰিও আমি দেখিছো যে আমাৰ যিবিলাক পলিচি বনোৱা হৈছে এই পলিচি বিলাক বনাওঁতে সংৰক্ষণৰ ক্ষেত্ৰত আমি কিমান কাম কৰিব পাৰো বা কিমান কাম কৰিব পৰা যায় তাৰো ব্যৱস্থা আমি কৰিব লাগে। কাৰণ আমি বহুতে গছপুলি ৰোৱাৰ কথাও কওঁ। কিন্তু গছপুলি ৰোৱাৰ উপৰিও আমাৰ অসমখন ইমান উৰ্বৰ ভূমি ব্ৰহ্মপুত্ৰ মাজেৰে যোৱা। Its a one of the fertile land বুলিও কোৱা হয়। তাত গছ নাকাটিলে গছ নিজে নিজে ডাঙৰ হৈ যায়। আমি এনেধৰণৰ বহুত অঞ্চল দেখিছো। বহুতে গছ ৰোৱাৰ কথা কয় যদিও মই ভাৱো যে গছ এটা অঞ্চলত চাৰি বা পাঁচ বছৰ যদি মানুহ যোৱা বন্ধ কৰে বা গছ কটা বন্ধ কৰে তেতিয়া নিজে নিজে গছ হৈ তাত সৰু-সুৰা forest ৰ নিচিনা হৈ যায়। সেই কাৰণে এই গোটেই কথাবিলাক সামৰি আমি কিছু আইন প্ৰনয়ণ কৰিব পাৰো। তাৰ ব্যৱস্থাপনা যদি আমাৰ বন বিভাগে কৰে ভৱিষ্যতে আমাৰ নিশ্চয় কিছু কাম হ'ব। কাৰণ বন বা বনজ সম্পদৰ লগত অৰ্থনীতি জড়িত হৈ আছে। কাৰণ আমি যদি সেইটো একেবাৰে cut off কৰো তেতিয়াও আমাৰ কিছু অসুবিধা হয়। কাৰণ আমি আমাৰ শিৱসাগৰ বা আন কিছুমান অঞ্চলত দেখিছো যে কিছুমানে বেতৰ ব্যৱসায় কৰে। কিন্তু আমি জধে-মধে বেত বিলাক কটাৰ কাৰণেও আমাৰ কেতিয়াবা এনে ধৰণৰ environmental বা forest imbalance হোৱা দেখা পাওঁ। আমাৰ forest area বা যিবিলাক বন বিভাগৰ বিষয়া আছে তেওঁলোকৰ যদিও নিয়ম আছে যে এইটো অঞ্চলতে কাটিব লাগিব বা এনেধৰণে কাটিব লাগিব। কিন্তু জধে-মধে কটাৰ বাবে আমাৰ কিছু অসুবিধা হোৱা দেখা গৈছে। আমাৰ যিবিলাক চাপৰি অঞ্চল আছে, সেইবিলাক আমি forestation কৰিব পৰা যায় নেকি বা আমাৰ P&RD বা আমাৰ সকলো বিভাগ মিলি তেনেকুৱা ধৰণৰ কিবা আঁচনি ল'ব পাৰো নেকি। MGNEREGA ৰ অধীনত plantation ৰ আঁচনি আছে। সেই আঁচনি বিলাক বন বিভাগে অলপ সহযোগ কৰি কেনেধৰণে আঁচনি ল'ব পাৰি সেইটো কৰিব লাগে। নহ'লে কি হয় যে আমাৰ কিছুমান এনেকুৱা

অদ্ভূত ঠাইত plantation হয় যিবোৰ ঠাইত পিছত ৰাস্তা বহল কৰাৰ নামত কাটিব লগীয়া হয় বা কেতিয়াবা land development ৰ সময়ত কাটিব লগীয়া হয়। সেইকাৰণে বন বিভাগ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ দুয়োটা বিভাগ মিলি যদি forestation কৰাৰ ক্ষেত্ৰত তেওঁলোকে আঁচনি বিলাক সম্পূৰ্ণ সঠিক আৰু বিজ্ঞান সন্মত ভাৱে যদি কৰে বা data base এটা area wise কৰে তেতিয়াহ'লে forestation থাকিব আৰু deforestation ৰ সম্ভাৱনা কম হৈ থাকিব। এনেধৰণৰ বহুখিনি কাম কৰিব পৰা অৱস্থাত আছে। আজি যিহেতু আমাৰ অসমখন যোৱা ১০ টা বছৰত অৰ্থনৈতিক বা সামজিক ভাৱে আগতকৈ আগবাঢ়ি গৈছো, মানুহে ডিচেম্বৰ-জানুৱাৰী এই দুটা মাহত যথেষ্ট পিকনিক বা অন্যান্য উৎসৱ সমূহত বনাঞ্চলৰ আশে-পাশে যায়। কিন্তু প্লাষ্টিকৰ যিটো ব্যৱহাৰ বা প্লাষ্টিকটো যেতিয়া তেওঁলোকে তুলি নানে বা তাত পৰি ৰয় ভৱিষ্যতে সেই প্লাষ্টিকৰ যোগেদি এটা ভয়াৱহ পৰিৱেশ আমি দেখিবলৈ পাওঁ। কাৰণ এটা সময়ত আমি যেতিয়া টোপোলা ভাত লৈ খেতিলৈ যাওঁ বা টোপোলা ভাত লৈ যেতিয়া খাবলৈ যায় তেতিয়া কৌ পাত বা ডিমৰু পাতত ভাত মেৰিয়াই লৈ যায় বা চুঙাত যেতিয়া আমাৰ যিবিলাক traditional পানীয় আছে, সেইবিলাক লৈ যায় তেতিয়া আমাৰ পৰিৱেশটো খুব সুন্দৰ হৈ থাকে। কাৰণ সেইবিলাক পচি যায় বা সেইবিলাক perishable item হয়। Non perishable item বিলাক আজিকালি বেছি ব্যৱহাৰ কৰাৰ কাৰণে বন এতিয়া danger line ত গৈ থকা দেখিবলৈ পোৱা যায় আৰু এই পৰিৱেশটো উদ্ধাৰ কৰিবৰ বাবে বাকী বিভাগ বোৰেও বন আৰু পৰিৱেশ বিভাগটোক সহায় কৰিব লাগিব। কাৰণ বাকী বিভাগৰো কৰণীয় আছে। কৰণীয় থাকিলেও আমাৰ তাত Rules and Regulation বনোৱাৰ ক্ষেত্ৰত আমাৰ বন আৰু পৰিৱেশ বিভাগৰ বেছি দায়িত্ব দেখিবলৈ পোৱা যায়। আমাৰ তাত এখন পানীদিহিং পক্ষী অভয়াৰণ্য আছে।. মাননীয় অধ্যক্ষ মহোদয়, পানীদিহীং পক্ষী অভয়াৰণ্যখনৰ আমি আৰু কেনেধৰণে সংৰক্ষণ বা সুৰক্ষিত কৰিব পাৰো। আগতে সেই পক্ষী অভয়াৰণ্য খনৰ ওচৰে-পাজৰে প্ৰায়েই হাতী-মানুহৰ সংঘাত হয়। গতিকে এই পক্ষী অভয়াৰণ্যখন যদি আমি সুন্দৰভাৱে সংৰক্ষিত কৰি গছ পুলি ৰোপণ বা এনেকুৱা কোনো ভাল প'লিচি এটা লৈ কাম কৰিলে তাত হাতী-মানুহৰ সংঘাতো যথেষ্ট কমাৰ সম্ভাৱনা আছে। সেই কাৰণে এনেধৰণৰ কিছুমান অঞ্চলৰ বিষয়ে আমি ইতিমধ্যে বন বিভাগক দৃষ্টি গোচৰ কৰিছো। দৃষ্টিগোচৰ কৰাৰ পিছতো আমি এই ক্ষেত্ৰত কেনেদৰে আগবাঢ়িব লাগিব বা কি কি কৰিব লাগিব সেই কথাবিলাক কিছু দায়িত্ব সহকাৰে আগবঢ়াই নিয়াৰ কাৰণে আহ্বান জনাম। মই এই কাৰণেই আহ্বান জনাইছো কাৰণ মই সেই অঞ্চল বিলাকত practically ঘূৰি ফুৰো কাৰণে আমি বুজি পাওঁ আৰু সেই কাৰণে আমি জনাওঁ। কিন্তু কেনেধৰণে কৰিব লাগিব সেইখিনি জ্ঞান যিহেতু আমাৰ নাই, সেই বিষয়ে বন বিভাগে ভালকৈ জানে। গতিকে মই ভাৱো এনেধৰণে কাম কৰিবলৈ আমাৰ অঞ্চলবিলাকত যিবিলাক সংৰক্ষিত এলেকা আছে, সেইবিলাক যদি আমি সুৰক্ষিত কৰিব পাৰো তেন্তে হাতী-মানুহৰ সংঘাত বহুখিনি কমাৰ এটা থল থাকিব পাৰে আৰু পৰ্য্যটন উন্নত হোৱাৰ সম্ভাৱনা হ'ব পাৰে। এই কথাখিনি আজি মই ৰাখিলো। মই পুনৰ কওঁ যে আমাৰ সকলোকেইটা বিভাগতকৈ আজিৰ দিনত গুৰুত্বপূৰ্ণ বিভাগ হৈছে পৰিৱেশ আৰু বন বিভাগ। আমাৰ ইয়াত মানুহে যিখিনি বিচাৰে বা য'ত য'ত সুৰক্ষা লাগে ৰাস্তা বনোৱাৰ পৰা আৰম্ভ কৰি, ঘৰৰ পৰা আৰম্ভ কৰি বাকী সকলো কাম হৈ থাকিব। কিন্তু আমাৰ যদি পৰিৱেশ ভাল নহয়, আমাৰ যি বায়ু আছে, সেই বায়ু যদি প্ৰদূষিত হয়, আমি ডাঙৰ ঘৰত থাকিলেও থকাৰ পৰিৱেশটো নাপাম। আমি আজিৰ দিনত যদি দিল্লীলৈ যাওঁ তিনি দিনতে ঘূৰি আহো। দিল্লীৰ বায়ু প্ৰদূষণৰ বাবে তাত

ওখ ওখ ঘৰ থাকিলেও তাত থকাৰ পৰিৱেশ নোহোৱা হৈ গৈছে। সেই পৰিৱেশটো ভৱিষ্যতে যাতে অসমত নহয়, তাৰ বাবে আমি এতিয়াৰ পৰাই কাম কৰাৰ প্ৰয়োজনীয়তা আছে। আমি কওঁ যে- reuse reduce and recycle কৰিব লাগে। এইবোৰ ব্যৱস্থাত যদি আমি মনোনিৱেশ কৰো আমি নিশ্চিতভাৱে বহু সমস্যাৰ পৰা সমাধান পাব পাৰো। যিসকলে এই কৰ্তন প্ৰস্তাৱৰ যোগেদি এই বিভাগটোত বিপদত পেলাবৰ বাবে পৰিকল্পনা কৰিছে, তেখেতসকলক আহ্বান জনাম যে আপোনালোক বা আমাৰ বাবে নহয়, আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে তেওঁলোকে যাতে সুস্থভাৱে এই পৃথিৱীত উশাহ-নিশাহ ল'ব পাৰে। আমি তেওঁলোকক কি দি যাব পাৰো বা নোৱাৰো, সেইটো বেলেগ কথা। কিন্তু আমি যদি তেওঁলোকক প্ৰদূষণ মুক্ত অসম দি যাব পাৰো, তেতিয়া নতুন প্ৰজন্মই সু-স্বাস্থ্যৰে জীয়াই থাকিব পাৰিব। কেৱল সেই বতাহখিনি যদি আমি দি যাব পাৰো তেতিয়া বহুখিনি কাম কৰি গৈছো বুলি ক'ব পৰা এটা অৱস্থাত থাকিম। সেইকাৰণে মই এই কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে দু-আষাৰ এই সদনত ৰাখিলো। ধন্যবাদ।

**সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই ক'ব। আপোনাক দহ মিনিট সময় দিয়া হৈছে।

**Shri Prodip Hazarika, MLA, (Amguri):**Hon'ble Chairman Sir, আজিৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দু-আষাৰ ক'বলৈ ওলাইছো। Assam possess a rich bio diversity ecosystem acting as a gateway. But its ecological balance is currently threaten by rapid deforestration in reserve spaces. In evitated degradation Assam lossing 3024 thousand hector trees between year 2001 -2023. Major loss in the key aspect of Assam ecological balance in Assam's rich biodiversity. Assam is a part of Easter Himalayan biodiversity hotspot featuring wet evergreen forest, grass land, wet land that supports diverse fauna. Rich biodiversity,environment threaten, then deforestration,natural disaster, climatic change,conservation approch,encroachment. Hon'ble Chairman Sir there is a verdict of Hon'ble Supreme Court. The Hon'ble Supreme Court had upheld Assam Government's policy to remove encroachment from nearly 20% of its forest land under unauthorised enrcoachment calling forest complex ecological system indispensible for maintainance of environmental balance. সভাপতি মহোদয়, মই এখন জিলাত কি হৈ আছে, সেই বিষয়ে অলপ জনাব বিচাৰিছো। সেইটো হৈছে বৰপেটাৰ সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত টুলবাৰী গ্ৰাম গো-চৰণীয়া পথাৰ, ১৩৮ বিঘা ১ কঠা ২ লেচা ভূমি সম্পূৰ্ণৰূপে বে-দখলৰ কৰলত আছে। একেদৰে ক্ৰমে কুঁহিয়াৰ পাম গো-চৰণীয়া পথাৰ-৪৪৫ বিঘা ৪ কঠা ১৩লেচা ভূমি, এৰা কচাৰী পাৰাৰ ৪৩২ বিঘা ১৪ লেচা, বামন পাকাৰ ৮১৭ বিঘা ৩ কঠা ৪ লেচা, সত্ৰ পাকাৰ ৩৭১ বিঘা ৪ কঠা ১৮ লেচা ভূমি বেদখলৰ কৰলত আছে। ঠিক এনেদৰে বৰআমিখোৰা গো-চৰণীয়া পথাৰ ৬ বিঘা ৩ কঠা ১০ লেচা, ক্ষুদ্ৰ আমিখোৰাৰ গো-চৰণীয়া পথাৰৰ ২৮৫ বিঘা ১০ লেচা ভূমি, চীনাদিৰ ৪৪০ বিঘা ২ কঠা ৮ লেচা ভূমি, সৰ্থেবাৰীৰ ৰাজহ চক্ৰৰ মাজদিয়া গো-চৰণীয়া পথাৰৰ ২২৩ বিঘা ২ কঠা ১ লেচা, বালাৰ বাৰীৰ ১৬৪ বিঘা

২ কঠা ২ লেচা ভূমি, কোকালপাৰাৰ ২০০বিঘা ১ কঠা ১০ লেচা ভূমি, বৰবীলা পথাৰৰ ১৯৭ বিঘা ১ কঠা ১৬ লেচা ভূমি, গাদেখালী পামৰ ১৭৮ বিঘা, পুবালীদৰ ৩১১ বিঘা ১ কঠা ভূমি বেদখল হৈ আছে ।ইপিনে দলবাৰী গো-চৰণীয়া পথাৰৰ ৬৭ বিঘা ২ কঠা ১২ লেচা ভূমি, বাউলীৰ ৩৫০ বিঘা ১ কঠা ১৯ লেচা ভূমি, চিংৰাৰ ২২৩ বিঘা ২ কঠা, গহিয়াৰ ২৬৩ বিঘা ১৫ লেচা, গাওঁজাহি পথাৰৰ ১৭৪ বিঘা ৩ কঠা ১৬ লেচা, যশোদা পামৰ ১১৪ বিঘা ১৯ লেচা, বৰকাটলাৰ ৪৫ বিঘা ৯ লেচা ভূমিত বেদখল চলি আছে। আনহাতে হালদিবাৰী গো-চৰণীয়া পথাৰত ৪৩ বিঘা, ৰচিমৰাৰ ৫৮ বিঘা ২ কঠা, পাল্লাৰ ৩৬৮ বিঘা ৪ কঠা ৯ লেচা, বৰশালা বিলৰ পথাৰৰ ১১ বিঘা ৪ কঠা ৮ লেচা, শালমৰাৰ ৪৯৫১ বিঘা ১৫ লেচা, মৰিছাম মৌ ৰিজাৰ্ভৰ ৯২৬ বিঘা ৪ কঠা ৭ লেচা, কাৰৈমাৰী মৌ ৰিজাৰ্ভৰ ২৭৯৩ বিঘা ২ কঠা ১৬ লেচা ভূমি সন্দেহজনক লোকৰ বেদখলৰ কৱলত পৰিছে। সভাপতি মহোদয়, এইখিনি এটা ৰাজহ চক্ৰৰ অধীনত ঘটি থকা ঘটনা। কিন্তু অসমৰ মানুহে এইবোৰ কথা গম নাপায়। মই আৰু এটা কথা বৰপেটা জিলাৰ বিষয়ে দাঙি ধৰিব বিচাৰিছো। এইখন কিতাপৰ নাম হৈছে 'ৰক্ষক' আৰু এইখন গণেশ দাস ডাঙৰীয়াই লিখিছে। ইয়াত গোবিন্দপুৰ ৰিজাৰ্ভৰ কথা উল্লেখ কৰিছে আৰু গোবিন্দপুৰ ৰিজাৰ্ভ ৩৫০০০ বিঘা। এই গোবিন্দপুৰ ৰিজাৰ্ভ স্বাধীনতাৰ সময়তেই এই গোৱিন্দপুৰ ৰিজাৰ্ভক ৰক্ষা কৰিবৰ বাবে এখন প্ৰায় যুদ্ধৰ নিচিনাই হৈছিল আৰু এই যুদ্ধখনত হাজাৰ হাজাৰ পমুৱা মানুহ নোৱাখলিৰ পৰা আহিছিল। এইবোৰ মই কোৱা কথা নহয়। এই কিতাপখনত লিখা আছে। ইয়াত বৰপেটাৰ পুষ্প দাৰোগা (পুষ্প দাস/ দুৱৰা) নামেৰে এজন মানুহ আছিল আৰু গোৱিন্দপুৰ ৰিজাৰ্ভত বহুতো গৰু-ম'হৰ খুঁটি আছিল। পৰিৱেশ আৰু বন ইটোৱে সিটোৰ লগত জড়িত হৈ আছিল। গোৱিন্দপুৰ ৰিজাৰ্ভত এতিয়া গৰু, ম'হ, মেথোন নাই। বাঘবৰত আগতে বাঘ আছিল আৰু মন্দু কছাৰী নামৰ এজন চিকাৰী আছিল। পুষ্প দাৰোগা কেইদিন মান আগতে ঢুকাল আৰু মন্দু কছাৰীও ঢুকাল। গতিকে তাত গোটেইবোৰ খিলঞ্জীয়া অসমীয়া মানুহেৰে ভৰ্তি হৈ আছিল। আগতে বৰপেটা আৰু কামৰূপ জিলাত গোবিন্দপুৰ ৰিজাৰ্ভৰ পৰাই গাখীৰ আহিছিল কিন্তু এতিয়া সেই পৰিৱেশটো নাইকিয়া হ'ল। মানুহৰ ঘৰে ঘৰে গৈ চিঞৰি চিঞৰি গাখীৰ লাগিব নেকি, গাখীৰ লাগিব নেকি বুলি কোৱাৰ পৰিবেশ টোও আজিকালি নাই। আকৌ বৃটিছে পৰিকল্পনা কৰিছিল যে 'বৃটিছৰ দিনত চৰণীয়া পথাৰ গোৱিন্দপুৰ যাৰ বন, বিৰিণা, নল-খাগৰি আদিৰ ভিত্তিত বৃটিছ চৰকাৰে কাকতৰ মন্দ তৈয়াৰ কৰা কাৰখানা স্থাপনৰ কথা চিন্তা কৰিছিল। যি গোৱিন্দপুৰৰ শ-শ ম'হৰ খুঁটি , ম'হৰ বাথান, গাখীৰে সমগ্ৰ অবিভক্ত কামৰূপ জিলা ধুৱাই আছিল।' আজি আলোচনাত উত্থাপিত হোৱা forest and environment ৰ বিষয়টো এই কিতাপতে আছে। এই environment টো কিন্তু ground ত নাপায়। That environment has been completely sweeped away আৰু বৰ্তমান সেই গাখীৰ, মিঠাই, গোৱালৰ চিঞৰ, ম'হৰ চিঞৰ, বন-বিৰিণা এতিয়া তাত নাপায়। So, this is one of the clear example how environment has been completely destroyed not by others, by human being only. পুষ্প দুৱৰা সেই শ্ৰী সত্ৰত দাৰোগা আছিল আৰু নোৱাখলিৰ গণ্ডগোলৰ সময়ত তেওঁ তাতেই আছিল। যেতিয়া এই সকলোবোৰ ঠাই সম্পূৰ্ণভাৱে encroach কৰিবৰ বাবে আহিছিল আৰু যিসকলে নোৱাখলিত বিদ্ৰোহ কৰিছিল তাৰ মানুহ ইয়াত পাইছিল। গুলীয়া-গুলীত এজন মানুহ মৰিছিল আৰু এজন মানুহ পলাই গৈছিল। এখন জিলাৰ এটা চাৰ্কোলত যদি ইমানখনি encroach হ'ব পাৰে তেনেহ'লে গোটেই ৰাজ্যৰ জিলাসমূহৰ অৱস্থা কি হ'ব পাৰে কথাটো ভাৰি চাওঁক। অসমৰ মানুহে কিন্তু এই

কথাবোৰ গম নাপায়। This was a very silent aggression decision.....

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** Hon'ble Chairman sir, I have to object. Govindapur was never a forest reserve. It was a professional grazing reserve only. Now what does it mean by aggression? এই মানুহখিনি বাহিৰৰ মানুহ নেকি? যদি বিদেশী তেন্তে খেদি দিব লাগে.......

**Hon'ble Chairman:** Hon'ble Member, আপোনাৰ বক্তব্যত আপুনি এই কথাখিনি ক'ব। Let the Hon'ble Member speak. You willl get your time to protest.

**Sherman Ali Ahmed, Baghbar:** Hon'ble Chairman, if these people are foreigner, they should be sent to their country. It was never a forest reserve. It was a professional grazing reserve only. House is mislead by the Hon'ble Member.

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰিঃ** সভাপতি মহোদয়, কোনোবাই বেয়া পালেও আমি কথাখিনি ক'বই লাগিব। বেয়া পালে নহ'ব.....

**Sherman Ali Ahmed, Baghbar:** আপুনি শুদ্ধ কথা টো কওঁক। House ক mislead কিয় কৰি আছে? আপুনি দেখুৱাই আছে যেন গোটেই forest ধ্বংস কৰি পেলালে। That was a professional grazing reserve and if these people are foreigners, they should be immediately deported to their country. What this Govt is doing and what the Govt of India is doing? Why you people are silent? You are in power for 10 years. What have you done to sent a report to this people if they are foreigners. If they are Indian citizens, you have no right......

**Hon'ble Chairman:** This is not a debate session. This is cut motion. You can speak when you will get your time.

**Shri Sushanta Borgohain, Thowra:** Hon'ble Chairman sir, everybody cann't speak like that because this is cut motion.

**Sherman Ali Ahmed, Baghbar:** House cann't be mislead.....

**Hon'ble Chairman:** You take your time and speak whatever you want to speak when you are given the time.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী , মন্ত্ৰী, বন ইত্যাদি ঃ** সভাপতি মহোদয়, grazing reserve য়েই হওঁক গোটেই সদনৰ প্ৰতিজন সদস্যই কৈ আছে যে environment টো বেয়া হৈ আছে। Green coverage বাঢ়িব লাগে....

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, মোকো অলপ ক'বলৈ দিয়ক। আজি আলোচনাটো forest ৰ ওপৰত হৈ আছে কিন্তু কথাটো পাতি আছে grazing reserve ৰ ওপৰত। গমেই নাপাই যে এইটো forest নে grazing reserve.......

**মাননীয় সভাপতি ঃ** আপোনাৰ সময়ত আপুনি ক'ব......

...................(সদনত হুলস্থূল).....................

(Hon'ble Deputy Speaker in the Chair)

**মাননীয় উপাধ্যক্ষ ঃ** সুশান্ত বৰগোহাঁই ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়া আপোনালোক বহক।

..................(সদনত হুলস্থূল)....................

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, বন ইত্যাদি ঃ** মাননীয় সদস্যসকলে নিজৰ নিজৰ মতামতখিনি দাঙি ধৰক। কিন্তু সকলোৰে concern টো হ'ব লাগে যে আমাৰ পৰিৱেশটো ৰক্ষা হ'ব লাগে। মই সকলোৰে বক্তব্যখিনি মনোযোগেৰে শুনি আছো।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপোনাৰ বিভাগত PGR, VGR পৰে নেকি ?....

..................(সদনত হুলস্থূল)....................

**শ্ৰী অমিয় কুমাৰ ভূঞা, বিহপুৰীয়া ঃ** অখিল গগৈ ডাঙৰীয়া, আপুনি এজন জ্যেষ্ঠ ব্যক্তি তথা মন্ত্ৰীক কিদৰে ব্যৱহাৰ কৰিব লাগে নাজানে নেকি ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, বন ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাইজৰ হিতাৰ্থে এই সদন বহিছে। এজন সদস্যই এই পৱিত্ৰ সদনত যি চিঞৰ-বাখৰ কৰে ..........

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** সদনক কিয় mislead কৰা হয় ? Grazing reserve ক কিয় তেওঁ forest reserve বুলি কৈ আছে.........

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, বন ইত্যাদি ঃ** আপুনি আপোনাৰ বক্তব্যত ক'ব।

**মাননীয় উপাধ্যক্ষ ঃ** শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, আপুনি Point of Order ত উঠি ক'ব। এইদৰে যেতিয়াই তেতিয়াই উঠি নহয়। Please behave properly. আপুনি প্ৰথমবাৰৰ বাবে এই সদনত বিধায়ক হোৱা নাই। আপুনি বহুবাৰ জিকি আহিছে। অখিল গগৈ ডাঙৰীয়া প্ৰথম বাৰৰ বাবে আহিছে। গতিকে বহু কথা নাজানিবও পাৰে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** Mislead হোৱাটো সদনৰ মৰ্য্যদা হানি.....

**মাননীয় উপাধ্যক্ষ ঃ** Mislead হোৱাৰ কথাটো ক'বৰ বাবে device আছে। আপুনি সেইটো device ত ক'ব। এনেদৰে যেতিয়াই তেতিয়াই উঠি ক'ব নোৱাৰে নহয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, বন ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই device মতে কথাখিনি কোৱাতো বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্যসকল, এটা device আছে। সেইটো device ত আপুনি ক'ব। যেতিয়াই তেতিয়াই উঠি mislead হৈ আছে বুলি ক'ব নোৱাৰে নহয়। সন্মানীয় সদস্য সকল এটা device আছে। যেতিয়া আলোচনা টো শেষ হ'ব, এজেণ্ডা যাব। তাৰ মাজৰ পৰাই আপুনি point of order ক'ব যে এইটো mislead কৰিছে কাটিব লাগে বা এইটো কৰিব লাগে। যেতিয়াই তেতিয়াই মাজৰ পৰা উঠি কেনেকৈ ক'ব এইখন সদন হয়, অসম বিধান সভা। আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া আপুনি কিয় উঠিছে? শাসকীয় দল লগতে সকলোকে কৈছো Be serious. ৩ কোটি ৪০ লাখ জনতাক আপোনালোকে represent কৰি আছে। এই খন House হয়। জনতাৰ Tax ৰ টকাৰে এই House চলিছে। আপোনালোকৰ দৰমহাৰ টকাৰে নহয়। এদিন MLA সকলৰ দৰমহাৰ টকা লৈ House চলাওঁক, তেতিয়া গম পাব আপোনালোকে। এই সদনক ইমান সহজভাৱে লোৱাটো উচিত নহয়। Please অখিল গগৈ ডাঙৰীয়া আৰু এবাৰ disturb কৰিলে আপোনাক গোটেই দিনটোৰ বাবে suspend কৰিম। গোটেই দিনটোৰ বাবে suspend কৰিম যদি এনেকৈ বাৰ বাৰে disturb কৰি থাকে। It is not the rule. Behave properly. আপোনালোকক ৰাইজে জিকাই পঠাইছে ইয়াত ৰাইজৰ কথা ক'ব কাৰণে।

হুলস্থুল কৰিবৰ বাবে পঠোৱা নাই। সন্মানীয় সদস্য আপুনি continue কৰক।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিটো বিভাগৰ cut motion টো আহিছে সেইটো হৈছে Forest and Environment. এতিয়া Environment মানে পৰিবেশ নহয় জানো। Environment মানে পৰিবেশ। পৰিবেশ যিখিনি বস্তুৱে বিনষ্ট কৰিছে সেইবিলাকৰ পৰা যে বিনষ্ট হৈছে সেই কথাটো আমি point out কৰি দিছো। সেইকাৰণে এতিয়া ইয়াত কোনো ধৰণৰ House ক mislead কৰা কথা মই কোৱা নাই আৰু ইয়াত আজি নহয় বহুত দিন আগৰ পৰাই কথা কৈ আছো। উপাধ্যক্ষ মহোদয়, মোৰ সময় ছাগে হৈছে মই এটা বিশেষ কথা ক'ব বিচাৰিছো যে পুস্প ডাৰগা যিজন মানুহে এটা সময়ত অসমৰ ইমান ডাঙৰ উপকাৰ কৰাৰ কাৰণে যি কাম কৰিলে, মই ভাৱো চৰকাৰে সেই মানুহজনক অলপ চোৱা ভাল আছিল। এইটো কথা মই দাঙি ধৰিছো আৰু মই ক'ব বিচাৰিছো আমাৰ বন বিভাগৰ এটা সাংঘাতিক কথা হৈছে আমি কেইবাবাৰো বিধানসভাত এই প্ৰশ্নটো আনি আছো যে বান্দৰৰ যিটো উৎপাত আৰম্ভ হৈছে সেইটো অকল অসম বুলিয়েই নহয় যে through out the country আপুনি যদি এইবিলাক জিলাতো চায় দেখিব যে ইয়াৰ পৰা এটা সাংঘাটিক ধৰণৰ situation বিভিন্ন ঠাইত arise হৈছে। কেচুৱা ল'ৰাক মাকৰ কোলাৰ পৰা কাঢ়ি লৈ পুখুৰীত পেলাই দিছে। গুজৰাটত টো কেচুৱা intestine ওলাই দিছে। ক'ৰবাত ঘৰৰ ওপৰৰ পৰা ঠেলি পেলাই দিছে। গোটেই ঘৰৰ খিৰিকি-দৰ্জা ভাঙি পেলোৱা তেনেকুৱা ধৰণৰ ঘটনা হৈছে। আমাৰ ইয়াত খাবলৈ যদি নাপায় সিহঁতে ঘৰত আহি পাইপ বোৰ ভাঙি পেলাই, বাটত ক'ৰবাত আগচি ধৰে। এই যিটো ঘটনা ইয়াত হৈছে আমাৰ বন বিভাগৰ মই ভাৱো যে এইটো দায়িত্ব আছে। বন বিভাগে কিছু কাম কৰা ভাল। হিমাচল প্ৰদেশত তেওঁলোকৰ চৰকাৰে এটা step লৈছে সেইটোৰ বিষয়ে মই ক'ব বিচাৰিছো। হিমাচল প্ৰদেশত তেওঁলোকে stabilization center কৰিছে। Himachal Pradesh has been the most protective state having started a large scale innovative monkey stabilization programme in 2006. The State operate 8/9 dedicated monkey stabilization center across the area like Shimla, Hamipur.

**মাননীয় উপাধ্যক্ষ ঃ** এই monkey stabilization টো Animal Rights Protection য়ে oppose কৰা নাই নেকি ?

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত মই যিকেইটা পাইছো সেইখিনিয়ে দাঙি ধৰিছো, যদি এই কেইটা consider কৰে কিবা এটা হ'ব পাৰে, যিহেতু তেওঁলোকৰ তাত কৰি আছে। সেইকাৰণে the Forest Department offer cash incentive of Rs. 500 to Money catherers for every monkey trap. সেইকাৰণে মই ভাৱো যে অলপ তেনেকুৱা হ'লেও কিবা এটা কৰিব লাগিব কাৰণ এটা সমষ্টিত এটা দিনত........

**মাননীয় উপাধ্যক্ষ ঃ** Please conclude.

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, দুটা লাইন কৈ মই শেষ কৰিম। এটা সমষ্টিত এটা দিনত শাক-পাচলিত ১ কোটি টকা খৰছ হয়। আমাৰ সমষ্টিত শাক-পাচলি কিনোতে এটা দিনত ১ কোটি টকা খৰছ কৰে। এতিয়া লাখ লাখ বিঘা মাটিত খেতি কৰিব পৰা নাই। This is a very serious matter. সেইকাৰণে চৰকাৰে কিবা নহয় কিবা এটা formulate কৰিব লাগিব। সেইকাৰণে মই এইটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি আৰু এই cut mo-

tion ৰ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**माननीय উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়, Monkey Stabilization টো মনত ৰাখিব। ধন্যবাদ।

এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ)

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি Forest ৰ ওপৰত যথেষ্ট বক্তব্য শুনিলো। সেই বক্তব্যখিনিৰ মাজত এনেকুৱা লাগে যেন Forest ৰ একমাত্ৰ সমস্যা Encroachment আৰু সেইটো এটা বিশেষ particular community ৰ encroachment. এনেকুৱা ধাৰণা হৈছে গোটেই মানুহ উশাহ লোৱা বন্ধ হৈ যাব, forest এ শেষ হৈ যাব। অকল গছ কেইটাই Forest নেকি? Forest ধ্বংসটো অকল এটা particular community ৰ মানুহে কৰি আছে নেকি। আমি eviction বিলাক যদি লক্ষ্য কৰো দেখা যায় সেই eviction বিলাকত ৰামচাৰাত ৫২০ টা পৰিয়াল মিজোৰাম ব'ৰ্ডাৰ হাইলাকান্দিৰ লগত যিটো আছে লক্ষ্য কৰিলে দেখা যাব যে ৫২০ টা পৰিয়াল eviction কৰা হৈছে। তাত তেওঁলোকে ৬০-৭০ বছৰৰ পৰা আছে। কিন্তু সেই পৰিয়ালৰ ওছৰে পাজৰে খ্ৰীষ্টান মানুহ আছে, হিন্দু মানুহ আছে সেইবিলাক eviction নহয়। সিহঁতে Forest ৰ কোনো ক্ষতি কৰা নাই। সিহঁতৰ allotment টো নাই কিন্তু মুছলিম মানুহকেইটাৰ allotment টো আছে। তাৰ পিছত তেখেত সকলক কৰা হৈছে। অসমৰ এটা সময়ৰ মুখ্যমন্ত্ৰী আজি যেনেকৈ ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মুখ্যমন্ত্ৰী, গোলাপৰ পাহিৰ ওপৰত বহাইছিল। সেইবিলাক কৰি দিয়া হ'ল মানুহ বিলাকক উচ্ছেদ কৰি দিয়া হ'ল। সেই মাটিখিনি যে নগাৰ দখলত গুচি গ'ল এইটো কিন্তু আমাৰ দৃষ্টিগোচৰ নহয় যে নগালেণ্ডে নিছে লৈ যাওঁক যে particular community তাত কিয় বহিব কিয় সেই সময়ৰ মুখ্যমন্ত্ৰী নদী ভঙা মানুহবিলাকক বহাইছিল, সেই কথাটো কিন্তু বিবেচনা কৰা নহ'ল। আমাৰ হাচিলাবিল তাত কিমান মাটি আছিল ৮০ হেক্টৰ land আৰু ৯০ হেক্টৰ water. উচ্ছেদ কিমানলৈকে হ'ল ২৪৫ হেক্টৰ, ওচৰে পাজৰে যিখিন হাচিলাপাৰা গাওঁ খন ৭০-৮০ বছৰ NRC ৰ কাগজ থকা এখন গাওঁৰ নামত সেইখিনিক উচ্ছেদ কৰা হওঁক। পাইকানৰ যিখিনি eviction কৰা হ'ল, সেইখিনি Forest land ও নাছিল PRF ও নাছিল। নতুনকৈ PRF declare কৰি revenue village, গোটেইখিনি মানুহ তাত উচ্ছেদ কৰা হ'ল। উচ্ছেদ কৰি FPRF declare কৰা হ'ল। নতুনকৈ Drone দি maping কৰি তেখেতসকলক PRF declare কৰি উচ্ছেদ কৰা হ'ল। তাত যোৱা ৰাস্তাটো কাটি দিয়া হ'ল, তাৰ প্ৰতিবাদ কৰিলে, কাৰোবাক গুলিয়াই হত্যা কৰা হ'ল, তিনি জনক পঠাই দিয়া হ'ল । সমস্যাটো অকল Forest ৰ এইকেইটাই নেকি? যদি Government land forest land কৰিব লাগে, forest land ত কোনো বাস কৰিব নোৱাৰিব তাত guideline আছে ঠিক আছে । Supreme Court ৰ guideline ত কি আছে যে যদি forest ৰ পৰা কোনো মানুহক eviction কৰিব লাগে alternative land আৰু তেখেতৰ rehabilitation ৰ ব্যৱস্থা কৰিব দিছে। সেইটোৰ আমি বিৰোধ নকৰো। আজি আমি Forest ৰক্ষা কৰিছো কাৰ কাৰণে মানুহৰ কাৰণে, মানুহে উশাহ লোৱাৰ কাৰণে। মানুহে শান্তিৰ পৰিবেশত থাকিবৰ কাৰণে। কিন্তু দেখা গ'ল সেইখিনি মানুহক উচ্ছেদ কৰা হ'ল। Forest ৰ বেলেগ কাৰণবোৰ ঢাকিবৰ কাৰণে একমাত্ৰ এইটো ব্যৱস্থাকে লোৱা হৈছে। আমি ইমান দিন পাই আছিলো tribal মানুহখিনি Forest ত বাস কৰাৰ কাৰণে permission আছে বা allow আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইদিনা কৈ দিলে যে খিলঞ্জীয়া মানুহৰ কাৰণে বেলেগকৈ আইন বনাম that means খিলঞ্জীয়া মানুহৰ কাৰণে আইন বনাব অকল tribal ৰ কাৰণে নহয়। তাৰ এসপ্তাহ মান পিছত

মুখ্যমন্ত্ৰী ডাঙৰীয়াই আকৌ কৈ দিলে ১৯৫১ ৰ আগত যিবিলাক আছে তেওঁলোক খিলঞ্জীয়া। এতিয়া চাওঁক যিবিলাক eviction কৰিলে সেইবোৰ খিলঞ্জীয়া হয় নে নহয়। কথাবিলাক কিয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ আছে Forest ৰ ক্ষেত্ৰত । এতিয়া আমি যদি Total Forest Forest ৰ সমস্যাৰ ক্ষেত্ৰত যদি আহো আমাৰ Forest য়ে কিমান land দখল কৰি আছে আজিৰ অসমত। অসমত ৩৬.১০ শতাংশ Land আমাৰ Forest ৰ দখলত আছে। More than one third of the total Land of ore state আমাৰ Forest য়ে লৈ আছে।Revenue আমি কিমান পাই আছো। 36% Land ৰ পৰা আমাৰ Revenue Collection কিমান হৈছে এইটোত আমি কোনেও ধ্যান নিদিওঁ। এইটোত আমাৰ কোনো নজৰ নাযায় ।Land ৰ ক্ষেত্ৰত কি হৈ আছে? আমি কিমান Revenue Collection কৰিছো ১৯৮৬ ৰ পৰা, চিন্তা কৰিছোনে নাই? আমাৰ আজিলৈকে working plan নাই কোনো এটা Department ইমান এটা Department ইমান বিয়াগোম Foresrt ৰ বিষয়া অফিচাৰ থাকোতে indian Forest Service ৰ ইমান ডাঙৰ অফিচাৰ থাকোতে কিয় যোৱা ৪০ বছৰে অসমত এতিয়ালৈকে working plan নাই। এইটো কোনোবাই লক্ষ্য কৰিছেনে? ইমান বিয়াগোম চৰকাৰ থকাৰ পাচতো, কিয়,working Plan আহি লৈকে বনোৱা হোৱা নাই। যদি working plan নাই। ছবিতো কেনেকৈ পাম আমি। work টো কেনেকৈ হ'ব? আজি এই working Plan নথকাৰ কাৰণে আমি জন্মৰ পৰা দেখিছো যিবিলাক গছ আছে, বা Natural tree আছে তাত আমাৰ plantation formula টো কি? আমাৰ workটো কি হ'ব লাগে? আমি জানো যে এটা চীচু বা চেগুন গছ ৬০ বছৰ থাকে। তাত ২০০ বছৰ পাৰ হৈ গৈছে। তাত আৰু productivilt নহয়, আৰু গছটো নাবাঢ়ে। আৰু শকৰ্ত্ত নহয় আৰু বেছি Production নহয়। গছ বিলাক কটাত কি সমস্যা আছে। তাৰ Planning কিয় কৰা হোৱা নাই, সেই গছবিলাক কাটি কিয় নতুন গছ ৰোৱা হোৱা নাই। সেই গছবিলাক কাটি কিয় নতুন গছ ৰোৱা হোৱা নাই। Re-Production ৰ কাৰণে Revenue Collectionৰ ব্যৱস্থা কিয় কৰা হোৱা নাই। শাল গছ ১২০ বছৰ লাগে। শাল গছ বিলাকক কাটি ১২০ বছৰ হোৱা আমি immediate পাব লগা যিখিনি Revenueপাম, যিখিনি আমাৰ পইচা আহিব, আমাৰ যিখিনি সম্পত্তি আহিব, সেইখিনিৰ বাবে ামাৰ কি ব্যৱস্থা আছে? তাৰ কাৰণে আজিলৈকে কোনো ব্যৱস্থা কৰা হোৱা নাই। আপোনালোকে নিশ্চয় জানে যে াজি Minor Forestৰ total যিটো MFP.MFPৰ যিখিনি ব্যৱস্থা , সেই MFP ৰ ভিতৰত আছে কেন, বেট, বঁ, স্কুল আৰু বিভিন্ন ফুল, Seeds,গছৰ বাকলি। আজি অসমত কেইটা MFP মহল আছে? খালী Forest ৰ মাটি কোনে দখল কৰিলেএইটোৱে সমস্যা নেকি?হয় দখল কৰিছে, evictation কৰিব লাগিব। througn Low. কিন্তু MFTৰ যিটো ব্যৱস্থা কেইটা মহল আজিলৈকে কৰা হৈছে? কিমান টকা তাৰ পৰা Collectionক'ৰা হৈছে। কিমান বাকলি চোৰাংভাৱে বহি ৰাজ্যত গৈ আছে, বিদেশত গৈ আছে আজি এই Industry ৰ সৰ্ম্পকে চিন্তা কৰা হৈছেনে। Cosmatic Industey গোটেই পৃথিৰীত চন্দন গছৰ পৰা, আৰ্জুন গছৰ পৰা বিভিন্ন গোটিৰ পৰা পাতৰ পৰা ফুলৰ পৰা বিভিন্ন ভাৱে আমাৰ Cosmatic Industry টো জীয়াই থাকে। আমাৰ অসমৰ Forest Department ৰ Cosmaticৰ ওপৰত ব্যৱস্থা ল'ব পৰা কোনো ব্যৱস্থা আছে নেকি? আজি যিখিনি ব্যৱস্থা cosmatic য়ে ল'ব লাগিছিল এই ব্যৱস্থা আজিলৈকে কোনোধৰনে লৈ থকা হোৱা নাই। আমি এই কথাতো সেইকাৰণে ক'ব বিচাৰিছো যে আজি যেনেকৈ আমাৰ Minnes and Minerals,এতিয়া লৈকে কি কি Department ত

Mines and Minerale আছে? অসমত কি কি ধৰণৰ কয়লা, পাথৰ, শিল, চুন আদি যিমান বিলাক Mines and Minerals আছে আমি চিনাক্ত কৰিছোনে আজিলৈকে? আমি চিনাক্তই কৰা নাই। আমাৰ এইবিলাক বেলেগে বহি ৰাজ্যলৈ লৈ গৈ আছে। কোনোধৰণৰ হিচাপ Properly ইয়াত হোৱা নাই। ইমান এটা ৩৬ শতাংশ Land ৰ্ু পৰা ৪ শতাংশ আমাৰ Revenue আহে, total 36% Revenue আমি পেলাই থৈছো। আমাৰ কোনো Plan নাহ। এইবিলাকৰ কাৰণে Forest ৰ কোনো চিন্তা কৰা দেখা নাই। মই এটা example দিব খুজিছো মোৰ সমষ্টিৰ, মোৰ সমষ্টিত কালো নদী মেঘালয়ৰ পৰা আহিছে, West গাৰো Hill District ৰ পৰা । সেই কালো নদীতো কিমান হ'ব?খুব বেছি ২৫ মিটাৰ বহল, বাৰিষাত খুব পানী আৰু ৰঙা বালি আহে। যুগে যুগে এইটো াছিল। এতিয়া এইটো তিনিবছৰৰ কাৰণে লিজত দিয়া হৈছে ২৮ লাখ টকাত। এটো মই মাননীয় forest মন্ত্ৰী ডাঙৰীয়াক কেইবাবাৰ জনাইছো।আমাৰ forest Department ৰ বিভিন্ন অফিচাৰক জনাইছো আমাৰ Forest Department ৰ বিভিন্ন DRSC Meeting ত জনাইছো District ৰ বিভিন্ন Meetingত জনাইছো। সেই কালো নদীটো তিনি বছৰত ২৮ লাখ টকা Revenue পায়, কিন্তু সেই কালো নদীৰ এতিয়া eroded হে আছে। আমাৰ থানা evicted হৈছে কেইবাটাওঁ স্কুল evided হৈছে। আমি এতিয়া ২২ টা Proteetion দিব লগা হৈছে অলপ বালি ডিগিংৰ কাৰণে। কাৰণ ২৮ লাখ টকা তিনিবছৰত হয়, সেই কালো নদীৰ বালিৰ খননৰ বিৰোদ্ধ মই সকলো Department, Inclnsing Minister ৰৰ পৰা CCF ৰ পৰা কাকো বাদ নিদি চবকে জানাইছো। কিন্তু আজিলৈকে তাৰ কোনো ব্যৱস্থা কৰি থকা হোৱা নাই। আজি PRF ৰ Land খিনিত যিখিনি আছে, PRFৰ ক্ষেত্ৰত এটা কথা ক'ব বিচাৰিম যে দক্ষিনচৰ মানকাচাৰত আমাৰ ৭ টা PRFআছে। ভৈয়জ ২৪ কিলো মিটাৰ। এই সাতটা PRF ৰ ক্ষেত্ৰত আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই এটা মিটিং পাতিছিল, মোকো Invite কৰিছিল, মই তাত গৈছিলো, D.C ৰ লগত আমি বহি সৌদাৰ্য্য মুলক আলোচনা হৈছিলে। আমাৰ Forest Minisler ডাঙৰীয়া তাত present আছিল, তাত আমাৰ ৭ টা PRF ৰ Land ৰ ক্ষেত্ৰত আজি যদি আপুনি চাম কমচেকম ৬০ ৰ পৰা ৯০ হাজাৰ মানুহ তাত বসবাস কৰে। এই মানুহ বিলাক ক'ৰ? ক'ৰ পৰা আহিলে এই মানুহ বিলাক? আপুনি যদি চায় আমাৰ দক্ষিণ শালমৰা, মানকাচাৰ জিলাৰ কেইবাটাও সংযোগী aMorethan 90 revenue Village eroded হৈছে। এই বিলাক ক'ত গ'ল মানুহ। এঁখিনি Land যাতে evection নহয় তাৰ কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো। মানননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো।সেইকিনি যাতে Protection দিব পাৰো। মানুহ বিলাকক লাগিলে আমি এটা Side ত বসতি দি বাকী জেগা আমি Forest কৰিব পাৰো। বিভিন্ন ভাৱে কৰিব পাৰে। কিন্তু Forest Department টো এটা হাহঁৰ কনি পৰা নিচিনা System হৈছে। যিটো এটা Planing ৰ জৰিয়তে Minearls ৰ ৎেত্ৰত, আমাৰ Cosmatic Industry ৰ ক্ষেত্ৰত আমাৰ গছৰ বাকলি আদি এইটোৰ ক্ষেত্ৰত এটা Plan কৰি, গছবিলাক এটা সময়ৰলৈকে বাঢ়ি গ'ল, বাঢ়ি যোৱাৰ পিছত যদি তেখেতসকলৈ আৰু Productivity হয়, আৰু সাৰ পানী খান নষ্ট হৈ যায়। তাৰ Plarning গছ বিলাকত কৰিব লাগিব। হাজাৰ হাজাৰ বিঘা মাটি এনেয়ে আছে। কোনো Plantation হৈ থকা নাই। এনেয়ে পৰি আছে। অকল আমি ১ কোটি বৃক্ষ ৰূপন একদিনত কৰি বাহ বাহ লোৱাতকৈ planfully লাহে লাহে কৰক আৰু সেইবিলাক বৰ্তাই ৰাখি অসমখনক Forest মুক্ত কৰক।

**माननीय উপাধ্যক্ষ মহোদয়ঃ**-Thank You.

**শ্ৰী আমিনুল ইছলাম,জুনিয়ৰ বিধায়কঃ** আৰু মই এটা কথা ক'ম মই দেখিছো আপোনালোকৰ প্ৰত্যেকটা বক্তব্যই অকল এটা Particular Community ৰ মানুহে অসমৰ Forest টো ঘিলি খায় দিলে, এই যিটো কথা, বাহিৰত এটা Scientific কি ভাৱে তেখেতসকলক আমি Forest ৰ বাহিৰত আনিব পাৰো, কেনৈকৈ হৈ মান কৰি তেখেত সকলক আনিব পাৰি, এনেকৈ বু'ল্ডাটজাৰ ক'লচা দি গুলিৰাই হত্যা কৰাৰ যিটো প্ৰৱনতা, যিটো মানসিকতা, বেলেগ জেগাৰ বস্তু চাকিবৰ কাৰণে,Forest Land ক বচাবৰ কাৰণে যিটো plan এইটো দুৰ্ভাগ্যজনক। এইটো বন্ধ হ'ব লাগে। আৰু ব্যৱস্থাৰ জৰিয়তে সুস্থ সিদ্ধান্ত লৈ অসমত Forest টো জীয়াই ৰাখিব লাগে।ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ**- ধন্যবাদ, মাননীয় সদস্য ড০ অমিয় কুমাৰ ভূঞা।

**ড° অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া)ঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটৰ যি কৰ্তন প্ৰস্তাৱ, কৰ্তন প্ৰস্তাৱৰ মই বিৰোধীতা কৰি বন, জলবায়ু, সুৰক্ষিত্ত কৰাৰ এতিয়া সময়ৰ আহ্বান। আৰু যাৰ বাবে যি আমাৰ বনাঞ্চল বেদখল হৈছে, সেই বেদখল মুক্ত কৰি আমাৰ ভাৱষ্যতৰ নতুন প্ৰজন্মক এখন ধুনীয়া বন বা ধুনীয়া পৰিবেশ কৰিবৰ কাৰণে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যি পদক্ষেপ লৈছে তাক আমি আদৰনি জনাইছো, ধন্যবাদ জনাইছো। আৰু বাকী যিবিলাক বনাঞ্চল বেদখল হৈ আছে, আৰু সেই বেদখল মুক্ত কৰিবৰ কাৰণে আমি চৰকাৰক আহ্বান জনাইছো। যদি তেওঁ স্বদেশীও স্বদেশী হ'লেওঁ বনাঞ্চল বেদখল কৰিব নোৱাৰিব। স্বদেসী হ'লেওং বনাঞ্চলৰ পৰা উচ্ছেদ কৰিব লাগিব। এই City ত চৰকাৰে বনাঞ্চল মুক্ত কৰা অভিযানত অধিক সবলভাৱে আগবঢ়াই নিবৰ কাৰণেওঁ আমি আহ্বান জনাইছো। আজি যোৱা ১০ টা বছৰে BJPএই চৰকাৰখনে ৰাজ্যখনক সেওঁজ কৰি তুলিবৰ কাৰণে জনসাধাৰনক অমৃত বৃক্ষ অভিযান আৰু সকলোৰে যাতে গছ পুলি ৰূপনৰ লালন- পালন কৰাৰ এটা পৰিৱেশ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত আজি চৰকাখন সফল হৈছে।

এইক্ষেত্ৰত বন বিভাগে কাম কৰাৰ বাবে যিখিনি ধন বিচাৰিছে তাৰোপৰিও অতিৰিক্ত ধন চৰকাৰে আৱন্টন দিয়াৰ বাবে আহ্বান জনাইছো আৰু এই অভিযানত সকলোকে সহযোগ কৰাৰ বাবে আমি গোঁহাৰি জনাইছো। বনাঞ্চল যদি সুৰক্ষিত নহয় তেতিয়াহ'লে আমি কোনো সুৰক্ষিত নহয় আৰু সেই অনুভৱেৰেই আমি আমাৰ কামবিলাক কৰাৰ বাবে সকলোৰে নিৰ্বিশেষে কাম কৰা উচিত। আমাৰ চৰকাৰে বনাঞ্চল গঢ়াৰ বাবে, বনাঞ্চল বেদখলমুক্ত কৰাৰ বাবে আইনগতভাৱে যিখিনি কাম হাতত লৈছে সেইখিনি অতিকৈ প্ৰশংসনীয়। ইয়াৰ জৰিয়তে আমি অসমৰ সেউজ আৱৰণটো শক্তিশালী কৰিব পাৰিম। বনাঞ্চল ধ্বংসই জীৱ-জন্তুও ধ্বংস কৰে। এই জীৱ-জন্তুবোৰ থাকিবৰ বাবে বনাঞ্চল লাগিব। গতিকে এতিয়া কাম কৰাৰ সময়। চৰকাৰে এতিয়া যথোপযুক্ত কাম কৰাৰ সময়। আন্তঃৰাজ্যিক সীমান্তবোৰত যিবোৰ বনাঞ্চল আছিল, সেইবোৰৰ বহুত বনাঞ্চল ধ্বংস কৰা হৈ গ'ল যাৰ ফলত আমাক সকলোকে চিন্তিত কৰি পেলাইছে। আমি আন্তঃৰাজ্যিক সীমান্তত যাতে বনাঞ্চল কৰিব পাৰো, জীৱ-জন্তু, পশু-পক্ষী যাতে তাত থাকিব পাৰে তেনেকুৱা পৰিৱেশ গঢ়াৰ বাবে কাম কৰাৰ সময়। বনাঞ্চল সুৰক্ষিত নোহোৱাৰ বাবে বনাঞ্চলৰ পৰা বন্য প্ৰাণী জনাঞ্চলত আহিছে। বনাঞ্চলৰ হাতীয়ে আহি জনাঞ্চলত উপদ্ৰৱ কৰা আমি ৰাজ্যখনত দেখিবলৈ পাইছো। ফলত হাতী-মানুহৰ সংঘাত হৈছে। যোৱাকালি তামুলপুৰত ৪৮ জন মানুহে হাতী-মানুহৰ সংঘাতত প্ৰাণ হেৰুওৱাৰ তথ্য পাইছো। মোৰ বিহপুৰীয়া সমষ্টিৰ অসম অৰুণাচল সীমান্তৱৰ্তী দুখন পঞ্চায়তত দুজন মানুহৰ এই সংঘাতত প্ৰাণহানি হৈছে। গতিকে এই গোটেই কথাবিলাক সন্মুখত ৰাখি যাতে

অধিক সক্ৰিয়তাৰে বন বিভাগে তেওঁলোকৰ কাম কৰিব পাৰে, তাৰবাবে তেওঁলোকক অধিক ধন আৱন্টন দিয়াৰ বাবে আমি অনুৰোধ জনাইছো। আনহাতে, যিবোৰ পৰিয়ালৰ লোকে বন্যপ্ৰাণীৰ হাতত প্ৰাণ হেৰুৱাইছে, তেওঁলোকক ক্ষতিপূৰণ দিয়া হৈছে যদিও সেইয়া যথেষ্ঠ নোহোৱাৰ বাবে তেওঁলোকক অধিক ক্ষতিপূৰণ দি সেই পৰিয়ালবোৰৰ কাষত চৰকাৰ থাকিব লাগে বুলিও মোৰ গভীৰ অনুভৱ দোহাৰিছো। আমি আশা আৰু বিশ্বাস ৰাখিছো যে আমাৰ ৰাজ্যখন এখন সুৰক্ষিত, বিকশিত অসম কৰাৰ বাবে বনাঞ্চল গঢ়িব লাগিব। অবাধ গছ কটাৰ যিটো প্ৰৱণতা, সেই প্ৰৱণতা আমি ৰোধ কৰিবৰ বাবে সজাগতা সৃষ্টি কৰি দায়বদ্ধতাৰে কাম কৰাৰ বাবে আহ্বান জনাইছো। যোৱা দিন সমূহত আমি যিখিনি বৃক্ষৰোপণ কৰিলো সেইখিনি স্থানীয়ভাৱে সকলোৰে যাতে নিৰীক্ষণ কৰো, লালন পালন কৰাৰ দায়িত্ব লওঁ তাৰবাবে আমি সকলোৰে আত্ম নিয়োগ কৰা উচিত বুলি অনুভৱ কৰিছো। প্ৰতিজন দায়বদ্ধ প্ৰতিনিধিয়ে তেওঁলোকৰ কাৰ্য্যসূচীত বৃক্ষৰোপণ যাতে নিয়মীয়া কাৰ্য্যসূচী হিচাপে ৰাখে। মই স্থানীয়ভাৱে য'তেই কাম কৰিবলৈ যাওঁ যিমান পাৰো বৃক্ষ ৰোপণৰ কাৰ্য্যসূচী যোৱা ৫ বছৰে কৰিবৰ বাবে প্ৰয়াস চলাই আহিছিলো। নাগৰিক সমাজে যাতে এইক্ষেত্ৰত আগবাঢ়ি আহে তাৰবাবে ৰাজ্যজুৰি তেনে পৰিৱেশ গঢ়াৰ ক্ষেত্ৰত আমি যাতে কাম কৰো। মই আশা ৰাখিছো বাজেটৰ যি পুংখানুপুংখ বিশ্লেষণ বা আহ্বান তাৰ লগত সংগতি থকা বিভাগ সমূহক আমি যিধৰণে সহযোগ কৰিব লাগে সেইধৰণে সহযোগ কৰি এখন সুৰক্ষিত, বিকশিত অসম গঢ়াৰ চেষ্টা আমি কৰিব লাগে। অসম খনক এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰগতিৰ যি যাত্ৰা এই যাত্ৰাত আমি সকলোৰে সৈনিক হৈ কাম কৰি আছো। আৰু দুগুণ উৎসাহিত হৈ ভৱিষ্যতৰ দিনত এখন সুন্দৰ আৰু সেউজীয়া অসমৰ বাবে কাম কৰিবলৈ প্ৰতিশ্ৰুতি বদ্ধ হৈ মই বাজেটৰ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ ভাষণ ইমানতে সামৰণি মাৰিছো। ভাৰত মাতা কি জয়।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী(সভাপতি ) ঃ** ধন্যবাদ। এতিয়া সময় আছিল BPF দলৰ মাননীয় সদস্যৰ বাবে কিন্তু আমি ইয়াত নাম পোৱা নাই। এতিয়া আমাৰ মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কূৰ্মী। আপোনাৰ ১৭ মিনিট সময় আছে।

**শ্ৰী ৰূপজ্যোতি কূৰ্মী, মৰিয়নিঃ** মাননীয় সভাপতি মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় কৰ্ত্তন প্ৰস্তাৱত মোক ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। বিৰোধীয়ে পৰিৱেশ আৰু বনক লৈ কৰ্ত্তন প্ৰস্তাৱ আনিছে আৰু মই তাৰ সম্পূৰ্ণ বিৰোধীতা কৰিছো। সন্মানীয় বিধায়ক শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াই তেওঁৰ বক্তব্য ৰাখোতে কৈছে যে এইটো খুৱ গুৰুত্বপূৰ্ণ বিষয়। সন্মানীয় বিধায়ক ভূৱন পেগু ডাঙৰীয়াইয়ো বক্তব্য ৰাখোতে মই খুৱ গভীৰভাৱে বিষয়টো চিন্তা কৰি আছো। দেখা পোৱা গৈছে যে এটা শ্ৰেণীৰ লোকে পৰিকল্পিতভাৱে পৰিৱেশ আৰু বন ধ্বংসৰ বাবে আগবাঢ়ি গৈ আছে। সন্মানীয় বিধায়ক সুশান্ত বৰগোঁহাঞি ডাঙৰীয়াইয়ো root cause of encroachment দাঙি ধৰিছে। এই কথাটো গভীৰভাৱে চিন্তা কৰিবলগীয়া বিষয়। সন্মানীয় জ্যেষ্ঠ বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই প্ৰমাণসহ উপস্থাপন কৰিছে যে কেনেকৈ কোনো শ্ৰেণীৰ লোকে বন ধ্বংস কৰি জনসংখ্যা বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। মোৰ ২৪-০৭-১৯৭৭ চনত জন্ম হৈছিল। তাৰ ঠিক ডেৰ-দুবছৰ মানৰ পিছতে অসম আন্দোলন আৰম্ভ হৈছিল। এই অসম আন্দোলনৰ সন্দেহযুক্ত নাগৰিকৰ ভোটাৰ তালিকাত নাম অহাৰ বাবে অসমত প্ৰতিবাদ হৈছিল। প্ৰথমজন স্বহীদ খৰ্গেশ্বৰ তালুকদাৰ ডাঙৰীয়াক

মৰিয়াই মৰিয়াই হত্যা কৰা হৈছিল। সেই সময়ত কংগ্ৰেছৰ চৰকাৰ আছিল। এই সন্দেহযুক্ত নাগৰিক , বহিৰাগত নাগৰিকক সুৰক্ষা প্ৰদানৰ বাবে চৰকাৰে পৰিকল্পিত সন্ত্ৰাস আৰম্ভ কৰিছিল। এই ৬ বছৰীয়া আন্দোলনত ৮৬০ জন লোক স্বহীদ হৈছিল। আজি মই বাৰুকৈ অনুভৱ কৰিছো যে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমৰ ১ লাখ ৪০ হাজাৰ বিঘা মাটি, বন সন্দেহযুক্ত নাগৰিকৰ পৰা বেদখল কৰি অসমৰ ভৱিষ্যত প্ৰজন্মৰ বাবে সুৰক্ষিত কৰিছে। এই সন্দেহযুক্ত নাগৰিকসকলে দুই তিনিটা বিয়া পাতি ল'ৰা-ছোৱালী জন্ম দি -----interruption-----

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** কৰ্তন প্ৰস্তাৱৰ লগত এইখিনি কথাৰ মিল আছে নেকি?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নিঃ** আপোনাৰ যেতিয়া সময় হ'ব আপুনি ক'ব। এজনে দুই তিনিটা বিয়া পাতিব। এখন জংঘলত থাকিব প্ৰথম পত্নী, এখন জংঘলত থাকিব দ্বিতীয় পত্নী আৰু এখন জংঘলত থাকিব তৃতীয় পত্নী। আজি মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমৰ ১ লাখ ৪০ হাজাৰ বিঘা মাটি, বন সন্দেহযুক্ত নাগৰিকৰ পৰা বেদখলমুক্ত কৰিছে। মই ভাবি আছো যে, আজিৰ পৰা যেতিয়া মই ১.৫-২ বছৰৰ আছিলো, গাখীৰ খাই আছিলো মাৰ কোলাত, তেতিয়া সেই সময়ত অসমত আছিলে, খৰগেশ্বৰ তালোকদাৰ ডাঙৰীয়াকে লৈ ৮৬০ জনে প্ৰাণ হেৰুৱাইছিলে, এই ভূমিক, অসমক ৰক্ষ্য কৰিবলৈ।

**শ্ৰী অখিল গগৈ, সদস্য** ঃ Forest department ৰ কথা কওক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য** ঃ মোৰ কথাৰ মাজত মাত নামাটিব। চুমা বাবাৰ কথা ইয়াত শুনিব অহা নাই।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী, সভাপতি** ঃ Please sit down.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য** ঃ মই এজন বিধায়ক, মোৰ অধীনৰ মতে কম। ১৭ মিনিটতকৈ ১ second ও অধিক নলও।

**শ্ৰী অখিল গগৈ, সদস্য** ঃ সভাপতি মহোদয়, Forest department ৰ কথা কৈ থাকোতে বোলগ কথা কিয় কয়?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য** ঃ চুমা বাবাৰ কথা ইয়াত শুনিব অহা নাই।

(সদনত হুলস্থূলীয়া পৰিৱেশ)

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য** ঃ Forest act as a climate regulation and carbon storage. তেখেতে বুজি নাপাবও পাৰে। Biodiversity conservation is home to 80% of the world's terrestrial species. পৰুৱা, সাপ, পখিলা, জীৱ জন্তু , চৰাই চিৰকটী থকাৰ ঘৰ, অকল মানুহৰ কাৰণে নহয় ঘৰ। মানুহৰ কাৰণে নালাগে ।জীৱকুলৰ ৰক্ষাৰ বাবে জংঘল আমাক লাগিব। এই জংঘলক আমি সুৰক্ষা প্ৰদান কৰিবই লাগিব। মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ এই চৰকাৰৰ দায়িত্ব আৰু এই দায়িত্ব পালন কৰি আছে। ইয়াত কোনাবা সৰযন্ত্ৰ মূলক ভাৱে planning কৰি থাকিব পাৰে। ভূৱন পেগু ডাঙৰীয়াই কই থাকোতে মই

ভাৰিছো যে, planning কৰি আপুনি ৪ গৰাকী বিয়া পাটক, আপুনি ৫ গৰাকী বিয়া পাটক, সন্তান জন্ম দিয়ক, এইটো জংঘলত ৰাখক আৰু জংঘল ধ্বংশ কৰক। ১ লাখ ৪০ হাজাৰ বিঘাৰ মাটি আজি বেদখল কৰিছে, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। Forest মানে কি? Water cycle and soil protection, roots prevent soil erosion, landslide, flood. এইটো livelihood ৰ importance, medicinal resources. বন সম্পদ আমাৰ কিহৰ কাৰণে? Natuarl disaster. আমাৰ পানীৰ ৰক্ষ্যা ক্ষেত্ৰতটো আজি এই বন সম্পদে ৰক্ষ্যা কৰে। নাজানিব পাৰে কাৰণে মই শিকাই আৰু বুজাই দিছো এইটো মোৰ দ্বায়িত্ব। দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কি কৈছিল? এক পেৰ মাকে নাম। গোটেই দেশত ১ কোটি ৪০ লাখৰ আৰম্ভ কৰিছে আৰু লাহে লাহে বঢ়ায় গৈ আছে, বৃক্ষ ৰূপণৰ ক্ষেত্ৰত। মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজি অমৃত বৃক্ষৰ আন্দোলনৰ যোগেদী এক কোটি, এনে গছ পুলি ৰোৱা কথা নহয়। ১শ টকা দিছে আৰু ৩ বছৰৰ কাৰণে জত্ন কৰিব দিছে আৰু তাৰ পাছত তেওঁলোকক দিয়া হ'ব এটা মাননী। ২০০ টকাই হওক বা ৩০০ টকাই হওক। মোৰ মনত পৰিছে যে, মই কংগ্ৰেছত কিয় আছিলো? কংগ্ৰেছত থকা সময়ত, ২০১৩ চনত ৪১ টা গড়ক হত্য কৰা হৈছিলে। মোৰ লাজ লাগীছে কবলৈ যে, মই কেনেকৈ কংগ্ৰেছত আছিলো। ২০১৪ চনত ২৭ টা গড়, আৰু কংগ্ৰেছ ধংশ হোৱাৰ অন্য এটা কাৰণ হ'ল এই গড় হত্যা।শাস্ত্ৰত কৈছে, ভুল কৰিলে চিকাৰ কৰিব আৰু পৰায়চিত কৰিব আৰু মই পৰায়চিত কৰা নিচিনা হৈছে। আজি elevated corridor, মই ১৯৯১ ৰ পৰা গুৱাহাটীতত আহা যোৱা ।মাই MLA আছিল তিনিবাৰ, মই তেতিয়াৰ পৰাই বিধায়ক হৈ আছেআ। কিমান হৰিণা, কিমান জীৱ জন্তুৰ মৃত্যৰ হৈছিলে। আজি elevated corridor ৰ কথা কবলৈ যাওতে, কংগ্ৰেছৰ নেতা, ৰজাঘৰীয়া অৰশ্য, কবলৈ উপাই নাই, নামটো নকও।ৰজাঘৰীয়াৰ নেতাজনে কয় elevated corridor কিয় লাগে? জীৱ কোলক ৰক্ষ্যা কৰিবলৈ লাগে। জীৱ কোলক ৰক্ষ্যা কৰিবলৈ এই elevated corridor ৰ প্ৰয়োজন।

**শ্ৰী অখিল গগৈ , সদস্য** ঃ ছাৰ, বন বিভাগৰ ওপৰত কবলৈ দিয়ক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন ৰলিতা, সদস্য** ঃ কাজিৰঙা বছাব লাগে।

( সদনত হুলস্থুলীয়া পৰিৱেশ)

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য** ঃ They produce vital oxygen, absorb carbon dioxide to mitigate climate change, prevent soil erosion, regulate water cycles and provide food, medicine and raw materials. Forest মানে কি মই অলপ বুজাই দিব লাগিব। আমাৰ বায়ু, এই এটা সম্পদ।

**শ্ৰী অখিল গগৈ , সদস্য** ঃ ছাৰ, ৰূপজ্যোতি কুৰমি ডাঙৰীয়াই ধেনুকাড় লৈ চিকাৰ কৰে নিজে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য** ঃ চুমা বাবা। কোনো সাবটি ধৰে চুমাখুৱাৰ লগতে? এইবোৰে দেখিবলৈ মই জীয়াই আছো।

**শ্ৰী অখিল গগৈ , সদস্য** ঃ ছাৰ, NDA য়ে কৈ গৈছে যে, বান্দৰেও চাই কেনিবা কেনিবাকৈ এন্দুৰলৈ।

**ডঃ ৰফিকুল ইছলাম, সদস্য ঃ** সভাপতি মহোদয়, আজি মহিলাৰ বিষয়ে এনেকুৰা কথা বিধান সভাত আলোচনা হ'ব নালাগে। আমাৰ আই বাইৰ ভণীৰ কথা নকব আপুনি।

**শ্ৰী ভূৰন পেগু, সদস্য ঃ** মহিলাৰ বিষয়ে কোৱা নাই । যোনে অক্ষ্যভ ব্যৱহাৰ কৰিছে তাৰ বিষয়ে কৈছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ** মই কাৰো নাম লোৱা নাই। মোৰ নাম ৰূপজ্যোতি কুৰ্মি মোক সমষ্তিত ধনু বুলি মাতে।

**শ্ৰী অখিল গগৈ , সদস্য ঃ** আপুনি ধেনুলৈ চিকাৰ কৰিছে নে নাই সেইটো কওক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ** এনেকুৰা মাটি যোন দখল কৰি আছে (সদনত হুলস্থূলীয়া পৰিৱেশ) তেনেকুৰা নোতাৰ support ত কথা কৈ আছে। সন্দেহযুক্তৰ নাগৰীকৰ কথা আপুনি কৈ থাকক। আপুনি কেনেকুৰা নেতাক support কৰি আছে অসমৰ ৰাইঝে দেখা পাই আছে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্য ঃ** নিগনা, এন্দুৰ, বান্দৰ নোহোৱা হৈছে বোলে এই এটা serious allegation . Inquiry হ'ব লাগে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ** অমৃত বৃক্ষৰ নামত ১ কোটি টকা ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীয়ে ৰূপনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ involving self help group ৰ জ্যেষ্ঠ নাগৰীক, ছাত্ৰ-ছাত্ৰীয়ে জাতে ভৰিষ্যৎ গম পাই যে এনেকৈ গছ পুলি ৰোৱ লাগে। ছাত্ৰ-ছাত্ৰীক ইয়াত জড়িত কৰিছে মাননীয় মুখ্যমন্ত্ৰী শৰ্মা ডাঙৰীয়াই। Wild life sanctuary ৰ কথা যদি আমি কবলৈ যাও, reserve forest ৰ কথা যদি কবলৈ যাও, ইয়াত আমি মৰিয়ণিত Hollong Gibbon wild life sanctuary দেখা পাম। কাষতে লাগি আছে, টিৰি হুইলছ, দিশভেলি ৰিজাভ ফৰেচ আৰু নাগালেণ্ডৰ border ৰ ত এই reverve forest. আজি মই অননুৰোধ জনাম মাননীয় সভাপতিৰ যোগেদি মাননীয় মন্ত্ৰীক আৰু লগতে বিভাগৰ বিষয়া সকলো শুনি আছে, যে reserve forest ত যিসকল interested অৰ্থাৎ আমাৰ অসম মেঘালয়ত আছে গড়ভংগা reserve forest, ৰাণি reserve forest, আমচিং reserve forest, খাচি হিলচ reserve forest. অৰুণাচলত আছে বিহলী, সুনাই ৰূপায়, কাকী, দিৰাক, জয়পুৰ reserve forest, ইয়াৰ লগতে আছে, বিশেষকৈ অসম ভূটানত আছে ৰাইম'না, ৰিপুচিৰাং কাছুগাওঁ, বৰনদী। অসম মিজুৰামত আছে বৰেল, innerline , কাটাখল reserve forest. অসম নাগালেণ্ডত আছে নামবৰ, ধনশীৰি, দলদলী, ৰেংগমা, ডিফু। মৰিয়নিত আছে দিখৌ ভেলি, টিৰু হিলচ। এই reserve forest খিনিৰ সংৰক্ষণৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক, মাননীয় বিভাগৰ যোগেদী বিশেষ পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলি মই আহ্বান জনাইছো। Assam Forest Regulation Act, ১৮৯১, এইটো বহুত পুৰণা Act. ইয়াৰ পিছটত যদি সংশোধন হৈছিল Assam Forest Regulation Act, ১৮৮৬। পাছত Assam Forest Amendment Act এটা হৈছিল ১৯৫২। এতিয়া যদি চোৱা যায় reserve forest ত মোৰ পৰিচালনা হৈ আছে Assam Forest Regulation Act, ১৮৯১ আৰু Forest Conservation Act, 1980. যিমান সংশোধনী প্ৰয়োজন আছিলে, মই আশা ৰাখিছো Indian Forest Act, 1927 বিশেষকৈ ১৯২৭ Act ৰ অধীনত আমি বেছিকৈ চলি আছো। মই ধন্যবাদ

জনাব বিচাৰিম দেশ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক , IPC আজি BNS কৰিলে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যথেষ্ট ভাৱে অসমত আজি আইন সমূহত সংশোধন আনিছে। ব্ৰিটিছ যোগিয়া আইন সমূহ সলনি কৰি আমাৰ সময় উপযুগি আইন সমূহলৈ ৰূপায়ন্তীয় কৰিছে। অনুৰোধ থাকিব মাননীয় মুখ্যমন্ত্ৰী লৈ বিশেষকৈ আমাৰ Forest Act ততো সংশোধনি অনাৰ বাবে। ইয়াত যদি চোৱা যায় ১৯৮৬ ত যেতিয়া চৰকাৰে

মহামান্য উচ্চতম ন্যায়ালয়ক সীমা নিৰ্ধাৰণৰ কাৰণে অনুৰোধ কৰিছিল তেতিয়া উচ্চতম ন্যায়ালয়ে status quo টো দি থৈছিল আৰু ইয়াৰ সুযোগ লৈ কোনোবা ৰাজ্যই আমাৰ সংৰক্ষিত বনাঞ্চল বেদখল কৰি আছে নেকি সেইটো অকনমান চৰকাৰে চাই দিলে ভাল হয় আৰু ইয়াক ভবিষ্যতৰ বাবে সংৰক্ষণ কৰিব লাগে। মোৰ অনুৰোধ থাকিব যে মাননীয় মন্ত্ৰী মহোদয়ে Forest Battal-ion এটা আমাৰ খুলিব লাগে আৰু য'ত সন্দেহ যুক্ত নাগৰিক আছে, যি সকলৰ বাবে অসম আন্দোলন হৈছিল, সেই অঞ্চলত আৰু অধিক পৰিমাণে Forest Battalion মোতায়ন কৰিব লাগে। আগতে কংগ্ৰেছ দলে ভোটৰ অংকত ৰাজনীতি কৰিছিল, আমাৰটো কোনো ভোটৰ অংক নাই আমি অসমক বচাব লাগিব, আৰু অসমৰ মানুহক বচাব লাগিব। এই ক্ষেত্ৰত মই উল্লেখ কৰিম যে অসম আন্দোলনৰ পিছত উজনি অসমত এটা সুন্দৰ পৰিবেশৰ সৃষ্টি হৈছিল ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থাৰ জৰিয়তে যে আমি থলুৱা আমি নিজে খেতি কৰিম। এইটো এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হোৱাৰ লগতে বহুতো নিবনুৱা যুৱক-যৱতীয়ে এই কামত জড়িত হোৱাৰ পিছত নিবনুৱা সমস্যা সমাধানৰ এটা পথ মুকলি হৈছে। আমাৰ বান্দৰ বিলাকে খোৱা খাদ্যবোৰ এই ক্ষুদ্ৰ চাহ খেতি কৰি ভাঙি দিয়াৰ ফলত বান্দৰ বিলাকে মানুহৰ ঘৰত প্ৰৱেশ কৰিবলৈ লৈছে। গতিকে আমাৰ বন বিভাগে বান্দৰে খোৱা খাদ্য ৰূপনৰ ওপৰত পদক্ষেপ লব লাগে আৰু যিবোৰ ঠাইত বেদখল মুক্ত হৈছে তাৰ পৰাই এই পদক্ষেপ টো আৰম্ভনি কৰিব লাগে। যোৱা কালি আমাৰ বিধায়ক জলেন দৈমাৰী ডাঙৰীয়াই উল্লেখ কৰাৰ দৰে হাতী মানুহৰ সংঘাত মোৰ সমষ্টিটো আছে। এই বৰ্ষত এতিয়ালৈকে মাত্ৰ এজন মানুহৰে মৃত্যু হৈছে। দেখাগৈছে যে ভুটান সীমান্তই হওঁক, নাগালেণ্ড, মিজোৰাম আদি অঞ্চলত থকা সংৰক্ষিত বনাঞ্চল সমূহ অসমৰে হয়। সেইবোৰ ঠাইত আমি হাতীৰ খাদ্য বিশেষকৈ ঔটেঙা কঠাল আদি ৰুব পাৰো নেকি। ইয়াকে কৈ বিৰোধীয়ে আনা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি সামৰিছো।

**সভাপতি, ( শ্ৰী ভৱেন্দ্ৰ নাথ ভৰালী ) ঃ** ধন্যবাদ। বান্দৰ সন্দৰ্ভত আমাৰ বিজ্ঞানী সকলক আহ্বান জনাব বিচাৰো যে এনেকুৱা কিছুমান ফলমূল আছে যিবোৰ খালে বান্দৰৰ প্ৰজনন ক্ষমতা হ্ৰাস পায় গতিকে এই বিষয়ত গবেষণা কৰিবলৈ মই বিজ্ঞানী সকলক আহ্বান জনাওঁ। এইয়া মাননীয় সদস্য শ্ৰী আব্দুছ চোৱাহান আলী চৰকাৰ তেখেত অনুপস্থিত গতিকে এতিয়া শ্ৰী দিগন্ত ঘাটোৱাৰ তেখেতো অনুপস্থিত গতিকে এতিয়া শ্ৰী আশ্ৰাফুল হুছেইন আপোনাৰ ৭ মিনিট সময় দিয়া আছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় সভাপতি মহোদয়, মই আজিৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে কবলৈ লৈছো। মই ইয়াত কেইটামান গুৰুত্বপূৰ্ণ বিষয় সংযোজন কৰিব বিচাৰিছো। ইয়াত বিভিন্ন জনে কৈছে যে বনাঞ্চল ধ্বংসৰ পৰা ৰক্ষা কৰিবলৈ বিভিন্ন ধৰণৰ পৰামৰ্শ দিছে। কিন্তু আমি নৈপৰীয়া মানুহ আৰু দেখা গৈছে যে নদী বিলাকত অবৈধ বালি খননৰ বাবে তাত গৰাখহনীয়াৰ প্ৰকোপ আৰু বাঢ়িছে। আমাৰ চেঙা সমষ্টিৰ চেঙা ৰাজহচক্ৰৰ অধীনত পাকবাৰা , বৰাচৰা গাওঁত য'ত porcupine বা bamboo protection ৰ জৰিয়তে গৰাখহনীয়া ৰোধৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে কিন্তু সেই ঠাইৰ পৰা বালি মাফিয়াই আৰু ভূমাফিয়াই চৰকাৰৰ সহযোগত তেওঁলোকে তাৰ পৰা মাটি বালি উঠাই আছে। কিন্তু এই বালি খনন সম্পূৰ্ণ ভাৱে অবৈধ ইয়াত জিলা প্ৰশাসন

বা জিলা আয়ুক্তৰ পৰা কোনো clerance নাই। আমি এই ক্ষেত্ৰত ৰাজহ চক্ৰ বিষয়া, জিলা আয়ুক্ত আৰক্ষী প্ৰশাসন সকলোকে অবগত কৰিছো কিন্তু তাৰ বিশেষ সুফল আমি পোৱা নাই। ঠিক একে ধৰণৰ ঘটনা চেংা সমষ্টিৰ আন আন ঠাইত বৰপেটা থানাৰ অন্তৰ্গত বৰাইমাৰী হাবিগাওঁত ৰাতিৰ আন্ধাৰত ডাম্পাৰ সমূহ সোমাই বিভিন্ন ঠিকাদাৰী প্ৰতিস্থানে তাৰ পৰা মাটি সমূহ লৈ যায় যাৰ ফলত নৈপৰীয়া মানুহ খিনি দূৰ্ভোগ ভগা পৰিলক্ষিত হৈছে। আজি যদি প্ৰশাসনে এই ক্ষেত্ৰত নিমাত হৈ থাকে তেতিয়া হ'লে এই অবৈধ বালি খননৰ ফলত নৈপৰীয়া অঞ্চলৰ আৰু বহু ঠাই নৈত যাহ জাব গৰাখহনীয়াৰ ফলত। ঠিক একেদৰে চেংা সমষ্টিৰ নবগঠিত অঞ্চল মানিকপূৰটো মই লক্ষ্য কৰিছো এই ধৰণৰ বালি খনন । বৰপেটা জিলাৰ চেংা সমষ্টিটোৰ ৯০ কিঃ মিঃ অঞ্চলেৰে নৈ বৈ গৈছে আৰু যদি সকলো ঠাইতে এনে ধৰণে বালি খনন হয় তেতিয়া হ'লে আমি বিচাৰো যদি প্ৰয়োজন হয় mining ৰ কাৰণে প্ৰয়োজন হয় তাৰ কাৰণে আইন প্ৰনয়ন কৰি নদীৰ পৰা বালি উঠাওক। কিন্তু তাৰ সলনি অবৈজ্ঞানিক ভাবে বালি খননৰ ফলত আমাৰ যথেষ্ট ক্ষতি হৈছে। আৰু দেখা গৈছে যে বন বিভাগে সেইবোৰ ঠাইত কোনো পহৰা দিয়াৰ ব্যৱস্থা কৰা নাই। এনেকৈ যদি হয় তেতিয়া আমি জলসিঞ্চন বিভাগৰ পৰা যিমানে কাম নকৰো কিয় তাৰ পৰা একো লাভ নহব। বৰপেটা জিলাৰ ওচৰৰে অঞ্চল গোৱালপাৰা জিলাৰ আচুদুবি ৰাজহ চক্ৰ অঞ্চলত যোৱা কিছুদিন আগতে উচ্চেদ কৰা হৈছিল পাইকান সংৰক্ষিত বনাঞ্চল বুলি। যোৱা ১২ জুলাই ২০২৫ তাৰিখে আচুদুবি ৰাজহ গাওঁত উচ্ছেদ কৰিলে কিন্তু সেই উচ্ছেদ আচলতে অন্যায় বা বেআইনি আৰু চৰকাৰে ১৩ আগষ্ট তাৰিখে, যি মাটিৰ খাজানা দিয়াৰ ৰচিদো আছে কিন্তু বন বিভাগে সীমানিৰ্ধাৰণ নকৰাকৈ বিভিন্ন ঠাইত উচ্চেদ কৰাটো অত্যন্ত দুখ জনক। সেইদৰে ভাটিয়াপাৰা ৰাজহ গাওঁ ৯ নবেম্বৰ ২০২৫ তাৰিখে উচ্চেদ অভিয়ান চলাইছিল তাত থকা খেৰাচ ম্যাদি মাটি তেওঁলোকে উচ্চেদ কৰিছিল। বন বিভাগৰ সীমা নিৰ্ধাৰণ নকৰাকৈ এই ধৰণৰ উচ্চেদ মই আজি সদনত দাঙি ধৰিলো। সীমা নিৰ্ধাৰণ নকৰাকৈ যিকোনো ঠাইতে উচ্চেদ কৰাটো কিন্তু চৰকাৰে ঠিক কৰি থকা নাই। ইয়াৰ বিৰূদ্ধে ৰাইজে যদি প্ৰতিবাদ কৰিব যায়, বিভিন্ন প্ৰকাৰত তেওঁলোককো অত্যাচাৰ কৰা হয়। আজি সদনত মই বিশেষভাৱে বন মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে মই যি দুখন ঠাইৰ কথা কলো, সেই ঠাই দুখনৰ কথা তেখেতে স্পষ্টভাৱে উল্লেখ কৰিব লাগে যে বনাঞ্চল সমূহ আমি সংৰক্ষণ বিচাৰো। কিন্তু বনাঞ্চল সংৰক্ষণৰ নামত সকলো ঠাইতে আহি উচ্ছেদ কৰাটো সঠিক নহয়।

মাননীয় সভাপতি মহোদয়, বিভিন্ন জনে বিভিন্ন প্ৰকাৰে কৈ আছে যে বনাঞ্চল বে-দখল হৈছে, এইটো হৈছে, সেইটো হৈছে, হয় বনাঞ্চল বে-দখল হোৱাটো বেয়া। কিন্তু বনাঞ্চলত যিসমূহ মাফিয়া ৰাজ চলে, যিসমূহ বনাঞ্চলৰ সা-সম্পত্তিসমূহ বিক্ৰী কৰাৰ কাৰবাৰ চলে, সেইসমূহো একেটা সময়তে বন্ধ হ'ব লাগে। আৰু অন্যহাতে এই বনাঞ্চলত গৈ মানুহে কিয় ঘৰ বান্ধিছে, কিয় তেওঁলোকে তাত থাকিবলগীয়া হৈছে, এই বিলাকৰ ওপৰতো গভীৰভাৱে অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। আজি যিসময়ত গোটেই অসমত প্ৰায় ৮ শতাংশ ভূমি বিগত স্বাধীনতাৰ পিছৰ পৰা যি গৰাখহনীয়াত জাহ গৈছে, সেই গৰাখহনীয়াত জাহ যোৱা পৰিয়াল সমূহে বনাঞ্চল সমূহত বসতি লৈছে। এই কথাটো সত্য যে তেওঁলোকে বনাঞ্চল সমূহত বসতি লৈছে। কিন্তু এই যে গৰাখহনীয়া পিড়ীত মানুহখিনিৰ যে চৰকাৰৰ দায়িত্ব আছিল তেওঁলোকক সংস্থাপিত কৰা। তেওঁলোকক সংস্থাপিত কৰাৰ বাবে কোনো এখন চৰকাৰে স্বাধীনতাৰ পিছত আজিলৈকে ব্যৱস্থা গ্ৰহণ নকৰিলে আৰু বনাঞ্চল সমূহকো যথাযথভাৱে সেই সময়ত সুৰক্ষিত কৰিবলৈ যি ব্যৱস্থা

গ্ৰহণ কৰিব লাগিছিল, সেইখিনি নকৰিলে।

আজিৰ বিজেপি চৰকাৰখন ড০ হিমন্ত বিশ্ব শৰ্মা দেৱৰ নেতৃত্বধীন চৰকাৰেই হওঁক, আগৰ চৰকাৰে হওঁক, তেওঁলোককো ধিক্কাৰ দিছো যে তেওঁলোকে গৰাখহনীয়াত পিড়িত মানুহৰ কাৰণে একো ব্যৱস্থা লোৱা নাই। একেটা সময়তে পূৰ্বতে কংগ্ৰেছ চৰকাৰে ৫১ বছৰ ২০০ দিন শাসনৰ বাঘজৰী হাতত ৰাখিও তেওঁলোকে একেধৰণে এই মানুহখিনিক ঠগাই আহিছে, একেধৰণে এই মানুহখিনি পিড়িত কৰিছে আৰু যাৰ কাৰণে আজি এই সমস্যা বিলাক এই ধৰণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। গতিকে অসমৰ যোৱা প্ৰতিটো চৰকাৰে এই নৈ-পৰীয়া অঞ্চলৰ মানুহখিনিৰ প্ৰতি বিভিন্ন ঠাইত গৰাখহনীয়া পিড়িত ভূমিহীন মানুহখিনিৰ প্ৰতি সদ্‌ভাৱ নথকাৰ কাৰণে আজি বনাঞ্চলসমূহ ধ্বংসৰ গৰাহত আৰু একেটা সময়তে মানুহখিনিও এটি অনিশ্চতা ভৱিষ্যৎ পাৰ কৰিবলগীয়া হৈছে। আমি বিশ্বাস কৰে যে এই ৰাষ্ট্ৰৰ এখন ৰাজ্যচৰকাৰে নিশ্চিতভাৱে নিজৰ নাগৰিকসকলক সুৰক্ষা, নিজৰ নাগৰিকসকলক বাসস্থানৰ ব্যৱস্থা কৰাটো এই সময়ৰ দায়িত্ব। গতিকে গৰাখহনীয়া পিড়িত আৰু ভূমিহীন প্ৰতিজন নাগৰিকক ভূমিৰ দাবী আমি আজি এই সদনৰ মজিয়াত আমাৰ দলৰ ফালৰ পৰা উত্থাপন কৰিছো। ধন্যবাদ।

**সভাপতি (শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী)** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী লৰেন্স ইছলাৰী। তেখেত অনুপস্থিত।

এতিয়া সন্মানীয় সদস্য শ্ৰী পৃথিৰাজ ৰাভা।

**শ্ৰী পৃথিৰাজ ৰাভা, তেজপুৰ** ঃ অসম বিধান সভাৰ বৰ্তমান সভাপতিৰ দায়িত্বত থকা মাননীয় সভাপতি মহোদয়, উপস্থিত সদনৰ সমূহ সদস্য।

বন আৰু পৰিৱেশ বিভাগৰ যি ধন আৱন্টৰ পৰিপ্ৰেক্ষিতত বিৰোধীয়ে আপত্তি জনাইছে, তাৰ বিৰোধীতা কৰি মই দুআষাৰ ক'ব খুজিছো। মই কোনো ধৰণত দাতা, কোনো ধৰণৰ চন, এইবিলাক কৈ সময় নষ্ট কৰিব খোজা নাই। জন্মৰ পৰা যেতিয়া জনা হ'লো, অসম বিভিন্ন ঠাইত অহা-যোৱা কৰিলো আৰু আহি আহি এই বয়সত উপনীত হলো। অসমৰ বন এলেকা, অসমৰ (environment) পৰিবেশৰ বহুত পৰিৱৰ্তন দেখিলো। যিবোৰ পৰিৱৰ্তন আজিও চকুৰ আগত ভাহি উঠে। কোকৰাঝাৰ জিলাৰ অৰ্থাৎ তাহানিৰ গোৱালপাৰা জিলাৰ শালগছ বা শালবাৰী যিবোৰ আমি দেখিছিলো, বিভিন্ন ঠাইত বাসবাৰীৰ পৰা আৰম্ভ কৰি একেবাৰে আজিৰ গোৱালপাৰা জিলাৰ পৰা আৰম্ভ কৰি, সমগ্ৰ অঞ্চলটোত হাবিৰে ভৰপুৰ এখন জিলা আছিল। সেই জিলাখনত এতিয়া হাবি লাহে লাহে নোহোৱা যাবলৈ ধৰিছে।

ঠিক তেনেকৈ মোৰ শোণিতপুৰ জিলাত, তাহানিৰ দৰং জিলাত বনৰ যি আধিপত্য আছিল, যি পৰিৱেশৰ আধিপত্য আছিল, একেবাৰে ভালুকপুং, সোনাই, বিহালীৰ ৰিৰ্জাভ ফৰেষ্ট আদি ঠাইসমুহৰ পৰা চাবলৈ গলে, তেজপুৰৰ ওচৰতে থকা ভোমোৰাগুৰী ফৰেষ্টৰ বিষয়ে যদি চাবলৈ যায়, তেনেহলে সেই পৰিৱেশ এতিয়া আৰু নাই। তাত সেইসময়ৰ কংগ্ৰেছ চৰকাৰৰ বহুত দোষ আছে, বহুত ৰাজনীতিবিদে বিভিন্ন সময়ত বন বিভাগৰ বিষয়াবিলাকক মাতি নি ধমক দিয়াৰো কথা আমি গম পাওঁ যে অমুক বিষয় আপুনি হস্তক্ষেপ নকৰিব, অমুকত ফৰেষ্ট দখল কৰিব, ফৰেষ্টত মানুহ বহাইছো মই, তাত আপোনালোকে হস্তক্ষেপ নকৰিব। অন্যথা আপোনালোকক ইয়াৰ পৰা বদলি কৰি দিয়া হ'ব নহলে suspend কৰি দিয়া হ'ব। সেইখিনি সময়ৰ ৰাজনীতিবিদ বিধায়ক, মন্ত্ৰীসকলে এইবোৰ কৰিছিল যাৰ কাৰণে ফৰেষ্ট লাহে লাহে ধ্বংসৰ পথলৈ আগবাঢ়িছে। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যিখন চৰকাৰ চলি আছে, এইখন

চৰকাৰে অনুমান কৰিছে যে এনেকৈ থাকিলে আৰু বন আমাৰ পৰা নোহোৱা হৈ যাব আৰু সেই ধুনীয়া পৰিৱেশ আমাৰ অসমৰ পৰা নোহোৱা হৈ যাব। তাৰ কাৰণে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি বন বিভাগক চৰকাৰে সময়ে সময়ে নীতি নিৰ্দেশনা জাৰি কৰিছে, যাৰ কাৰণে এদিনত ১ কোটি গছ ৰোপন কৰা বা বিভিন্ন সময়ত বিভিন্ন বৃক্ষৰোপন আঁচনিবোৰ লৈ থকা হৈছে।

মোৰ কথাটো হ'ল যিবোৰ ফৰেষ্ট এৰিয়া আগৰ পৰা আছিল, সেইবোৰ ফৰেষ্ট এৰিয়া আমি খালী কৰিব লাগে। ৩৭ শতাংশ এতিয়া ফৰেষ্ট এৰিয়া আছে, সেইবোৰও লাহে লাহে নোহোৱা হৈ গৈ আছে। ফৰেষ্টে যেতিয়া এটা সমীক্ষা দিয়ে যে অসমত কিমান ফৰেষ্ট এৰিয়া আছে, তাৰ আমি দুটা ধৰণে সমীক্ষা দাখিল কৰো বা survey কৰো। এটা হৈছে - অকল বন বিভাগৰ অধীনত থকা গছ গছনি। আনটো হৈছে - বন বিভাগ আৰু চাহ বাগিছাক সাঙুৰি এটা survey কৰা হয়। দুটা survey ত বেলেগ বেলেগ মাটিৰ পৰিমান দেখুৱা যায় বা অনুমান কৰা যায়। মোৰ কথাটো হৈছে যে আমি বন বিভাগটোক এনেধৰণে সাজি তুলিব লাগিব যাতে, বন বিভাগৰ পৰা আমাৰ income oriented কিছুমান আঁচনি আহে। সন্মানীয় বিধায়ক কণিষ্ঠ শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে বন বিভাগৰ পৰা আমাৰ কিমান income oriented আঁচনি আমি গ্ৰহণ কৰিছো। বন বিভাগত গছ এডাল ডাঙৰ হৈ মৰি গলে, সেইটো হ'ল পৰিৱেশ সংৰক্ষণ। আনটো হৈছে - বন বিভাগৰ পৰা আমাৰ চৰকাৰে কি কি income কৰিব পাৰে। মই ইয়াৰ আগতেও কৈছো যে বেত হৈছে পৃথিৱীৰ এটা বিখ্যাত গছ। এসময়ত অসম আছিল বেতৰ গছ থকা এখন সুন্দৰ ৰাজ্য। কিন্তু লাহে লাহে বেত গছ আৰু বেতৰ furniture নোহোৱা হৈ গৈছে। বেতৰ ৰপ্তানি আমদানিও বন্ধ হৈ গৈছে। গতিকে মই বন বিভাগক অনুৰোধ কৰিম যে বেত cultivation আকৌ আৰম্ভ কৰিব লাগে। ফৰেষ্টৰ ভিতৰতে বেতৰ গছ ৰোপন কৰিব পাৰি। তাৰ কাৰণে বেলেগকৈ অন্য ঠাইৰ প্ৰয়োজন নাই। ঠিক তেনেকৈ আমাৰ যিবোৰ পুখুৰী বা বিল ফৰেষ্ট এলেকাৰ মাজত আছে, তাক আমি বেলেগধৰণে ব্যৱসায় ভিত্তিত ব্যৱহাৰ কৰিব পাৰো নেকি, যাৰ দ্বাৰা আমাৰ অসমৰ চৰকাৰৰ ৰাজহ আহে।

মই আৰু এটা কথা ক'ব খোজো, সেইটো হৈছে বান্দৰৰ উপদ্ৰৱ। অসমৰ বিভিন্ন স্থানৰ লগতে মোৰ সমষ্টি তেজপুৰতো এতিয়া বান্দৰৰ যিটো উপদ্ৰৱ হৈছে, কোনো মানুহে নিজৰ বাৰীত শাক-পচলিৰ খেতি কৰিব নোৱাৰে। ঘৰৰ দুৱাৰ খুলি কোনো এটা বস্তুৰে ৰাখিব নোৱাৰে। সকলোবোৰ ধ্বংস কৰি দিয়ে। তাৰ কাৰণে চৰকাৰে এনেধৰণৰ ব্যৱস্থা কৰিব লাগে যে বান্দৰক আমি কি দৰে সংৰক্ষণ কৰিব পাৰো, বান্দৰৰ জনসংখ্যা কিদৰে কম কৰিব পৰা যায়, তাৰ কাৰণে বৈজ্ঞানিকভিত্তিত ফৰেষ্ট বিভাগে চিন্তা চৰ্চা কৰিব লাগে।

বান্দৰ এটা যদি পাকঘৰত সোমাই তেনেহলে সি যদি এমুঠি চাউল খাই বা এমুঠি দালি খাই, তেতিয়া গোটেই বাচন বৰ্তন পেলাই দালি, চাউল, আটা, ময়দা পেলাই শেষ কৰি দিয়ে। ঠিক তেনেকৈ আমাৰ হাবিৰ পৰা ওলোৱা হাতীয়ে ধান খাই কিমান? বিঘা বিঘা মাটি গচকি নষ্ট কৰি পেলাই যাৰ ফলত আমাৰ খেতিয়ক সকলে ইমান কষ্ট কৰি ধান পাৰি দি উপাৰ্জন কৰিব নোৱাৰে। গতিকে ইয়াৰ ব্যৱস্থা কৰিব লাগে। আনহাতে মোৰ সমষ্টিত, মই আগতেও কৈছিলো এই পবিত্ৰ সদনত, মোৰ সমষ্টিত বন বিভাগে ব্ৰহ্মপুত্ৰ নদীখন বন বিভাগৰ অধীনলৈ লৈ গৈছে আৰু বন বিভাগলৈ লৈ যোৱাৰ কাৰণে আমাৰ তেজপুৰৰ মানুহ সকলে পানীত নামিব নোৱাৰে, চৰত গৈ ঘাঁহ কাটিব নোৱাৰে, বন কাটিব নোৱাৰে, যাৰ কাৰণে গো পালক সকলে অসুবিধাত পৰিছে আৰু যি মাছমৰীয়া সকল আছে তেওঁলোকেও অসুবিধাত পৰিছে। এই তেজপুৰৰ মাছমৰীয়া সকলক

আপুনি ৰক্ষা কৰিব লাগিব, তেখেত সকলক মাছ মাৰিবলৈ সুবিধা দিব লাগিব। দৰকাৰ হলে তেওঁলোকক আইডেন্টি কার্ড দিয়ক, দৰকাৰ হলে তেওঁলোকৰ নাঁৱত ফ্লেগ লগাই দিয়ক নহলে তেওঁলোকক uniform দি দিয়ক। যাতে এইখিনি চিনাক্তকৰণ কৰা মানুহে ব্ৰহ্মপুত্ৰ নদীত মাছ মাৰিব পাৰে। কিয় কথাষাৰ কৈছো মই, এই কাৰণে কৈছো যি সকল মানুহক, নিৰীহ মানুহক পানীত নামিব নিদিয়ে, ব্ৰহ্মপুত্ৰত নামিব নিদিয়ে কিন্তু কিছুমান মানুহে নাওঁ লৈ ৰাতি, সন্ধিয়াৰ সময়ত পানীত নামি মাছ মাৰে, ৰাতিপুৱা সেই মানুহ সকলে গৈ বজাৰত আৰি মাছ ইত্যাদি ইত্যাদি ব্ৰহ্মপুত্ৰৰ মাছ মাৰি বজাৰত বিক্ৰী কৰে। কিন্তু এচাম মানুহে মাৰিব পাৰে, এচাম মানুহে মাছ মাৰিব নোৱাৰে, বন বিষয়া সকলৰ উৎপাতত। গতিকে মই অনুৰোধ কৰিছো ফৰেষ্টত কৰিব লগীয়া বহুত কাম আছে, ফৰেষ্টৰ পৰা উপাৰ্জন কৰিব লগীয়া বা উৎপাদন কৰিব লগীয়া এই খন চৰকাৰৰ বহুত কাম আছে। এই কাম সমূহ আমি নীতিগত ভাৱে, বৈজ্ঞানিক পদ্ধতিত আমি কৰিব লাগিব আৰু তাৰ কাৰণে ধনৰ আৱশ্যক আৰু ধন লাগিবই। ধন নহলে বন বিভাগ বা পৰিৱেশ বিভাগ জীয়াই থাকিব নোৱাৰে। গতিকে বিৰোধীয়ে যি ধন কৰ্তনৰ দাবী উৎথাপন কৰিছে তাৰ বিৰোধীতা কৰি মোৰ বক্তব্য ইমানতে সামৰিছোঁ। ধন্যবাদ।

**সভাপতি, (শ্ৰীভবেন্দ্ৰ নাথ ভড়ালী ) ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য দিগন্ত বৰ্মন ডাঙৰীয়া, আপোনাৰ সময় ৭ মিনিট।

**শ্ৰীদিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** সভাপতি মহোদয়, যে আজি পৰিৱেশ আৰু বন বিভাগৰ লগত সম্পৰ্কীত পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত মই দুষাৰ কবলৈ লৈছো। যে গোটেই বিষয়টো ইতিমধ্যে বনাঞ্চল ধ্বংস আৰু পৰিৱেশ আৰু জলবায়ু পৰিবৰ্তনৰ লগত সংগতি ৰাখি আমাৰ মাননীয় সদস্য সকলে বিভিন্ন কথা কৈছে। সেইটো সচাঁ যে আমাৰ জলবায়ুৰ পৰিবৰ্তনত বনাঞ্চল ধ্বংসই প্ৰথম অৰিহণা যোগায়। ইয়াৰ কাৰণটো হৈছে বনাঞ্চলৰ যিবিলাক আমাৰ বন সম্পদ বা বনাঞ্চলৰ মাটি অন্য ব্যৱহাৰলৈ ৰূপান্তৰ কৰা হয়। কিছুমান ঠাইত উদ্যোগ হৈছে বা অন্যান্য ক্ষেত্ৰত আৰু ২০১৮ চনলৈ ৮০ শতাংশতকৈ অধিক বনাঞ্চল ধ্বংস এটা সময়ত পিৰি বুলি কৈছিল, কিন্তু আমি লক্ষ্য কৰিছো যে উদ্যোগীকৰণৰ কাৰণে বিশেষকৈ বনাঞ্চল ধ্বংস কৰা হৈছে। যাৰ ফলত আমাৰ জলবায়ুত প্ৰভাৱ পৰিছে। তাৰোপৰি আমাৰ প্ৰত্যেক মানুহৰে যে আমাৰ পদাৰ্থৰ চাহিদা বৃদ্ধি হোৱাৰ লগে লগে কিছুমান মাটি ঘৰ বান্ধিবৰ বাবে কাটিব লাগে, কাৰোবাৰ উদ্যোগ আছে কয়লা লাগিব, বিভিন্ন ক্ষেত্ৰত এই খনিজাত পদাৰ্থৰ ক্ষেত্ৰতো আমাক লাগিবই যিহেতু সেইবাবে বনাঞ্চল ধ্বংস হয়। এই বিলাকৰ কাৰণে পৃথিৱীৰ এক তৃতীয়াংশ আমাৰ বনাঞ্চল ধ্বংস হৈছে। যিটো আমাৰ আমাজন অভয়াৰণ্য বুলি কয় সেইবিলাকো লাহে লাহে ধ্বংসলৈ গতি কৰিছে। এই গোটেই কথাবিলাক হৈছে। মই বিশেষকৈ এটা পইন্টত বেছি গুৰুত্ব দি কওঁ যে, আমি প্ৰতিদিনে দেখিছো যে এই জলবায়ু পৰিবৰ্তনটো বিশেষকৈ আমাৰ নদীৰ যিটো খনন কাৰ্য্য আৰু যিটো নদীৰ পৰা বালি আনোতে বালিটো উৰি লৈ এটা পলুচন কৰে। আজিৰ পৰা দুবছৰ আগতে মই বিধান সভাত এটা প্ৰশ্ন আনিছিলো, সেই প্ৰশ্নটোত মাননীয় মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই উত্তৰ দিছিল, মোৰ নলবাৰীত ভাৰতৰ ভিতৰত পলুচনে দুই নম্বৰ স্থান পাইছিল। আমি আচৰিত, যে আমি নলবাৰীত থাকো। কাৰণটো কি হয়, যে পাগলাদিয়া নদীৰ পৰা মাটি খান্দে, দাম্পাৰে লৈ গৈছে গোটেই সেই এৰিয়াটো পলুচন কৰি দিছে। আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়া আছেই নলবাৰী জিলাৰে, মইয়ো নলবাৰী জিলাৰে। এতিয়া নলবাৰীৰ সকলো কথা নকওঁ, মই কেইটামান কৈ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ যে মোৰ সমষ্টিত এখন নদী আছে পাগলাদিয়া, আমাৰ চৰকাৰে যে নদীৰ পাৰটো প্ৰায় ৬ কি.মিটাৰ ৰাস্তা

বনাব বাকী আছে, বাকী পকী হৈ গৈছে দুয়োটা কাষ। তাত পাগলাদিয়া নদীৰ ওপৰত মোৰ চাৰিখন দলং আছে আৰ চি চি দলং। তাত এটা ঠাই আছে সোণকুৰীহা পকী দলং এখন আছে আৰু দামালঘাট বুলি এখন দলং আছে, দুয়োটা পাৰত এই দাম্পাৰৰে এতিয়া মাটি কাটি আছে, এশ মিটাৰৰ ভিতৰত। মাটি কাটি একেবাৰে এনেকুৱা এটা অৱস্থা কৰি দিছে যে যিটো ৰাস্তা আমি পি দব্লিউ দি বিভাগে বনাইছিলো সেইটো এতিয়া ভাঙি যোৱাৰ উপক্ৰম হৈছে। এই ১০ চকীয়া দাম্পাৰ বিলাক চলোৱাৰ বাবে। কেইটামান যুৱ ল'ৰা মাধূৰ্য্য, তপন তামুলী, হৰেণ তামুলী তেওঁলোকে বাধা দিয়ে দাম্পাৰক। তাৰ পিছত পুলিচে লৈ গৈ ৰাতিটো গোটেই ৰাখিলে। মই অচিক কলো যে গোটেইকেইটা ডেকা ল'ৰা, কিবা এটা কৰক। সিহঁতৰ উদ্দেশ্য এটাই আছিল ৰাস্তাটো ভাঙি গৈছে। নদীত বান আহিলে গোটেই খহনীয়া হৈ যাব, বৰভাগত এনেই তামাম পানী। আৰু সেইটো ভাঙিলে গোটেই অঞ্চলটো ডুবি যাব। ঠিক তেনেদৰে আমাৰ মাননীয় পাটোৱাৰী ছাৰে জানিব যে আমাৰ ব্ৰহ্মপুত্ৰ নদী মোৰ সমষ্টিৰ মাজেৰে গুচি গৈছে। যে উত্তৰ পাৰৰ যিটো riverbank আছে সেইটো একেবাৰে আদাবাৰীৰ পৰা বহৰীলৈকে গৈছে। তাৰ ওচৰতে এখন গাঁও আছে কাপলাবড়ী, তাৰ সোফালে ৰাষ্ট্ৰীয় ঘাইপথ ৪৫৭ আমিনগাঁৰৰ পৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো কৈছে মইয়ে এই বিধান সভাত উত্থাপন কৰিছিলোঁ, সেইটো এইবাৰ হৈ গৈছে, ডি পি আৰ চলি আছে, সেই গোটেই মথাউৰীৰ যিটো মাত্ৰ ১০০ মিটাৰৰ ভিতৰত দাম্পাৰ লগাই একেবাৰে খাণ্ডি খাণ্ডি অৱস্থা নোহোৱা কৰি দিছে। এই ফালে ই এণ্ড ডি ৰ বান্ধ আছে, গোটেই স্থানীয় ৰাইজৰ অভিযোগ দিছে মোক বিধায়ক হিচাপে যে এইবাৰ যদি বাৰিষা আহে গোটেই মথাউৰীটো ভাঙি আমাৰ হিদলাতটাৰী, দমদমা, কাপ্লাবড়ী, বৰটোলা এই গোটেই গাওঁ বিলাক দুবাই পেলাব। ব্ৰহ্মপুত্ৰ ভাঙিলেতো জানেই কি অৱস্থা হয়। গতিকে এই ক্ষেত্ৰত মই আমাৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ যে আপুনি এই দুটা বিশেষকৈ সোণকুৰীহা আৰু দামালঘাটৰ যিটো খহনীয়া হৈ আছে সেইটো নদীৰ এতিয়া খৰং চলি আছে, সেইটো লিগেল নে ইল্লিগেল সেইটো নাজানো, ফৰেষ্টক কিবা royalty দিছে নে নাই মই তাকো নাজানো। সেইটো তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। দ্বিতীয়তে, যে আমাৰ ২ নং কাপ্লাবড়ীত যিটো ৰংচোৱা বুলি কয়, ৩ নং বৰটোলাৰ মাজত একেবাৰে খনন কৰি আছে। মই ৰেঞ্জাৰক ফোন কৰিছিলো তেখেতে কৈছিল যে আমাক royalty দিয়ে, এন অ' চি দিছে চাৰ্কোল অফিচাৰে। ৰাইজৰ ইমান আপত্তি কেনেকৈ তাত এন অ' চি দিয়ে আমি নাজানো। এই ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগে। মই অকল বৰক্ষেত্ৰী সমষ্টিৰ কথা কোৱা নাই। গোটেই আপুনি চাব এই যে জলবায়ু পলুচন, জলবায়ু পৰিবৰ্তনৰ ক্ষেত্ৰত ফৰেষ্টৰ যি বিলাক বস্তু, আমি যেতিয়া নলবাৰীৰ পৰা আহো আমাৰ আজ্ঞাঠুৰী গনেশ মন্দিৰৰ ঠাইখিনিত ইমান দাম্পাৰ চলে কেৱল নদীৰ বালি কাটি আছে। ৰাতি আহিব ভয়ানক অৱস্থা। কিমান যে দুৰঘটনা হয় তাৰ হিচাপ নাই। গতিকে মই এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু তেখেতে যিহেতু নলবাৰীৰে, আমাৰ সেইফালেৰেই অহা যোৱা কৰি থাকে সেইটোত অলপ নজৰ দিব। বিশেষকৈ illegal যিটো আমাৰ খনন চলি আছে সেইটো যাতে বন্ধ কৰে আৰু বন্ধ কৰাৰ লগে লগে ৰাইজো উপকৃত হ'ব, জলবায়ুৰ এই যিটো পলুচন, এই পলুচনটো নাইকীয়া হ'ব। এইখিনি কৈয়ে মই দুষাৰ সামৰিছোঁ। ধন্যবাদ।

**শ্ৰীভবেন্দ্ৰ নাথ ভৰালী, মাননীয় সভাপতি** ঃ এতিয়া আছে মাননীয় সদস্য , আমিনুল ইছলাম (জ্যেষ্ঠ)

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ধিং ঃ** মাননীয় সভাপতি মহোদয়, মই সংক্ষেপে দুটা কথা ক'ব

বিচাৰিছো - আমি এই কৰ্ত্তণ প্ৰস্তাৱটো সমৰ্থন কৰাৰ উদ্দেশ্য হ'ল , ফৰেষ্ট বা বনানীকৰণ যিটো আমি বিচাৰো , বনাঞ্চল সংৰক্ষিত হ'ব লাগে আৰু পৰ্য্যাপ্ত বনানীকৰণ কৰিব লাগে - এইটো উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা আছে । কিন্তু আমি দেখিছো বিগত দিনত এই বনানীকৰণৰ নামত অসমত এটা ৰাজনীতি চলি আছে । এই কথাটোত আমাৰ আপত্তি । ৰাজনীতিটো হ'ল এনেকুৱা য'ত দেখুওৱা হৈছে এটা নিৰ্দিষ্ট জনগোষ্ঠীৰ লোকে, পূৰ্ব্ব বঙ্গীয়মূলৰ লোকে বেদখল কৰিছে , উচ্ছেদ কৰিব লাগে । কিন্তু উচ্ছেদ যিমান ঠাইত হৈ আছে সভাপতি মহোদয় তাত বাছি বাছি উচেচদ কৰা হয় । তাত ধৰ্ম চাই চাই কিছুলোকৰ ঘৰ উচ্ছেদ কৰা হয় আৰু বাকীখিনিক টাচ্ছ কৰা নহয় । তেওঁলোকক নোটিছো কৰা নহয় । কেইদিনমান আগতে মই লতিমাৰীত দেখিলো, বুঢ়া চাপৰি অভয়াৰাণ্য, লাওখোৱা চাপৰি , হাচিলা বিল- যিমান ঠাইত উচ্ছেদ হৈছে ধৰ্ম চাই চাই এই লোকসকলক নোটিছ দিয়া হয় । কিন্তু বাকী ধৰ্মৰ লোকক উচ্ছেদ কৰা নহয় আৰু বদনামটো দিয়া হয় যে পূৰ্ব্ববঙ্গীয় লোকে মাটি বেদখল কৰিছে । দ্বিতীয় কথাটো হ'ল বনাঞ্চলৰ কোনো সীমা-পৰিসীমা নাই । বুঢ়াচাপৰিত যিটো দেখা যায় , ৰৌমাৰা, গুলিৰ পাৰ, গণেশ টাপু, বাঘা টাপু , আইৰমাৰী, ঘুমদুইল্লা, গেন্ধাৰডোবা, শিয়ালেৰ চাপৰি, লাকিমাৰী - এই চৰবিলাকত আমি দেখিছো যেতিয়া উচ্ছেদ হৈছিল তাৰ আগত তাত অসম চৰকাৰে স্কুল স্থাপন কৰিছিল । ২২ খন স্কুল তাত আছে । আইৰমাৰীত ৰিভাৰ হস্পিটেল আছে । এইবিলাক যেতিয়া তাত কৰিছিল তেতিয়া তাত বনাঞ্চল নাছিল । সভাপতি মহোদয় এইকথাটো লক্ষ্য কৰিব যে, বনাঞ্চলত স্কুল- হস্পিটেল কৰিবলৈ তাত পাৰ্মিশ্যন নাপায় । ফৰেষ্ট নাছিল , তাত ৮০-৯০ বছৰ আগৰ পৰা মানুহ আছিল আৰু সেই বাবে তাত স্কুলবিলাক কৰিছিল । স্কুলবিলাক কৰোতে তেতিয়া মাননীয় হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া শিক্ষা মন্ত্ৰী আছিল । তেখেতে স্কুলবিলাক কৰিছিল । তেখেতে স্বাস্থ্যমন্ত্ৰী হৈ থকা কালত আইমাৰীত ৰিভাৰ পি এইচ চি আৰু তাত স্বাস্থ্য উপকেন্দ্ৰবিলাক কৰিছিল । তাৰ পিচত ৰকিবুল হুছেইন ডাঙৰীয়া যেতিয়া ফৰেষ্ট মিনিষ্টাৰ হয় তেতিয়া বোলে তেখেতে প্ৰস্তাৱ দিলে ১৯৫ স্কোৱেৰ কি.মি এই চৰ বিলাক বুঢ়া চাপৰি অভয়াৰণ্য নাম দি তাত সংযোজন কৰিব লাগে । ১৯৫ কি.মি এই চৰবিলাক যেতিয়া ফৰেষ্টত সোমালে তাৰ আগতে কিন্তু স্কুলবিলাক প্ৰভিন্সিয়েলাইজড হ'ল - তাত হস্পিটেল বিল্ডিংবিলাক হ'ল । তাত অভয়াৰণ্যখন এই কাৰণে কৰা হ'ল যাতে মানুহখিনিক উচ্ছেদ কৰিব পাৰি । বহু ঠাই PRF কৰা হৈছে য'ত মানুহ ৫০-৬০ বছৰ আগৰ পৰা আছে । প্ৰপ'জদ ৰিৰ্জাভ ফৰেষ্ট নাম দি সেই এলেকাৰ পৰা মানুহবিলাক উচ্ছেদ কৰা হ'ল । এই বনানীকৰণ নামটো এটা জনগোষ্ঠীক উচ্ছেদ কৰাৰ বাহানা স্বৰূপে ব্যাৱহাৰ কৰা হৈছে এইটোত আমাৰ আপত্তি আছে । এই বুঢ়া চাপৰিত ২০২২ চনত চৰকাৰে ফৰেষ্ট বুলি অৰ্ডাৰ ফাইনেল কৰিছে বুলি মোৰ বিধান সভাৰ প্ৰশ্নোত্তৰত চৰকাৰে জনাইছে । কিন্তু স্কুলবিলাক ২০-২৫ বছৰ আগতে কৰা হৈছিল । আৰু এটা ভয়ানক কথা হ'ল ফৰেষ্টৰ যিটো সীমা বুঢ়া চাপৰি- ১৯৯১ চনত কৰা হৈছিল , তাৰ পিচত তেওঁলোকে আকৌ ৰিমেকিং কৰিলে, ড্ৰ'ন উৰুৱাই এটা সীমা নিৰ্দ্ধাৰণ কৰিলে , সীমা নিৰ্দ্ধাৰণ কৰাৰ পিচতো ফৰেষ্ট অফিচাৰ, ৰেঞ্জাৰ, ফৰেষ্ট গাৰ্ডবিলাকে কেইটামান দালালক লৈ ওচৰৰ মানুহখিনিক কয় যে যদি আপোনালোকে আমাক বিঘাই প্ৰতি ৩ হাজাৰ ৫ হাজাৰকৈ টকা দিয়ে তেতিয়াহ'লে ড্ৰ'নে যিটো সীমা দেখুৱাই দিছে সেইটোৱে থাকিব নহ'লে আপোনালোকৰ মাটি এই এলেকা ফৰেষ্টৰ মাটিত সাঙুৰি লোৱা হ'ব । যিসকলে টকা দিয়া নাই ফৰেষ্টৰ মানুহে সীমাটো এইফালৰ পৰা সেইফালে নিয়ে । এইবিলাক কথা মাননীয় বন মন্ত্ৰীয়ে হয়তো নাজানে, চি চি এফয়ে হয়তো নাজানে । তৃতীয় কথাটো হ'ল এনেকৈ দুবাৰ-তিনিবাৰ সীমা পৰিৱৰ্ত্তন কৰা

হ'ল । যদিও কোৱা হ'ল বুঢ়াচাপৰি অভয়াৰণ্যত ইমান বিঘা বেদখলমুক্ত কৰিব লাগে কিন্তু উচ্ছেদ কৰোতে কৰোতে তাত পট্টা থকা মানুহৰ ঘৰো উচ্ছেদ কৰি দিয়ে । কাজিৰঙা এক্সটেনশ্যনৰ নামত দেওধৰচাং আৰু এখন গাওঁত ৬৪ ঘৰ পট্টা থকা মানুহক উচ্ছেদ কৰা হ'ল কিন্তু তেওঁলোকক আজিলৈকে কোনো ক্ষতিপূৰণ দিয়া নহ'ল । তেনেকৈ হাচিলা বিল, বিলাসীপাৰা , লতিমাৰী আৰু এনেকুৱা বহু ঠাইত আমি দেখিছো তাত আচুমাৰী নামৰ এখন গাওঁ আছিল - এই গাওঁৰ সীমা পাৰ হৈ বেলেগ ৰেভিনিউ ভিলেজ যিটো ফৰেষ্টত নপৰে তাতো গৈ উচ্ছেদ কৰিছে । ফৰেষ্ট ডিপাৰ্টমেন্টৰ যিটো উৎভণ্ডালি , তেওঁলোকে সীমা- পৰিসীমা নামানে , য'তে ত'তে গৈ উচ্ছেদ কৰে । কেইদিনমান আগতে বৰছলা সমষ্টিৰ গণেশ লিম্বু ডাঙৰীয়াক মই ফোন কৰিছিলো -তাত দুৰৰামাৰী চৰ আৰু কেইটামান চৰ আছে যিকেইটা ফৰেষ্টত পৰা নাই । আগতে উচ্ছেদ কৰা নাই তাতো কেইটামান দালালে গৈ কয় বিঘাই প্ৰতি ৩ হাজাৰ টকাকৈ বিচাৰিছে । টকা নিদিলে তেওলোকক উচ্ছেদ কৰিব বুলি কয় । তেতিয়া বিধায়কগৰাকীয়ে ক'লে যে, মইও এনেধৰণৰ কথা শুনি আছো , কিন্তু প্ৰশাসনে আমাক একো জনোৱা নাই । সেই এৰিয়াবিলাকত দালালবিলাকৰ লগত ফৰেষ্ট গাৰ্ডও যায় । এজন ফৰেষ্ট গাৰ্ডে কেনেকৈ নোটিছ দিব পাৰে বা উচ্ছেদ অভিযান চলাব পাৰে গতিকে একাংশ দালালে এনেকুৱা এটা ব্যৱসায় আৰম্ভ কৰি লৈছে । এইবিলাকৰ লগত ৰেঞ্জাৰজনো জৰিত হৈ থাকে । গতিকে আজি ইয়াত মাননীয় বনমন্ত্ৰী গৰাকী উপস্থিত আছে । মই ভাবো এই ক্ষেত্ৰত এটা উচ্চ স্তৰৰ তদন্ত হ'ব লাগে যাতে ফৰেষ্ট এলেকা নপৰা ঠাইত কোনো ধৰণৰ দাদাগিৰি - মাৰপিট আৰু কোনো ধন দাবি কৰিব নোৱাৰে । গতিকে ফৰেষ্ট ডিপাৰ্টমেন্টক নাকি লগোৱাৰ ব্যৱস্থা কৰক । অৰাজকতাৰ সৃষ্টি যাতে নহয় - এই কথাখিনি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো ।

**মাননীয় সভাপতি ঃ** ধন্যবাদ, এতিয়া বিপিএফৰ মাননীয় সদস্যৰ সময় আছিল কিন্তু তেখেতৰ নাম অহা নাই । গতিকে এতিয়া নুৰুল হুদা ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ কোৱা হ'ল ।

**শ্ৰীনৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় সভাপতি মহোদয়, বন বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰীৰ কৰ্ত্তণ প্ৰস্তাৱৰ সপক্ষে মই কিছু কথা কোৱাৰ আগতে মই অতি দুখেৰে কওঁ যে, মোৰ ৰূপহীহাট বিধান সভা সমষ্টিৰ অন্তৰ্গত আলিটাঙনী চিবুলাটি গাওঁ চাহাবুদ্দিন আৰু ৰমেন বৰা নামৰ দুজন হোম গাৰ্ডে ১৫-১২-২০২৩ তাৰিখৰ পৰা কাজিৰঙা অভয়াৰণ্যত কাম কৰি আছিল কিন্তু অন ডিউটিত তেওঁলোকক ১৬-০২-২০২৪ তাৰিখত দিনৰ ১২ বজাত গড়ে আক্ৰমণ কৰে ফলত চাহাবুদ্দিনৰ ঠাইতে মৃত্যু হয় আৰু ৰমেন বৰা বেয়াকৈ আঘাতপ্ৰাপ্ত হয় । বৰ্তমান ৰমেন বৰা হস্পিটেলত চিকিৎসাধীন হৈ আছে , মই তেখেতৰ আৰোগ্য কামনা কৰিছো । চাহাবুদ্দিন তেওঁৰ পৰিয়ালটোৰ একমাত্ৰ ভৰণ- পোষণৰ দায়িত্বত আছিল এতিয়া পৰিয়ালটো পানীত হাঁহ নচৰা অৱস্থা । ইতিমধ্যে মই বন বিভাগৰ মাননীয় মন্ত্ৰীক এখন আবেদন জনাইছো যে, চাহাবুদ্দিনৰ পৰিয়ালটোক এটা চাকৰি দি যাতে সংস্থাপনৰ ব্যৱস্থা কৰে আৰু বৰ্তমান চলিব পৰাকৈ এটা সাহাৰ্য্য পৰিয়ালটোলৈ আগবঢ়ায় . তাৰ কাৰণে মই সভাপতি মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো । ইতিমধ্যে মন্ত্ৰী মহোদয়ে পি চি চি এফ লৈ লিখি দিছে গতিকে বিভাগে যাতে এই পৰিয়ালটোক চাকৰি এটা দি সংস্থাপনৰ ব্যৱস্থা কৰে । সভাপতি ডাঙৰীয়া ইয়াৰ পূৰ্বেও আব্দুল জলিল আৰু আৰু চবুৰউদ্দিন নামৰ দুজন লোক ধিংবৰী চাপৰি গাওঁৰ তেওঁৰ ঘৰৰ পৰা মথাউৰিলৈ ৩০০ মিটাৰ দুৰ আৰু ২০০ মিটাৰ দুৰত তেওঁলোকৰ খেতি মাটি।

তেওঁৰ ঘৰৰ পৰা মাথাউৰি ৩ শ মিটাৰ দূৰ। ঘৰৰ পৰা ২ শ মিটাৰ দূৰত তেওঁলোকৰ খেতি মাটি।

ৰাতিপুৱা চাৰে পাঁচ বজাত সেই খেতি মাটিত ধান খেতিত কাম কৰিবলৈ যোৱা অৱস্থাত forest ৰ যিসকল মাথাউৰিত পহৰাদাৰ আছিল, তেওঁলোকে যধে-মধে গুলিয়াই আব্দুল জলিল আৰু ছমিৰউদ্দিনক তাতে নিহত কৰিলে আৰু চামছুল হকক বেয়াকৈ আঘাতপ্ৰাপ্ত হৈ বহুত চিকিৎসাৰ ফলত জীয়াই আছে যদিও পঙ্গু হৈ গৈছে অৰ্থাৎ অকৰ্মন্য হৈ গৈছে। কিন্তু পিছত বিভাগে ক'লে তেওঁলোক চোৰাং মাছমৰীয়া। মাছ মৰাৰ কাৰণে আহিছিল। ধৰি ল'লো মাছ মাৰিবলৈ গৈছে, কিন্তু তেওঁলোকক কৰায়ত্ত কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিব লাগিছিল। কিন্তু গুলিয়াই হত্যা কৰাৰ কাৰণে এই বন বিভাগৰ কৰ্মী সকলক কোনে অনুমতিটো দিলে, কোনে অধিকাৰটো দিলে যে মানুহক গুলিয়াই হত্যা কৰিব। ইয়াৰ পূৰ্বেও মোৰ সমষ্টিত দিনৰ ১২ বজাত মাথাউৰিত গৰু আনিবলৈ যাওঁতে গণিৰুদ্দিন নামৰ মানুহ এজনক গুলিয়াই হত্যা কৰিলে। মই সদনত উত্থাপন কৰিছিলো আৰু সেই সময়ত আজিৰ মাননীয় বনমন্ত্ৰী ডাঙৰীয়া সংসদীয় পৰিক্ৰমা মন্ত্ৰী আছিল আৰু তেখেতে আশ্বস্ত কৰিছিল মোক যে তদন্ত কৰি বিহীত ব্যৱস্থা কৰা হ'ব আৰু পৰিয়ালটোকো সংস্থাপন দিয়া হ'ব। ২৮-১২-২০২০ তাৰিখৰ সদনত এই কথাটো মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী আজিৰ মাননীয় বনমন্ত্ৰী মহোদয়ে কৈছিল। কিন্তু আজিলৈকে এই পৰিয়ালটোৱে কোনো ধৰণৰ সহায় নাপালে, কোনো ধৰণৰ বিচাৰ নাপালে আৰু ২০২৪ চনত আব্দুল জলিল ছমিৰউদ্দিন নিহত হ'ল আৰু ছামছুল হক আহত হ'ল। গতিকে এই দুইজনৰ পৰিয়ালকো যাতে ৰক্ষণাবেক্ষন দিয়াৰ কাৰণে তেওঁলোকক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰে আৰু ছামছুল হক যিহেতু জীয়াই আছে, অকৰ্মন্য হৈ আছে, তেওঁকো ভালকৈ এটা সাহাৰ্য্য দিব লাগে যিটো সাহাৰ্য্যৰ ফলত তেওঁ এটা ব্যৱসায় কৰি যেনেতেনে জীৱনটো পাৰ কৰিব পাৰে সেই সুবিধাটো দিয়াৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। বন বিভাগৰ দ্বাৰা মোৰ বিধান সভা সমষ্টিতো বুঢ়াচাপৰি অভয়াৰণ্যৰ eviction ৰ কথাটো যেতিয়া মই গম পালো, লগে লগে ৰাজহ চক্ৰ বিষয়া, কানন গু, লাট মণ্ডল আৰু গাওঁবুঢ়াক লৈ সীমা চাবলৈ গ'লো কোনটো forest ৰ সীমা। ৰাজহ চক্ৰ বিষয়াই সীমা দেখুৱাই দিলে। কিন্তু একসপ্তাহ পিছতে ড্ৰণ উৰুৱাই দিলে, ড্ৰণ উৰুৱাই দি চিতলমাৰী NC, যিটো গাওঁ পঞ্চায়তৰ ৩ নম্বৰ ward সেইটো আৰু বাঘাতাপু, চিয়ালতাপু, লাডিবাৰী, আৰিমাৰী, চিতলমাৰী , চৰ, NC এই গোটেইখিনি এলেকাত ড্ৰণ উৰুৱাই তেওঁলোকে মাজত পেলাই দিলে আৰু উচ্ছেদ কৰা হ'ল। তাত চৰকাৰে নিৰ্মাণ কৰা স্কুল আছে, অঙ্গনবাড়ী কেন্দ্ৰ আছে, মছজিদ আছে, হস্পিতাল আছে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আছে। এনেকুৱা হৈছিল, স্কুলখন যেতিয়া ভাঙে, সেই সময়ত স্কুলৰ যিজন সভাপতি আছিল, তেওঁ সেইবোৰ চাই তৎক্ষণাত ঢলি পৰিল আৰু তৎক্ষণাত মৃত্যুবৰণ কৰিলে। কাৰণ স্কুলখন ভঙাটো তেওঁ সহ্য কৰিব নোৱাৰিলে। এনেকুৱা কাম আমাৰ চৰকাৰে কিয় কৰিলে ? আজি সেইখিনি উচ্ছেদ নকৰি আমাৰ যিধৰণে ভূমিহীন পৰিয়ালক মাটি দিবলৈ এই চৰকাৰে তিনিচুকীয়া জিলাৰ বহু বাৰ প্ৰস্তাৱিত

সংৰক্ষিত বনাঞ্চলৰ denotify কৰি ৰাজহ ভূমিলৈ ৰূপান্তৰ কৰিছে, যাক আমি সমৰ্থন কৰো আৰু সেই কাৰণে আমি চৰকাৰক ভাল পাইছো যে দুখীয়া সকলক সেই মাটিতো দিয়াৰ কাৰণে denotify কৰি মাটি দিয়াৰ ব্যৱস্থা কৰিছে, ভাল পাইছো। কিন্তু আমি সেই একে নীতিৰে অসমৰ অন্যান্য ঠাইতো ৫০-৬০ বছৰ বসবাস কৰি অহা ভূমিহীন পৰিয়ালক উচ্ছেদ নকৰি সেই ঠাইখিনি

denotify কৰি ৰাজহ ভূমিলৈ ৰূপান্তৰিত কৰি ভূমিহীন পৰিয়ালক আৱণ্টন দিব পাৰিলেহেঁতেন আৰু সেই ঠাই বিলাকত চৰকাৰী ধনেৰে নিৰ্মিত ৰাস্তা, স্কুল, মছজিদ, হস্পিতাল, চাব-চেণ্টাৰ বিভিন্ন ধৰণৰ ৰাজহুৱা প্ৰতিষ্ঠান আছিল আৰু সেইবিলাক উচ্ছেদ কৰা হ'ল। গতিকে চৰকাৰী খাচ মাটি যিবিলাক আছিলে, সেই মাটিবিলাক যদি denotify কৰি এই ভূমিহীন লোকসকলক সংস্থাপন দিলেহেঁতেন আৰু বাকী য'ত য'ত চৰকাৰী খাচ মাটি আছে সেই মাটিখিনিও পৰিৱৰ্তন কৰিব পাৰিলেহেঁতেন। কিন্তু চৰকাৰে সেইটো নকৰিলে। আমি দুখ পাইছো। এখন ৰাজ্যৰ সকলো জনসাধাৰণৰ প্ৰতি সমদৃষ্টিৰে চাব লাগে। এই চৰকাৰ খনে ৰাজধৰ্ম পালন কৰা নাই। সাম্প্ৰদায়িকতাৰ ভিত্তিত ৩৮ শতাংশ মানুহক ইয়াৰ পৰা বঞ্চিত কৰা হ'ল। আজি যদি আপোনালোকে চায়, ৬০ লাখ বিঘা মাটি গৰাখহনীয়াৰ ফলত জাহ গৈছে আৰু সেই ৬০ লাখ বিঘা মাটিত যিসকল আছিল, সেইসকল ক'ত গৈছে? সেই সকলে য'তেই চৰকাৰী মাটি পাইছে তাতেই গৈ বহিছে। এইটো চৰকাৰৰ দায়িত্ব নাছিল নেকি যে এজন লোক ভূমিহীন হোৱাৰ পিছত, গৰাখহনীয়াই তেওঁৰ ঘৰ-বাৰী, মাটি খহাই লৈ যোৱাৰ পিছত সেই নাগৰিকজনক ৰক্ষণাবেক্ষণ দিয়া, সম্পত্তিৰ অধিকাৰ দিয়া তেওঁক ঘৰ-বাৰী সজাই দিয়া, তেওঁক মাটি দিয়াৰ অধিকাৰ, তেওঁৰ নাছিল নেকি মাটি পোৱাৰ অধিকাৰ? সেই চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য নাছিল নেকি? গতিকে চৰকাৰে নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি গাফিলতি কৰি সেই লোক সকলক উচ্ছেদ কৰিব পৰা হ'ল। আজি সেই লোক সকলে পশুতুল্য জীৱন-যাপন কৰি আছে। তেওঁলোকৰ থাকিবলৈ ঘৰ নাই। শুবলৈ ঠাই নাই। তেওঁলোকে খেতি কৰি যে উপাৰ্জন কৰিব তাৰো কোনো ব্যৱস্থা নাই। গতিকে আজি আপোনাৰ জৰিয়তে বনমন্ত্ৰী মহোদয়ক আৰু চৰকাৰক মই অনুৰোধ জনাইছো যিসকল মানুহক উচ্ছেদ কৰা হৈছিল, সেই গোটেই লোকসকল ভাৰতীয় নাগৰিক আৰু ভাৰতীয় নাগৰিক অসমৰ সন্তান। ভাৰতীয় নাগৰিক আৰু অসমৰ সন্তান হিচাপে অসমৰ ভূমিত তেওঁলোকৰ অধিকাৰ আছে। তেওঁলোকৰ অধিকাৰ যদি খৰ্ব কৰা হৈছে, সেইটো পুনৰ বিবেচনা কৰি তেওঁলোকক সেই ভূমিখিনি denotify কৰি এই লোক সকলক তাতেই আকৌ নি সংস্থাপন দিয়াৰ কাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰৰ বিনম্ৰ অনুৰোধ জনাইছো। চৰকাৰে ৰাজধৰ্ম পালন কৰক। এইটোৱে মোৰ আহ্বান। এই বিধান সভাৰ কালিলৈ হয়তো শেষ দিন হ'ব। তাৰপিছত হয়তো আমি একেলগ হ'ব নোৱাৰিম। গতিকে সমদৃষ্টিৰে সকলোৰে সমভাৱাপন্ন ভাৰতীয় নাগৰিক হিচাপে সংবিধানৰ প্ৰতি সন্মান জনাই সকলো নাগৰিকক সমান অধিকাৰ দিয়াৰ কাৰণে আজি এটা সংকল্প লৈ কালিলৈ এটা নিৰ্দেশ এইখন চৰকাৰে দিয়ক যে আমি সকলোৰে এক হৈ আছো। আমি ইয়াত হিন্দু, মুছলমান, জৈন, খ্ৰীষ্টান যিমান মানুহ আছো সকলো আমি একেলগ হৈ আছো। একসমান ভাই-ককাই হিচাপে আমি থাকিম আৰু যিখিনি উচ্ছেদ কৰা হৈছে সেই মানুহখিনিক, সেই ভূমিখিনি denotify কৰি আকৌ পুনৰ সংস্থাপন দিয়াৰ কাৰণে এটা নিৰ্দেশ দিয়ক এই কামনা কৰিয়েই মোৰ বক্তব্য মই ইমানতে সামৰণি মাৰিছো।

**শ্ৰী ভৱেন্দ্ৰ নাথ ভৰালী, সভাপতি** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী মজিবুৰ ৰহমান ডাঙৰীয়া। দলে আপোনাক ৭ মিনিট দিছে।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁ** ঃ মাননীয় সভাপতি মহোদয়, বিশেষকৈ আজি এই Forest আৰু Environment ৰ ওপৰত কথা কোৱাৰ সুযোগ দিয়াৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় সভাপতি মহোদয়, বহু পৰিয়াল অসমৰ বিভিন্ন নদীৰ গৰাখহনীয়াত বিশেষকৈ ব্ৰহ্মপুত্ৰ নদী, ধনশিৰী নদী, টাঙানী নদী, বেকী নদী এই নদীৰ গৰাখহনীয়াত পৰি এটা সম্প্ৰদায় বিশেষকৈ সংখ্যালঘু সম্প্ৰদায়, তেখেতসকলৰ ঘৰ-দুৱাৰ উটুৱাই লৈ যোৱাৰ কাৰণে displacement হৈ

গৈ আছে আৰু সেই মানুহখিনি বিভিন্ন চৰকাৰী মাটিত বসবাস কৰি আছে আৰু সেই মানুহখিনিকে আকৌ দেখা পাইছো আমি যে চৰকাৰৰ পৃষ্ঠপোষকতাত সেই মানুহখিনিক আকৌ অচিনাকি মানুহ বুলি কোৱা হৈছে, বিদেশী বুলি কোৱা হৈছে অসমৰ গোৱালপাৰাত পাইকানত যিটো নেকি উচ্ছেদ হ'ল তাতে সচাঁকৈ এটা কথা ক'ব লাগিব তাতে ম্যাদী মাটি থকা স্বত্বেও বহু মানুহে ম্যাদী মাটিৰ কাগজ দেখুৱাইছে, একচনীয়া মাটিৰ কাগজ দেখুৱাইছে। দেখুৱাৰ পিছতো Forest Department য়ে তাত জোৰ জুলুম কৰি সেই মানুখিনি উচ্ছেদ কৰিলে। ঠিক আছে। মানুহখিনি যদি forest ত যদি পৰিছে, উচ্ছেদ কৰিছে, forest ৰো দৰকাৰ আছে, মানুহখিনি উঠাব লাগিব। কিন্তু যেনেকৈ অমানৱীয় ভাৱে উচ্ছেদ কৰা হৈছিল সেইটো এখন কল্যাণকামী ৰাষ্ট্ৰত হ'ব নালাগিছিল। সেই মানুহখিনিক কৰ'বাত নহয় কৰ'বাত মাটি দিব লাগিছিল। থাকিবৰ কাৰণে ঠাই দিব লাগিছিল। চৰকাৰৰ লাখ লাখ বিঘা মাটি আছে, চৰকাৰী মাটি আছে। সেই দুখীয়া মানুহখিনিক যিসকলক নদী ভঙাৰ কাৰণে Forest বিভাগে উচ্ছেদ কৰি দিলে সেই মানুহখিনিক কমেও এটা rehabilitation দিয়াৰ বাবে বিধি-ব্যৱস্থা চৰকাৰে কৰিব লাগিছিল। কিন্তু চৰকাৰে কৰা নাই। সেইটো এটা in human activities কৰিছে। মাননীয় সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে আপুনি এইক্ষেত্ৰত অলপ নজৰ দিব লাগে। বিশেষকৈ মই মোৰ দৰং জিলাৰ কথা ক'ব বিচাৰিছো। দৰং জিলাৰ শ্যামপুৰ, আৰিমাৰী চাপৰি, নাগলিন চাপৰি, চাউলখোৱা চাপৰি, ধৰিয়া খাইটি চাপৰি আদি ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াত পৰি শ শ মানুহ এতিয়া অঘৰী হিচাপে বসবাস কৰি আছে। যদিও এইটো land department পৰে কিন্তু বন বিভাগক মই এইকাৰণেই ক'ব খুজিছো যিহেতু নদীৰ গৰাখহনীয়াত পৰি এই মানুহখিনি displacement হৈ আছে গতিকে আজিৰ এই সদনত মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে এই মানুহখিনিক কমেও থকাৰ কাৰণে অলপ মাটি দিয়াৰ বিধি-ব্যৱস্থা কৰি দিয়ে। যিসকল মানুহ অঘৰী হৈ ঘূৰি-ফুৰি আছে আৰু বিভিন্ন ঠাইত পেটৰ তাড়নাত কাম কৰিব যায়। কাম কৰিব গ'লেও মাৰ, গুৰি খাব লগীয়া হৈছে। বিশেষকৈ কেইদিনমান আগতে আপোনালোকে দেখিছে যে দৰং, মৰিগাওঁ, নগাওঁৰ পৰা কেইবাজনো ব্যক্তিক আমাৰ মাননীয় শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ শিৱসাগৰ সমষ্টিতএই কাম কৰা আমাৰ বনুৱা মানুহখিনিকঅত্যাচাৰ কৰিলে। মাৰি পিঠি ফালিলে। কিন্তু আমাৰ অসম চৰকাৰে ইয়াত কোনো বিধি-ব্যৱস্থা নল'লে। যিসকলে অত্যাচাৰ কৰিলে, কাৰণ আমাৰ এখন সংবিধান আছে। আমি এখন ৰাজ্যত বসবাস কৰি আছো। এখন ৰাজ্যৰ পৰা মানুহে আন এখন ৰাজ্যলৈ কাম কৰিবলৈ যাব পাৰে। এখন ঠাইৰ পৰা আন এখন ঠাইলৈ কাম কৰিবলৈ যাব পাৰে। তাত থাকিব পাৰে, মাটি কিনিব পাৰে আৰু বসবাস কৰিব পাৰে। কিন্তু এই সংবিধান violation কৰিলে। সেই মানুহখিনিক, এটা জাতিক মাত্ৰ মাইন'ৰিটি জাতি বুলিয়েই সেই মানুহখিনিক অত্যাচাৰ কৰি আছে। গতিকে মাননীয় সভাপতি মহোদয়, আপোনাৰ জৰিয়তে আজি বিভাগীয় বিষয়া সকলক আৰু বিভাগীয় মন্ত্ৰী মহোদয়ক মই ক'ব খুজিছো যাতে এইখিনি পৰৱৰ্ত্তী সময়ত নহয়। আজি বিশেষকৈ শিৱসাগৰ জিলাৰ কথাটো মই কৈছো। শিৱসাগৰত এই ঘটনাটো ঘটাৰ মূল কাৰণটো হৈছে নদী ভঙাৰ কাৰণে। যদি এই নদী নাভাগিলে হয় তেতিয়া মানুহে তাত কাম কৰিবলৈ নগ'ল হয়। পেটৰ তাড়নাত মানুহবিলাক গৈছে। কিন্তু আৰু এটা কথা ক'ব লাগিব যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সংবিধানৰ শপত লৈছে, সাংবিধানিক পদত আছে। তেখেতে কিন্তু এটা জাতিক টাৰগেট কৰি যিবোৰ শব্দ কয় বা যি বাক্যবাণ কৰিছে সেইকাৰণে সেই মানুহখিনিক so called যিবোৰ সংগঠন আছে তেওঁলোকে সুযোগ পালে আৰু অত্যাচাৰ আৰম্ভ

কৰিলে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে আপোনাৰ মুখেৰে এটা জাতিক টাৰগেট কৰি যে পাঁচ টকাৰ ঠাইত চাৰি টকা ভাৰা দিবা। এই চাৰি টকা ভাৰা দিওঁতেই কাজিয়া লাগি যাব। যেতিয়াই কাজিয়া লাগিব তেতিয়াই মাৰ খাব লাগিব। কোন বিলাক মানুহক মাৰিব। সেই দুখীয়া মানুহ বিলাককে মাৰিব। দুখীয়া মানুহক তেনেকৈ মাৰিলে দেশখন আগুৱাই নাযায়। এটা জাতিক টাৰগেট কৰি ইমান অত্যাচাৰ কৰিছে, ইমান বেয়া ব্যৱহাৰ আপুনি কৰিছে। মাজে মাজে কৈ থাকে যে এইটো অঘৰী জাতি। তেওঁলোকক মাৰিব লাগে। তেওঁলোক বাংলাদেশী, খেদিব লাগে। সংবিধানৰ শপত লৈ আপুনি এইবিলাক কথা ক'লে কিন্তু শোভা নাপায়। মাননীয় সভাপতি মহোদয়, মই এটায়েই কথা কম যে মোৰ সমষ্টিৰ ধনশিৰি নদী protection ৰ বাবে এইবাৰ জলসম্পদ বিভাগৰ পৰা ৬০ কোটি টকা চেংচন কৰিছে। তাৰ কাৰণে মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জ্ঞাপন কৰিম আৰু বন বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক, তেখেত এগৰাকী জ্যেষ্ঠ মন্ত্ৰী, তেখেতক মই অনুৰোধ কৰিম যে যিখিনি নীতি production ৰ কাৰণে, নদী protection ৰ কাৰণে ৰাস্তা বান্ধি আছে, তাৰ ওচৰত যদি forest system কৰি দিয়ে, কিছু গছ ৰুৱে তেতিয়াহ'লে মই ভাৱো এই ৰাস্তাটো থাকি যাব বা এই বান্ধটো থাকি যাব। গতিকে আজিৰ সদনত মই অনুৰোধ কৰিম যিখিনি ৰাস্তা হ'ব সেই ৰাস্তাখিনি মথাউৰিখিনিৰ ওচৰেদি যদি forest department ৰ পৰা গছ ৰুই দিয়ে যথেষ্ঠ ভাল হ'ব। মাননীয় সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক মই আৰু এটা দাবী কৰিম যে আপোনাৰ বিভাগত এতিয়া অলপ কিবা-কিবি চলি আছে। বালিৰ যিটো খনন কাৰ্য্য, মই নকওঁ যে পইচাৰ কিবা কেলেংকাৰী হৈছে। কিন্তু বালি খনন কাৰ্য্যত মোৰ সমষ্টিত শিলবড়ী বুলি এখন গাওঁ আছে । তাত এখন নদী আছে আৰু শিলবড়ী ব্ৰীজ বুলি এখন ব্ৰীজ আছে। সেই ব্ৰীজখন দলগাওঁৰ পৰা আৰম্ভ কৰি ঢেকিয়াজুলি উঠিছে। এতিয়া বালি কালেকশ্যন কৰি থকাৰ কাৰণে সেই ব্ৰীজখন বেয়াৰ ফালে গতি কৰিছে। এটা সময়ত ব্ৰীজখন ধ্বংস হৈ যাব। গতিকে মই অনুৰোধ কৰিম যে এইক্ষেত্ৰত আপোনালোকে যাতে অলপ নজৰ ৰাখে যে য'ত বালি খনন হৈ আছে তাত যাতে ব্ৰীজ আৰু ৰাস্তাৰ যাতে ক্ষতি নহয়। মাননীয় সভাপতি মহোদয়, এই যে শ্যামপুৰ, আৰিমাৰী চাপৰি, নাগলিন চাপৰি, ধৰিয়া খাইটি চাপৰিত যিসকল মানুহ বসবাস কৰি আছে সেই মানুহখিনি নদীৰ গৰাখহনীয়াত পৰি বিভিন্ন ঠাইত বসবাস কৰি আছে। এই মানুহখিনিক মাটিৰ পট্টা দিয়াৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমুন্ত্ৰী মহোদয়ক কৰযোৰে অনুৰোধ কৰিলো।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, সভাপতি ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভাস্কৰজ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, বিধায়ক, তিতাবৰ ঃ** মাননীয় সভাপতি মহোদয়, পৰিৱেশ আৰু বনৰ বাবে আজি পৰিপূৰক মঞ্জুৰী কৰ্তন প্ৰস্তাৱক মই সমৰ্থন কৰি কেইটামান কথা মই উল্লেখ কৰিব বিচাৰিছো। আমি বিভিন্ন সময়ত বিভিন্ন কথা পাতো আৰু ৰাস্তাৰে অহা-যোৱা কৰোতে যেতিয়া আমি খালী পাহাৰ সমূহ দেখো, মই ১৯৭০ চনতেই শ্বিলঙলৈ অহা-যোৱা কৰো আৰু তেতিয়া মই একেবাৰে সৰু আছিলো। তেতিয়া যথেষ্ট গছ-গছনি ৰোৱা হৈছিল। পৰৱৰ্ত্তী সময়ত সেই গছবোৰ কটাও হ'ল আৰু এতিয়া সেইবোৰ সদনাম-বদনাম গাই থাকি লাভ নাই। আমি সকলোবোৰ একেই মানুহ। কোনোবাই ভাল কাম কৰে বা বেয়া কাম কৰে এইবোৰ পুনৰাবৃত্তি কৰি থাকি লাভ নাই। এতিয়া মই নিজে অনুভৱ কৰিছো যে Afforestation মানে আমি খুব গছ ৰোৱা উচিত। গছ ৰুলেই নহ'ব। আমি দেখা পাবও লাগিব। গছ ৰোৱাৰ যিটো পৰিকল্পনা সেইটোৰ এটা logical end আহিব লাগিব, নহ'লে নহ'ব। আমাৰ আগতে এটা joint forest management

committee আছিল আৰু এই কমিটিখনত গছবোৰ ডাঙৰ হৈ পৰিপূৰ্ণ হৈ থকাৰ বাবে আমাৰ যিবোৰ স্থানীয় ব্যক্তি আছিল তেওঁলোকক এই কমিটিৰ লগত অন্তৰ্ভুক্ত কৰা হৈছিল। লগতে সকলোৰে সহায়-সহযোগিতা বিচৰা হৈছিল। এই সমিতিৰ 25% dividend গাওঁ বাসীক দিয়াৰ পৰিকল্পনা কৰা হৈছিল। যদিও সেইটো ফাইলতে আবদ্ধ হৈ থাকিল। গছবোৰ ডাঙৰ হ'লে কাটিব আৰু timber ৰ যিটো মূল্য হ'ব সেই মূল্যটো গাওঁবাসীয়েও পাব। এনেকুৱা নকৰিলে মানুহৰ কি মনোযোগ থাকিব। মই ভাবো ইয়াত এটা dividend ৰ যিটো কথা আছে তাৰ percentage টো বঢ়াই দিব লাগে। যাতে গাওঁবাসীয়ে যিখিনি গছ ৰুব বা তেওঁলোকৰ হতুৱাই চৰকাৰে যিখিনি গছ ৰুৱাব সেইখিনিৰ সংৰক্ষণ কৰি ডাঙৰ-দীঘল কৰি তোলাৰ তেওঁলোকৰ দায়িত্ব আৰু ভৱিষ্যতে তাৰ পৰা যিটো লাভা-লাভ হ'ব তাৰ বেছিভাগ অংশ ৰাইজে লাভ কৰিব পাৰিব। তেতিয়া আমাৰ পৰিবেশ নিয়ন্ত্ৰণ কৰাত সুবিধা হ'ব। দ্বিতীয়তে, আমাৰ অসমখন এনেকুৱা এখন জৈৱ বৈচিত্ৰৰে পৰিপূৰ্ণ ৰাজ্য, যিখনত আমাৰ খুব সুন্দৰকৈ গছ-গছনি গজে। ইয়াত আমাৰ বিভিন্ন medicine plants বোৰ ৰোৱাৰ স্কোপ আছে। আমাৰ অৰুণাচল প্ৰদেশত Yanung Jamoh Lego নামৰ এগৰাকী মহিলা, তেখেত এগৰাকী Herbalist. তেখেতে herbal medicine তৈয়াৰ কৰে আৰু ২০২৪ চনত তেখেতে পদ্মশ্ৰী বঁটা লাভ কৰিছিল। তেখেতে লাখৰো অধিক মানুহক চিকিৎসা কৰাৰ তথ্য আছে। আনকি দূৰাৰোগ্য কেঞ্চাৰ, ডাইয়েবেটিচ, হাইপাৰটেনশ্যন আৰু sinusitis এনেকুৱা বহু ধৰণৰ বেমাৰ তেখেতে বনৌষধিৰে ভাল কৰিবলৈ সক্ষম হৈছে। আমাৰ অসম আৰু অৰুণাচলৰ climatic condition প্ৰায় একেই। ইয়াত আমাৰ সন্মানীয় মন্ত্ৰী মহোদয় আছে। আমি যদি বনৌষধিৰ গছ লগাব পাৰো। মই ইয়াত কথাখিনি কলো, তাক কাৰ্যকৰী কেনেকৈ কৰিব সেইটোত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমি ইয়াত কথাখিনি ক'লো আৰু অলপ দেৰীকৈ টি.ভিৰ আগত ওলালো। এই কথাবোৰ যদি কাৰ্য্যকৰী নহয় বা কামত নাহে তেতিয়াহ'লে আমাৰ সময়খিনি এনেই যাব। গতিকে মই ভাবো আমাৰ অৰুণাচলৰ যিটো ব্যৱস্থাপনা আছে তেনেকুৱা ধৰণৰ medicine plant ৰ ব্যৱস্থা কৰিলে ভৱিষ্যতে আমাৰ সৰু সৰু দৰৱৰ ফেক্টৰীও কৰিব পাৰিম। ইয়াৰ লগতে আমাৰ চাহ বাগান সমূহত জালুকৰ খেতি খুব সুন্দৰকৈ কৰিব পাৰো। এই Afforestation ৰ কাৰণে ৰাস্তাৰ কাষৰ যিবিলাক ধাবা আছে, তাত গছ ৰোৱাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ডাঙৰ ডাঙৰ বিবাহ ভৱন, ৰিজ'ৰ্ট সমূহত একেলগে ২-৩ হাজাৰ মানুহ গোট খায়। তাত অক্সিজেনৰ বহুত অভাৱ হয়। সেই ঠাইসমূহতো যদি আমি বাধ্যতামূলক ভাৱে গছ ৰূপণ কৰা আৰু সেই গছসমূহ জীয়াই আছে নে নাই, সেইখিনি চোৱা-চিতাৰ বাবে প'লিচি ল'ব লাগে। আমাৰ এক লাখ পুলি লগোৱাৰ এটা অভিলাষী আঁচনি আছিল আৰু এতিয়া কিমান গছ পুলি জীয়াই আছে, সেই বিষয়ে পিছত সুবিধা পালে মই প্ৰশ্নটো আনিম। আমাৰ চৰকাৰে যেতিয়া কামখিনি কৰে সেই কামখিনি যাতে ফলপ্ৰসু হয়, তাৰ কাৰণে এটা চোকা নজৰ ৰাখিব লাগে। আমাৰ হাতীৰ যি সংঘাত হৈ আছে, সেই ক্ষেত্ৰত হাতীৰ ক'ৰিডৰ সমূহ সুন্দৰকৈ গোটেই ৰাজ্যতে সংযোগ কৰিব পাৰো তেন্তে হাতী সমূহ সেই ক'ৰিডৰেৰে অহা-যোৱা কৰিব। সেই ক'ৰিডৰ সমূহত যদি সুন্দৰকৈ গছ-গছনি ৰুই হাতী যাব পৰা পথসমূহ ভালকৈ সংযোগ কৰিব পাৰো তেন্তে হাতী বিলাক ইফালে-সিফালে নাযাব। মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এটা ভাল কথা কৈছে। সেই বিষয়ে মই আগতেও উল্লেখ কৰিছো। আমাৰ ওচৰতে গিবন অভয়াৰণ্য আছে আৰু তাৰ পৰা হাতীবিলাক ওলায়। ইয়াৰ প্ৰধান সমস্যা হৈছে খাদ্যৰ অভাৱ। মই ভাৱো যে চৰকাৰে যদি মাটিসমূহ অধিগ্ৰহণ কৰি হাতীয়ে খোৱা খাদ্য-কল গছ, ঔ

টেঙা আদিৰ গছ ৰুব লাগে আৰু  ধান খেতি আদি কৰাৰ ব্যৱস্থা কৰিব লাগে। ডাঙৰ ডাঙৰ পুখুৰী খান্দি তাত  নিমখ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ নিমখৰ পানী হাতীয়ে যথেষ্ট গ্ৰহণ কৰে। সেয়েহে এনেকুৱা ধৰণৰ বাজেট প্ৰভিজন যাতে আমি অহা বাজেটত ৰাখো। মই ভাৱো হাতীৰ খাদ্য যদি পৰ্য্যাপ্ত পৰিমাণে বৰস্থ্যা কৰা হয়, আমাৰ মানুহে যথেষ্ট পৰিমাণে হাতীৰ সংঘাতৰ পৰা উপশম পাব। আমাৰ তিতাবৰৰ হাজাৰ হাজাৰ বিঘা মাটিত ৰঙাজান, ছয়কটা আদি অঞ্চলত ধান খেতি হোৱা নাই।   সেইবোৰ ঠাইত মানুহে খুব সুন্দৰকৈ খেতি কৰিব পাৰিব। আমি যদি পৰিৱেশ ৰক্ষাৰ কাৰণে প্ৰদূষণৰ এটা যদি ভাল শ্ল'গান দিব পাৰো যে গছ ৰুব লাগে, আমি পৰিৱেশ ভালকৈ ৰাখিব লাগে আমি শ্ল'গান দি এনেকুৱা এটা যদি প্ৰকল্প গঢ়ি তুলিব পাৰো, মানুহখিনিক যদি সচেতন কৰো মই ভাৱো অসম প্ৰদেশৰ যিটো জলবায়ু আছে, সেই ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিব পাৰিম। ধন্যবাদ।

**সভাপতি ঃ** এতিয়া মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই ক'ব।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় সভাপতি মহোদয়, যিটো বিষয়ৰ ওপৰত মই কৰ্তন প্ৰস্তাৱ আনিছো, সেইটো কিয় আনিছো সেই বিষয়ে মই আপোনালোকৰ ওচৰত দাঙি ধৰিব বিচাৰিছো। ইতিমধ্যে কথাবোৰ আলোচনা হৈছে। আমাৰ বন বিভাগ  আছে। কিন্তু অসমৰ  যি সম্পদ বনাঞ্চল, সেউজীয়া অসম সেইয়া নব্বৈ দশকৰ পৰাই এটা ধ্বংসৰ মাজেৰে গৈ আছে। চৰকাৰৰ পৃষ্ঠপোষকতাত যেতিয়া বনাঞ্চল ধ্বংসৰ কাৰ্য্যকলাপ চলে তেতিয়াহ'লে বনাঞ্চল ৰক্ষা কৰিব পৰা নাযায় আৰু সেই অৱস্থাটোত আমি উপনীত হৈছো। গোটেই বনাঞ্চল আমি কেনেকৈ ৰক্ষা কৰিম এটা উচ্ছেদেই তাৰ এটা নিশ্চিত মাধ্যম হ'ব নোৱাৰে। বন সৃজন, বন ফলন আৰু বনৰ পৰা আয় এইটো নিশ্চিত কৰাৰ কাৰণে আমাৰ কোনো working plan নাই। দুই এখন জিলাৰ বাহিৰে ক'তো working plan কৰিব নোৱাৰিলে। এডাল গছ ডাঙৰ হোৱাৰ পিছত সেই গছডাল আমাৰ সম্পদ হ'ব পাৰে আৰু তাৰ ঠাইত নতুন গছ লগোৱাৰ বাবে এইখন চৰকাৰেও working plan কৰিব পৰা নাই। আমাৰ মাননীয় বন মন্ত্ৰী বহু দিনৰ পৰা মন্ত্ৰী হৈ আছে আৰু তেওঁ অগপ দিনৰ পৰাই মন্ত্ৰী আছিল। তেওঁ সকলো কথা জানে আৰু তেওঁৰ মুখতেই এটা কথা শুনিছিলো যে অমুক চৰকাৰে আধা শেষ কৰিলে আমি আধা শেষ কৰিলো এনেকুৱা ধুনীয়া বননিৰে ভৰা অসমখন। এনেকুৱা বননিৰে ভৰা অসমখন ৰক্ষা কৰাৰ ক্ষেত্ৰত working plan কিয় নহ'ল ? আমাৰ কথাবোৰ আহিছে, NAP, Minor Forest Plan য'ত বনৌষধিৰ পৰা আদি কৰি বাঁহ-বেত এই সকলোবোৰক কেনেকৈ উন্নত কৰিব পাৰো তাৰ কোনো plan আমি কৰিব নোৱাৰিলো। আমাৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বনাঞ্চলেৰে ভৰ্ত্তি  হৈ আছিল আৰু এতিয়াও আছে। কিন্তু তাৰ পৰা যিটো আয়  এনেকুৱাধৰণে হোৱা নাই। মই ক্ষোভেৰে ক'ব বিচাৰিছো যে মদ বিক্ৰী কৰি এখন চৰকাৰে যিমান আয় কৰে, বন বিভাগৰ পৰা তাৰ আধাতকৈ কম আয় কৰে। এইটো এটা ডাঙৰ বিষয়। আমি মদ বিক্ৰী কৰি বেছি আয় কৰিছো। কিন্তু বন আমাৰ সম্পদ। কিন্তু এই সম্পদত working plan নথকাৰ বাবে আমাৰ আয় যথেষ্ট পৰিমাণে কমি আছে। খনি আৰু খনিজাত সম্পদৰ ৰাজহ সাংঘাতিকভাৱে বৃদ্ধি কৰিব পাৰি। কাৰণ নদীসমূহত অবৈধভাৱে বহু বেছি খনন হৈ আছে। কৰোবাত  কুৰেৰী আছে আৰু কৰোবাত সীমা বঢ়োৱাই  মইমতালিভাৱে এটা বৃহৎ খনন কাৰ্য্য বে-আইনীভাৱে চলি আছে। মই দ্বিধাহীনভাৱে কম যে আমাৰ যি বন বিভাগ আছে, এই বিভাগটোৰ ওপৰৰ পৰা তললৈ দুৰ্নীতিগ্ৰস্ত মানুহেৰে ভৰি আছে। গুৱাহাটীত যদি বন বিভাগৰ প্ৰাক্তন বিষয়া, বন কৰ্মীৰ পৰা আদি কৰি DFO বা ওপৰলৈ যদি আমি চাওঁ দেখিম যে তেওঁলোকে

কি ধৰণে সম্পত্তি গঢ়ি তুলিছে। এইটো কেনেকৈ সম্ভৱ হৈছে। বন লুণ্ঠন কৰি এই সম্পত্তি গঢ়ি তুলিছে। আমি দেখা পাওঁ যে ফৰেষ্ট গাৰ্ড এজনৰ তিনি মহলীয়া ঘৰ আছে আৰু তেওঁ এতিয়া চাকৰিত নাই। কোনেও একো কৰিবও নোৱাৰে। এনেধৰণৰ লুণ্ঠন বনৰ ওপৰত সাংঘাতিকভাৱে চলি আছে। খনি আৰু খনিজাত সম্পদৰ পৰা আয় যদি সঠিকভাৱে হ'লহেঁতেন আমাৰ চৰকাৰে চাৰে চাৰি কোটি নহয় বাৰ কোটিতকৈ অধিক আয় কৰিব পাৰিলেহেঁতেন। আবকাৰী বিভাগতকৈ বেছি আয় বন বিভাগত কৰিব পাৰিলেহেঁতেন। খনি আৰু খনিজাত সম্পদৰ এটা বিভাগ বন বিভাগৰ অধীনত গুৱাহাটীত আছে। কিন্তু বিভাগ হিচাপে জিলাসমূহত তাৰ কোনো পৰিকাঠামো নাই উপায়ুক্তসকলক সেইখিনি দিয়া হৈছে। উপায়ুক্তসকলে তাৰ পৰা কিমান টকা আহিছে সেইখিনি ভালকৈ মণিটৰ নকৰে। সেই টকাখিনি নৈৰ পৰা ক্ষতিগ্ৰস্ত হোৱা লোকসকলক উন্নয়ণৰ বাবে খৰচ কৰিব লাগে বুলি কৈছে। মোৰ আটাইতকৈ বেছি এটা তিক্ত অভিজ্ঞতা, যাৰ বিষয়ে মই আগতেও কৈছো। মোৰ সমষ্টিৰ মাজেৰে বেকী নৈ গৈছে। এইখন এখন ডাঙৰ খৰস্ৰোতা নৈ। অজস্ৰ সম্পদ তাৰ পৰা আহৰণ হয়। খনি আৰু খনিজাত সম্পদৰ ইয়াৰ পৰা বহু আয় হয়। কিন্তু উপায়ুক্তৰ লগত এই টকাখিনি থকাৰ বাবে আমাৰ তাত ব্যৱহাৰ হোৱা নাই। এনেই পৰি আছে। কিন্তু বৰপেটাৰ ëÃ±ûÂMÃæÃ ýÃ±ËoýÃæÃXÇÂËü Ë ÃÝÖÂËü¿ Âþ÷ýÃ ò Õ±Ņà òæÃ ÂÿëöÂá1 DMFT fund ৰ কথা কওঁ যিটো ৰাজ্যই নিয়ন্ত্ৰণ নকৰে, ইয়াৰ দায়িত্ব উপায়ুক্তক দিছে। তেখেতে কয় যে তেখেতে মোৰ লগত কথা নাপাতে। অন্য জিলাৰ বিষয়ে মই নাজানো। কিন্তু বৰপেটাত এনেকুৱা উৰ্দ্ধত উপায়ুক্ত আছে। যিয়ে DMFT fund ৰ সম্পৰ্কত কথাই নাপাতে। এতিয়ালৈকে তেওঁ কোনো কথা পতা নাই আৰু আমাক কোনো কমিটিত মতা নাই। জিলা পৰ্য্যায়ৰ এখন কমিটি আছে, কিন্তু আমাক মতা নাই। ফাণ্ডসমূহ উপায়ুক্তই এনেধৰণে মইমতালিভাৱে খৰচ কৰে, খনি আৰু খনিজাত সম্পদৰ পৰা যি আয় হয়, সেই আয় যদি ৰাইজৰ কামত নালাগে তেতিয়াহ'লে এইটো সাংঘাতিকভাৱে উদ্বেগৰ বিষয়। এই ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছো যে বন বিভাগৰ বহু কথা আমি আলোচনা-বিলোচনা কৰিলো। কিন্তু এতিয়া যিটো climate change ৰ যিটো বিপদ আহিছে এই climate change নোডেল বিভাগটো হৈছে বন বিভাগ। এই climate change ৰ বিষয়টো কিন্তু উদ্বীগ্নতাৰ বিষয় হিচাপে আহিছে। আমি শেহতীয়া ৰিপোৰ্টত দেখিছো যে climate change ৰ ফলত আমাৰ ৰাজ্যৰ ১৭ খন জিলাত বৰ বেয়াকৈ প্ৰভাৱ পৰিছে। আমি দেখিছো যে ২০২৩ চনত ১.৪৫ ডিগ্ৰী ছেলচিয়াছ আমাৰ Global Temperature বৃদ্ধি হৈছে। এতিয়া ২০২৪ চনত ১.৬ ডিগ্ৰী বৃদ্ধি হোৱা দেখিছো। ইয়াৰ ফলত Global warming হৈছে, heatwave, বানপানী, ভূমিস্খলন আৰু অন্য দুৰ্যোগ হৈছে। গোটেই পৰিৱেশটো এনেকুৱা হৈছে যে climate change ৰ বাবে বনাঞ্চল প্ৰাকৃতিকভাৱে ৰক্ষা কৰাটো অসুবিধাজনক হ'ব। অসমত ২০২৫ চনত আমি দেখা পালো যে. তাত এটা সাংঘাটিক drought সৃষ্টি হ'ল। পাঁচখন জিলা- বৰপেটা, কোকৰাঝাৰ, বাক্সা, ধুবুৰী আৰু বঙাইগাঁওক আমি drought affected বুলি ঘোষণাও কৰিলো কিন্তু তাক মোকাবিলা কৰাৰ কাৰণে কোনো ধৰণৰ বিশেষ ব্যৱস্থা চৰকাৰে গ্ৰহণ নকৰিলে। Declare কৰাৰ পাছতো এনেধৰণৰ অৱস্থাবোৰ হৈ আছে। Assam State Action Plan ৰ সময় ২০২০ চনত over হৈ গৈছে। State Govt এ action plan তৈয়াৰ কৰি central govt. লৈ পঠাই দিলে আৰু central govt. এ approve কৰিব লাগে। কিন্তু আমাৰ দুৰ্ভাগ্য যে সেই action plan টো approve হওঁতে চাৰি বছৰ পাৰ হৈ গৈছে। ২০২৪ ত শেষ হ'বৰ হৈছে। ইয়াৰ action কেনেধৰণে ল'ব, কেনেকৈ আমাৰ ৰাজ্যখনক heat বা heat wave,

land slide আদি এই ধৰণৰ অৱস্থা সমূহৰ পৰা মুক্ত কৰিব নোৱাৰে, আজি বনাঞ্চলৰ পৰা উচ্ছেদ কৰি থাকে কিয় যদি বনাঞ্চল ৰক্ষা কৰিব নোৱাৰে। গতিকে এই climate change ৰ বিষয়টোতো আপোনালোকে গুৰুত্ব দিব। তাৰ আগতে বনাঞ্চল লুণ্ঠন কৰা যিটো কাৰ্য্য, মোৰ ভেটিৰ ওপৰত ভয়ঙ্কৰ লুণ্ঠন চলিছে।

(Hon'ble Speaker in the Chair)

licence থকা কুঁৱেৰী, non-permitted কুঁৱেৰী, যাৰ যি খুশি, তেনেকৈ বালি তুলিছে, বিক্ৰী কৰিছে আৰু এদল লুণ্ঠনকাৰী তাতে ব্যস্ত হৈ আছে বন বিভাগৰ সন্মুখতে। মই particularly এজন-দুজন ব্যক্তিকে দোষাৰোপ কৰিব নিবিচাৰো। গোটেই বন বিভাগটোৱেই corrupt হৈ গৈছে। এই সমস্যাটোৰ যদি সমাধান নকৰে তেতিয়াহ'লে বন মন্ত্ৰীয়ে দুখ কৰিব পাৰিব যে বনাঞ্চল থকা আমাৰ ধুনীয়া অসম খন ধ্বংস হৈ গ'ল কিন্তু আমাৰ বন বিভাগে বনাঞ্চল ৰক্ষা কৰিব নোৱাৰিব। এইটোৱে হৈছে মোৰ feelings. মই এইখিনি কথা ক'লো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী শ্বেৰমান আলি আহমেদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই থোৰতে কেইটামান point raise কৰিব বিচাৰিছো। প্ৰথম কথাটো হৈছে forest is not only a department which maintains environment , it is also an agency for revenue for the state. ১৯৮৬ চনৰ পৰা আমাৰ অসমত new forest policy অহাৰ পিছত supreme কোৰ্টৰ verdict ৰ কাৰণে ১৯৮৬ চনৰ পৰা কোনো ধৰণৰ extraction of timber হোৱা নাই। কাৰণ forest ৰ working plan timber extraction ৰ কাৰণেই হওঁক বা minor forest extraction ৰ কাৰণে working plan is a must. Forest Department ত বিভিন্ন পদাধিকাৰী, বিভিন্ন উচ্চ পৰ্য্যায়ৰ বিষয়া আছে। আজি প্ৰায় ৪০ বছৰে কিয় working plan বোৰ বনোৱা হোৱা নাই, approve হোৱা নাই আৰু timber produce য়েই হওঁক বা minor forest produce য়েই হওঁক কিয় এইবোৰ extract কৰা হোৱা নাই যাৰ ফলত extraction নোহোৱাৰ কাৰণে govt of Assam is deprived of thousand crores of rupees. মই এইখিনিতে এটা কথা উল্লেখ কৰিব বিচাৰো যে Gauhati Highcourt took a suo motu case for non-approval of the working plan for non preparation of the working plan. তাৰপিছতো forest ৰ আজি গোটেইকেইটা ডিভিজনৰ working plan নাই, ৮/১০ টা মান ডিভিজনৰ কাৰণেহে আছে। গতিকে ৰাজ্য খনৰ বৃহত্তৰ স্বাৰ্থত immediately within a time bound manner প্ৰত্যেকটো division ৰ working plan prepare কৰি approve কৰিব লাগে আৰু extraction of timber and minor forest produce should continue. এইখিনিতে মই আৰু এটা কথা add কৰিব বিচাৰিছো যে গছ এডাল বাঢ়ি বাঢ়ি এটা climax পাব আৰু তাৰ পিছত growth টো কমি যাব। Forest ৰ নিয়ম হ'ল যেতিয়া growth টোৱে climax পাব তেতিয়া লগে লগে গছটো কাটিব লাগে আৰু নতুন পুলি লগাব লাগে। তাৰ ফলত ৰাজ্যখনে বহুতো revenue পায়। কিন্তু extraction নোহোৱাৰ কাৰণে আমাৰ valuable resource soil and water are not being utilised properly. য'ত আমি আৰু নতুন নতুন timber produce পালো হেতেঁন। এইটো হৈছে এটা দৰকাৰী কথা। দ্বিতীয়তে, আমাৰ forest ত বহুতো valuable minor forest produce for e.g., cane. আজি

ইমান দিনে cane ৰ কোনো মহল, working plan হোৱা নাই আৰু cane extraction হোৱা নাই। There is a blooming cosmetic industry in our country. কেইবা হাজাৰ কোটি টকীয়া cosmetic industry চলি আছে আৰু এই cosmetic industry ৰ মূল উপাদান হ'ল গছৰ বাকলি, গুটি, শিপা আৰু ফুল, এই গোটেইখিনি minor forest produce ত পৰে আৰু এই minor forest produce ৰ পৰা আমি লাখ লাখ কোটি টকা আমি income কৰিব পাৰিলো হেতেঁন কিন্তু working plan নোহোৱাৰ কাৰণে এই minor forest বোৰ illegally বাহিৰৰ কোম্পানীবোৰে লৈ গৈ আমাৰ cosmetic industry চলাই আছে যাৰ ফলত ৰাজ্যখনে বহু হাজাৰ কোটি টকীয়া revenue ৰ পৰা বঞ্চিত হৈছে। তৃতীয়তে, অধ্যক্ষ মহোদয়, এইটো এটা technical কথা, Forest ৰ plantation and nursery - these are technical things আৰু তাৰ কাৰণে বন বিষয়া সকলক দুবছৰীয়া ট্ৰেইনিং দিয়া হয়। IFS সকলক দুবছৰীয়া ট্ৰেইনিং, state forest service ত দুবছৰীয়া ট্ৰেইনিং আৰু forester সকলোকো training দিয়া হয়। আগতে এই plantation and nursery being very technical things , these were being done by the forest officials departmentally. কিন্তু এতিয়া ঠিকা system কৰা হৈছে। এজন ঠিকাদাৰে এনেকুৱা highly technical বিষয় এটা কেনেদৰে handle কৰিব! these lantation and nursery activities are very time bound. ডিচেম্বৰৰ পৰা ফেব্ৰুৱাৰীৰ ভিতৰত গোটেই jungle clearance কৰিব লাগে for plantation and nursery, by March, burning should be carried out and with the onset of first monsoon, seedlings should be planted. আগতে forest ৰ এই কামবোৰ outside the purview of ceiling আছিল। কিন্তু বৰ্তমান চিলিং ৰ ভিতৰত except poaching and some activities, national park ৰ activities য়ে চিলিং ৰ purview ৰ বাহিৰত ৰখা হৈছে বুলি জানো। গতিকে অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই কথাটো অতি গুৰুত্ব সহকাৰে ল'ব লাগে ।plantation and nursery should be carried out by the departmental officials alone and the budget for plantation and nursery should be outside the purview of ceiling so that these activities can be carried out in time.

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গুৱাহাটীৰ কৃত্ৰিম বানপানীৰ বাবে mechanical means ৰ যোগেদি এই flood control কৰিব বিচৰা হৈছিল ২০১১ ৰপৰা ২০১৬ চনৰ চৰকাৰৰ দিনত আৰু বহুত mechinary কিনা দেখুওৱা হৈছিল। তেতিয়া আমি objection কৰিছিলো যে এই কৃত্ৰিম বানপানী মেচিনৰ দ্বাৰা পানী extraction কৰি এইটো সমাধান কৰিব নোৱাৰে কিয়নো মেচিন কিমান দিন চলিব। আকৌ হ'ব। গতিকে গুৱাহাটীৰ এই কৃত্ৰিম বানপানী permanently solve কৰাৰ কাৰণে গুৱাহাটীত থকা টকলা পাহাৰত massive plantation কৰিব লাগে, মেঘালয়ৰ পাহাৰবোৰতো কেন্দ্ৰীয় চৰকাৰৰ লগত takeup কৰি plantation কৰিব লাগে যাতে top soil টো গুচি নাহে, নলাবোৰ যাতে ভৰ্তি হৈ নাযায় আৰু তেতিয়া বানপানীৰ সমাধান হ'ব।

Regarding illegal earth cutting মোৰ আগৰ দুজন মান বক্তাই কৈ গৈছে। Forest Department ত দেখা গৈছে যে আমাৰ নদীৰ ওচৰত থকা ঠাইবোৰতো তেওঁলোকে

লাম-চাম কিবা অলপ ৰাজহ লৈ আৰু কেতিয়াবা ৰাজহ নোলোৱাকৈয়ে illegally earth cutting কৰিবলৈ permission দিয়ে। আচলতে এইটো খুউব sensitive বিষয়। নদীৰ কাষত থকা অঞ্চলবোৰত কোনো ধৰণৰ earth cutting কৰাৰ আগতে water resources department ক অন্তৰ্ভুক্ত কৰিব লাগে, তেওঁলোকৰ opinion ল'ব লাগে যে এইখিনি ঠাইত মাটি কাটিলে নদীৰ গৰাখহনীয়া বাঢ়িব নে কমিব ? গৰাখহনীয়া ৰোধৰ বাবে মই জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে নদীৰ ওচৰত থকা মাটিৰ earth cutting কৰিবলৈ হ'লে জলসম্পদ বিভাগৰ engineer সকলৰ লগত এটা joint team কৰি extraction কৰিব লাগে আৰু জলসম্পদ বিভাগে যদি কয় যে ইয়াত মাটি কাটিলে কোনো ধৰণৰ খহনীয়া নহয় তেতিয়াহে মাটি কটাটো allow কৰিব লাগে। এই কথাটো মই মাননীয় বন বিভাগৰ মন্ত্ৰী আৰু জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে যে upstream ত earth cutting ৰ দৰকাৰ তাত যিহেতু দলং আছে। নামনিত কিন্তু earth cutting বন্ধ কৰিব লাগে।.......

**মাননীয় অধ্যক্ষ ঃ** আপুনি কথাখিনি মন্ত্ৰী মহোদয়ক লিখি দিয়ক। এতিয়া মাননীয় সদস্য শ্ৰী সুজাম উদ্দিন লস্কৰ। আপোনাৰ সময় ৩ মিনিট।

**শ্ৰী চুজাম উদ্দিন লস্কৰ, কাটলিছেড়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ ওপৰত আপোনাক অশেষ ধন্যবাদ। আমাৰ সমষ্টিটো হৈছে কাটলিছেড়া অসম মিজোৰাম সীমান্তৱৰ্ত্তী সমষ্টি, ৯৯ কি.মি. border area on record. আপুনি আমাৰ সমষ্টিত গৈছিল, গড়মূড়া যিটো border area তেতিয়া তাত ময়ো আছিলো। এই বাৰ ফেব্ৰুৱাৰী ২০২৬ ত উচ্ছেদ হৈছে, দামচলা Forest reserve ৰ যিটো village তাত ৫২০ টা পৰিয়াল উচ্ছেদ হৈছে। তাত এটা লজ্জাজনক ঘটনা হৈছে। আমাৰ মুখ্যমন্ত্ৰীয়ে সদায় কৈ থাকে, মিডিয়াত আমি চাওঁ যে মিঞা আৰু বাংলাদেশী কিন্তু আমাৰ ইয়াত এটাও মিঞা আৰু বাংলাদেশী নাই। হাইলাকান্দি জিলা খনত ৬৮ শতাংশ সংঘ্যালঘু সম্প্ৰদায়ৰ মানুহ। তাত যিটো উচ্ছেদ কাৰ্য্য হৈছে, তাত বিভিন্ন ধৰ্মাৱলম্বী মানুহ আছে। তাত Tribal মানুহো আছে, ST আৰু General মুছলিম আছে ইছলাম ধৰ্মাৱলম্বী। তাত গোটেই ধৰ্মাৱলম্বীৰ মানুহ আছে প্ৰায় ২০০০ টা পৰিয়াল। কিন্তু তাত ইছলাম ধৰ্মাৱলম্বী ৫২০ টা পৰিয়ালক মানুহবিলাকক উচ্ছেদ কৰা হৈছে। ৭ টা মহজিদ উচ্ছেদ কৰা হৈছে। Forest বচাবলৈ আমিওঁ চাওঁ কিন্তু আইনখন অকল মাত্ৰ ইছলাম ধৰ্মাৱলম্বীৰ মানুহৰ ওপৰত ব্যৱহাৰ কৰা হৈছে। তাৰ পিছত ২/৩ তাৰিখে উচ্ছেদ হৈছে, আমি সেই সমষ্টিৰ বিধায়ক হিচাপে DC, DFO ক লগ ধৰিছো। কিন্তু তাৰ পিছদিনা ৪ তাৰিখে অন্য ধৰ্মৰ লোক সকলে দখলদাৰী কৰি আছে, ইমান লাজৰ কথা ৫২০ টা পৰিয়াল উচ্ছেদ কৰিছে, বেলেগ ধৰ্মাৱলম্বীৰ লোকে দখল কৰি আছে। মই DC ক লগ ধৰি ক'লো যে সাম্প্ৰদায়িক সংঘৰ্ষ হ'ব। ৫২০ টা পৰিয়াল উচ্ছেদ কৰি দিলে আৰু বেলেগ মানুহে দখল কৰিয়ে আছে। এইটো আইনৰ কাম আপোনালোকে আইনত কৰক। আজি inner line border area যিটো, তাত অসম মিজোৰাম border ত ৯৯ কি.মি. বিভিন্ন ধৰ্মাৱলম্বীৰ মানুহে পাহাৰৰ কাম কৰি আছে। যোৱা কিছুদিন পূৰ্বে মিজোৰাম আৰু অসমৰ ভিতৰত যুদ্ধকালীন তৎপৰতা হৈছে, ৫ জন আৰক্ষী নিহত হৈছে, এজন SP আহত হৈছে। কংগ্ৰেছ চৰকাৰৰ দিনত হাজাৰ হাজাৰ বিঘা মাটি মিজোৰামে দখল কৰিছে। প্ৰায় on record ৭০০০ হেক্টৰ মাটি মিজোৰামে লৈ গৈছে, যিটো মই বিধানসভাত প্ৰশ্ন কৰিছিলো আৰু তাৰ reply ও পাইছিলো। আজি যিটো উচ্ছেদ পৰ্ব inner line border area ত হৈ আছে এই মাটিখিনি আমাৰ চৰকাৰে বচাই ৰাখিব পাৰিব নে ? নে মিজোৰামে লৈ যাব। এইবিলাক মানুহ ভাৰতীয় নাগৰিক, এক ইঞ্চিও

মাটি নাই। landless মানুহক khas land বা চিলিং land ৰ পৰা land দিব লাগে। এইটো মই DC ৰ লগত কথা হৈছো। যিবিলাক মানুহৰ land নাই সিহঁতক অলপ অলপ land দিলে সিহঁত জীয়াই থাকিব পাৰিব। এইটোৱে আমাৰ অনুৰোধ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী গণেশ কুমাৰ লিম্বু।

**শ্ৰী গণেশ কুমাৰ লিম্বু, বৰচলা ঃ** মাননীয় অধ্যক্ষ, মই বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ ওপৰত দুটামান কথা ক'ব বিচাৰিছো। আমি সকলোৱে জানো অসম এখন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ এখন ৰাজ্য। ইয়াত আজি যদি চোৱা হয়, আমাৰ যি বন, এই বনে আমাৰ প্ৰায় ৩৪.২১ শতাংশ আমাৰ ৰাজ্যখন আবৰি আছে আৰু আমাৰ Forest ক লৈ বহুত সম্ভাৱনা দেখা পাওঁ। কিয়নো Forest ৰ জৰিয়তে আমাৰ বিভিন্ন ধৰণৰ domestic Industry হ'ব পাৰে। নৱ যুৱক-যুৱতী সকলক তেওঁলোকক আমি involve কৰিব পাৰো। আমাৰ অসমৰ ভৱিষ্যতত বহুখিনি নিৰ্ভৰ কৰে আমাৰ ৰাজ্যখনৰ Forest বিলাক সংৰক্ষণ অথবা ইয়াক সম্প্ৰসাৰণ কৰিব পাৰিলে । ইয়াৰ কাৰণে আমি ভৱিষ্যৎ পৰিকল্পনা কৰিব লাগে যে আমাৰ অসমত বৰ্তমান যিমান বন আছে সেই বনক যাতে আমি ৰাজ্যখনত থকা মাটিৰ ৫০ শতাংশলৈকে যাতে বন লৈ যাব পাৰো। ইয়াৰ উপৰি মই অনুভৱ কৰো যে আমাৰ প্ৰতিখন গাওঁত তেনে ভূমি আছে যি ভূমিত যদি পৰিকল্পিত ভাৱে বা পঞ্চায়তী ব্যৱস্থাৰ জৰিয়তে ব্যৱস্থা লওঁ তেতিয়াহ'লে তেনে ভূমি বিলাকত ৰাইজৰ দ্বাৰা নিৰ্মিত village Forest হিচাপে নিৰ্মাণ কৰি গাওঁখনক এক প্ৰাকৃতিক ভাৰসম্যতাক আগলৈ লৈ যাব পাৰিম। মই ভাৱো ইয়াৰ কাৰণে আমি সকলো জনপ্ৰতিনিধি সকলে যদি ইচ্ছা কৰো ভাল হ'ব পাৰে। আমাৰ বৰচলা সমষ্টিৰ যি দক্ষিণ পাৰৰ ওৰাং অভয়াৰণ্য extesion কৰা হৈছে, এইটো কাজিৰঙালৈকে লৈ যোৱা হৈছে। এই যি বিশাল অঞ্চলত আমি বাৰে বাৰে দেখিবলৈ পাইছো যে বহুত দিন আগৰ পৰাই যিসকলৰ তাত ভূমি উচ্ছেদ হৈছে, যিবিলাকৰ গৰাখহনীয়াত ঘৰ-বাৰী বা গাওঁ নাইকিয়া হৈ গৈছে, তেওঁলোক তাত আজি নাই। আমি নজনাকৈ লাখ লাখ মানুহ তাত বহিছিল। মোৰ সমষ্টিত তেনেকৈ বহা লোক সকলক উচ্ছেদ কৰা হৈছে। তাত বৰ্তমান চৰকাৰে সংৰক্ষণ কৰি ভৱিষ্যতে তাত বন কেনেকৈ আগুৱাই লৈ যাব পাৰি, গছ-গছনি ৰূপায়ণ কৰি কেনেকৈ তাক বুঢ়াচাপৰিলৈ লৈ যাৱ পাৰিম, এই ক্ষেত্ৰত যদি আমাৰ চৰকাৰে যি ব্যৱস্থা কৰি আছে আৰু যদি আগলৈ আকৌ কৰে খুব সুন্দৰ হ'ব, বনাঞ্চল extension হ'ব। অধ্যক্ষ মহোদয়, আমাৰ অঞ্চলৰ যিসকল মাছমৰীয়া মানুহ আছে সেই মানুহখিনিয়ে সদায় আমাক আপত্তি কৰে যে তেওঁলোকৰ যিটো অধিকাৰ সেই অধিকাৰখিনি তেওঁলোকে সাব্যস্ত কৰিব নোৱাৰা হৈছে। এচাম মানুহে সেই Forest বিষয়া সকলৰ লগত মিলি মাছ মাৰি থাকে আৰু যিসকলৰ আচলতে জীৱিকা আছিল মাছ মৰা, সেইসকলে তাৰ পৰা বঞ্চিত হৈ আছে। সেইকাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বিষয়ে যাতে আমাৰ চৰকাৰে কিবা নহয় কিবা এটা বিশেষ ব্যৱস্থা লয়, তাকে কৈ মই মোৰ চমু বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া সন্মানীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেবব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ আজিৰ যি পৰিবেশ আৰু বন বিভগৰ কৰ্তন প্ৰস্তাৱ আমাৰ ফালৰ পৰা অনা হৈছে, ইয়াৰ সমৰ্থনত মই দুটামান মন্তব্য দিবলৈ আগবাঢ়িছো। মহোদয় কৰ্তন প্ৰস্তাৱৰ সমৰ্থন মই এই কাৰণে কৰিছো যাতে ইয়াৰ যোগেদি আমি বিভাগৰ বিভিন্ন অসুবিধা সমূহ আলোচনা কৰিব পাৰো। বিভাগে কৰিবলগীয়া কামখিনি কিয় হৈ উঠা নাই এই বিষয়ত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰো আৰু এইখিনিৰ বাবে কৰ্তন প্ৰস্তাৱটো

জাৰি হৈছে। মহোদয় মই কেইটামান বাতৰিৰ উদ্ধৃতি দি মোৰ কথাখিনি আঙুলিয়াই দিম। বিগত বৰ্ষৰ আগষ্ট মাহৰ ২২ তাৰিখে প্ৰকাশিত বাতৰি অনুসৰি অসমত বন সংজ্ঞাৰ কাৰিকৰী মানদণ্ড সলনি কৰাৰ ফলত ডিমা হাছাও জিলাৰ প্ৰায় ১১৬৮ হেক্টৰ unclessified forest ৰ ভিতৰত ৯৯ শতাংশ এলেকা বন হিচাপে স্বীকৃতি হেৰুৱাইছে। কেন্দ্ৰীয় ক্ষমতা প্ৰাপ্ত সমতি centrally empowered সমিতিৰ ফেব্ৰুৱাৰী মাহৰ প্ৰতিবেদন অনুসৰি ২০২২ চনৰ Assam Trees outside Forest sustainable management rule অনুসৰি একোটা এলেকাত বন হিচাপে গণ্য কৰিবলৈ কমেও ১০ হেক্টৰ ভূমিত, প্ৰতি হেক্টৰত গড়ে ২০০ জোপা গছ থাকিব লাগে। এই মানদণ্ডৰ প্ৰয়োগ কৰাৰ পিছত সমগ্ৰ এলেকাৰ ভিতৰতে মাত্ৰ ১৪.৫৩ হেক্টৰহে বন হিচাপে স্বীকৃতি লাভ কৰে আৰু এই সিদ্ধান্তই মহামান্য উচ্চ ন্যায়ালয়ৰ ১৯৯৬ চনৰ ঐতিহাসিক T.N Godavarman Thirumulkpad গোচৰত দিয়া বিস্তৃত বন সংজ্ঞাৰ পৰা পৃথক বুলি সমালোচনা হৈছে আৰু ই আমাৰ বাবে দুৰ্ভাগ্যজনক। ৰাজ্য চৰকাৰে পূৰ্বতে এই এলকাত Unclass state Forest বুলি স্বীকাৰ কৰিছিল, কিন্তু নতুন মানদণ্ডৰ জৰিয়তে অধিকাংশ ভূমি খনন কাৰ্য্যৰ বাবে কোনো অনুমতি নোলোৱাকৈ ব্যৱহাৰৰ বাবে বেৰি দিছে। আৰু এয়া প্ৰথম দৃষ্টিতে উদ্দেশ্য প্ৰণোদিত বুলি অনুভৱ হয়। ইয়াৰ উপৰি Global Forest watch ৰ মতে ২০১৬ ৰ পৰা ২০২৪ চনৰ ভিতৰত সৰ্ব্বমুঠ ১ লাখ ৫৯ হাজাৰ হেক্টৰ মাটিত আমি বনাঞ্চল হেৰুৱাইছো। বন বিশ্লেষক সকলে কয় যে প্ৰতি হেক্টৰত ২০০ গছৰ অধিক থাকিব লাগে, আৰু ইয়াৰ এনে নহ'লে এই মানদণ্ড আমি কেতিয়াও পূৰণ কৰিব নোৱাৰো। ইয়াৰ উপৰিও ২০২৩ চনৰ বন এলেকাৰ,বন সংৰক্ষণ সংশোধনী আইনে Unreecordeddin Forest স্বীকৃতি নিদিয়া বিষয়টো অধিক বিতৰ্কিত হৈ উঠিছে। সামগ্ৰিক ভাৱে এই মানদণ্ড সলনিৰ ফলত অসমৰ বহৎ বনাঞ্চল আইনী সুৰক্ষা হেৰুৱাৰ আশংকা বৃদ্ধি পাইছে এইক্ষেত্ৰত চৰকাৰৰ মনোযোগ মই আকৰ্ষণ কৰিছো আৰু BJP চৰকাৰে জনপ্ৰিয়তা বিচাৰি ৩.৩৩ কোটি টকাৰ ব্যয় সাপেক্ষে অমৃত বৃক্ষ আন্দোলনৰ অসমত সূত্ৰপাত কৰিছিল আৰু এনে এক আন্দোলনৰ ফলশ্ৰুতিত ১০ লাখ গছপুলি ওদালগুৰি চিকাৰি ভঙাত ৰুইছিল। কিন্তু তাৰ পৰৱৰ্তী সময়ত সুৰক্ষা ব্যৱস্থা নকৰাৰ বাবে এই গছপুলি সমূহ জ্বলি গ'ল বনাঞ্চল জ্বলোতে। কোনে জলালে, কিয় জলিলে, কিয় সুৰক্ষা ব্যৱস্থা ক'ৰা নহ'ল, এই প্ৰশ্নৰ উত্তৰ আজিৰ বিভাগে ৰাইজৰ আগত দিব পৰা নাই। অনুৰূপ ধৰণে ২০২৫ চনৰ ১৮ নৱেম্বৰ তাৰিখে অসমৰ সকলো বাতৰি কাকতত প্ৰকাশ পাইছিল যে কাজিৰঙাত অসম প্ৰদূষণ নিয়ন্ত্ৰন পৰিষদে বোকাখাট পৌৰসভাই স্থাপন কৰা আৰ্বজন নিষ্কাষণৰ স্থান MRF ইত্যাদি অন্য স্থানলৈ স্থানান্তৰ কৰিবলৈ নিৰ্দেশ দিছিল। ই নিজে প্ৰমাণ কৰে যে এখন বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ ওচৰত এনে বিপদজনক এটা চৰকাৰী ভাৱে জাৱৰ নিষ্কাশন প্ৰতিস্থান স্থাপন কৰাৰ অনুমতি কেনেকৈ দিয়া হ'ল। যেতিয়া আদালতৰ দ্বাৰা গঠিত কেন্দ্ৰীয় সেৱাকৰ্তা প্ৰাক্তন সমিতিৰ হস্তক্ষেপ হ'ল, তেতিয়াহে চৰকাৰৰ গা লৰিলে আৰু ইয়াত স্থানান্তৰিত কৰাৰ ব্যৱস্থা কৰিলে। ইয়াৰ উপৰিও বিভিন্ন অঞ্চলত চৰকাৰী পৃষ্ঠপোষকতাত বিভিন্ন খনিজ সম্পদৰ খননৰ বাতৰি দৈনন্দিন প্ৰকাশ পাই আহিছে। এই ক্ষেত্ৰতো যেনে ধৰণৰ যাৱতীয় ব্যৱস্থা চৰকাৰে ল'ব লাগিছিল আমাৰ পৰিৱেশ সংৰক্ষণৰ বাবে সেইখিনি এতিয়াও অভাৱ দেখি আছো আৰু ঠিক তেনেকৈ ২০ অক্টোবৰ ২০২৫ তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পাচটো কাজিৰঙা সংযোগী এলেকা সমূহৰ পৰা সম্পূৰ্ণ ভাবে দখল উচ্ছেদ কৰিব নোৱাৰাটোহে এই চৰকাৰখনৰ পৰিৱেশ আৰু বনজ সম্পদৰ প্ৰতি কিমান দায়বদ্ধতা থাকে তাকে প্ৰশ্ন তোলে। ১০৪ কোটি টকাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ জমা দিয়া হৈছিল। সেই

ধনৰ ব্যৱহাৰ ক'ত হ'ল, ইয়াৰ কোনো ৰাজহুৱা তথ্য আমি দেখা পোৱা নাই আৰু উচ্চ ন্যায়ালৰ এই নিৰ্দেশ একমাত্ৰ চৰকাৰী কাগজৰ পৃষ্ঠাতে সীমাবদ্ধ হৈ আছে আৰু এনে কৰি আমাৰ এই কাজিৰঙা ঐতিহ্যস্থলীক আমি ধংসৰ মুখলৈ নিছো নেকি? এই প্ৰশ্নৰ উত্তৰ আমাক বিভাগে দিব লাগে। ঠিক একেধৰণে ৪৭ হাজাৰ হেক্টৰ এলেকা আবৰি থকা স্বচ্ছ সংযোজন এতিয়াও প্ৰশাসনিক জটিলতাত। উচ্চ ন্যায়ালয়ে এমাহৰ ভিতৰত উচ্ছেদৰ নিৰ্দেশ দিছিল, ১০ বছৰ পাৰ হৈ যোৱাৰ পিছতো এইক্ষেত্ৰত পদক্ষেপ তেনেকৈ লোৱা নাই আৰু বনাঞ্চলত Forest ৰক্ষকেই- ভক্ষকৰ নিচিনাকৈ অসমৰ বিভিন্ন বনাঞ্চলত কেন্দ্ৰীয় চৰকাৰৰ অনুমতিৰ ব্যতিৰেকে আগতে অনুমোদন নোলোৱাকৈ Forest Commando Battalion ৰ বিভিন্ন camp স্থাপন কৰাক লৈ চৰকাৰখনৰ কিমান দায়বদ্ধতা সেয়া প্ৰশ্নবোধক। অনুৰোপ ধৰণে হাছিলা বিল কৃষ্ণাইৰ ওচৰৰ অঞ্চল অথবা বিজয় নগৰত ১৫০ বিঘা মাটিত Logistic Park স্থাপন কৰা কথা কোৱা হৈছে। এইক্ষেত্ৰত যেনেধৰণৰ Clearence বিলাক ল'ব লাগে সেইখিনি লোৱা নাই আৰু তাৰ ফলত ৰাইজৰ প্ৰতিবাদ হৈছে যে এই অঞ্চলত ৰাইজৰ জীৱিকাৰ ওপৰত প্ৰভাৱ পৰিব, পৰিভ্ৰমী চৰাইৰ বাসস্থানৰ ওপৰত প্ৰভাৱ পৰিব, স্থানীয় লোকৰ সাংস্কৃতিক দিশত প্ৰভাৱ পৰিব। ঠিক তেনেকৈ অধ্যক্ষ মহোদয়, পৰিৱেশপ্ৰেমীৰ যি অভিযোগ, এই অভিযোগৰ প্ৰতি আমি যদি চাওঁ, তেতিয়াহ'লে দেখা পাম যে কাজিৰঙাৰ বাবে যিমানসমূহ Statory আইন থাকিব লাগে, সেইবিলাক এতিয়াও Eco sensitive Zone ৰ final notification হোৱা নাই বা approve হোৱা নাই। ঠিক তেনেকৈ Ministrial Environment forest ৰ ফালৰ পৰা, যিটো Eco Sensitive Zone ৰ proposal livelihoodৰ কাৰণে, সেইবিলাক হোৱা নাই। Notified ESZ হোৱা নাই, আৰু related tourism Plan হোৱা নাই আৰু এই গোটেই বিলাক নকৰাকৈ আমি অসম চৰকাৰে কেনেকৈ এটা বৃহৎ বিভাগ চলাই আছে, পুঁজি আৱন্টন বিচাৰিছে। বিভাগৰ দক্ষ বিষয়া অভাৱ নেকি? একেজন বিষয়াকে extension দি তেওঁৰ যোগেদি এই কাম বিলাক কৰি বহু অনীতিমূলক কাম নীতিমূলক কৰিবলৈ চেষ্টা কৰি থকা হৈছে। যোৱা বিধান সভাত আমি পাতিছিলো যে গীৱন অভয়াৰণ্য, যত সোণালী বান্দৰৰ বাসস্থান। সেই অঞ্চলত কেনেকৈ পৰিৱেশ ধ্বংশ কৰাৰ মাইনিং চলি আছে। এই গোটেই বিলাকৰ যোগেদি চৰকাখনে নিজৰ দায়বদ্ধতা কিন্তু দেখুওৱা নাই। সেই গতিকে কৰ্ত্তন প্ৰস্তাৱৰ সৰ্মথন কৰি মই এই গোটেই কথাখিনি বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষঃ**- ধন্যবাদ, Hon'ble Minister, reply.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ পৰিৱেশ আৰু বন, Claimate Change বিভাগৰ কৰ্তন প্ৰস্তাৱত আমাৰ মাননীয় সদস্য সকলে যি অংশ গ্ৰহণ কৰিলে তাৰ কাৰণে মই প্ৰতি গৰাকী সদস্যলৈকে ধন্যবাদ আগবঢ়াইছো আৰু এই বিষয়টো cutmotion বিভাগত লোৱাৰ কাৰণে ভাল পাইছো যে আমি আপোনালোকৰ opinion টো বিচাৰো আৰু সকলোৱে আমি আজিৰ দিনটোত পৰিৱেশ আৰু বন বিভাগৰ আমি চৰকাৰী ঘৰৰ যিখিনি দায়িত্ব আমি পালন কৰিম। কিন্তু আপোনালোকৰ যদি ইয়াত কিবা মতামত বা advice আছে, সেইখিনিও আমি জানিব বিচাৰিছো আৰু সেই হিচাপে আমাৰ সকলো মাননীয় সদস্যই খুব সুন্দৰভাৱে তেখেত সকলৰ বক্তব্যখিনি দাঙি ধৰিছে, সেইকাৰণে মই সকলোলৈকে ধন্যবাদ আগবঢ়াইছো। মৃনাল শইকীয়া ডাঙৰীয়াই প্ৰথমতে আৰম্ভ কৰিছিল আৰু আৰম্ভ কৰি তেওঁ অতি সুন্দৰভাৱে বিভাগটোৰ ওপৰত যিটো দৃষ্টি ভংগী ৰাখিছে আৰু তেওঁ advice যিখিনি দিছে

আমি বহুত ভাল পাইছো। আমাৰ ভূৰন পেগু ডাঙৰীয়াই খুব সুন্দৰকৈ কৈছিল, তাৰ উপৰিও আমাৰ মাননীয় সদস্য Sushanta Borgohai দেৱে মোক খুব ধুনীয়াকৈ কৈছে, তেওঁ এটা ডাঙৰ কথা কৈছিল যে আমাৰ ভৱিষ্যত আজিৰ দিনটোত Forest ৰ ক্ষেত্ৰত কেনেকৈ সুৰক্ষিত কৰিব পাৰো। এইটো আজি আমাৰ সকলোৰে কৰ্তব্য, actually main কথা সেইটো আজিৰ দিনটোত। যদি এইবিলাক বালি, শিল সেইবিলাকৰ চলি থাকিব, কৰবাত গণ্ডগোল পাইছে, কৰবাত কিবা কৰিছে সেইবিলাক চলি থাকিব। আমিনুল ইছলাম ডাঙৰীয়াই নদীখননৰ যিটো কথা সেইবিলাক বন্ধ হওঁক বুলি কৈছে এইটো ডাঙৰ কথা নহয়। আমাৰ কুৰ্মী ডাঙৰীয়াই যিখিনি কথা কৈছে, তেওঁ সদায় লাগি থাকে তাত যিখন Forest আছে। তাৰ ৰিৰ্জাভ যিখন তাৰ কাৰণে তেওঁ সদাই আমাক লাগি থাকে আৰু মোৰ লগত কথাও পাটি থাকে আৰু নিজে তেওঁ বিভিন্ন ক্ষেত্ৰত সেই অভয়াৰন্যখন কেনেকৈ ৰক্ষা কৰিব পাৰে তাৰ কাৰণে তেওঁ লাগি আছে আৰু খুব Concern এই ক্ষেত্ৰত। গতিকে আমাৰ কথাটো হ'ল অধ্যক্ষ ডাঙৰীয়া, যে আমাৰ বনাঞ্চল আমি বৃদ্ধি কৰিব লাগিব। অধ্যক্ষ ডাঙৰীয়া, আমি জানো যে এটা ecological balance, এই পৃথিৱীখনত ৰক্ষা হ'ব লাগিব আৰু ecological balance টো ৰক্ষা হ'লেহে আমাৰ এই পৃথিৱীখন বা আমি সকলো যি জীৱকুল অকল মানুহেই নহয়, এই জীৱকুলো ৰক্ষা হ'ব লাগিব। গতিকে অধ্যক্ষ ডাঙৰীয়া আজিৰ দিনটোত আমি এইটো কথা জানো যে আমি কাৰ্বন ডাই অক্সাইড এৰি দিওঁ গছে কাৰ্বন ডাই অক্সাইড খায়। গছে অক্সিজেন এৰি দিয়ে আমি অক্সিজেন খাওঁ, আমি অক্সিজেন খাই জিয়াই থাকিব লাগিব। আমিও ১০দিন ১৫ দিন ভাত নোখোৱাকৈ জিয়াই থাকিব পাৰোঁ। কিন্তু অক্সিজেন যদি আমি নাপাওঁ আমি জিয়াই থাকিব নোৱাৰো আৰু সেইকাৰণে যিসকলে হাস্পতালত গৈছে, যেতিয়া আমাৰ covid হৈছিল, তেতিয়া আমি অক্সিজেনৰ অভাৱত দিল্লীৰ ফুটপাথত মানুহ মৰিছিল,বোম্বেৰ ফুটপাথত মানুহ মৰিছিল,বিভিন্ন ঠাইত মানুহ মৰিছিল। এতিয়া আমি অক্সিজেনৰ কথাটো বুজি পাওঁ। যেতিয়া কোনোবা ICU থাকে। তেতিয়া অক্সিজেনৰ চিলিণ্ডাৰ টেপ দিয়া হয় আৰু তেতিয়াই সেই অক্সিজেনটোৰ গুৰুত্ব ৰোগীজনে বুজি পায়। আমাৰ উপাধ্যক্ষ ডাঙৰীয়া তেওঁ নিজেও ডাক্তৰ। তেওঁ মেডিচিনৰ Assistant Professor আছিল। গতিকে তেওঁ ভালকৈ জানে যে অক্সিজেনটো মানুহক কিয় লাগে অক্সিজেনৰ গুৰুত্ব কিমান সেই অক্সিজেনৰ গুৰুত্বটো আমি ICU ত হে অনুভৱ কৰো। ICU ৰ পৰা যেতিয়া বেমাৰীজন ভাল হৈ বাহিৰলৈ ওলাই আহে তেতিয়াহে অক্সিজেনৰ গুৰুত্বটো কিমান, সেইটো বুজি পাওঁ। এই কথাটোহে আমাৰ আটাইতকৈ ডাঙৰ কথা। আমাৰ যি অক্সিজেন আছে, তাৰ মাত্ৰা কমি বায়ুমণ্ডলত কাৰ্বনৰ মাত্ৰাটো বাঢ়ি গৈছে। গোটেই planet টোত আজিৰ দিনটোত উষ্ণতা 1.4 degree celsius বাঢ়ি গৈছে। আজিৰ দিনটোত পৃথিৱীত আটাইতকৈ সমস্যা দুটাই হ'ল Global Warming আৰু Climate change.আমি পৃথিৱীখনত জীয়াই থাকিম নে নাথাকিম সেয়া Global Warming আৰু Climate change য়ে নিৰ্দ্ধাৰণ কৰিব। আজিৰ দিনটোত উষ্ণতা 1.4 degree celsius বঢ়াৰ বাবে বিভিন্ন দেশত বিভিন্ন সন্মিলন হ'ল আৰু ২০৩০ চনৰ ভিতৰত যাতে এই উষ্ণতা 1.4 degree celsius বাঢ়ি 1.5 degree celsius নহয় তাৰবাবে পৃথিৱীত সকলো দেশেই কাম কৰি আছে। আজি গছ কাটি ৰাজহ উপাৰ্জন কৰাৰ কথা যিখিনি কৈছে সেইবোৰ দৃষ্টিভঙ্গীৰে পৃথিৱীখন চলা নাই। আজিকালি আচবাবৰ বাবে গছৰ বাহিৰে বিভিন্ন alternative ওলাইছে। আজি ফান্স চৰকাৰে অসম চৰকাৰক কৈছে যে তেওঁলোকে তাত অসুবিধাৰ বাবে গছ ৰুব পৰা নাই। সেয়েহে অসম চৰকাৰক তেওঁলোকৰ হৈ গছ ৰোৱাৰ বাবে পইচা দিছে। আমি

ফান্স চৰকাৰৰ হৈ যি গছ ৰুম, সেই গছৰ পৰাই অক্সিজেন গোটেই planet ত যাব। গতিকে এই ধৰণৰ ব্যৱস্থাটোৰ ওপৰতহে আজিৰ দিনটোত আমাৰ গুৰুত্ব হোৱা উচিত। সৰু সুৰা কথা যেনে দিগন্ত বৰ্মন ডাঙৰীয়াই ক'লে যে নদী খান্দিছে বা কিবা কৰিছে এইবোৰ কথা মোক ফোনত ক'লে মই DFO ক বন্ধ কৰি দিম। আজিৰ দিনত বায়ুমণ্ডল সুৰক্ষিত কৰাটো আমাৰ কৰ্তব্য। মই ক'লোয়ে যে ICU ত আমি অক্সিজেনৰ অনুভৱ কৰোঁ। ICU ৰ পৰা ওলাই আহিলে অক্সিজেনৰ অনুভৱ নকৰোঁ। উপাধ্যক্ষ মহোদয়, মই কেইজনমান বিশিষ্ট ব্যক্তিৰ লগত climate change সম্পৰ্কে কথা পাতিছিলো। তেওঁলোকে climate action ৰ ওপৰত global seminar কিছুমানত যোগদান কৰিছে। এই বিষয়টোৰ ওপৰত মোৰো আগ্ৰহ আছে। মই ইয়াৰ ওপৰত অধ্যয়ণ কৰিয়েই থাকো। এজন মানুহে ৬৫ বছৰ বয়সলৈ গছৰ পৰা ৫ কোটি টকাৰ অক্সিজেন গ্ৰহণ কৰে। কাৰেণ্টৰ বিল দিয়াৰ ধৰণে যদি আমি অক্সিজেন গ্ৰহণ কৰাৰ ওপৰত বিল দিবলগীয়া হয় তেন্তে মানুহে কেনেকৈ বিল দিব? গতিকে আমি যে প্ৰকৃতিৰ পৰা বিনামূলীয়াকৈ অক্সিজেন পাই আছো তাৰ ওপৰত গুৰুত্ব নাই। আমাৰ আচল গুৰুত্ব থাকিব লাগে তাত। আজি global warming ত 1.4 degree celsius উষ্ণতা বঢ়াৰ বাবে Ozone layer ত এটা ডাঙৰ বিন্ধা হৈছে। এই Ozone layer য়ে আমাৰ পৃথিৱীক সূৰ্য্যৰ পৰা অহা অতি বেঙুণীয়া ৰশ্মিৰ পৰা বচাই আছে। পৃথিৱীলৈ এই ৰশ্মিবোৰ আহিবলৈ নিদিয়ে। এই বিন্ধাটো ভাৰত বৰ্ষৰ মাটি-কালিৰ প্ৰায় ২৮.০৯ মিলিয়ন স্কুৱেৰ কিঃমিঃ ডাঙৰ হৈছে। ইমান ডাঙৰ বিন্ধা হোৱাৰ বাবে সূৰ্য্যৰ ক্ষতিকাৰক ৰশ্মিসমূহ পৃথিৱীলৈ আহিছে। এই বিন্ধাটো বিভিন্ন কাৰণত হৈছে যদিও Chlorofluoro carbon এটা একমাত্ৰ কাৰক। সেইকাৰণে পৃথিৱীত এতিয়া দেশসমূহ তথা ভাৰত চৰকাৰে সিদ্ধান্ত লৈছে যে ২০৪০ চনৰ ভিতৰত যিবোৰ freezing machine আছে, সেইবোৰত Chlorofluoro carbon শূণ্যলৈ অনা । বাকী দেশসমূহে এইক্ষেত্ৰত আগবাঢ়িছে। আজিৰ দিনটোত আমাৰ ডাঙৰ সমস্যাটো এইটোৱেই যে যদি কিবা কাৰণত উষ্ণতা 2.5 degree celsius হয়, তেন্তে আমাৰ যিমান glacier আছে, সকলো গলিব। Glacier গলিলে পানী সাগৰলৈ নামি আহিব। সাগৰলৈ পানী নামি অহা মানে সাগৰৰ কাষত থকা দেশসমূহ পানীৰ তলত ডুবিব। আনহাতে সাগৰৰ কাষত নথকা দেশবোৰত back water হ'ব। ব্ৰহ্মপুত্ৰ নদীৰ পানীও back water ত আহিব। তাৰমানে আমিও নাবাচিম। গতিকে আজিৰ দিনটোত আমাৰ ডাঙৰ concern হৈছে পৃথিৱীখনৰ উষ্ণতা maintain কৰা, Global Warming maintain কৰা। ইয়ে আমাৰ পৰিৱেশ ৰক্ষা কৰিব, মানুহ জীৱকূল, planet ক ৰক্ষা কৰিব। পৰিৱেশ আৰু বনৰ আজিৰ দিনটোত এইটো এটা খুৱ গুৰুত্বপূৰ্ণ বিষয়। আজি সকলোৱে খুৱ ধুনীয়াকৈ বক্তৃতা দিছে। আমি অমৃত বৃক্ষ আন্দোলন কিয় কৰিছিলো? মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকধন্যবাদ দিম যে অমৃত বৃক্ষ আন্দোলনে যথেষ্ট সহায় কৰিছে। ১ কোটি গছপুলি এদিনত ৰুই আমি ১০ টা world record কৰিলো। সেইটো ঠিকে আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো নহয় যে আমি এদিন গছপুলি ৰোপন কৰিলো তাৰ পৰৱৰ্তী দিনত আৰু ৰোপন কৰা নাই। আমাৰ কেম্পা বুলি এটা আঁচনি আছে আৰু আমি যে এদিনত ১ কোটি গছপুলি ৰোপন কৰিলো তাৰ পৰৱৰ্তী দিনৰ পৰা আজিৰ দিনটো লৈকে এই ২ বছৰত আমি প্ৰায় ৪ কোটি গছপুলি ৰোপন কৰিলো। আমাৰ মাননীয় সদস্য সকলে এটা কথা কৈছে যে গছপুলি বিলাক ৰোপন কৰিলো জীয়াই আছে নে নাই? এই কথাটো সত্য। আমাৰ মৃণাল শইকীয়া ডাঙৰীয়াইও এই কথাখিনি কৈছে যে গছপুলি ৰোপন কৰাৰ পিছত মৰিবও পাৰে। আমাৰ য'ত ১ টা বা ২ টা গছপুলি মৰিছে সেই গছপুলি সমূহ কি হৈছে revealing কৰি দিয়াৰ বাবে

আমাৰ DFO সকলক আমি direction দি দিছো। আমাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়া ডাঙৰীয়াই এটা কথা কৈছে যে আমাৰ ভৈৰৱ কুন্দত যে গছপুলি ৰোপন কৰিলো তাত ভালকৈ হোৱা নাই তেনেকুৱা ধৰণৰ কথা তেখেতে কৈছে। কিন্তু মাজতে আমাৰ অফিচাৰ সকলক লৈ এবাৰ ভৈৰৱ কুন্দলৈ মই গৈছিলো আমাৰ মাননীয় সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী তাৰে হয় তেখেতেও দেখা পাইছে তেখেতৰ বক্তব্যত তেখেতে উল্লেখ কৰিছে। মই তাত যেতিয়া গৈছিলো গছপুলিখিনি দেখিছো যে ভাল হৈছে। দ্বিতীয় কথাটো হ'ল, আমাৰ কিছু সংখ্যক সদস্যই কৈছে আমাৰ eviction হৈছে। অধ্যক্ষ ডাঙৰীয়া যিখিনি RF যিখিনি PRF সমগ্ৰ অসমত আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কৈছে মানকাচাৰৰ কথা, মই নিজেও গৈছো। প্ৰত্যেক DC office ত মই এই RF/ PRF ত মই মাননীয় বিধায়ক সকলকো মাতিছো। কোনোবা কোনোবা বিধায়ক আহিছে, আমিনুল ইছলাম ডাঙৰীয়া আহিছে। ১৯৫৮, ১৯৫৯, ১৯৬২ তে এই RF/PRF notification হ'ল কোনো কাম নকৰিলে। সেই সময়ত অত্যন্ত ডাঙৰ কথা, যি সকলে শাসন কৰিছিল তেওঁলোকৰ দূৰদৰ্শীতা মানিব লাগিব। তেওঁলোকে জানিছিল যে এদিন অসমৰ বনাঞ্চলখিনি যাতে সংৰক্ষিত কৰিব পৰা যায় তাৰ বাবে RF/PRF ঘোষণা কৰিছিল, ১৯৫৮, ১৯৫৯, ১৯৬২ চনত। আমি এই কামখিনি নকৰিলো আৰু নকৰা কাৰণে encroachment হৈছে। মানুহকো আমি দোষ দিব নোৱাৰো। মাটি পৰি আছে তাত সোমাই বহি গ'লেও কাকো কোনেও একো নকয়। এইটো কথা নহয় যে মাটিখিনি থাকিল কাৰণে কোনোবাই গৈ দখল কৰিব। সেইটো কাৰণ হ'ব নোৱাৰে কাৰণ এই বিলাক RF/PRF ১৯৫৮, ১৯৬০, ১৯৬২,১৯৬৪, ১৯৭২ ত notification হৈছে অধ্যক্ষ ডাঙৰীয়া। গতিকে আজি দিনটোত কোনোবা চৰকাৰে কৰা নাই। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া is the first Chief Minister of Assam. যিয়ে RF/PRF ক্ষেত্ৰত তেখেতে পদক্ষেপ ল'লে যে, আমি এইখিনি উচ্ছেদ কৰি নতুনকৈ বনাঞ্চল গঢ়ি তুলিব লাগে। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক মই ধন্যবাদ জনাইছো যে এনেকুৱা এটা বৈপ্লৱিক পদক্ষেপ লোৱাৰ বাবে তেখেতে আমাৰ বন বিভাগক suggestion দিছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে যদি কোনোবা Landless মানুহ হয়, তেতিয়া হ'লে তেওঁলোকে apply কৰিলে তেওঁলোকক মাটি দি দিব। এইটো নহয় যে, ভাৰতীয় নাগৰিক কোনোবা Landless মানুহক eviction কৰা হ'ল আৰু Landless মানুহক eviction কৰা পিছত তেওঁলোকক আমি অনাই বনাই ৰাস্তাই ৰাস্তাই ঘুৰি ফুৰাটো আমিও নিবিচাৰো, ভাৰতীয় নাগৰিকক। যিখিনি তেওঁলোকক দিব লাগে আমি দিম মাননীয় মুখ্যমন্ত্ৰীয়েও কৈছে। দ্বিতীয় কথাটো হৈছে, গোৱালপাৰাৰ কথাও বহুতে উল্লেখ কৰিছে যিখিনি উচ্ছেদ হৈছে । এই উচ্ছেদ খিনি যে, হ'ব আমি আগতে নোটিচ দিছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া আপুনি শুনি সুখ পাব যে মাননীয় চুপ্ৰিম কোৰ্টে judgement এটা দিছে আৰু এইটো recently দিছে। এই Judgement টোত তেওঁলোকে কৈছে যে, Respondent Assam Government shall constitute a Committee comprising Forest officials and Revenue officers. The State Committee shall issue notice to the alleged unauthorized occupants and shall give them an opportunity to adduce evidence to show that they have the right to occupy the land which is in their possession. The action for removal of encroachment shall be taken only if it is found that there is an encroachment in the reserve forest area. In case the notice is found to be

within the revenue limits, outside the notified forest area, then the details of the notice shall be sent to the revenue.গতিকে চুপ্রিম কোৰ্টে যিটো final judgement দিলে তাত কৈছিলে যে, In our opinion, the course of action to be adopted by the State Government while removing the encroachment from the reserve forest contains sufficient procedural safeguards. The process sought to be adopted by the State Government for removal of encroachment confirms to the principles of the fairness, reasonableness and due procedure. গতিকে চুপ্রিম কৰ্টে আমাৰ এই গোটেই encroachment ৰ System টোক ভাল বুলি judgement দিছিলে। চুপ্রিম কোৰ্টে এটা কেচ আছিল আব্দুল খালেক and others vs State Government of Assam and others. চুপ্রিম কোৰ্টত ক'লে আমি যেনেকৈ নোটিছ দিছো আপোনালোকে এখন কমিটি কৰক in addition to that. কমিটিখনত চেয়াৰমেন থাকিব Deputy Commissioner, District Commissioner, DFO থাকিব Member Secretary, ADC Revenue থাকিব Member আৰু Concerned Range officer থাকিব Member আৰু Concerned Circle officer থাকিব মেম্বাৰ । এইখন পাঁচজনীয়া এখন কমিটি। এই পাঁচজনীয়া কমিটিয়ে বহি য'ত encroachment আছে আৰু তেওঁলোকে যদি ভাবে Forest Land, RF/PRF, Revenue Land ত আছে তেতিয়া হ'লে তেওঁলোকক Notice serve কৰিব Within 15 days তাৰ পাছত encroachment টো কৰিব পাৰিব। That is the judgement of the Supreme Court and the Supreme Court appreciated. Encroachment ৰ ক্ষেত্ৰত মই এটা কথা ক'ম, আগতে কৈছো আমাৰ দুটা সমস্যা হ'ল Global Warming and Climate Change এই যিটো কথা কৈছে আমাক এই দুটাৰ ক্ষেত্ৰত আমি encroachment টোক আমি Encourage কৰিব নালাগে। মই এইটো সকলো মাননীয় সদস্যৰ প্ৰতি অনুৰোধ থাকিল। এতিয়া কমিটি কৰি গোটেইখিনি চাই মেলি তেওঁলোকৰ সন্তুষ্টি হোৱালৈকে।

**মাননীয় অধ্যক্ষ ঃ** আমি সমাপ্ত কৰিম আৰু দাবী মঞ্জুৰী সমোহৰ ওপৰত বাকী থকা বিষয়বোৰ মই এতিয়া guillotine ত দিম যিহেতু আমাৰ সময় কম।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** ঠিক আছে মই সমাপ্ত কৰিম।

**শ্ৰীমৃনাল শইকীয়া, খুমটাই ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানত যে grass land কমি আহিছে তাৰ ওপৰত গুৰুত্ব দিয়ে যেন।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** এইবাৰ পানী কম হোৱা বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ লগতে কাজিৰঙাটো ঘাহৰ পৰিমানটো কমি আহিছে। মই আমাৰ বিষয়া সকলৰ লগত কথা পাতি তাত shallow tube well বহুৱাই তাত ঘাহ খিনিত পানী দিয়াৰ ব্যৱস্থা কৰিবলৈ মই কথা পাতিছিলো। আৰু মানাহৰ ক্ষেত্ৰত মৃনাল শইকীয়া ডাঙৰীয়াই যিটো কথা কৈছে তাৰো ব্যৱস্থা কৰিম। গতিকে এই ধৰণৰ যিখিনি কথা আছে সেইখিনি মই চাম। আৰু উচ্ছেদৰ বিষয়টোত মই মাননীয় সদস্য সকলৰ পৰা সহযোগ বিচাৰিম আৰু এই সহযোগটো হ'ল বৃহত্তৰ স্বাৰ্থৰ খাতিৰত। আমাৰ বিধায়ক সুশান্ত বুঢ়াগোহাই ডাঙৰীয়াই যিটো কথা কৈছে যে আমাৰ পৰৱৰ্তী প্ৰজন্মৰ বাবে, যেনেকৈ Oxyzen ৰ অভাৱৰ বাবে আমাৰ শিশু সকলে যদি স্কুল বেগৰ সলনি পিঠিত

Oxyzen ৰ বেগ লৈ যাব লগা হয়, সেই পৰিবেশ টো যাতে নহয় তাৰ বাবে আমি সকলোয়ে এই green coverage টো বঢ়াব লাগিব। গতিকে এই ক্ষেত্ৰত সকলোয়ে সহযোগ আগবঢ়াবলৈ অনুৰোধ জনালো। আমাৰ মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কৈছিল যে আমাৰ যিটো MNR Fund আছে সেইটো যে হোৱা নাই এইবোৰ সৰু সৰু কথাত লাগি থাকিলে আমাৰ নহব। গতিকে আমি এটা কাম কৰিব লাগিব যে আমাৰ মৃনাল শইকীয়া ডাঙৰীয়াই কোৱা কথাটোৰ ক্ষেত্ৰত বিভাগে ব্যৱস্থা লৈছে। মই সকলোৰে ভাষণবোৰ ভাল পাইছো কিন্তু তাত হাতী আহে, অজগৰ আহে এই কথাটো ভাল নাপালো কাৰণ পৃথিৱীত বৰ্তমান যিটো ecologicl balance ৰ কথা চলি আছে জৈব বিচিত্ৰ কথা চলি আছে, Amazon বনাঞ্চল খন এখনে green forest যিয়ে পৃথিৱীত প্ৰয়োজন হোৱা Oxyzen ৰ ২০ শতাংশ অকল Amazon বনাঞ্চল দিয়ে। আমাৰ কথাটো এইটো হব নালাগে যে অজগৰ আহি থাকিব পাৰে হাতী আহি থাকিব পাৰে কিন্তু আমাৰ মানুহ থাকিব নোৱাৰে এইটো মই ভাল পোৱা নাই। আজি এই উচ্ছেদ হোৱাৰ পিছত আমাৰ বনাঞ্চল সমূহলৈকে হাতী আহিছে, গড় আহিছে বাঘ আহিছে তাৰ মানে আজি পৰিবেশটো ভাল হৈছে। Orang is the higest density of the tiger in the world. এটা বাঘ থাকিবলৈ হলে ১০ বৰ্গ কিঃ মিঃ মাটি লাগে। আমাৰ উচ্ছেদ হোৱাৰ ফলত Orang ৰ সীমাটো বাঢ়ি গল। গতিকে আমি জৈৱ বৈচিত্ৰৰ কথাটো ৰক্ষা কৰিবই লাগিব। আজি আমাৰ গড় হত্যা কমিছে। আৰু আজি কাজিৰঙাত পৰ্য্যটকৰ সংখ্য বৃদ্ধি হৈছে। সেইটো এটা অভিলেখ। পৰ্য্যটকৰ সংখ্যা বৃদ্ধি লগে লগে তাত কিমান মানুহে পৰোক্ষ ভাৱে উপকৃৎ হৈছে কোনোবাই হোটেল দিছে কোনোবাই হোমষ্টেৰ ব্যৱস্থা কৰিছে। আমাৰ চৰকাৰে অতি কঠোৰ ভাবে গড় হত্যা ৰোধৰ ব্যৱস্থা কৰিছে। ইয়াৰোপৰি জৈৱবৈচিত্ৰ ৰক্ষা কৰাৰ বাবে বন বিভাগৰ ফালৰ পৰা আমি ব্যৱস্থা গ্ৰহণ কৰিছো। মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি আমি নোট কৰি লৈছো। মই মাননীয় সকলো সদস্যকে ধন্যবাদ দিছো। আজি পৃথিৱীৰ যিটো ডাঙৰ সমস্যা global warming and climate change তাৰ ওপৰত আজি পৃথিৱীৰ বৈজ্ঞানিক সকলে কাম কৰি আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ অসমত কি action plan বনাব দিয়া হৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** action plan বনাব দিয়া হৈছে । আজি কৰ্তন প্ৰস্তাৱত আমাৰ বিভিন্ন সদস্যই অংশ গ্ৰহণ কৰি আমাক পৰামৰ্শ দিছে আমি তেখেত সকলৰ পৰামৰ্শ গ্ৰহণ কৰাৰ লগতে সকলোকে মই ধন্যবাদ দিছো। সেইদিনা হৈ যোৱা BAC ত যেতিয়া পৰিবেশ আৰু বন বিভাগ আহিছিল তেতিয়া মই নিজে কৈছিলো যে এই বিভাগটোৰ ওপৰত অলপ চৰ্চা হ'ব লাগে। ইয়াকে কৈ মই সকলোকে ধন্যবাদ জনাইছো।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মোৰ এটা পৰামৰ্শ আছে যে ২০২৩ চনৰ যি Paris Agreement হৈছিল সেইটো ২০২৪ চনত ১.৬ লৈকে ৰখাৰ কথা আছিল। আগতে ১.৫ ত ৰখাৰ সিদ্ধান্ত আছিল কিন্তু যিটো শেহতীয়া প্ৰতিবেদন আহিলে সেইটোত ১.৬ লৈকে ৰখাৰ কথা কৈছে আৰু এই Paris Agreement ৰ পৰা Donald Trump উলাই গৈছে। যাৰ ফলত বিপদ বাঢ়িছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Donald Trump উলাই যোৱা আমেৰিকা উলাই যোৱা আৰু তেওঁলোকে কৈ দিলে যে আমি এই বিলাকত পইচা খৰচ কৰাত নাই। এতিয়া কথাটো ওলাল যেতিয়া মই কৈ থওঁ যে আমি আজি আকাশত কিমান কৃত্ৰিম উপগ্ৰহ উৰাই আছো আৰু ই কিমান প্ৰদূষণ সৃষ্টি কৰিছে। দ্বিতীয়তে সাগৰত এটা বস্তু আছে যিটো microscope হে দেখা

যায় যাৰ নাম fitoglangton যিয়ে আমাক Oxyzen দিয়ে আৰু Carbon dioxide বোৰ absorb কৰে। কিন্তু আজিৰ দিনত নিয়োক্লিয়াৰ যিবিলাক পৰীক্ষা সাগৰত হয়, কোটি কোটি phytoplankton আজি মৃত্যু হৈছে। সন্মানীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কৈছে যে ওপৰত satellite কিমান উৰি আছে। সেই কাৰণে পৃথিৱীখনত আজিৰ দিনটোত green power ফালে গৈ আছে। কাৰণ আজিৰ দিনটোত ১৯ চেঞ্চুৰীত আছিল কয়লা, সেইটো pollution। আনকি এটা সময়ত কয়লাৰে ৰেল গাড়ীও চলিছিল। ২০ চেঞ্চুৰীত হ'ল ডিজেল আৰু পেৰ্টল, সেইটোও pollution আৰু ২১ চেঞ্চুৰী হৈছে ইলেক্টিক আৰু গেছ, যাতে pollution একেবাৰে কমি যায়। তিনিটা চেঞ্চুৰীত এই তিনিটা সিদ্ধান্ত হৈছিল পৃথিৱীখনত। গতিকে এনেকুৱা ধৰণৰ কথা কবলৈ গলে আৰু বহুত ক'ব পাৰিম। যিহেতু সময় কম মই আৰু দীঘলীয় বক্তব্য নিদিও, সকলোকে ধন্যবাদ দি কৰ্তন প্ৰস্তাৱটো উঠাই লবলৈ মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া দাবী মঞ্জুৰী নং ১,৩,৫,১১,১২,১৪,১৬,১৭,১৯,২১,২২,২৩,২৫,২৬,২৭,২৮, ২৯,৩০, ৩১,৩৪,৩৫,৩৮,৩৯,৪০,৪১,৪২, ৪৩, ৪৮, ৫১,৫২,৫৪, ৫৫,৫৬,৫৭, ৫৮,৬১,৬২,৬৩, ৬৪, ৬৭,৬৯,৭১,৭২,৭৩, ৭৫,৭৮, ৮০ সমূহ ভোট দানৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল, দাবী মঞ্জুৰী সমূহ গৃহিত কৰা হওঁক,

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

২০২৫-২৬ বৰ্ষৰ দাবী মঞ্জুৰীসমূহ গৃহিত কৰা হ'ল।

এতিয়া Item No. 6. লোক ভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল - "Under the provision of Article 207 (1) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam recommended "The Assam Appropriation (No. I) Bill, 2026" be taken for introduction by the Assam Legislative Assembly.

এতিয়া মন্ত্ৰী ডাঙৰীয়নি।

**শ্ৰী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Appropriation (No. I) Bill, 2026" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল, বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছে নে,

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহিত কৰা হ'ল।

এতিয়া মাননীয় মন্ত্ৰী গৰাকীয়ে বিধায়কখন উত্থাপন কৰিব। কিন্তু তাৰ আগতে লোক ভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল - "Under the provision of Article 207

(3) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam recommended "The Assam Appropriation (No. I) Bill, 2026" be taken for consideration in the Assam Legislative Assembly.

**শ্ৰী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Appropriation (No. I) Bill, 2026" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃপ্ৰশ্নটো হ'ল, "The Assam Appropriation (No. I) Bill, 2026" বিবেচনাৰ বাবে লোৱা হওঁক,

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহিত কৰা হ'ল।

এতিয়া বিধেয়কখন সদনত দফা দফাই বিবেচনাৰ বাবে লোৱা হ'ব।
দফা নং ২ আৰু ৩ ত সংশোধনী প্ৰস্তাৱ নাই।
প্ৰশ্নটো হ'ল যে দফা নং ২ আৰু ৩ ত বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ২ আৰু ৩ ত বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়ন সুত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসুচীত কোনো সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল যেদফা নং ১ অধিনিয়ন সুত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসুচীত বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ১ অধিনিয়ন সুত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসুচীত বিধেয়খনৰ অংশ হ'ল।

এতিয়া মন্ত্ৰী ডাঙৰিয়ানি।

**শ্ৰী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Appropriation (No. I) Bill, 2026" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল, বিধেয়কখন পাৰিত কৰা হওঁক,

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহিত কৰা হ'ল আৰু বিধেয়কখনৰ পাৰিত কৰা হ'ল।

সন্মানীয় সদন, এতিয়া আমি বাজেটৰ ওপৰত আলোচনা আৰম্ভ কৰিম। অহা কালিৰ

অধিবেশনত যাতে সময়টো মিলাব পৰা যায়। গতিকে প্ৰথমতে সন্মানীয় সদস্য শ্ৰী উৎপলা বৰা ডাঙৰীয়াক অনুৰোধ জনালো।

**শ্ৰী উৎপল বৰা, গহপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি পবিত্ৰ সদনত আমাৰ যি ব্যয়ৰ লেখানুদান "অসম বাজেট ২০২৬-২৭" যি বাজেট ভাষণ ইতিমধ্যে আমাৰ সন্মানীয় বিত্ত মন্ত্ৰী ডাঙৰিয়নীয়ে উত্থাপন কৰিছিল, তাৰ ওপৰত অকণমান কোৱাৰ কাৰণে ওলাইছো।

মাননীয় অধ্যক্ষ মহোদয়, ২০২৬-২৭ বৰ্ষৰ প্ৰাৰম্ভিক মাহ বোৰৰ বিপৰীতে ৬২,২৯,৯৭৮.৩০ লাখ টকাৰ অনুদান মঞ্জুৰী বিচাৰি যি লেখানুদান উপস্থাপন কৰিব বিচাৰিছে, তাৰ ওপৰত আমি কিছু কথা কবলৈ বিচাৰিছো। ইয়াৰ আগতে মই অসম চৰকাৰৰ জনপ্ৰিয় তথা গতিশীল নেতা ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসমৰ প্ৰথম গৰাকী মহিলা বিত্ত মন্ত্ৰী হিচাপে ৫ বছৰ পূৰ্বে সেই দায়িত্ব লৈছিল আৰু সেই দায়িত্ব লৈ তেখেতে অসম চৰকাৰৰ অসমত বসবাস কৰা প্ৰতিগৰাকী ব্যক্তিক চুই যাব পৰাকৈ সৰ্বস্পৰ্শী, প্ৰতিটো জাতি জনগোষ্ঠি অসমৰ যিখিনি খিলঞ্জীয়া বা ভাৰতীয় নাগৰিক সেই সকলক সামৰি ল'ব পৰাকৈ ৫ বছৰ বাজেট উপস্থাপন কৰিছিল আৰু এই বাজেটখনৰ জৰিয়তে প্ৰত্যেকখন বাজেটৰ লক্ষ্য আৰু উদ্দেশ্য আছিল অন্তোদয়া, আমাৰ যি শেষ লক্ষ্য - পণ্ডিত দীনদয়াল উপধ্যায় একান্ত মানৱতাবাদ আৰু ড০ শ্যামা প্ৰসাদ মূখাৰ্জী সাংস্কৃতিক জাতিয়তাবাদৰ গভীৰ আদৰ্শৰে অসম চৰকাৰে এই বাজেট উপস্থাপন কৰি সকলোকে লাভন্বিত কৰিবৰ কাৰণে প্ৰয়াস কৰিছিল। যাৰ জৰিয়তে অটল, অবিচল আৰু অগ্ৰগামী অসম নিৰ্মাণ কৰিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অসমৰ বিত্ত মন্ত্ৰী গৰাকীয়ে বিভিন্ন আঁচনি বিলাকৰ মাজেৰে আমাৰ যি বাজেট উপস্থাপন কৰিছিল আৰু সেই বাজেটে বিগত সময়চোৱাত অসমৰ জনসাধাৰণক যথেষ্ট লাভন্বিত কৰিছিল। বাজেটখনত শক্তিশালী ৰাজহ আহৰণ আৰু উন্নত বিত্তীয় ব্যৱস্থাপনা, এই দুয়োটা বস্তুৰ লগত ৰাজহুৱা ব্যয়ৰ পৰিহৰ আৰু ফলপ্ৰসুদ্বাৰ যথেষ্ট সম্প্ৰসাৰিত হৈছে। আমি যদি চাও ২০১৫-১৬ বৰ্ষৰ ৭২,৫৬৩ কোটি টকাৰ পৰা দুগুণতকৈ অধিক বৃদ্ধি পায় ২০২৫-২৬ বিত্তীয় বৰ্ষত ১, ৫৫,৯৮৫ কোটি টকা প্ৰাক্কলন হিচাপে, যিটোৱে সংশোধিত প্ৰাক্কলনত ২ লাখ কোটি টকা স্পৰ্শ কৰিব। আজি অসম চৰকাৰে লোৱা প্ৰতিখন বাজেটত আমি অসমৰ জনসাধাৰণক সৰ্বব্যাপি স্পৰ্শ কৰিছে । অসমখনক সংস্কৃতিক বিকাশৰ ক্ষেত্ৰত, আৰ্থিক দিশত আগবঢ়াই নিবৰ কাৰণে বাজেটত বিভিন্ন ধৰনেৰে আঁচনি লৈ গৈছে। লগতে অসমৰ নাৰী সমাজক, মহিলা সকলক শৈক্ষিকভাৱে বাল্যবিবাহ ৰোধ কৰিবৰ বাবে কিছু আঁচনিৰ ব্যৱস্থা কৰা হৈছিল। বিশেষভাৱে আজি আমাৰ বিগত সময়ছোৱাত বাজেটত উপস্থাপন কৰা এক অভিলাষী আঁচনি নিযুত মইনা আঁচনি। যি খন আঁচনিৰ জৰিয়তে মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ এই আঁচনিৰ জৰিয়তে প্ৰতিগৰাকী কন্যা সন্তানক শিক্ষাৰ দিশত আগবঢ়াই লৈ যাবৰ কাৰণে আমৰ সমভাৱে যাতে এগৰাকী কন্যা সন্তানে জন্ম লাভ কৰাৰ পিছত পুত্ৰ সন্তানৰ লগত এগৰাকী পিতৃ-মাতৃৰ ঘৰত যাতে উৎসাহ জনাব পৰা ব্যৱস্থাৰ জৰিয়তে শৈক্ষিক ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিছে। আজি এই নিযুত মইনা আঁচনিৰ জৰিয়তে আমাৰ বহুতে দেখিছিলো যে এখন ঘৰত যেতিয়া এগৰাকী কন্যা সন্তান জন্ম হয় আৰু এজন পুত্ৰ সন্তান থাকে স্বাভাৱিকতে পিতৃ-মাতৃ সকলে পুত্ৰ জনক পঢ়োৱাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়ে কিন্তু কন্যা সন্তানৰ ক্ষেত্ৰত বিয়া দিয়াৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰে। অলপ বয়স হোৱাৰ লগে লগে পঢ়া শুনা বেছি কৰিব নালাগে, তাইক মই বিয়া দিম আৰু ল'ৰা জনক পঢ়ুৱাই ঘৰ চলাবৰ কাৰণে এক উপাৰ্জনৰ স্থলী হিচাপে নিৰ্মাণ কৰে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত এই নিযুত মইনা আঁচনি খনে আজি দুটা

বৰ্ষত বিশেষ প্ৰভাৱ পেলাইছে। যাৰ জৰিয়তে কন্যা সন্তান সকলে পঢ়াৰ ক্ষেত্ৰত এক অনুপ্ৰেৰণা পাইছে। Drop out percentage কমি গৈছে, হায়াৰ চেকেণ্ডাৰী বা চেকেণ্ডাৰী লেভেলত যাতে দ্ৰপ আউট নহয় আৰু নামভৰ্ত্তিৰ শতাংশ আজি বাঢ়িছে। যাৰ জৰিয়তে আজি সমভাৱে নাৰী শিক্ষা আগবঢ়াৰ লগে লগে এগৰাকী কন্যা সন্তানে কোনটো ভাল কোনটো বেয়া যেতিয়া বয়স হোৱাৰ লগে লগে যেতিয়া শিক্ষা যেতিয়া আহৰণ কৰিব আৰু নিজৰ ওপৰত যেতিয়া self confident হ'ব তেতিয়া তেওঁ সময়োচিত এটা সিদ্ধান্ত ল'ব তেওঁ আগন্তুক দিনত কেনেকৈ আগবাঢ়িব পাৰে। আৰু এই পৰিৱেশৰ কাৰণে আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই নিযুত মইনা আঁচনিখনে এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাই আজি অসমৰ জন জীৱনত এক প্ৰভাৱ পেলাইছে। আমাৰ চৰকাৰ খনৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বিগত ৫ বছৰত যি বাজেট উপস্থাপন কৰিছিল প্ৰত্যেকখন বাজেটৰ প্ৰতিটো আঁচনি আচলতে খুব সৰ্ববিয়পি হৈছিল। আজি নাৰী সমাজক অকল শিক্ষাৰ ক্ষেত্ৰত নহয় আমি সকলোৱে জানো আমি ভাৰত বৰ্ষত বাস কৰিছো আমাৰ যিটো সনাতন সংস্কৃতিৰ আধাৰ এই সনাতন সংস্কৃতিৰ আধাৰত আমি নাৰী সকল সন্মান কৰা, নাৰী সকলক সমাজত আগবঢ়াই লৈ যোৱাৰ কাৰণে এগৰাকী নাৰীয়ে যেতিয়া নেতৃত্ব দিব বা নাৰী সকল যেতিয়া একত্ৰিত হৈ কনোবা অনুস্থান প্ৰতিষ্ঠানৰ লগত যেতিয়া জড়িত হয় আমি দেখা পাওঁ সেই অনুস্থান প্ৰতিষ্ঠানটো যথেষ্ট ভাৱে আগবাঢ়ি যায়। আৰু এই ক্ষেত্ৰত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া জনপ্ৰিয় নেতা, তেখেতৰ বলিষ্ঠ পদক্ষেপ তেখেতৰ পৰামৰ্শ, তেখেতৰ আদৰ্শ আগত ৰাখি মাননীয় মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজি এক অভিলাসী আঁচনি মহিলা উদ্যামিতা আঁচনি, বাজেটত এখন আঁচনি লৈছিল যিখন আঁচনিৰ জৰিয়তে নাৰী সকলক আৰ্থিক ভাৱে আগবঢ়াই লৈ যাবৰ কাৰণে নাৰী সকলক অৰ্থনৈতিক ভাৱে বিকশিত কৰিবৰ কাৰণে ঘৰ খন বা সমাজ খনক আৰ্থিক ব্যৱস্থাটো আৰু যাতে ভাল হয় তাৰ কাৰণে মহিলা উদ্যমিতা আঁচনিৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। এই মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে আজি যথেষ্ট ধনৰাশি খৰচ কৰি প্ৰায় ৮.৮ লাখ মহিলাক আজি লাখপতি বাইদেউ হিচাপে চিহ্নিত কৰিবৰ কাৰণে আজি সক্ষম হৈছে। আজি সকলোৱে এক উন্নয়নৰ গতিত আগবাঢ়িছে। আনফালে যদি চাওঁ আধ্যাত্মিক চিন্তা চৰ্চাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বৰ চৰকাৰ খনে বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে উপস্থাপন কৰা প্ৰতিখন বাজেটত আজি আধ্যাত্মিকতাৰ ওপৰত আমাৰ সমাজ খন যদি আগবাঢ়ি যাব লাগে আমি আধ্যাত্মিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰতো এক বিশেষ গুৰুত্ব আৰোপ কৰিব লাগে। এই আধ্যাত্মিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত অসম দৰ্শনৰ নিচিনা এক আঁচনি, যি খন আঁচনিৰ জৰিয়তে অকল গুৰুজনাৰ সৃষ্টিৰাজীয়ে নহয়, প্ৰত্যেক ধৰ্মাৱলম্বী ব্যক্তি সকলৰ আধ্যাত্মিক স্থলী বিলাক আজি নতুন ৰূপত সজাবৰ কাৰণে এই বাজেটত উপস্থাপন কৰা হৈছিল। এই উপস্থাপন কৰা অসম দৰ্শন আঁচনিৰ জৰিয়তে আজি তালৈ যোৱা ৰাস্তা পদূলি পি দব্লিউ দি বিভাগৰ দ্বাৰা নিৰ্মাণ কৰা আৰু সেই ধৰ্মীয় অনুস্থান বিলাকক এক নতুন ৰূপ দিয়া তাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই ব্যৱস্থাৰ জৰিয়তে আজি সমাজত এক নতুন বাতাবৰণৰ সৃষ্টি হৈছে। আজি যদি আমি এখন গাঁৱলৈ যাওঁ গাঁও খনৰ স্বাভিমানৰ স্থলীটোৱে হ'ল সেইটো, দুটা বস্তুৰ ওপৰত গাঁও খনৰ স্বাভিমান জড়িত হৈ থাকে, এটা স্বাভিমান হৈছে আমাৰ গাঁৱৰ পথটো, আনটো হৈছে গাঁৱৰ উমহৈতীয়া ধৰ্মীয়া স্থলীটো। এই দুটা বস্তু দেখুৱাই গাঁৱলৈ অহা অতিথি জনক গাঁৱৰ ৰাইজে নিজৰ স্বাভীমান দেখুৱায়। সেই ব্যৱস্থাটো আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অসম চৰকাৰে কৰিবলৈ গৈ আছে। আজি অসমৰ ৰোড চেক্টৰত যিমানখিনি আন্তগাঠনি হ'ল, পি দব্লিউ দি বিভাগৰে হওঁক, পি এণ্ড আৰ ডি বিভাগৰে হওঁক বা বিভিন্ন আনুসংগিক বিভাগ বিলাকৰ

পৰা ৰোড চেক্টৰত যিমান আনুসংগিক আন্তগাঠনি আজি নিৰ্মাণ কৰা হৈছে, তাৰ লগতে ধৰ্মীয় অনুস্থান বিলাক নিৰ্মাণ কৰি আজি উপসনাৰ স্থলী হিচাপে নিৰ্মাণ কৰি সমাজ ব্যৱস্থাক এক সংস্কাৰমুখী দিশত লৈ যাবলৈ গৈছে। প্ৰতিখন ধৰ্মশাস্ত্ৰত লিখা থাকে যে সমাজত ভাল কাম কৰিব লাগে, সমাজক কাৰোবাক যদি সহায় কৰিব নোৱাৰো অন্যায় কৰাৰ অধিকাৰ কোনো ধৰ্মালম্বী বা কোনো ধৰ্মই কোৱা নাছিল। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি ধৰ্মীয় অনুস্থান বিলাক আজি অসম দৰ্শন আঁচনিৰ জৰিয়তে নিৰ্মাণ কৰিছে তাৰ জৰিয়তে আজি উঠি অহা প্ৰজন্মৰ মাজত এক সংস্কাৰমূখী দিশ সৃষ্টি হৈছে। আৰু আমি অকল স্বাভিমানে কৰা নহয়, এই যে উঠি অহা প্ৰজন্মক এক সংস্কাৰমূখী দিশত লৈ গৈছে ই অসমৰ জনজীৱনৰ কাৰণে এক শুভলক্ষণ আৰু ভৱিষ্যতে অসম খন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেনেকৈ ৫ খনৰ ৰাজ্যৰ ভিতৰত অসমক নিৰ্মাণ কৰিবলৈ প্ৰয়াস কৰিছে, যাৰ এক অংগ হিচাপে অসম দৰ্শন আঁচনিও এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। লগে লগে যদি আমি চাওঁ যে আমাৰ নিযুত মইনা আঁচনি হ'ল, তাৰ লগে লগে যুৱ প্ৰজন্মকো আকৃষ্ট কৰিবলৈ আজি বাবু আঁচনিখন ইতিমধ্যে আৰম্ভ কৰিছে। ডিগ্ৰী পঢ়ি থকা, মাষ্টাৰ ডিগ্ৰী পঢ়ি থকা আমাৰ ছাত্ৰ-ছাত্ৰী সকলক ১ হাজাৰৰ পৰা ২ হাজাৰ টকাৰ আৰ্থিক সাহাৰ্য্যৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ জৰিয়তে প্ৰায় ৪৭৪২৮ গৰাকী ছাত্ৰ এই ক্ষেত্ৰত লাভান্বিত হৈছে। গতিকে মই ভাৱো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এই দূৰদৰ্শী যি সপোন এই সপোনৰ জৰিয়তে আমি অনাগত দিনত যুৱ প্ৰজন্মক এক নতুন দিগন্ত চুবৰ কাৰণে আমি সপোন দেখুৱাব পাৰিম। লগেত আজি যদি চাওঁ এটা সময় আছিল বন্দুক বাৰুদৰ শব্দ আছিল অসমত, উত্তৰ-পূৰ্বাঞ্চলত। কিন্তু আজি ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ ২০১৪ চনত মাননীয় প্ৰধান মন্ত্ৰীৰ নেতৃত্বত যি ভাৰতবৰ্ষ গঠিত হৈছিল আৰু তাৰ পৰবৰ্তী পৰ্য্যায়ত ২০১৬ চনত অসমত আমাৰ যি ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ আহিল তাৰ জৰিয়তে আজি বহুতো সংগঠনক আজি মূল খুটিলৈ ঘূৰাই অনা হৈছে। বিভিন্ন ধৰণৰ চুক্তিত ক্ৰয় কৰা হৈছে আৰু তাৰ জৰিয়তে আজি Assam is moving from guns to semi conductor ships. আজি অসম বন্দুকৰ পৰা semi conductor shipsলৈ আজি জাগীৰোডত নিৰ্মাণ হৈছে semi conductor ৰ উদ্যোগ। তাৰ জৰিয়তে আজি semi conductor ships তৈয়াৰ কৰাৰ কাৰণে আজি ২৭ হাজাৰ আজি যথেষ্ট আমাৰ তাত নিবনুৱা সমস্যা সমধান হোৱাৰ লগতে আজি semi conductor ships নিৰ্মাণ হোৱাৰ লগে লগে অসমত উত্তৰ-পূবাঞ্চলত আজি ভাৰতবৰ্ষৰ সকলোৱে জানিব পাৰিছে। আজি এই উদ্যোগ আনিবৰ কাৰণে আমাৰ বহু দিল্লীত থকা আমাৰ বিৰোধী দলৰ নেতাই এই ক্ষেত্ৰত বিশেষ ভাৱে অসমত semi conductor উদ্যোগ দিয়াৰ কাৰণে বিশেষভাৱে তেওঁলোকে সমালোচনা কৰিছে, বিৰোধিতা কৰিছে। গতিকে এই ব্যৱস্থাৰ পৰা মুক্ত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই অসমত যি industrialisation ৰ কাৰণে আগবঢ়াই লৈ যাব বিচাৰিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি প্ৰয়াস কৰিছে, এই প্ৰয়াসক আজি আমাৰ সংসদত আমাৰ বিধান সভাত আমি সকলোৱে ধন্যবাদ দিব লাগে। আৰু অকণমান কৈ মই বক্তব্য সামৰণি মাৰিম । আজি আমি গবেষণাৰ ক্ষেত্ৰত মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেট বক্তব্যত কিছু কথা উত্থাপন কৰিছে । যে গৱেষণা - উদ্ভাৱনৰ প্ৰতি উৎসৰ্গিত লোকসকলৰ বাবে 'মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা ' আঁচনিৰ অধীনত আমাৰ চৰকাৰে দিব্যাঙ্গ - গৱেষক সকলোকে ধৰি প্ৰতি গৰাকী গৱেষকৰ বাবে ২৫ হাজাৰকৈ টকা আৰু দিব্যাঙ্গ গৱেষকৰ বাবে ৪০ হাজাৰ টকাকৈ মুঠ ২১২৫ গৰাকী পূৰ্ণকালীন গৱেষকক আৰ্থিক সাহাৰ্য্য প্ৰদান কৰাৰ যি সিদ্ধান্ত লৈছে তাৰ জৰিয়তে আমাৰ ৰিৰ্চাছ চেকশ্যন যথেষ্ঠ লাভান্বিত হ'ব । অনুপ্ৰেৰণা পাব । নতুন নতুন গৱেষণা

উদ্ভাৱনৰ কাৰণে আমাৰ উঠি অহা প্ৰজন্মৰ শিক্ষিত যুৱক- যুৱতী এই ক্ষেত্ৰত এক অনুপ্ৰেৰণা পাব । এই বাজেটখন বহুতে সমালোচনা কৰে । বহুতে বিভিন্ন ধৰণে ক'বলৈ বিচাৰে , মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চৰকাৰখনে আজি অসমত বিগত ৫ বছৰত যি বাজেট উত্থাপন কৰিছিল মাননীয়া মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীৰ নেতৃত্বত , এই বাজেট কেইখনে আজি অসমৰ জনজীৱনত এক আমূল পৰিৱৰ্ত্তন আনিছে । আজি অসমখনত এটা নতুন যুগৰ সুচনা হৈছে । তাৰ বাবে আজি অসম বাসী ৰাইজ আনন্দিত হৈছে । মই আমাৰ সতীৰ্থ মাননীয় বিধায়কসকলক আহ্বান জনাব বিচাৰিছো - মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এই নেতৃত্বক আমি অধিক শক্তিশালী কৰিব লাগিব। লগতে মই বিৰোধী দলৰ সদস্যসকলোকো মই আহ্বান জনাব বিচাৰিছো - আজি অসমত যিধৰণে যুগান্তকাৰী পৰিৱৰ্ত্তন হৈছে এই পৰিৱৰ্ত্তনক আপোনালোকেও সহযোগিতা কৰা উচিত । আমি এগৰাকী জনপ্ৰতিনিধি হিচাপে আমাৰ দায়িত্ব আৰু কৰ্ত্তব্য আছে - অকল আমাৰ নিজৰ ব্যক্তিগত লাভালাভ বা দলীয় লাভালাভৰ কথা নভবাকৈ আমি সমাজখনক আগবঢ়াই লৈ যাবৰ বাবে এক বিশেষ প্ৰচেষ্টা কৰিব লাগে আৰু তাৰ কাৰণে আমাক প্ৰতিটো সমষ্টিৰ পৰা আমাক জনপ্ৰতিনিধি হিচাপে বাচি পঠিয়াইছে । গতিকে এই ক্ষেত্ৰত আমি বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব। আজি দৰঙত স্থাপন কৰিবলৈ লোৱা দক্ষতা বিশ্ববিদ্যালয়ৰ জৰিয়তে বা মোৰ নিজৰ সমষ্টি গহপুৰত কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয় নিৰ্মাণৰ কাৰণে যি ব্যৱস্থা গ্ৰহণ কৰিলে , আজি অসম চৰকাৰৰ বাজেটত যি স্থান পাইছিল তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক বিশেষভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । উত্তৰ পাৰৰ গহপুৰৰ কনকলতা বৰুৱা ১৯৪২ চনৰ শ্বহীদ । বিগত চৰকাৰ সমূহৰ দিনত বিগত দিনবিলাকত কনকলতা বৰুৱাৰ নামত কোনো আঁচনি বা অনুষ্ঠান প্ৰতিষ্ঠান জন্ম দিয়া হোৱা নাছিল । কিন্তু ২০১৬ চনত যেতিয়া আমাৰ চৰকাৰ আহিল গহপুৰত আমি এখন জি এন এম স্কুল এণ্ড নাৰ্চিং ইনষ্টিটিউশ্যন পাবলৈ সক্ষম হৈছিলো । আৰু এইখন কনকলতা বৰুৱাৰ নামেৰে ৰখা হৈছিল । ইয়াৰ ওপৰিও পৰৱৰ্ত্তী পৰ্য্যায়ত মোৰ সমষ্টিতে যোৱা নভেম্বৰ মাহত কেন্দ্ৰীয় চৰকাৰৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানী নিৰ্মলা সীতাৰমন আৰু অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে আৰু অসমৰ মন্ত্ৰী মণ্ডলী গৈ তাত কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয় আধাৰশিলা স্থাপন কৰিলে আৰু তাত কাম পূৰ্ণগতিত আৰম্ভ হৈছে । এই বিশ্ববিদ্যালয়খন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি সপোন যে ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ১০ খন বিশ্ববিদ্যালয়ৰ ভিতৰত যাতে স্থান পাব পাৰে তাৰ বাবে প্ৰয়াস কৰিব বুলি মই আশা ৰাখিছো । ইয়াত ট্ৰেডিশ্যনেল চাবজেক্টৰ ওপৰিও আৰ্টিফিচিয়েল ইন্টেলিজেন্স, ৰব'টিক চাইন্স, মেচিন লাৰ্নিঙৰ দৰে নতুন তথ্য প্ৰযুক্তিৰ চাবজেক্ট ৰ ওপৰতো পাঠদান কৰা হ'ব । কনকলতা বৰুৱা অকল গহপুৰৰে নহয় তেওঁ ভাৰতবৰ্ষৰ আৰু অসমৰ এগৰাকী স্বাভিমানী স্বাধীনতা সংগ্ৰামী হিচাপে স্বীকৃতি পাইছিলে । সেই স্বীকৃতি আজি ভাৰতীয় মিত্ৰ জোঁটৰ চৰকাৰখনে দিবলৈ সক্ষম হৈছে । তাৰ বাবে গহপুৰ সমষ্টিৰ জনপ্ৰতিনিধি হিচাপে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে অসম চৰকাৰক বিশেষভাৱে অভিনন্দন জনাইছো লগতে ধন্যবাদ জনাইছে। বিভিন্ন আঁচনি , স্কীল ডেভল'পমেন্ট বা সমাজৰ দূৰ্বল শ্ৰেণীৰ প্ৰতি থকা অৰুণোদয় আঁচনিখনৰ কথা আজি বহুতে সমালোচনা কৰে । কিন্তু এই সমালোচনা কৰাৰ উৎস ক'ত । যেতিয়া কোনো এগৰাকী মহিলা গাভৰু কালতে স্বামীহাৰা হয় লগতে যেতিয়া তেওঁৰ কণমানি শিশু থাকে সেই সময়ত ওচৰৰ ধনী পৰিয়ালৰ ল'ৰাই বিদ্যালয়লৈ যাওঁতে টিফিন লৈ যায় তেতিয়া সেই দৰিদ্ৰ শিশুটিও মাকক টিফিনৰ বাবে পইচা খোজে তেতিয়া হয়তো মাতৃ গৰাকীয়ে কেৱল হুমুনিয়াহ কাঢ়িব লগা হয় কিন্তু এই অৱস্থাৰ পৰা মুক্ত কৰাৰ বাবে

আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু  আৰু মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে ২০২১ চনত প্ৰায় ১৯ লাখ পৰিয়াল সামৰি অৰুণোদয় আঁচনি আৰম্ভ কৰিছে । পৰৱৰ্ত্তী পৰ্য্যায়ত এই আঁচনি খন ৪০ লাখলৈ পৰ্য্যবেক্ষিত হৈছে আৰু এক জনপ্ৰিয় আঁচনি হিচাপে প্ৰতিষ্ঠিত লাভ কৰিছে মাহৰ ১০ তাৰিখে যেতিয়া সেই গৰাকী মহিলাৰ একাউন্টত ১২৫০ টকা সোমাই যায় তেতিয়া তেওঁ অন্তত ছোৱালীজনী বা লৰাটোক বিদ্যালয় বা কলেজলৈ পঠিয়াবলৈ গাড়ীভাৰাটো দিবলৈ তেওঁৰ হাতত অকণমান পইচা থাকে । এই ব্যৱস্থাটো চিন্তা কৰিলে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আঁচনিখন তৈয়াৰ কৰি প্ৰচলন কৰি কেৱল সমাদৰ পোৱাই নহয় মই ভাবো তেখেতে আজি ভগবানৰ পৰাও আৰ্শীবাদ পাইছে লগতে সেই দুখীয়া মহিলা সকলৰ পৰাও আৰ্শীবাদ লাভ কৰিছে । আজি মহিলা উদ্যমিতা আঁচনিও সুদুৰপ্ৰসাৰী হৈছে । অসমত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখনে যিমানখিনি আঁচনি কৰিলে এই আঁচনিয়ে আজি আমাৰ অন্ত্যোদয়াৰ শেষ লক্ষ্য যে - সকলোৰে শেষৰ ব্যক্তিজন যেতিয়ালৈকে উন্নতিৰ জখলাত খোজ কাঢ়িব নোৱাৰে তেতিয়ালৈ এই আঁচনি চলি থাকিব । মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বিগত সময়ছোৱাত যি সুন্দৰ বাজেট উপস্থাপন কৰিলে তাৰ বাবে তেখেতক কৃতজ্ঞতা জ্ঞাপন কৰিছো । যিহেতু আমাৰ এই ৫ বছৰৰ কাৰ্য্যকাল শেষ হোৱা আৰু পৰৱৰ্ত্তী পৰ্য্যায়ত অহা নতুন বিধান সভা হোৱালৈকে যি পুঁজিৰ প্ৰয়োজন হ'ব তাৰ ব্যৱস্থাৰে আজি লেখানুদান উপস্থাপন কৰিছে তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া দেবব্ৰত শইকীয়া ডাঙৰীয়া ।

**শ্ৰীদেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বাজেট ২০২৬-২৭ ব্যয়ৰ লেখানুদান - ইয়াত অংশ গ্ৰহণ কৰাৰ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো । মহোদয়, আমাৰ বিত্তমন্ত্ৰী বাইদেউক সুদীৰ্ঘ দিন শাসকীয় পক্ষৰ বিধান সভাৰ সদস্য হৈ আছে । মাত্ৰ খুৱ কম, সময়ৰ বাবেহে বিৰোধীৰ আসনলৈ আহিছিল । ৫ খন পূৰ্ণাঙ্গ বাজেট হোৱাৰ পিচত এইখন তেওৰ লেখানুদান । এই বাজেট লেখানুদান উত্থাপন কৰি তেখেতে দলৰ আৰু ৰাইজৰ প্ৰতি যি দায়িত্ব আৰু চিন্তা এইখিনি ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছে । এই কথাখিনি তেখেতে প্ৰথম দুটা পৃষ্ঠাতে উল্লেখ কৰিছে ।  .ৰাইজৰ আশা-আকাঙ্খাক প্ৰতিনিধিত্ব কৰা এই লক্ষ্য পুৰনৰ যাত্ৰাত নেতৃত্ব প্ৰদান কৰা মুখ্যমন্ত্ৰী মিত্ৰ জোটৰ অংশীদাৰ সকলোলৈকে তেখেতে ধন্যবাদ আগবঢ়াইছে। মহোদয়, মোৰ বক্তব্যৰ আৰম্ভণিতে মই এই বছৰটোৰ চেপ্তেম্বৰ মাহৰ হেৰুওৱা আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ ডাঙৰীয়াক স্মৰণ কৰি আৰম্ভ কৰিব বিচাৰিছো।  আশা কৰো আমি প্ৰয়াত মহান শিল্পী গৰাকীৰ সপোনৰ সেইউজীয়া, আত্মবিশ্বাসী আৰু স্বাৱলম্বী অসমখন সাৰ্থক কৰি তুলিবলৈ সক্ষম হ'ম। মহোদয়, BJP ৰ চৰকাৰ ২০১৬ চনত অহাৰ প্ৰাকমূহুৰ্তত এখন ভিজন ডকুমেণ্ট দিছিল আৰু ২০২১ চনৰ নিৰ্বাচনত প্ৰাকমূহুৰ্তত সংকল্প পত্ৰ প্ৰকাশ কৰিছিল। এই দুয়োখন ইস্তাহাৰত বিজেপিয়ে প্ৰতিশ্ৰুতিৰ বন্যা  বোৱাই দিছিল আৰু স্বাভাৱিকভাৱে আমি আশা কৰো বাজেটত যিখিনি কথা আহে, এই প্ৰতিশ্ৰুতিৰে ৰূপায়ণ। আজি বিজেপিৰ ১০ বছৰ সম্পূৰ্ণ হোৱাত এয়া সময় হৈছে তথ্যৰ ভিত্তিত তেওঁলোকৰ কামৰ এক পৰ্য্যালোচনা দাঙি ধৰাৰ। নিশ্চয়কৈ প্ৰতিখন চৰকাৰে নিজৰ সময়ছোৱাত কিছুমান ভাল কাম কৰিবলৈ সক্ষম হয় আৰু BJP চৰকাৰখনো তেনেকৈ নিশ্চিতভাৱে কিছু কাম কৰিছে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ড$^{0}$ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত BJP চৰকাৰে যি ধৰ্মীয় অসহিষ্ণুতা আৰু অৰ্থনৈতিক বেমেজালিৰ উচ্চ শিখৰত অধিস্থিত কৰিছে অসমক, সেই অভিলেখ হয়তো আকৌ ভাঙিব পৰা নাযাব। BJP চৰকাৰে ৰুৱা ধ্বংসকামী

বীজবোৰৰ প্ৰভাৱবোৰে অসমক কিমান ক্ষতি কৰিব, সেয়া আমাৰ অনুধাবনৰো উৰ্ধত। মোৰ অনুভৱ যে বৰ্তমান চৰকাৰৰ যিকেইটা দিন আছে, এই দিনকেইটাত যেন এই অসমখনক আৰু অধিক বিভাজিত কৰাৰ কোনো প্ৰচেষ্ঠা লোৱা নহয়। BJP ৰ আমোলত অসমৰ অৰ্থনীতি শিক্ষা ব্যৱস্থা জনস্বাস্থ্য কৃষি ইত্যাদি বিধ্বস্ত হৈ পৰিছে। মই চৰকাৰী তথ্যৰ আধাৰতে কথাখিনি ক'বলৈ যত্ন কৰিছো। কেগৰ ২০২৫ বৰ্ষৰ প্ৰতিবেদন অনুসৰি, ঋণ বহন ক্ষমতা বিশ্লেষণ অনুসৰি ২০১৯-২০ চনৰ পৰা ২০২৩-২৪ চনৰ সময়ছোৱাত অসম চৰকাৰৰ বকেয়া ঋণৰ গড় বছৰি ২০.৬৭ শতাংশ বৃদ্ধি পাইছে। অসমৰ ঋণ জি এচ. ডি.পি অনুপাত ২০১৯-২০ বৰ্ষত ২০.৮৩ শতাংশৰ পৰা ২০২৩-২৪ বৰ্ষত ২৫.৭৭ শতাংশলৈ বৃদ্ধি পাইছে। যাৰ বাবে ভৱিষ্যতে ঋণ স্থিৰীকৰণ সম্ভৱ নহ'বও পাৰে। সেই একে প্ৰতিবেদনতে উল্লেখ কৰা হৈছে যে ৰাজ্যখনৰ ৰাজকোষীয় ঘাটি জি এছ. ডি. পিৰ ৩.৬৬ শতাংশ যি AFRBM ৰ ২০২২ ৰ নিৰ্ধাৰিত ৩.৫ শতাংশ লক্ষ্যৰ উৰ্ধত আৰু এয়া কেগৰ সন্মুখত ৰাজ্য চৰকাৰৰ ফালৰ পৰা স্বীকাৰোক্তি প্ৰদান। ২০১৯-২০ বৰ্ষত অসমৰ ঋণ আছিল প্ৰায় ৭২ হাজাৰ কোটি। যিটো ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি ২০২৬ চনত ২ লাখ ৬ হাজাৰ কোটি টকাৰ ওপৰত হ'ব। অৰ্থাৎ ২০১৯-২০ বৰ্ষৰ পৰা ১৭৭.৭৮ শতাংশ আৰু ২০১৬ চনৰ পৰা ৪৭০ শতাংশতকৈয়ো অধিক ঋণ ২০২৬ চনলৈ বৃদ্ধি পাইছে। ইয়াৰ দ্বাৰা অসম ভাৰতৰ ১৫ সংখ্যক সৰ্বাধিক ঋণগ্ৰস্থ ৰাজ্যলৈ পৰ্য্যবসিত হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেইদিনমান পূৰ্বে কৈছে কৰ্ণাটকে এদিনতে ৭০ হাজাৰ কোটি টকাৰ ঋণ লয়। অসমৰ নিজৰ যি tax Revenue টো GSDP ৰ percentage. ২০২৪ চনৰ বাজেট estimate অনুসৰি কৰ্ণাটকৰ ৮ শতাংশ। মহাৰাষ্ট্ৰত ৭.৭ শতাংশ, তামিলনাডুত ৭.৫ শতাংশ, অসমৰ National average তকৈ কিছু কম ৫.৩ শতাংশ। RBI ৰ প্ৰক্ষেপন অনুসৰি ২০২৫-২৬ চনত অসমৰ BJP চৰকাৰে প্ৰায় ১০ হাজাৰ কোটি টকা কেৱল সুতেই দিছে। ২০২৩-২৪ বৰ্ষত হোৱা মুঠ ঋণৰ প্ৰায় আধা ৪৮.৭২ শতাংশ সম্পদ সৃষ্টি কৰাৰ পৰিৱৰ্তে বৰ্তমানৰ ব্যয় আৰু পূৰ্বৰ ঋণ পৰিশোধৰ বাবে ব্যৱহাৰ কৰা হৈছে। কেগৰ ২০২৫ চনৰ প্ৰতিবেদন অনুসৰি চৰকাৰে ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহত ১১৪৭৪ কোটি টকা বিনিয়োগ কৰিছে কিন্তু লাভ কৰিছে মাত্ৰ ১৮৫ কোটি টকা অৰ্থাৎ বিনিয়োগৰ তুলনাত যথেষ্ট কম। BJP চৰকাৰে প্ৰায়েই জাতি মাটি ভেটিৰ কথা কয়, জাতি ৰক্ষা কৰিব, মাটি ৰক্ষা কৰিব, ভেটি ৰক্ষা কৰিব। প্ৰথমতে যদি আমি জাতিৰ কথা কওঁ, তেতিয়াহ'লে দেখা পাম Vision Document ত BJP য়ে কৈছিল অসম চুক্তি সম্পূৰ্ণভাৱে ৰূপায়িত কৰা হ'ব তথা দফা -৬ অনুসৰি সকলো ধৰণৰ সাংবিধানিক, সংসদীয়, সামাজিক আৰু সাংস্কৃতিক ৰক্ষা কৱচৰ ব্যৱস্থা কৰা হ'ব। ইস্তাহাৰত অসম আন্দোলন, বড়ো আন্দোলন আৰু কাৰ্বি আন্দোলনৰ শ্বহীদ সকলৰ নিকটতম আত্মীয়ক চিকিৎসাৰ ব্যৱস্থাৰ কথাও কোৱা হৈছে। কিন্তু এইবিলাক কাম যোৱা ১০ বছৰত হৈ উঠা নাই। অসমীয়া জাতিৰ সুৰক্ষাৰ বাবে অৱসৰ প্ৰাপ্ত ন্যায়ধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে প্ৰদান কৰা পৰামৰ্শ সমূহো ৰূপায়ণ কৰাৰ ক্ষেত্ৰত BJP চৰকাৰ সফল হোৱা নাই। কা' আন্দোলনৰ পঞ্চ শ্বহীদক আজি উপহাস কৰা হ'ল। আমি জানিব নোৱাৰিলো যে যি বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন, বিপ্লৱ শৰ্মা ডাঙৰীয়াই নিজে গৈ দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ হাতত জমা দিব বিচাৰিছিল। যিখন তেওঁলোকে নল'লে আৰু পৰৱৰ্তী সময়ত অসম চৰকাৰৰ হাতত জমা দিয়া হ'ল। সেইখন আজি দিল্লী গৈ পালেগৈ নে নাই? মহোদয়, মাটিৰ ক্ষেত্ৰত যদি ক'ব বিচাৰো চৰকাৰে মিছন বসুন্ধৰা তিনি বাৰ কৰাৰ পাছতো এই আঁচনিৰ অধীনত যিসকল অসমৰ ভূমিহীন, তেখেতসকল এতিয়াও বঞ্চিত হৈ আছে। মিছন বসুন্ধৰাৰ জৰিয়তে প্ৰাপ্য সুবিধাবোৰ সাধাৰণ জনতাই পাব পৰা

নাই। কিন্তু ইয়াৰ পৰিৱৰ্তে চৰকাৰী দলৰ কাৰ্য্যালয় তেওঁলোকৰ অংশীদাৰ সকলৰ বাবে বিভিন্ন অঞ্চলত ভূমিৰ আৱণ্টন দেখা পোৱা গ'ল। যিদৰে BJP য়ে নিজৰ মাটি সম্পত্তি বৃদ্ধি কৰিছে, কৃষিৰ ক্ষেত্ৰত অসমৰ নেট শস্য উৎপাদনকাৰী অঞ্চল ২০১৫-১৬ ৰ পৰা ৪৫ হাজাৰ হেক্টৰলৈ হ্ৰাস পাইছে। নিজা প্ৰক্ষেপন অনুসৰি ৰাজ্যত ধানৰ উৎপাদন উদ্বেগজনকভাৱে ২০২২-২৩ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ ৭২২ টনলৈ হ্ৰাস পাব। প্ৰয়োজনীয় জলসিঞ্চন আৰু আন্তঃগাঁথনি প্ৰদান কৰাত ৰাজ্যখন ব্যৰ্থ হোৱা বাবে কৃষকসকলে একাধিকবাৰ শস্য উৎপাদন কৰিবলৈ এতিয়াও অসমৰ্থ হৈ আছে. সেয়েহে অসমৰ ২০২৩-২৪ বৰ্ষৰ একাধিক শস্যৰ উৎপাদন ১৪৯.৬ শতাংশত স্থবিৰ হৈ আছে। যি সময়ত ৰাষ্ট্ৰীয় গড় ইয়াতকৈ অধিক ১৫৬.৮ শতাংশ। ইয়াৰ যোগেদি অসমীয়া কৃষক সকলৰ বাৰ্ষিক উপাৰ্জনৰ সম্ভাৱনা সীমিত হৈ পৰিছে। ঠিক তেনেকৈ অসমৰ গ্ৰাম্য স্ব-নিয়োজন ব্যৱস্থাক পৰিকল্পিতভাৱে হত্যা কৰা হৈছে। ইয়াৰ উদাহৰণ স্বৰূপে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে ২০২৫ চনৰ ১৯ জুন তাৰিখে তেখেতে কোৱাৰ দৰে অসমে 90% কণী আৰু গাহৰি ৰাজস্থানৰ পৰা আমদানি কৰে। ভেটি ৰক্ষাৰ নামত BJP চৰকাৰখনে অসমৰ খিলঞ্জীয়া লোক সকলৰ ওপৰত অবিৰত উচ্ছেদ চলালে। নগাওঁৰ মিকিৰ বামুণীত হাজাৰ হাজাৰ ৰায়তৰ পৰা মাটি কাঢ়ি এটা power generation company ক দিয়া হ'ল। তিনিচুকীয়া লাইকা-দধিয়াত যি ১৫ শ মিচিং পৰিয়াল আছিল, তেওঁলোকক এতিয়াও সম্পূৰ্ণৰূপে সংস্থাপিত কৰা হোৱা নাই। আমচাঙৰ বনাঞ্চল বুলি কৈ revenue গাওঁৰ মিচিং, বড়ো, কাৰ্বি আৰু অন্যান্য জনগোষ্ঠীৰ ১ হাজাৰতকৈয়ো অধিক পৰিয়ালক উচ্ছেদ এই BJP চৰকাৰৰ দিনতে যেনেকৈ হৈছিল, ঠিক তেনেকৈ বোকাজানৰ (কাৰ্বি-আংলং) ৰ ২৩ খন গাওঁৰ ১৮ হাজাৰ বিঘা মাটি সৌৰশক্তিৰ বাবে আদানীক হস্তান্তৰ কৰা হৈছে। CBB project ৰ বাবে ১২ শ বিঘা মাটি ৰিলায়েন্সক ডিমা-হাচাও চিমেণ্টৰ বাবে ৩ হাজাৰ ৬ শ বিঘা বৰদোৱা পলাশবাৰীত এখন ছেটেলাইট টাউনশ্বিপৰ বাবে জনজাতীয় মানুহৰ বসতি থকা ৪ হাজাৰ ৫ শ বিঘা মাটি উচ্ছেদ কৰি ব্যক্তিগত কোম্পেনীক দিয়াৰ যোজনাৰ কথা এই বিধান সভাতে ঘোষণা। ৰামপুৰৰ দৰাবিলত লজিষ্টিক পাৰ্কৰ বাবে ১৬০ বিঘা, চাপৰত আদানী তাপ বিদ্যুৎ কেন্দ্ৰৰ বাবে ৩ হাজাৰ ৫ শ বিঘা মাটি ৫৫ মেগাৱটৰ কুলশী জলবিদ্যুৎ প্ৰকল্পৰ বাবে ৪ শ গাওঁৰ জনতাৰ জীৱন জীৱিকা নাশ কৰি ৰাল, কাজিৰঙাৰ ওচৰত ৫ টা তাৰকাযুক্ত হোটেলৰ বাবে হায়াত-জেনিপ্ৰ' গ্ৰুপক ৪৮ বিঘা মাটি প্ৰদান, অথবা হাচিলাবিল চাপৰৰ ওচৰৰ ভূমিহীন লোকসকলৰ উচ্ছেদ, এইগোটেই বিলাকে তেখেত সকলে যে উচ্ছেদ কৰিবৰ সময়ত আনকি উচ্চতম ন্যায়ালয়ৰো যি নিৰ্দেশনা, সেইটো negotiation কৰি rehabilitation ৰ ব্যৱস্থা কৰি ভাৰতীয় নাগৰিকক উচ্ছেদ কৰিব লাগে সেই ব্যৱস্থাৰ প্ৰতি বুঢ়া আঙুলি দেখুৱাৰ বাবে চুপ্ৰিম কোৰ্টেও অসম চৰকাৰক সচেতনাবাণী শুনাবলগীয়া হৈছে। মহোদয়, জাতিৰ মুঠ ৰূপৰ অন্য এটা ধ্বজা হ'ল আমাৰ অসমীয়া ভাষা শিক্ষাখণ্ড। RBI প্ৰতিবেদন অনুসৰি শিক্ষাৰ খণ্ডত আৰ্থিক দায়বদ্ধতা মুঠ বাজেটত সংকুচিত হৈ আহিছে। ২০২৩-২৪ চনৰ মুঠ ব্যয়ৰ শিক্ষাৰ অংশ ১৮.৩ শতাংশৰ পৰা ২০২৪-২৫ বৰ্ষত ১৬. ১ শতাংশলৈ হ্ৰাস পালে আৰু ২০২৫-২৬ বাজেটত ১৬.৮ লৈ হ্ৰাস পাইছে। অসমত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ নামভৰ্তি হ্ৰাস পাইছে। ২০২৩-২৪ বৰ্ষৰ অসমৰ GER ( Gross enrollment ratio) মাত্ৰ ৫৬.৩ শতাংশ যিটো সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় গড় ৬৬.৫ ৰ তুলনাত যথেষ্ট কম। ঠিক তেনেকৈ ১০ হাজাৰতকৈ অধিক চৰকাৰী স্কুল বন্ধ হৈ যোৱা বুলি প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ইতিমধ্যে ঘোষণা কৰিছে। মাননীয় সভাপতি মহোদয়, যিটো সৰ্ব্ব ভাৰতীয় ৰাষ্ট্ৰীয় গড় ৬৪. ৫ ৰ তুলনাত যথেষ্ট কম। ঠিক তেনেকৈ ১০০০০ তকৈ

অধিক স্কুল বন্ধ হৈ যোৱা বুলি প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ইতিমধ্যে ঘোষণা কৰিছে। এনেধৰণে ৰাজহুৱা শিক্ষা ব্যৱস্থাটো যিমান পৰা যায় চৰকাৰী পৃষ্ঠ পোষকতাত ধ্বংস কৰাৰ ষড়যন্ত্ৰ চলি আছে বুলি সততে অভিযোগ উঠে। যিহেতু শিক্ষকসকলৰ মূল কাম শৈক্ষিক পাঠ্যক্ৰমৰ বাবে জড়িত হোৱা চেনচাছ আৰু ভোটৰ সময়ত সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁলোকৰ যিটো গাইড লাইন আছে, International Convention তাত ভঙ্গ কৰি ৰাজ্য চৰকাৰে শিক্ষক সকলক বিভিন্ন অনাশৈক্ষিক কামত নিয়োজিত কৰিছে। সেইয়া হয়তো আধাৰ সম্পৰ্কীয়, বেংক সম্পৰ্কীয়, শিবিৰ, সজাগতা অনুষ্ঠান, বিভিন্ন দিৱস উদ্‌যাপনৰ ফটো প্ৰেৰণ, গুগোলমিট, জুম মিটিং আদি এশ-এবুৰি কামত নিয়োজিত কৰি ইয়াৰ যোগেদি চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠানৰ যি শোচনীয় নামভৰ্ত্তি সেই ক্ষেত্ৰত উদগণি যোগাইছে। শিক্ষক নাথাকিলে কেৱল ভাল পৰিকঠামো থাকিলে অভিভাৱকে ছাত্ৰ-ছাত্ৰীসকলক এনেই শিক্ষা গ্ৰহণ কৰিব নপঠায়। ঠিক তেনেকৈ নিবনুৱা সমস্যাৰ ক্ষেত্ৰত চৰকাৰৰ যি প্ৰতিশ্ৰুতি আছিল, ২৫ লাখ বা ২ লাখ চৰকাৰী চাকৰি এইবোৰ প্ৰকৃততে বাস্তৱ নহ'ল। RBI ৰ তথ্য অনুসৰি অসমত গ্ৰাম্য নিবনুৱাৰ হাৰ ২০২২-২৩ চনত প্ৰতি এহেজাৰ জনৰ ভিতৰত পোন্ধৰ জনৰ পৰা বৃদ্ধি পাই ২০২৩-২৪ চনত ৩৫ জন হৈছে। ইয়াৰ বিপৰীতে ২০২৩-২৪ চনত ৰাষ্ট্ৰীয় গড় আছিল ২৫ জন। ঠিক তেনেকৈ গ্ৰাম্য পুৰুষৰ নিবনুৱা ২০২২-২৩ চনত প্ৰতি এহেজাৰ জনৰ ভিতৰত বাৰ জনৰ বিপৰীতে ২০২৩-২৪ চনত ৩৬ জনলৈ বৃদ্ধি হৈছে। এনেকৈ আমাৰ মহিলাসকলৰ স্থিতি আৰু ভয়াৱহ। অসমৰ চহৰৰ মহিলা নিবনুৱাৰ হাৰ প্ৰতি এহেজাৰ গৰাকীত ১১৮ । যি সময়ত ৰাষ্ট্ৰীয় গড় হৈছে ৭১ গৰাকী। আমাৰ অন্য এটা গুৰুত্বপূৰ্ণ খণ্ড হৈছে চিকিৎসা আৰু জনস্বাস্থ্য। RBI ৰ তথ্য অনুসৰি অসমত বি জে পি চৰকাৰে নিজৰ জয়গান গালেও অসমৰ চিকিৎসা, জনস্বাস্থ্য আৰু পৰিয়াল কল্যাণত ২০১৫-১৬ চনত মুঠ ব্যয়ৰ ৬.৮ শতাংশৰ তুলনাত ২০২৫-২৬ চনত ৫.৭ শতাংশলৈ হ্ৰাস কৰা হৈছে। প্ৰতিবেদনখনত দেখা গৈছে যে অসমত মাতৃৰ মৃত্যুৰ অনুপাত (MMR) এশ দহ। ২০২১-২৩ বৰ্ষত যি MMR ৰাষ্ট্ৰীয় গড় ৮৮ তকৈ যথেষ্ট অধিক। যি সময়ত অৰ্থনৈতিক বৈষম্যৰ বাবে শক্তিশালী সামাজিক সুৰক্ষাৰ প্ৰয়োজন সেই সময়ত অসমৰ সামাজিক খণ্ডত ২০২২-২৩ বৰ্ষত ৫০.১ শতাংশৰ পৰা ২০২৫-২৬ ত ৪৫ শতাংশলৈ হ্ৰাস পাইছে। এনে NFHS-5 ৰ তথ্য অনুসৰি অসমৰ জনসংখ্যাৰ ১৯.৩৫ শতাংশ বহু মাত্ৰিক দৰিদ্ৰতাত জীৱন-যাপন কৰে যিটো ৰাষ্ট্ৰীয় গড়ৰ ১৪.৯৬ শতাংশ। আনকি শেহতীয়া তথ্য অনুসৰিও আমাৰ চৰকাৰে মহিলা উদ্যমিতা আঁচনি গ্ৰহণ কৰিছে। কিন্তু মহিলা সকল শাৰীৰিকভাৱে সুস্থ হৈ থাকিবৰ বাবে তেওঁলোক এনিমিয়া হ'ব নালাগে। কিন্তু যোৱা সময়ছোৱাৰ সমীক্ষাত অসমৰ মহিলাৰ ৰক্তহীনতা বৃদ্ধি পাইছে। মহিলা সৱলীকৰণৰ ক্ষেত্ৰত তেওঁলোকৰ নিজৰ ভূমিৰ অধিকাৰ থাকিব লাগে। যোৱা সময়ছোৱাতকৈ এই সময়ছোৱাত ভূমি নিজৰ নামত থকা মহিলাৰ সংখ্যা গড় আনুপাতিকভাৱে অসমত হ্ৰাস পাইছে। ইয়াৰোপৰি দেখা গৈছে যে অসমৰ জনমূৰি আয়ুস প্ৰায় ৬৮ বছৰ। যি সময়ত ৰাষ্ট্ৰীয় জনমূৰি আয়ুস হৈছে ৭০ ৰ অধিক। এইবোৰ তথ্যই অসমৰ বি জে পি চৰকাৰৰ জনস্বাস্থ্যত ব্যৰ্থতা সূচাইছে। কেগৰ প্ৰতিবেদন অনুসৰি ভাৰতীয় জনস্বাস্থ্যৰ মানদণ্ডৰ তুলনাত সমূহীয়া স্বাস্থ্য কেন্দ্ৰ ৩১ শতাংশ আৰু উপ কেন্দ্ৰত ২৮ শতাংশ অভাৱ আছে। নতুন চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাল স্থাপনৰ নামত কেৱল অট্টালিকাহে নিৰ্মাণ হ'ল। আজি বহুদিন ধৰি অসমৰ বিভিন্ন চিকিৎসা মহাবিদ্যালয়ত চিকিৎসক, আই চি ইউ বিছনা, এম আৰ আই, চিটিস্কেন, আল্ট্ৰাচাউণ্ডৰ অভাৱ বাতৰি কাকতত প্ৰকাশ পাইয়েই আছে। বি জে পি চৰকাৰে সুলভ স্বাস্থ্য সেৱা প্ৰদান কৰাৰ বিপৰীতে চৰকাৰী হস্পিতালৰ মাচুল বহুগুণে বৃদ্ধি হ'ল আৰু

কেগৰ প্ৰতিবেদন অনুসৰি যি চিকিৎসাৰ বাবে আমাৰ সাধাৰণ লোকৰ নিজৰ পকেটৰ ধন ব্যয় হয়। যোৱা NFHS-4 ৩৮২১ টকাৰ বিপৰীতে শেহতীয়া NFHS-5 ৰ ৪৪১৫ লৈ বৃদ্ধি পাইছে। এইয়ে চৰকাৰীভাৱে আমাৰ যি আয়ুষ্মান ভাৰত বা অন্যান্য আঁচনিৰ বিফলতাকে উদঙাই দিয়ে। অন্য এটা গুৰুত্বপূৰ্ণ বিষয় ভিজন ডকুমেণ্টত আছিল যিটো দহ বছৰৰ ভিতৰত তেওঁলোকে ৰূপায়ণ কৰিব বুলি কৈছিল। সেইয়া আছিল চাহ শ্ৰমিক সকলৰ বাবে মজুৰী বৃদ্ধি বা তেওঁলোকৰ নিয়ম অনুসৰি যি প্ৰভিডেণ্ট ফাণ্ড জমা হ'ব লাগে। ২০২২ চনৰ শেষলৈ অসমৰ প্ৰায় ৫০০ তকৈ অধিক বাগিছাত পি এফৰ আঁচনি সামৰি লোৱা হোৱা নাছিল। তেওঁলোকে পইচা জমা দিয়া নাছিল। এনেকুৱা কৰিলে যিসকলৰ আকস্মিকভাৱে প্ৰয়োজন হয় আৰু অৱসৰৰ পিছত যিসমূহ সুবিধা লাগে তাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। চৰকাৰে যেনেকৈ নিজকে সফল চৰকাৰ বুলি ঢাক-ঢোল বজাই ভাল পায়, সেয়েহে তেওঁলোকে ভিজন ডকুমেণ্ট ২০১৫-২৫ ত দিয়া প্ৰতিশ্ৰুতিবোৰৰ কিয়দাংশ মই মনত পেলাই দিছো। ভিজন ডকুমেণ্টত প্ৰতিশ্ৰুতি দিয়া হৈছিল সকলো দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ বাবে ২০২১ চনৰ ভিতৰত পকী ঘৰ দিয়াৰ কথা কোৱা হৈছিল। সকলো ভূমি হীনক মাটিৰ পট্টা দিয়া হ'ব। চৰকাৰী মাটি বা স্থানীয় নগৰ নিকায় মাটিত সুলভ আৱাস গৃহ নিৰ্মাণ কৰা হ'ব। বানপানী প্ৰৱল অঞ্চলত স্থায়ী শিবিৰ নিৰ্মাণ কৰা হ'ব। তেওঁলোকে বৰাক বোৰ্ড গঠন কৰা, স্বামী বিবেকানন্দ বিশ্ববিদ্যালয় স্থাপন কৰা, বৰাকৰ ওপৰত বহুকেইখন দলং, ব্ৰহ্মপুত্ৰৰ ওপৰত ৫ খনতকৈ অধিক ৰেল তথা পথ সেঁতু নিৰ্মাণ আৰু বিভিন্ন বিমান বন্দৰৰ কথাও নিৰ্মাণ কৰাৰ কথা কোৱা হৈছিল। অনুৰূপ ধৰণে আমাৰ বিজুলী যোগান বৃদ্ধি কৰাৰ কথা আছিল, ১০০ টা বি পি অ' স্থাপন কৰা University for Petroleum and Energy Studies স্থাপন কৰা, প্ৰতিখন মহকুমাত ২৪ ঘণ্টা সেৱা আগবঢ়োৱা, প্ৰতিখন জিলাতে এখনকৈ মাল্টি স্পেচিয়েলিটি চিকিৎসালয় স্থাপন কৰা, প্ৰতি হাজাৰ জন সংখ্যাৰ বিপৰীতে ৫ খন বিছনা আৰু অতি কমেও ৫ জন চিকিৎসক থকাৰ বাবে চিকিৎসা সুবিধা আদি স্থাপন কৰাৰ বিভিন্ন প্ৰতিশ্ৰুতি দিয়া হৈছিল। যিবিলাক যোৱা দহ বছৰত পূৰণ হোৱা দেখা নাপালো। আমাৰ সীমান্ত অঞ্চলত সম্পূৰ্ণৰূপে সীমান্ত ছীল কৰাৰ কথা আছিল। সেই সীমান্ত এতিয়াও উন্মুক্ত হৈ আছে। সীমান্তত অৱসৰ প্ৰাপ্ত সৈনিকৰ বাবে আদৰ্শ গাওঁ স্থাপন কৰাৰ কথাও ঘোষণা কৰা হৈছিল। সেই আদৰ্শ গাওঁ বাজেটত দিয়া আদৰ্শ গাওঁ আৰু সেইয়াএতিয়াও ৰূপায়ণ হৈ নুঠিল। ঠিক তেনেকৈ ব্যক্তিগত বিদ্যালয়-মহাবিদ্যায়, বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰী সকলে চৰকাৰী কৰ্মচাৰী সকলৰ সমান দৰমহা লাভ কৰিব। কিন্তু এই কথাও হৈ নুঠিলে। ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিত ভিজন ডকুমেণ্টত গৰিয়া-মৰিয়া, দেশী মইমল ইত্যাদিৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিচয় সুৰক্ষিত কৰাৰ লগতে তেওঁলোকৰ চাৰ্ভে কৰাৰ পিছত অস্তিত্ব, ভাষা আৰু সংস্কৃতিৰ ওপৰত গৱেষণা কৰাৰ প্ৰতিশ্ৰুতি আছিল। সেইখিনিও হৈ নুঠিলে। ইস্তাহাৰত আজান পীৰ, কলাক্ষেত্ৰ এখন শ্ৰীমন্ত মহাপুৰুষ শংকৰদেৱৰ কলাক্ষেত্ৰ দৰে শিৱসাগৰ জিলাৰ মোৰ সমষ্টি গেলেকীত ভূমি নিৰ্ব্বাচন কৰি পুঁজি আৱণ্টন কৰাৰ পিছতো আজিলৈ সেই কাম হৈ নুঠিল। আমাৰ নিবনুৱা সমস্যাৰ কথা ইতিমধ্যে কৈছোৱেই। নিবনুৱা সমস্যা ইমান ভয়াৱহ যে ৰাজ্যৰ পৰা প্ৰতিদিনে বিভিন্ন যুৱক-যুৱতী, আদবয়সীয়া লোকৰো অসমৰ বাহিৰলৈ প্ৰব্ৰজন ঘটে আৰু প্ৰতি মাহে প্ৰায় ৫০ জনতকৈ অধিক যুৱকৰ বৰ্হিৰাজ্যত মৃত্যু ঘটিছে। যিসকলে কৰ্ম সংস্থাপনৰ বাবে অসমৰ বাহিৰলৈ যায়। আমাৰ আত্মনিৰ্ভৰশীল অসম, বজাৰ আমাৰ আদি শ্ল'গানসমূহ অসাৰ হোৱা পৰিলক্ষিত হৈছে। অসমত নিযুক্তি ব্যক্তিগত বা চৰকাৰী খণ্ডতেই হওঁক নিয়োগৰ অভাৱৰ বাবে পেটৰ তাড়নাত যুৱক সকল

বাহিৰলৈ গৈ এনেকৈ মৃত্যু মুখত পৰিছে। এই কথাখিনিও এই চৰকাৰৰ উপলব্ধি হোৱা উচিত। বিকশিত অসমৰ স্বাস্থ্য, শিক্ষা জীৱিকা আন্তঃগাঁথনিত ডাবুল ইঞ্জিনৰ কথা কোৱা হয়। সেই সময়ত অসমৰ যুৱক-যুৱতীয়ে বৰ্হিৰাজ্যত কৰ্ম-সংস্থাপনৰ বাবে কিয় যাবলগীয়া হয়। এই প্ৰশ্নৰ উত্তৰ মই এতিয়াও যোৱা সময়ছোৱাৰ বাজেট বা বাজেটৰ ধন্যবাদ সূচক প্ৰস্তাৱত নাপালো। আমাৰ বিভিন্ন সম জিলা কৰা হৈছিল। ৭৯ খন সম জিলাৰ ভিতৰত ৩০ খন কাৰ্য্যকৰী হোৱা নাই। পূৰ্বৰ মহকুমাবোৰকো নাইকিয়া কৰি দিয়া হ'ল। সৰভোগ, বজালী আজি সমজিলা ঘোষণা কৰা হ'ল যদিও তাৰ কোনো অস্তিত্ব এতিয়ালৈকে দিয়া হোৱা নাই। অসম চুক্তি ৰ অৱসৰ প্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ যিখিনি মূল কথা আছিল, সেই কথাখিনি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া, গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়া অসমলৈ আহি প্ৰতিশ্ৰুতি দিয়াৰ পিছতো ৰূপায়ণ নকৰিলে। ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰিলে। এই কথাবিলাক ভিজন ডকুমেণ্টত থকাৰ পিছতো কিয় ঘোষণাই হৈ থাকিল? এই কথাখিনিৰ উত্তৰ মই নিশ্চয় পাম বুলি আশা কৰিছো। বি জে পিৰ ভিজন ডকুমেণ্ট বা সংকল্প পত্ৰৰ তথ্য কেৱল ৰাজনৈতিক তথ্য/দলিল হিচাপে অসমৰ জনতাক দিয়া হৈছিল যেন অনুভৱ হয়। RBI আৰু CAG ৰ প্ৰতিবেদনত ৰাজ্যৰ যি শোচনীয় অৱস্থাৰ প্ৰকাশ ঘটিছে, সেয়া অসমৰ জনতাৰ ওপৰত বিজেপি ৰ উপহাস। ২০১৬-১৭ বৰ্ষত সেইসময়ৰ বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কৈছিল যে হিতাধিকাৰীমুখী আঁচনিয়ে বিকাশ দুৰ্বল কৰে আৰু বাজেটৰ ওপৰত বোজা জাপি দিয়ে। কিন্তু বিধিৰ কি বিপাক যে, এতিয়া তেওঁৰেই চৰকাৰখন ৰাজনৈতিক সমৰ্থন বাহাল ৰাখিবলৈ নগদ ধন হস্তান্তৰৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হ'বলগীয়া হৈছে। অসমৰ জনতাই বিজেপি ক ভোট দিছিল তেওঁলোকে দিয়া প্ৰতিশ্ৰুতিৰ ওপৰত পতিয়ন গৈ। তাৰে পুৰস্কাৰ হিচাপে হিতাধিকাৰী আঁচনি জনগনে বিচৰা নাছিল। ই এটা প্ৰকাণ্ড প্ৰতাৰণা বুলি ক'ব লাগিব।

আজি বিজেপি চৰকাৰে অসমৰ জনতাৰ সপোন ভাঙিছে, আশা ভাঙিছে। দুৰ্ভাগ্যবশতঃ আজি প্ৰধানমন্ত্ৰী মোডীৰ নাম চৰকাৰী ভাৱে department of justice এ release কৰা file ৰ লগত সাঙোৰ খাইছে। যি বিজেপি চৰকাৰে সাধাৰণ লোকৰ খোৱাপানী টুপি পৰ্য্যন্ত কেলেংকাৰী কৰিব পাৰে, ৪০০০ তকৈ ও অধিক ঠিকাদাৰে এতিয়াও তেওঁলোকৰ প্ৰাপ্য পোৱা নাই। ৫০ জন থলুৱা যুৱকক গড়ক প্ৰানী বিভাগৰ কামৰ বাবে প্ৰস্তুত কৰি নতুনকৈ কাম দিয়া হ'ব বুলি কোৱা হৈছিল তাৰো কোনো তথ্য নাই। গৰুক মাতা বুলি সম্বোধন কৰি গীৰ গাই কেলেংকাৰী কৰাৰ কথা, ৰাইজৰ টকাৰে নামে-বেনামে সম্পত্তিৰ পাহাৰ গঢ়াৰ কথা, চিণ্ডিকেট চলোৱাৰ কথা আজি কাগজে পত্ৰই ওলাই আছে। যিখিনি প্ৰতিশ্ৰুতি আছিল সেই প্ৰতিশ্ৰুতিৰ পৰা আঁতৰি চৰকাৰখনে কাম কৰাৰ কথা অনুভৱ কৰিব পাৰিছে।

সেয়ে মই অন্তিম অধিৱেশনত চৰকাৰক অনুৰোধ জনাব বিচাৰো যে তেখেতসকলে যেন এখন শ্বেতপত্ৰ প্ৰকাশ কৰে। তেখেতসকলৰ vision document ত কোনখিনি কাম কৰিলে, কোন পৰ্য্যায়ত কোনখিনি আছে এই গোটেইখিনি তথ্য, অসমৰ ৰাইজক অন্তিম দহবছৰৰ বিজেপি চৰকাৰৰ শাসনৰ এটা হিচাপ নিকাচ দিব এই আশা ৰাখি আৰু প্ৰতিশ্ৰুতি অনুসৰি যে বাজেট হ'ব লাগে কিন্তু প্ৰতিশ্ৰুতি যে পূৰণ হোৱা নাই এই কথাখিনি চৰকাৰী তথ্যভিত্তিত উল্লেখ কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন। আপোনাৰ সময় ৭ মিনিট।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় সভাপতি মহোদয়, দেখা গৈছে যে চৰকাৰী পক্ষৰ

ফালৰ পৰা যেতিয়াই চৰকাৰী কাম-কাজবোৰৰ বিষয়ে কোৱা যায়, স্বভাৱগত ভাৱে তেওঁলোকে ইটো- সিটো ভাল কৰিছে সেয়াই ক'ব আৰু আমি বিৰোধীয়ে ক'ম যে এইটো হোৱা নাই, সেইটো হোৱা নাই। যিহেতু সময় কম, তাত্বিক বিশ্লেষণৰ সময় নহ'ব গতিকে স্পষ্টভাৱে মই কেইটামান দিশ চৰকাৰক আঙুলিয়াই দিব বিচাৰিছো যিবিলাকে নকয় যে অসমৰ বিত্তীয় স্বাস্থ্যৰ অৱস্থাটো ভাল। আজি ১০ টা বছৰত RIDF ৰ আঁচনি দিছিল PWD ৰ পৰা আৰু যদি বিৰোধী বিধায়ক সকলক সোধে তেওঁলোকৰ আঁচনিবোৰ কি হ'ল? তেওঁলোকৰ আঁচনিবোৰে আজিলৈকে মঞ্জুৰী পোৱা নাই বা administrative approval পোৱা নাই। ৰাজ্যৰ এই ৰাস্তা-ঘাটবোৰৰ তেওঁলোকে টেণ্ডাৰ পৰ্য্যন্ত কৰিছিল যিবোৰ ৰাস্তা-ঘাট মানুহৰ বাবে অত্যন্ত essential. নিৰ্বাচনৰ আগতে কামবোৰ হ'ব লাগিছিল । তেতিয়া সকলোৱে সকাহ পালে হেতেঁন। আমি ঋণ লওঁ, লৈছো আৰু যেতিয়া ঋণৰ পইচাখিনি আহে চৰকাৰী পক্ষৰ মানুহে গোটেই পইচাখিনি লৈ বিৰোধীৰ মানুহখিনিক এনেই গালি শুনাৰ কাৰণে ফিল্ডত পঠিয়াই দিব বিচাৰিছে। সেইটো হ'ল তেওঁলোকৰ বিচাৰ, কাণ্ড জ্ঞান। এতিয়া কৈ আছে যে সেই পইচাখিনি অমুক দিনত আহিব, কেতিয়া আহিব ? চৰকাৰখন যাবই। এইটো হ'ল এটা অৱস্থা। জলজীৱন আঁচনিৰ নামত, খোৱা পানীৰ নামত গোটেই ৰাজ্যখনত এটা ভেল্কীবাজি আঁচনি চলি আছে। ইয়াৰপৰা কিমান মানুহ লাভান্বিত হৈছে তাৰ বিচাৰ অসমৰ মানুহে কৰিব। এনেকুৱা অবাস্তৱসন্মত, engineer সকলৰ কেনেকুৱা অৱস্থা হৈছিল, এটা প্লাষ্টিকৰ পাইপেৰে এটা permanent কাম কৰে। এটা ৬ ইঞ্চিৰ পাইপত মচলা ভৰাই সেইটো ওলোমাই দিয়ে এইবুলি যে গোটেই জীৱন পানী খাব পৰা এটা ব্যৱস্থা হৈ গ'ল। প্ৰায় বোৰ ঠাইতে এই আঁচনিত হয়তো ঠিকাদাৰসকলে পইচা পোৱা নাই, কাম অসম্পূৰ্ণ আৰু নহ'লে যদি পইচা পাইছেও কিন্তু কামবোৰ বেছিভাগ ক্ষেত্ৰতে কাৰ্য্যক্ষম নহয়। পইছা নোপোৱা বাবে ঠিকাদাৰসকলে আজি ধৰ্ণা দিব লগীয়া হৈছে, অনশনত বহিবলগীয়া হৈছে। তাৰমানে আচলতে কি? ৰাজ্যৰ বিত্তীয় অৱস্থা বেয়া নে কেন্দ্ৰই এই ৰাজ্য চৰকাৰলৈ পইচা পঠিয়াবলৈ ভয় কৰি আছে যে এওঁলোকে পইচাবোৰ নিজৰ পকেটত সুমুৱাইছে। JJM ৰ ক্ষেত্ৰত যে সেইটো হৈছে সেইয়া নিশ্চিত। এতিয়া আহিছো বাকী বিষয়বোৰলৈ । মহোদয়, আমি এই চৰকাৰৰ পৰা আশা কৰিছিলো যে পইচা নলগা কিছুমান কামো আছে যিবোৰ কেৱল কিছু administrative কথা-বতৰা, কাম-কাজৰ জড়িয়তে কিছু সদিচ্ছা থাকিলে সেই সমস্যাবোৰৰ সমাধান হৈ যায়। আজি অসমত ১৯৬২/৬৪ চনৰ পিছত মাটিৰ কোনো ধৰণৰ cadastral survey হোৱা নাছিল। এই চৰকাৰে survey আৰম্ভ কৰিম কৰিম বুলি কিছু কাম-কাজ আৰম্ভ কৰিছিল আৰু তাৰ কাৰণে পইচা-পাতিও দিয়া হৈছিল। আমাৰ সমষ্টিবোৰত আজিলৈকে cadastral survey বোৰ সম্পূৰ্ণ নকৰিলে। মোৰ সমষ্টিত প্ৰায় ৭০ তকৈ অধিক গাঁৱে আজিলৈকে মাটিৰ পট্টা নাপালে। আজি চৰ-চাপৰি, নদীৰ ইপাৰে-সিপাৰে য'তেই নহওক কিয় সেই ঠাইবোৰত survey নোহোৱাৰ কাৰণে যুগ-যুগান্তৰৰ পৰা বসবাস কৰা ককা-দেউতা, আজো দেউতাৰ হাড় মিহলি হৈ যোৱা সেই মাটিৰ মালিকীস্বত্ব আজি আমাৰ কৃষক পৰিয়ালে পোৱা নাই। এইয়া দুখ আৰু পৰিতাপৰ বিষয়। আজি বৰঞ্চ ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে সেই মানুহখিনিকেই target কৰি লৈ তেওঁলোকলৈ চোঁচা লৈছে যে তেওঁলোকক উচ্ছেদ কৰিব লাগে, ভূমিহীন তথা গৃহহীন কৰিব লাগে। অতি নিৰ্দয় তথা অন্যায় ভাৱে প্ৰশাসনিক ভাৱে চৰকাৰী ব্যৱস্থাটো ৰাজ্যৰ ভিতৰত চলি থকাতো গণতান্ত্ৰিক ব্যৱস্থাটোৰ প্ৰতি এটা ভাবুকি স্বৰূপ। আজি গণতান্ত্ৰিক ব্যৱস্থাটোক এনেকুৱা পৰ্য্যায়লৈ লৈ যোৱা হৈছে য'ত হিংসা, ঘৃণা আৰু বিদ্বেষৰ ভাৱেৰে সমাজখনক কলুষিত কৰা

হৈছে যাতে এই সমাজখনত আমাৰ উত্তৰ প্ৰজন্মই যাতে সুস্থিৰে বসবাস কৰিব নোৱাৰে, তেওঁলোকে যাতে জন্মৰ পৰাই বিদ্বেষপূৰ্ণ ভাৰৰ মাজতে এটা toxic পৰিৱেশত আগবাঢ়ি যাব তেনেকুৱা এটা পৰিৱেশৰ সূচনা কৰা হৈছে। এইখন অসমত আমি বিচাৰিছিলো sustainable development যি development ৰ জড়িয়তে আজি আমি ইয়াত development ৰ কথাবোৰ আলোচনা কৰিব পাৰিব লাগিছিল। কিন্তু দেখা গ'ল আজি তিনি দিন ধৰি অধিৱেশন পাতি আছো কোনবোৰ কথা আলোচনা হৈছে আৰু কোনবোৰ কথা আলোচনাৰ কেন্দ্ৰ বিন্দু হৈছে। আমি নতুন প্ৰজন্মৰ ৰাজনীতিক হিচাপে কথা- বতৰাবোৰ যদি এনেধৰণে চলে, ৰাজ্যৰ ৰাজনীতিত যদি এই প্ৰভাৰটোৱেই থাকে তেনেহ'লে ৰাজ্যৰ ভৱিষ্যত সুদূৰ প্ৰসাৰত কি হ'বলৈ গৈ আছে এই কথাটো কিন্তু আমি বুজি পাই থকা নাই। গতিকে নতুন প্ৰজন্মক আহ্বান জনাম যে এই সদনৰ এজন সৰ্ব কণিষ্ঠ সদস্য হিচাপে, নতুনৰ এজন প্ৰতিনিধি হিচাপে এই সদনত বা ৰাজ্যত যি ৰাজনৈতিক পৰিৱেশৰ সৃষ্টি হৈছে চৰকাৰৰ মাৰফৎ, এই পৰিৱেশটো সঠিক নহয়। এখন উন্নয়নকামী ৰাজ্য কৰাৰ স্বাৰ্থত কি পক্ষ ল'ব লাগিব আৰু কি কথা-বতৰাবোৰ বাহিৰত আমি এটি narrative সৃষ্টি কৰিব লাগিব সেই আহ্বান আমাৰ যুৱক সকললৈ থাকিল। মহোদয়, প্ৰত্যেক বছৰে গৰাখহনীয়া হয়। আজি মোৰ চেঙা সমষ্টিৰ প্ৰায় ৯০ কি.মি. নদী। নদীৰ ইপাৰে- সিপাৰে আৰু মাজত মোৰ চেঙা সমষ্টি আৰু ৯০ কি.মি. নদীত পুঁজিৰ কাৰণে কিমান যুঁজি-যুঁজি পাঁচটা বছৰ গৈছে। Asian Development Bank এ ১১২ কোটি টকা ঋণ মঞ্জুৰী দিয়াৰ কথা আছিল। সেই ঋণ মঞ্জুৰী দিয়াৰ ক্ষেত্ৰতো মই দেখিলো যে আমাৰ বিভাগীয় বা ৰাজ্যিক চৰকাৰৰ বিভিন্ন কাম-কাজবোৰ লেহেমীয়া গতিত হৈ থকাৰ কাৰণে এইবেলি বাৰিষাতো নহ'ল। আজি ৰাতিপুৱা মন্ত্ৰীয়ে কৈছে যে তেওঁৰ সমষ্টিতহে মাত্ৰ তিনিশ মিটাৰ গৰাখহনীয়া হৈছে। আমাৰ সমষ্টিত ৩০০-৫০০ কি.মি গৰাখহনীয়া হৈ আছে। আপুনি কাম নকৰে কাৰণে আপুনি নাজানে। কিলোমিটাৰে কিলোমিটাৰে গৰাখহনীয়া হৈ ভিতৰে ভিতৰে নদী সোমাই আহিছে। কিমান মথাউৰি গৈছে আমি এনেই কথাবোৰ কৈ থাকিম হয় নেকি? আজি সেই ঋণটোও মঞ্জুৰী নহ'ল। চেঙা সমষ্টিৰ মানুহে কি ক'ব যে চেঙা সমষ্টিৰ বিধায়কে বিধানসভাত ৫ বছৰ কথা ক'লে কিন্তু গৰাখহনীয়াৰ permanent protection ৰ এই কামটো আনিব নোৱাৰিলে। আজি আমি লাজত পৰিছো তেওঁলোকৰ কাৰণে। আমি যুঁজি-যুঁজি যিমান সহযোগিতা লাগে সিমানখিনি সহযোগিতা কৰি এইখিনি ঋণ মঞ্জুৰীৰ কাৰণে ব্যৱস্থা কৰিছিলো। আজি স্বাধীনতাৰ ৭৮ বছৰ পিছতো আমাৰ গ্ৰাম্যাঞ্চলত মই যি সমষ্টিক প্ৰতিনিধিত্ব কৰো তেওঁলোকে এতিয়াও দৰ্খাস্ত লৈ আহিব লাগে যে আমাৰ স্কুলত এজন শিক্ষক আছে তাত আৰু এজন শিক্ষক দিয়ক। ৭৮ বছৰ আমি বঞ্চনাৰ মাজেৰে পাৰ কৰিছো। বিজেপিৰ ১০ বছৰীয়া কাৰ্য্যকালত আমি কিমান বঞ্চনা দেখিছো আৰু একেটা সময়তে পূৰ্বৰ চৰকাৰ সমূহ বিশেষকৈ কংগ্ৰেছৰ ৫২ বছৰৰ বঞ্চনাও আমি দেখিছো । সকলোৱে কেৱল অসমৰ চৰ-চাপৰি অঞ্চল সমূহত বসবাস কৰা মানুহক এই বঞ্চনা দেখিও একো নকৰে। সেই বঞ্চনাৰ বলি হৈ আমি অন্ততঃ সেই চৰৰ পৰা উঠি অহা নৱতম প্ৰজন্মক যি প্ৰজন্মই জনগোষ্ঠীটোৰ কথা, নিজৰ মানুহখিনিৰ কথা, বিজ্ঞানসন্মত তথা আধুনিক দৃষ্টি ভংগীৰে আমি চাব বিচাৰো। আমি বিচাৰিছিলো যে আমাৰ চৰ- চাপৰি অঞ্চল সমূহত শিক্ষা-দীক্ষাৰ এটা পৰিৱেশ ৰচনা কৰা হওঁক আৰু সেই শিক্ষাৰ পৰিৱেশ ৰচনা কৰিবলৈ হ'লে শিক্ষক আৰু তাৰ অৱকাশ সমূহৰ যি প্ৰয়োজন সেই প্ৰয়োজনীয়তাখিনি আনিব লাগিছিল। প্ৰতি বছৰে আমি বান-গৰাখহনীয়াৰ সৈতে মোকাবিলা কৰো আৰু সেই বান-গৰাখহনীয়াৰ সৈতে মোকাবিলা কৰি উঠি আমি যেতিয়া বিদ্যালয়খন ক'ৰবাত নি বচাই ৰাখো

তাৰ পিছতো আমাৰ শিক্ষক নাথাকে। ১৭ জন ছাত্র-ছাত্রী থকাৰ পিছতো আমি এজন শিক্ষক পাওঁ, সেই শিক্ষকজন আকৌ ইটো ও হয় সিটো ও হয়. তেনেকুৱা অৱস্থাত আমাৰ স্কুল পাতি বিলাক চলিছে। যোৱাবাৰ সদনত প্ৰস্তাৱ ৰাখিছিলো যে চৰ-চাপৰি আৰু দুৰ্গম অঞ্চল বিলাকত বিশেষ ভাৱে বিদ্যালয় সমূহৰ কাৰণে, শিক্ষক সকলৰ কাৰণে এটা special কেদাৰৰ ব্যৱস্থা কৰা হওঁক যিসকল অন্তঃত tranfer হৈ আঁতৰি যাবৰ কাৰণে চেষ্টা নকৰে। সেই ব্যৱস্থাটো হ'লে আমাৰ অঞ্চলত শিক্ষক transfer ৰ সমস্যাটো নাথাকিব, শিক্ষক যিমান নিয়োগ হ'ব আমাৰ ঠাইতে থাকি যাব। কিন্তু সেয়া হৈ নুঠিল। মহোদয় মই অন্তিমলৈ আহিছো আজি চেঙা সমষ্টিটো যিহেতু নতুনকৈ গঠিত হৈছে প্ৰায় ৫ টা সমষ্টিৰ অংশৰ এটা সমষ্টি হৈছে। আজিৰ দিনত চেঙা সমষ্টিত দুটা block পাইছো। এখন চেঙা ব্লক আৰু এখন গমা ফুলবাৰী ব্লক। ইয়াৰে এটা ব্লক ও আমাৰ সমষ্টিৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰত নাই। দুয়োটা বৰপেটা সমষ্টিৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰত। আজি মই আহ্বান জনাইছো এই সদনৰ জৰিয়তে তেওঁলোকক block shifting ৰ কথা ক'লে তেওঁলোকে কয় Head quarter জাৰি কৰা হৈছে, Head quarter লৈ যাবলৈ ক'লে কয় তাত আন্তঃগাঁঠনি নাই। বিত্ত বিভাগৰ বা অসম চৰকাৰৰ যদি পইচাৰ ইমানে অভাৱ তেতিয়াহ'লে বাইদেউ আমাক কিয় এই ব্লক বিলাক নিদিয়ে। মন্ত্ৰী ডাঙৰীয়াণী আমি চৰকাৰক আহ্বান জনাওঁ যে গমা ফুলবাৰী ব্লকৰ যি Head quarter সেয়া হৰিপুৰ গাওঁ পঞ্চায়ত হৰিপুৰত আৰু চেঙা ব্লকৰ যি Head quarter সেয়া বাঘমৰা চৰত এই দুয়োখন ব্লক আমাৰ Head quarter লৈ যাব লাগে। এই দাবী মই সদনৰ ভিতৰত ৰাখিছো। মহোদয় আমাৰ যিসমূহ সমজিলা ঘোষণা কৰা হৈছে সেই সমজিলা বিলাকৰ ভাগত আমি পৰা নাই। আশা কৰিছো যে অহা দিনত পৰিব। বহু কেইখন বাকী আছে, সেয়াও ক্ষীপ্ৰতাৰে কৰাৰ প্ৰয়োজন আছে। একেটা সময়তে সমজিলা স্বাস্থ্য সেৱা কেন্দ্ৰ জাৰি কৰা হৈছে নামত কিন্তু আমাৰ স্বাস্থ্য সেৱা কেন্দ্ৰটো আমাৰ সমষ্টিৰ ভিতৰত নহয়। এই অসুবিধাবিলাক নতুন সমষ্টিবোৰ হোৱাৰ পিছত হৈছে। দেখা গৈছে বিভিন্ন ঠাইত হৈছে কিন্তু আমাৰ সমষ্টিত অন্ততঃ চেঙা সমষ্টিত এইখিনি হৈ উঠা নাই। আমাৰ এজন বক্তাই BJP দলৰ সন্মানীয় বিধায়ক ডাঙৰীয়াই নাৰী সবলীকৰণৰ কথা কৈছে , নাৰীক আগুৱাই লৈ যাবলৈ কৈছে। ভাল পাইছো তেওঁলোকক ধন্যবাদ দিছো নাৰীক আগুৱাই লৈ যাব লাগে। সৌ সিদিনা নাৰীক বেয়া ভাৱে ধৰাৰ কাৰণে এজন নেতা তেওঁৰ বিৰুদ্ধে DGP ৰ ওচৰত গোচৰ আহিল। মুখ্যমন্ত্ৰীয়ে নিৰ্দ্দেশ দিলে। আজি সেইজন নেতাৰ ঘৰত মুখ্যমন্ত্ৰী গৈ উঠিছে, তেওঁ ভূপেন বৰাৰ ঘৰত গৈ উঠিছে। মই কৈছো এইটো কেনেকুৱা নাৰী সবলীকৰণৰ কথা আলোচনা হয়। যিজন ভূপেন বৰাই লখিমপুৰৰ মেডিকেল কলেজত এগৰাকী নাৰীক ককালত ধৰাৰ বাবে তেওঁৰ বিৰুদ্ধে অভিযোগ উঠি মুখ্যমন্ত্ৰীয়ে দিছে যে তেওঁৰ বিৰুদ্ধে DGP য়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, সেই enquiryৰ প্ৰতিবেদন কেতিয়া ৰাজহুৱা হ'ব সেই কথাটো মুখ্যমন্ত্ৰী আৰু চৰকাৰৰ তৰফৰ পৰা স্পষ্ট হ'ব লাগে। আজি সেইজন ভূপেন বৰা BJP ত লৈ যাবলৈ মুখ্যমন্ত্ৰীয়ে য'ত আমন্ত্ৰণ দিছে, আচলতে কি নাৰী সবলীকৰণৰ নামত নাৰীৰ শ্লীলতা হানি কৰা মানুহক যদি BJP য়ে যদি আমন্ত্ৰণ জনায় নিজৰ ঘৰলৈ নিব বিচাৰিছে BJP য়ে কি নাৰী সবলীকৰণৰ কথা ক'ব বিচাৰিছে। নিশ্চিতভাৱে বিচৰা নাই। এয়া তেওঁলোকৰ ভূৱা প্ৰচেষ্টাৰ ভূৱা প্ৰচাৰ। ধন্যবাদ মহোদয়।

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী, সভাপতি** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী লৰেন্স ইছলাৰী। তেখেত অনুপস্থিত। এতিয়া মাননীয় সদস্য শ্ৰী দিপ্লু ৰঞ্জন শৰ্মা। আপোনাৰ সময় ৭ মিনিট।

**শ্ৰী দিপ্লু ৰঞ্জন শৰ্মা, চামগুৰি ঃ** ধন্যবাদ। মাননীয় সভাপতি মহোদয়, অসম বাজেট অন্তঃৰৰ্ত্তীকালীন

২০২৬-২০২৭ এক ৰূপান্তৰৰ বাজেট। এই কাৰণে মই প্ৰথমতে মাননীয় স্বপ্নাদ্ৰষ্টা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু আমাৰ বিত্ত মন্ত্ৰী মাননীয়া অজন্তা নেওগ ডাঙৰীয়াণীক মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ মাৰ্গদৰ্শনত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া যি স্বপ্নদস্তা আৰু মাননীয়া বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে ভৱিষ্যত অসমৰ এক ৰূপ ৰেখা এই অন্তবৰ্তী কালীন বাজেটৰ জৰিয়তে এক সামগ্ৰীক ৰূপ ৰেখা মানুহৰ আগত দাঙি ধৰিছে। মই মাননীয়া বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে বাজেটৰ আৰম্ভণিতে দুগৰাকী যুগদস্তা ব্যক্তিৰ তেখেতে নাম উল্লেখ কৰিছে। স্বাধীন ভাৰতৰ প্ৰথমজন উদ্যোগ মন্ত্ৰী ড০ শ্যামা প্ৰসাদ মুখাৰ্জী আৰু স্বাধীন ভাৰতৰ এগৰাকী অন্যতম চিন্তাবিদ Integral Huminism একাত্মক মানৱবাদৰ স্বষ্টা পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জৰিয়তে। যিদৰে ড০ শ্যামা প্ৰসাদ মুখাৰ্জীয়ে প্ৰথম উদ্যোগ মন্ত্ৰী হিচাপে উদ্যোগীকৰণৰ এটা vision প্ৰস্তুত কৰিছিল, এটা ৰূপ ৰেখা প্ৰস্তুত কৰিছিল আৰু তেনেদৰে পণ্ডিত দীনদয়াল উপাধ্যায়ে Integral huminism ৰ জৰিয়তে তেখেতে উল্লেখ কৰিছিল আৰু যিটো আমাৰ ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বাধীন প্ৰত্যেক চৰকাৰৰ মুল সংকল্প অন্তদয়া। অৰ্থাৎ চৰকাৰে এনেদৰে নিতি প্ৰস্তুত কৰিব লাগে যাতে সমাজৰ শেষৰজন ব্যক্তিৰ প্ৰতি লক্ষ্য ৰাখি নিতি প্ৰস্তুত কৰিব লাগে। গতিকে আমাৰ এই চৰকাৰে উদ্যোগিকৰণৰ পৰা আৰম্ভ কৰি artificial inteligence ৰ পৰা আৰম্ভ কৰি, Semi Conduct ৰ পৰা আৰম্ভ কৰি, মহিলা সৱলীকৰণৰ আৰম্ভ কৰি, মই এটা সৰু বিষয় কৈছো যিটো আটাইতকৈ গুৰুত্বপূৰ্ণ যদি শ্ৰদ্ধাঞ্জলিৰ জৰিয়তে বাহিৰত আমাৰ যুৱকৰ মৃত্যু হয়, তেওঁলোকৰ মৃতদেহ অসমলৈ অনাৰ পৰা আৰম্ভ কৰি সৰু সৰু কথাত যেনেদৰে গুৰুত্ব দিছে, সেইখন চৰকাৰে আচলতে প্ৰমাণিত কৰিছে যে সৰ্বব্যাপি আৰু সৰ্বস্পৰ্শী চৰকাৰ, আমাৰ এই অসম চৰকাৰখন।

সন্মানীয় সভাপতি মহোদয়, মই আগতে মাননীয় বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ ভাষণ শুনি আছিলো, তেখেতে আমাৰ বিজেপি vision document খিনি সুন্দৰকৈ কৈ গৈছে। কিন্তু এতিয়া যিহেতু সময় নাই, vision document ৰ গোটেইখিনি বিষয় নকওঁ। কিন্তু তেখেতে বাৰম্বাৰ RBI refference ত কথা কৈছে। কিন্তু তেখেতে হয়তো গোটেই বাজেটখন ভালদৰে নাচালে, বাজেটখন চোৱাৰ লগে লগে ৩ নং পেজত ১১ নং যিটো অনুচ্ছেদত কোৱা আছে যে as per the Reserve Bank of India latest assessment, Assam has Indias firstes growing state at constant price the state gross domestic product expended by 45%, যিটো national average 29%, তাতকৈ আমাৰ 45% expended হৈছে। এইটো হৈছে ৰূপান্তৰ, এইটো হৈছে পৰিৱৰ্তন। ইয়াৰ কাৰণে আজিৰ দিনত সমগ্ৰ অসমৰ ৰাইজৰ আৰ্শীবাদ আজি আমাৰ ভাৰতীয় জনতা পাৰ্টিৰ NDA নেতৃত্বধীন চৰকাৰখনৰ ওপৰত আছে। এতিয়া চাওঁক কেনেকুৱা ধৰণৰ economic transformation হৈছে। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সদায় এটা কথা কয় when India reforms world transforms । আজি যেতিয়া অসমে reforms কৰিছে, এই reforms আজি এটা আমি ভাৰতত growth engine হিচাপে পৰিগণিত হৈছো আৰু সেই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ানিক ধন্যবাদ জ্ঞাপন কৰিছো।

সন্মানীয় সভাপতি মহোদয়, আজি আমি world 4th largest economy, আজিৰ দিনত আমি গোটেই ভাৰতবৰ্ষৰ fastest growing economy অসম। আজি অসমে চাওঁক

কেনেকুৱা ধৰণৰ অবাস্তৱ এটা সম্ভৱ কৰি তুলিব পাৰিছো। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে কৈছে ২০৩০ চনত আমাৰ target আছিল, কিন্তু ২০৩০ চনৰ আগতে প্ৰায় ১০ লাখ কোটি টকাৰ economy achieve কৰিম ২০২৮ চনত। তেখেতে এইটো আশা ব্যক্ত কৰিছে। আমাৰ per capita income দুগুণতকৈ বৃদ্ধি হৈছে ২০২০-২১ বৰ্ষৰ তুলনাত আজি ৮৩ শতাংশ বৃদ্ধি হৈছে আৰু আটাইতকৈ important কথা own Tax যিটো revenue সেইটোৰ Share আমাৰ ৭৫ শতাংশ বৃদ্ধি হৈ ৩০,০৫২ কোটি টকা হৈছে। কংগ্ৰেছৰ দিনত এইটো এটা অলীক কল্পনা আছিল, এটা অলীক সপোন আছিল। মোৰ আটাইতকৈ প্ৰভাৱন্বিত কৰা এই বাজেট খনৰ এটা point হৈছে, Point No. 27 য'ত মাননীয়া বিত্ত মন্ত্ৰী মহোদয়াই খুব সুন্দৰ ভাৱে কৈছে we are not a Government just spent. আমি এখন চৰকাৰ নহয় যে আমি অকল খৰছ কৰোঁ, But we are Government that builts wealth. আমি সম্পত্তি বনাওঁ। কৌটিল্যৰ অৰ্থশাস্ত্ৰত কৈ গৈছে ৰাষ্ট্ৰই কেনেকৈ wealth বনাব লাগে। তুৰূপ কুলত কৈ গৈছে কেনেদৰে wealth বনাব লাগে। আমি যদি greatest fasting economy বোৰ চাওঁ, আমি যদি China ক চাওঁ , জাপানক চাওঁ, জামাৰ্ণীক চাওঁ, কেনেদৰে জাপানে post second world war ৰ পিছত কেনেকৈ ৪ টা strategic point ত গৈ পেলাই নিজৰ wealth নিৰ্মাণ কৰিছিল। কেনেদৰে China ই agriculture Industrial output ৰ ওপৰত তেওঁলোকৰ wealth নিৰ্মাণ কৰিছিল, কেনেদৰে জাৰ্মাণ য়ে Export oriented policy বনাই তেওঁলোকৰ wealth নিৰ্মাণ কৰিছিল আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বতো আজিৰ এই চৰকাৰে semi conductor Industry লৈ আহি এই semi conductor Industry কংগ্ৰেছৰ ভাষাত অসমৰ বাবে উপযুক্ত নাছিল। তেওঁলোকে কোনো ধৰণৰ প্ৰটেষ্ট নকৰিলে। কিন্তু এই semi conductor Industry ৰ জৰিয়তে আগন্তুক দিনত অসমে চাহৰ লগে লগে আমি আজি গোটেই পৃথিৱী শাসন কৰিব পাৰিম। সেই আত্মবিশ্বাস আজি আমাৰ মাজত আহিছে। মাননীয় সভাপতি মহোদয়, সময় বহুত বেছি নাই তাৰ মাজত কেইটামান কথা ক'ব বিচাৰিছো যে আজিৰ দিনত এনেকুৱা কিছুমান আঁচনি গ্ৰহণ কৰিছো যি কেইটা আঁচনিৰ জৰিয়তে আমি যুগান্তকাৰী নিৰৱ সামাজিক বিপ্লৱ আমি কৰিছো। মহিলা সবলীকৰণৰ কথা তেওঁলোকে কৈ আছে, দুই এটা issue উত্থাপন কৰি। তেখেতসকলৰ সমষ্টিত কিমানে নিযুত মইনা পাইছে কওঁক, কেতিয়াবা সম্ভৱ আছিল নেকি আজিৰ নিযুত মইনা আঁচনিৰ জৰিয়তে আজি অসমৰ শদিয়াৰ পৰা আপোনালোকে কোকৰাঝাৰলৈকে যাওঁক, শ্ৰীভূমিৰ পৰা আপোনালোকে ধুবুৰী লৈকে যাওঁক, এনেকুৱা বহুত ৰাস্তাৰ আশে পাশে, গাঁৱে ভূঞে নৰ যুৱকৰ স্বপ্ন লৈ তেওঁলোকে স্বাৱলম্বনৰ পথ লৈছে, এইবোৰ হৈছে ঐতিহাসিক আমাৰ চৰকাৰৰ এইটো এটা প্ৰচেষ্টা। এই প্ৰচেষ্টাক তেওঁলোকে বিৰোধ কৰিব লাগে কাৰণে বিৰোধী দলক আজিৰ দিনত অসমৰ ৰাইজে reject কৰিছে। মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কৈ আছে, তেখেতে কৈ থাকোতে মোৰ এটা কথা মনত পৰিছিল। মই প্ৰায় ১০ বছৰ মানৰ আগত যেতিয়া congress চৰকাৰ আছিল, মই নামনি অসমৰ এটুকুৰা ঠাইত গৈছিলো। তাত এহাল ব্ৰিটিছ দম্পতি আহিছিল। দুমাহ মান থাকিলে। দুমাহ মান থকাৰ পিছত তেওঁলোকে অসমীয়াত খালী দুটা কথাই শুনি গৈছিল। কি শুনি গৈছিল, তেওঁলোকে বুজি পাইছিল, দুটা কথাই ক'ব পাৰিছিল। 'অ' গল, 2nd টো কৈছিল, 'ৰ' আহিল,মই সুধিলো কি গ'ল আৰু আহিল? কৈছে নহয় লাইটতো anytime গৈয়ে থাকে। গতিকে ২৪ ঘণ্টাৰ ভিতৰত তেওঁলোকে ৩০বাৰ ক'ব লাগে। 'অ' লাইট গ'ল, তেওঁলোকে এটা কথা বুজি পালে লাইট গ'ল

লাইট আহিল। আজিৰ দিনত আমাৰ চৰকাৰে power supply ৰ জৰিয়তে কেনেকুৱা ধৰণৰ কৰিছে মই দেখিছো। চৰকাৰে এই ক্ষেত্ৰত দাতাও উল্লেখ কৰিছে। গতিকে মই সন্মানীয় বিৰোধী দলৰ সদস্য সকলক সেই দাতা চাবৰ কাৰণে তেওঁলোকক মই অনুৰোধ জনাইছো। আমাৰ মাননীয় মোদী ডাঙৰীয়াই সদায় এটা কথা কয়, যিটো লাল বাহাদুৰ শাস্ত্ৰীয়ে কৈছিল।"জয় জৱান' জয় কিষাণ'। 'জয় যৱান' জয় কিষান' জয় বিজ্ঞান' মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই তাৰ লগত আৰু এটা কথা যোগ দিছে। 'জয় জৱান' জয় কিষান' জয় বিজ্ঞান, জয় অনুসন্ধান ।Rescareh and Development, Research and Innovationআজিৰ দিনত আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে স্পষ্টভাৱে উল্লেখ কৰিছে যে আমাৰ চৰকাৰে Chief Minister জীৱন অনুপ্ৰেৰনা স্কীমৰ জৰিয়তে Research and সৰু কথা, কিন্তু আগন্তুক ২০০ বছৰৰ planning আমি Researchers Develop কৰিব লাগিব। আজি খেল মহা সংগামৰ জৰিয়তে, মই অলপ আগতে ক্ৰিড়া মন্ত্ৰী নন্দিতা গাৰ্লোচা বাইদেউৰ facebook page আগতে মই দেখা পাইছো, বৰপেটাৰ এখন ক্ৰিকেট stadiumৰ কৈছে যে তেখেতে কোনোবাই ভাবিছিল নেকি? আপোনালোকে সকলোৱে এবাৰ গৈ চাওকগৈ আমি যেনেকুৱা ধৰণৰ ক্ৰিড়া আন্তঃগাঠনি কৰিছো। যেনেকুৱা ধৰণৰ সাংস্কৃতিক মহা সংগ্ৰামৰ জৰিয়তে আমি অসমৰ বিভিন্ন Remote area ৰ পৰা talent বুটলি আনিবলৈ সক্ষম হৈছো। গতিকে এইখন চৰকাৰে কি কাম কৰা নাই সভাপতি মহোদয়,মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই তেখেতে সুদীৰ্ঘ সময় ২০,২৫ মিনিট ক'লে আৰু তেখেতে নক'লে কেনেদৰে গড় হত্যা তেওঁলোকৰ দিনত হৈছিল। কেনেদৰে অসমৰ Economy তেওঁলোকৰ দিনত destructive হৈ গৈছিল। তেখেতে নক'লে কেনেদৰে সত্ৰৰ মাটি বেদখল মুক্ত কৰিবৰ কাৰণে উচ্চ ন্যায়ালয়ে বাৰম্বাৰ নিৰ্দেশ দিয়াৰ পিছতো তেওঁলোকৰ নাকৰ তলত কেনেদৰে আমাৰ হাজাৰ হাজাৰ বিঘা সত্ৰৰ মাটি বেদখল হৈছিল। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি সভ্যতাৰ মুক্ত আৰম্ভ কৰিছো। Civilizational fight আৰম্ভ কৰিছো। ১.৫ লাখ বিঘা ভূমি মাটিও আমি উচ্ছেদ কৰিছো। আৰু অনাগত সময়ত তোষামোদ কৰিবৰ কাৰণে নহয়, মই বাৰম্বাৰ কৈছো, আমাৰ চৰকাৰে সদায় কয়, "সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস' কিন্তু তাৰ লগে লগে আমি এটা কথা কৈছো Justice to all apppesement to none.সেই দিন নাই। তোষামোদ কৰি পেলাই আমি কৰিম। প্ৰায়োজনৰ সময়ত আমি মাটি বেদখল মুক্ত কৰিম। তাৰ কাৰণে সাহসী চৰকাৰ, সৎ শাসণতন্ত্ৰ, আমাৰ মূল মন্ত্ৰই হৈছে, সাহসী চৰকাৰ সৎ শাসনতন্ত্ৰ। আমাৰ চৰকাৰৰ এয়া মূল মন্ত্ৰ, অসমৰ জাতি, মাটি, ভেটি ৰক্ষা কৰিবৰ কাৰণে, অসমৰ সত্যতাৰ মুক্ত চলাই যাবৰ কাৰণে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতি বদ্ধ। আৰু ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসমত আমাৰ চৰকাৰে এই কাম অনাগত সময়ত কৰি যাম। আৰু আমি আশা ৰাখিছো যে অনাগত সময়ত ইয়াতকৈ অধিক জনাদেশ লৈ পেলাই, অসমৰ জনতাৰ আৰ্শীবাদ লৈ পেলায়, আমি চৰকাৰ গঠন কৰি অসমক উন্নতিৰ পথত আগুৱাই লৈ যাম। মই মাননীয় সভাপতি মহোদয় আৰু এক মিনিট সময় বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ**- সভাপতি কওঁক।

**শ্ৰী দিপ্লু ৰঞ্জন শৰ্মা, চামগুৰিঃ**- ড° ভূপেন হাজৰিকা ডাঙৰীয়াৰ আমি জন্ম শতবৰ্ষ পালন কৰিলো। ড° ভূপেন হাজৰিকা ডাঙৰীয়াক আমি ভাৰত ৰত্ন যেতিয়া প্ৰদান কৰিছিলো, আমি এইটো বহুত বেছি achievementবুলি নকওঁ। এইটো তেওঁৰ প্ৰাপ্য। কিন্তু যেতিয়া ড° ভূপেন হাজৰিকা ডাঙৰীয়াক দাদা চাহাব ফ্লাকে বটা প্ৰদান কৰিছিলো, তেখেতৰ মই সদায় এটা কথা বুজি নাপাওঁ,

কংগ্ৰেছ দলৰ সদস্য সকলে ইমান অসম বিৰোধী স্থিতি আপোনালোকে কিয় লৈ থাকে? এই অসমতেতো আপোনালোক ডাঙৰ হৈছে। এই অসমতে আপোনালোকে জন্ম হৈছে, এই অসমৰেতো আপোনালোকে MLA হিচাপে নির্বাচিত হৈছে। ড° ভূপেন হাজৰিকা ডাঙৰীয়াক যেতিয়া আমাৰ 'দাদা চাহাব ফ্লাকে বটা' প্ৰদান কৰিছিল। তেতিয়া আপোনালোকৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে ডাঙৰীয়াই কৈছিল, 'এই গাইয়েককো দে দিয়া' ধিক্কাৰ হয় কংগ্ৰেছৰ ওপৰত। আজি আমি যেতিয়া seme conductor Industryআনিলো,seme conductor Industryআনোতে খাৰ্গে ডাঙৰীয়াই ক'লে যে কেৱল অসমতে কিয়? তেওঁলোকে আমাৰ মেধা নাই বুলি ক'লে, আমাৰ Knowledge নাই বুলি ক'লে,Research নাইকীয়া বুলি ক'লে। কংগ্ৰেছৰ কোনোবা এজনে প্ৰতিবাদ কৰা শুনিলে? কংগ্ৰেছৰ, লগতে ইয়াত কেইবাটাও বিৰোধী দল বহি আছিল। মাননীয় অখিল গগৈ ডাঙৰীয়া। তেওঁলোকে প্ৰতিবাদ কৰা শুনিলে? বৰঞ্চ কংগ্ৰেছ দলৰ সম্পতি গৰাকীয়ে ক'লেহে যে হয় সদায় অসমতে কিয় দিব লাগে। এইয়ে হৈছে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, অসমৰ স্বাৰ্থত সৰ্বোত্তমখিনি লৈ অনাৰ ক্ষমতা ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ আছে আৰু সেই কাৰণে এনেকুৱা মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অসম আজি উন্নতি শিখৰত যাবলৈ সক্ষম হৈছো। মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানী আছে, মোৰ চকুত পৰা নাই। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক মই আৰু এটা কথা Assam House Assemblyত উল্লেখ কৰিব বিচাৰো, প্ৰথম স্বাধীন অসমৰ স্বাধীনতাৰ পিছত অসমৰ প্ৰথমজন Non কংগ্ৰেছী Chief Minister, এজন বিখ্যাত চিন্তাবিদ, এজন বিখ্যাত বুদ্ধিজীৱি, এজন বিশ্বস্ত Socialist নেতা গোলাপ বৰবৰা ডাঙৰীয়াকো কিন্তু কংগ্ৰেছে মনত পোলোৱা নাছিল। এই গোলাপ বৰবৰা ডাঙৰীয়াৰ কৈ জন্ম শতবাৰ্ষিকে কিন্তু এইখন চৰকাৰে তেখেতৰ সৃষ্টি ৰাজি, তেখেতৰ ৰাজনৈতিক চিন্তা চৰ্চাৰ ফ্ৰচলন মানুহৰ মাজত, যুৱ প্ৰজন্মৰ মাজত লৈ যোৱাৰ কাম খিনিত আমাৰ অসম চৰকাৰ খনে কৰিছিলো। গতিকে জাতি, মাটি ভেটি কৃষ্টি সংস্কৃতি, অৰ্থনৈতিক, semi Conductor AIজৰিয়তে Tourism Concert ৰ জৰিয়তেpost Malon ক আনিলো। আজি তেখেত সকলেYoung Generation ৰ কথা কৈছে, আজি tourism ৰ জৰিয়তে আজি কেইদিনমান আগত যেতিয়া ফেলক'ন হয়, জাতিঙ্গা হৈছে। কাৰ্বি Yought festival হৈছে। এটা সময় এনেকুৱা আছিল আমি হাফলং, শিলচৰ যাবলৈ আমি কংগ্ৰেছৰ দিনত চিন্তা কৰিব লগা হৈছিল। আজিৰ দিনত ফেলিক'নৰ সময়ত ডিমা হাচাওঁত যাবৰ কাৰণে আপুনি হোটেল বিচাৰি নাপায় ।This is the progress of Assam. এয়া হৈছে অসমৰ উন্নয়নৰ এক অনিৰূদ্ধ আৰু অৰ্নিবান যাত্ৰা। মই অসমৰ স্বপ্নদস্তা মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক, মাননীয়া বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানিক আন্তৰিক ধন্যবাদ, কৃতজ্ঞতা জ্ঞাপন কৰিছো। এজন অসমবাসী হিচাপে, এজন যুৱ প্ৰজন্মৰ প্ৰতিনিধি হিচাপে, আপোনালোকৰ এই যাত্ৰা অব্যাহত থাকক। বাজক শংখ, অসম আকৌ উন্নতিৰ পথত আমি ইয়াতকৈ অধিক আগুৱাই লৈ যাম সংকল্পৰে মই মোৰ বক্তব্য সামৰনি মাৰিছো। ভাৰত মাতা কি জয়। জয় আই অসম।

**মাননীয় উপাধ্যক্ষ ঃ**- Thank You,Hon'ble Member, Bhaskar jyoti Baruah.

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা,বিধায়কঃ**-উপাধ্যক্ষ মহোদয়, বাজেট লেখানুদান সম্পৰ্কত সদনত মই দুআকাৰ কথা ক'বলৈ আগবাঢ়িছো। মই বেছিকৈ নকওঁ মই মৎস্য পালনৰ দুআষাৰ ক'ব খুজিছো। ইয়াত আমাৰ তাৰগেট আছে ৮০ শতাংশ বৃদ্ধি হৈছে ৫.২, ৯ লাখ মেট্ৰিকটনত আমি উপনিত

হৈছো। মই এইটো কথা ক'ব খুজো যে আজি আমি যিহেতু বিজ্ঞান প্রযুক্তি বিদ্যাত বহুত আগবাঢ়ি গৈছো। গতিকে আমাৰ Projection and supply gap আছে, আমাৰ বৰ্তমান যিটো ২০২৫ত Supply আছে ৫.৩৭ মেট্ৰিকটন আৰু demand আহিছে ১১.৮৭মেট্ৰিকটন,gap আছে ৬.৫০ লাখ Metriction, ঠিক তেনেকৈ এই Figur টো যদি ২০,৩০ লৈকে লৈ যোৱা যায়, তেতিয়া তাত দেখা যায়, ২০,৩০ ত আমাৰ Demand আছে ৬.৯৮ আৰু Supply হৈছে ১৭.০৯ আৰু ১০.১১ মেট্ৰিকটন মাছ আমাৰ আৰু লাগে। গতিকে এই গেপ বিলাক যদি আমি কমাব খুজো, তেতিয়া হ'লে আমাৰ যিটো Ioti anabledযিটো System এই technology দি আমি কৰো। এই Ioti anabled System টো যিটো Internet of thinss সেইটো যদি আমি ব্যৱহাৰ কৰো, সেই Technology,বহুত expensire,আৰুSustained হ'ব যদি চৰকাৰে সেইখিনি কৰি দিয়ে, তেতিয়া কি হ'ব মই আগতে এবাৰ বিধান সভাত কৈছিলো, তিনিবছৰ মান আগতে, তাত মাছৰ টেংক বিলাক এই চেনচৰ বিলাককে মাছৰ Population কিমান হ'ব লাগে, অক্সিজেন লেভেল কেনেকুৱা হৈ আছে, পানী যিটো PH টো কেনেকুৱা হৈ আছে? কৰবাত বেমাৰ হৈছে নেকি? মাছৰ চাইজ এই বিভিন্ন কথা বিলাক তেওঁলোকে এই পেৰামিটাৰ within Certain পেৰামিটাৰচ, এইমাছৰ গোটেই production টো Control কৰিব। এইটো আমাৰ বহুত লেবাৰ খৰচ কমি যায়। গতিকে মই ভাৱো যে যদি লেবাৰৰ খৰচ কমি যায়। মই ভাৱো যদি লেবাৰৰ খৰছ কমে তেন্তে মাছৰ উৎপাদন বাঢ়িব। আমি বাহিৰৰ পৰা মাছ অনা বন্ধ কৰি ইয়াৰ পৰাই ৰপ্তানি কৰিব পাৰিম। ইয়াৰ দ্বাৰা অৰ্থনীতিত বহুখিনি সহায় হ'ব। মই ভাৱো এইটো এটা খুব গুৰুত্বপূৰ্ণ দিশ।

**মাননীয় উপাধ্যক্ষ ঃ** এইক্ষেত্ৰত dedicated power supply লাগিব।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, তিতাবৰ ঃ** হয়, উপাধ্যক্ষ মহোদয়। আমাৰ যথেষ্ট technology improvement হৈছে। গতিকে নিশ্চিতভাৱে আমি এনেধৰণৰ technology আনি অৰ্থনৈতিকভাৱে সৱল হ'ব পাৰিম কিয়নো টাইৱানৰ নিচিনা সৰু দেশ এখনে এনেধৰণৰ technology প্ৰয়োগ কৰি অৰ্থনৈতিকভাৱে পৃথিৱীৰ কেইখনমান দেশৰ লগত যোগ হ'ব পাৰিছে। আমাৰ ভাৰতৰ মানুহ সমূহ খুব কৰ্মী মানুহ। আমিও যদি এনেধৰণৰ প্ৰযুক্তিবিদ্যা সমূহ গ্ৰহণ কৰো তেন্তে আমাৰ দেশখনো বহুত আগুৱাই যাব। দ্বিতীয়তে, মই আৰু এটা কথা ক'ব বিচাৰো মই খেতিৰ background ৰ পৰা অহা মানুহ, মই খেতিয়কৰ মাজত থাকো। ধানৰ দামৰ সম্পৰ্কে আৰু ধান ক্ৰয় কৰাৰ বাবে ৰাজ্য চৰকাৰে FCI ৰ লগত tie-up কৰি আগবঢ়াৰ বাবে মই এই কথাখিনি২০২১ চনৰ প্ৰথম বিধান সভাৰ Member's hour ত কৈছিলো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও কথাটো খুব গুৰুত্ব সহকাৰে লৈ কামখিনি কৰাৰ বাবে খেতিয়কসকলে দাম পাবলৈ সক্ষম হৈছে। FCI ৰ পৰ্য্যাপ্ত godown নোহোৱাৰ বাবে গাৱঁৰ মানুহৰ ধান তেওঁলোকে লোৱা নাই ফলত বাহিৰত খেতিয়কে পাবলগীয়া ধানৰ উচিত মূল্য পোৱা নাই। এনেক্ষেত্ৰত খেতিয়কসকল ক'লৈ যাব? মই মুখ্যমন্ত্ৰী মহোদয়ক message কৰি কৈছিলো যে সমষ্টিবোৰত তেনেধৰণৰ আৰু কেইটামান godown দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ গাঁৱৰ মানুহবিলাকে ধান বিক্ৰী কৰিবলৈ গৰু গাড়ীতে কেইমোন মান ধান লৈ যায়। সেয়েহে আমাৰ গাঁৱতে কিছুমান ল'ৰাক ভেণ্ডৰ হিচাপে দায়িত্ব দিব লাগে যে তেওঁলোকে যাতে ৫০-১০০ টকা কমিশ্যন ৰাখি ধানখিনি

pick-up  কৰি FCI ক দিয়ে। আমাৰ সন্মানীয় বিত্ত মন্ত্ৰী মহোদয়াই এই গোটেইবোৰ কথা জানে গতিকে তেওঁ এই প্ৰক্ৰিয়াটোৰ বিষয়ে যাতে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰে। চৰকাৰৰ যি অভিলাষী আঁচনি য'ত আজি কৃষকসকলক  ২৫০ টকা subsidy দি আছে, তেনে ক্ষেত্ৰত এনেধৰণৰ পদক্ষেপসমূহ ল'লে নিশ্চিতভাৱে আমাৰ কৃষকসকলে ভাল দাম পাবলৈ সক্ষম হ'ব। মই আৰু এক মিনিট সময় ল'ম। আমি আদৰ্শ গাঁৱৰ কথা ভালকৈ শুনো। দুখন দুখন গাওঁ আদৰ্শ গাঁৱৰ ভিতৰত অন্তৰ্ভুক্ত হয়। বিগত সময়ত চৰকাৰে বহুত পুঁজি দিছে। মোৰ সমষ্টিতে বহুত পুঁজি দিছে সেয়া মই বাইদেউৰ সন্মুখতে প্ৰশংসা কৰিছো লগতে বাইদেউক ধন্যবাদো দিছো। কিন্তু বাইদেউ মোৰ এটা কথাই খেদ থাকিল যে আমাৰ গ্ৰামাঞ্চলত ৰাস্তাবোৰ যিধৰণে হ'ব লাগিছিল সেইধৰণে ভিতৰুৱা ৰাস্তাবোৰ হোৱা নাই। ডাঙৰ ডাঙৰ ৰাস্তাবোৰ ঠিকেই হৈছে। গ্ৰামাঞ্চলৰ মানুহখিনিয়ে এতিয়াও বহুত ভুগি আছে। গতিকে চৰকাৰে এবাৰতেই যদি গাঁৱৰ ৰাস্তাবোৰ ঠিক কৰি দিয়ে তেন্তে গাঁওবোৰ দেখিবলৈ শুৱনি হ'ব, মহিলাৰ স্বাৱলম্বী হোৱাৰ বাটো মুকলি হ'ব। মই আৰু বিশেষ নকওঁ,এইখিনি ক'বলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাই অনাগত নিৰ্বাচনীত সকলোৰে জয়ী হৈ ঘূৰি আহক তাৰবাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই পুনৰ লগ পোৱাৰ আশাৰে সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। খুব ভাল কথা কৈছে।
এতিয়া মাননীয়  সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়ণী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই গুৰুত্বপূৰ্ণ শিতানত আপুনি ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। বিৰোধী দলৰ দলপতি সন্মানীয় বিধায়ক শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই তেওঁৰ বক্তব্যত CAG Report ৰ কথা প্ৰকাশ কৰিলে। তেওঁ বিৰোধী দলৰ দলপতি হ'ব পাৰে কিন্তু তেওঁ CAG Report ত ভাল বেয়া যিখিনি আছে সকলোখিনি ক'ব লাগিছিল কিন্তু পুৰণি CAG ৰ  Report ৰ ভিত্তিত বক্তব্য ৰখাটো আৰু সদনক বেলেগ দিশলৈ লৈ যোৱাটো দুৰ্ভাগ্যজনক। CAG ৰ  Report ৰ এটা পৃষ্ঠাত থকা conclusion ত উল্লেখ থকা কথা কেইটামান মই ক'ব বিচাৰিছো- The GSDP of Assam grew from Rs. 3,46,850.68 cr. in 2019-20, Rs. 5,70,242.61 cr. in 2023-24 in CAGR of 13.23% against the National CAGR of 10.10%. Further, the State could achieve revenue surplus in only one year out of the five year period from 2019 to 2023-24. During, 2023-24 the State had a revenue deficit of Rs. 2,628.41 cr. against the revenue deficit of Rs. 12,072.35 cr. in 2022-23. Again, the State was successfull in containing the fiscal deficit below the target fixed under the Assam Fiscal Responsibility and Budget Management Act in one of the last five years. During the current year i.e. 2023-24 the fiscal deficit of a State should at 3.66% of GSDP which was marginally above the borrowing limit of 3.50% fixed by the Assam Fiscal Responsibility and Budget Management Act. In 2022, in abso-

lute term, fiscal deficit decreased significantly by Rs.9,350.14 cr. i.e. 30.96% from Rs. 30,204.83 cr. to Rs. 20,854.69cr. চমুকৈ ক'বলৈ গ'লে বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বি.জে.পি. চৰকাৰখন তথা অসমৰ প্ৰথম গৰাকী মহিলা বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়াণীৰ বাজেটখনে এক নতুন শিখৰলৈ গৈ আছে। মই ইমান বছৰ বিধান সভাত আছো কিন্তু অসমৰ বাহিৰত যদি এজন আপোন লোকৰ মৃত্যু হয়, এই মৃতদেহ আনিবলৈ বিধায়ক সকলে বা ওচৰৰ দল সংগঠনে উৰা জাহাজ বা train বা Ambulance ত গাড়ী ভাড়া কৰি আনিব লগা হয় আৰু দুই তিনিদিনৰ পিছত হয়তো বিশেষকৈ গৰম দিনত আমি গেলি যোৱা মৃতদেহ জ্বলাবলগীয়া হৈছে। পূৰ্বৰ চৰকাৰে হয়তো কৰ্ম সংস্থাপনৰ সৃষ্টি নকৰাৰ বাবে বিভিন্ন কাৰণৰশত অসমৰ লোকে অসমৰ বাহিৰত কাম কৰিবলগীয়া হৈছিল। কিন্তু বৰ্তমান চৰকাৰে বাহিৰত মৃত্যু হোৱা লোকক স-সন্মানে আনি পৰিয়ালক গতাই দি শ্ৰদ্ধাঞ্জলি দিব পৰাৰ ব্যৱস্থা কৰিছে। অসমত কেইবছৰমান আগলৈকে কৰ্মচাৰীক দৰমহা দিব পৰা নাছিল। এইখন অসমতে কেইবছৰমান আগতে সাংস্কৃতিক মহা সংগ্ৰাম, খেল মহাৰণ, নতুন ক্ৰীড়া প্ৰকল্প স্থাপন কৰাৰ বাবে পইচা নাছিল। বিভিন্ন কাৰণত কৰ্মচাৰীয়ে আন্দোলন, ৰাস্তাত ধৰ্মঘট, প্ৰতিবাদ কৰাৰ লগতে জনজাতীয় ডেকা যুৱক সকলে হাতত বন্দুক তুলি লৈছিল। কাৰ্বি বিদ্ৰোহ, ডিমাছা বিদ্ৰোহ, বড়ো বিদ্ৰোহ, আদিবাসী বিদ্ৰোহ হৈছিল। কিন্তু পৰৱৰ্তী সময়ত ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে শান্তি স্থাপন কৰিলে।বৰ্তমান সময়ত আমি যদি চাওঁ বিভিন্ন উদ্যোগ স্থাপন কৰা হৈছে। এইখন অসমতে চাহ বাগানৰ শ্ৰমিকক অন্য জাতি জনগোষ্ঠী লোক সকলৰ লগতে আলি-কুলি কংগ্ৰেছৰ লগত থাকিবই বুলি কেবল সূতা, কম্বল, লুঙি, টুপি দি আছিল। চাহ বাগানৰ শ্ৰমিকক নিৰ্বাচনৰ আগত কিবা এটা দি ভোট পাবলৈ বিচৰা সেই কংগ্ৰেছ দলৰ চৰকাৰ খনৰ কথা মই সোঁৱৰাই দিছো। আজি মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনে আজি ২০০ বছৰে মাটিত ঘাম পেলাই, দেশক আৰু ৰাজ্যখনক চহকী কৰা, চাহ জনগোষ্ঠী আদিবাসী লোক সকলক মাটি পট্টাৰ ভূমি অধিকাৰ প্ৰদান কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। সকলো সন্মানীয় বিধায়ক সকলে বিভিন্ন দিশত বক্তব্য ৰাখিছে আৰু মই ইমান কব বিচৰা নাই। আজি ছাত্ৰী সকলৰ বাবে যদি নিযুত মইনা, ছাত্ৰ সকলৰ বাবে বাবু আঁচনি কৰা হৈছে। এইবিলাক নতুন পদক্ষেপ। এইখন অসমত কেইদিন মান আগত দুজন মান অন্য ৰাজনৈতিক দলৰ পৰা আমাৰ BJP দলত যোগদান কৰিছি। তেতিয়া মই সুধিছিলো যে, আপোনালোকে যোগদান কৰাৰ পিছত কি পৰিৱৰ্তন পাইছে? তেওঁলোকে কয় বোলে আন্দোলন কৰিবলৈ মানুহ নাই । আমাৰ ল'ৰাই অসম পুলিছত চাকৰি ওলাব, ছোৱালীয়ে GNM ত চাকৰী ওলাব, দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই SSC পৰীক্ষা ১০০ নিযুক্তি প্ৰদান কৰিব মোৰ ল'ৰাটো পঢ়ি আছে, মোৰ ছোৱালী জনী পঢ়ি আছে। মাক মই ভাত বনাই খোৱাব লাগিব। দেউতাক মই কাপোৰ uniform, জোতা আনি দিব লাগিব। এইখন অসমত এতিয়া সকলোৱে ব্যস্ত। অসমখন নিজৰ পৰিয়াল চাবলৈ ব্যস্ত? আন্দোলন কৰিবলৈ যদি কোনোবাই মাতিছে, এতিয়া নহা হৈছে। কিয়? এই budget খনে প্ৰতি পতিপন্ন কৰে, বিৰোধী দলৰ দলৰতী ডাঙৰীয়াই প্ৰতিশ্ৰুতি পুৰণ নকৰাকলৈ কৈছে। আজি এই প্ৰতিশ্ৰুতি অসমৰ ইতিহাসত ৬০ শতাংশৰ ওপৰত, পূৰ্বৰ কংগ্ৰেছ চৰকাৰে ৬০ শতাংশ টকাৰ budget খৰচ কৰিব নোৱাৰে আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰৰ নেতৃত্বত আৰু মাননীয় মন্ত্ৰী অজন্তা নেওগৰ নেতৃত্বত ৮০ শতাংশ কি- ৮৬ শতাংশ budget ৰ টকা খৰচ কৰিবলৈ সক্ষম হৈছে। আজি এইখন চৰকাৰৰ দিনত যদি অসম দৰ্শনৰ কথা ক'বলৈ যাও,

মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই উপলব্ধি কৰিলে যে অসম দৰ্শন নাম ঘৰত সীমাবদ্ধ হৈ থাকিব নালাগে। অসম দৰ্শন উপাসনা গৃহলৈ ৰূপান্তৰিত হ'ব লাগে । নাম ঘৰ মোৰেং ঘৰ, লগতে খ্ৰীষ্টিয়ান সম্পদায় লোকৰ গীৰ্জা ঘৰ আৰু ইছলাম ধৰ্মৰ মছজিদলৈ দিব লাগে। আ ৰু এতিয়া জাতি জনগোষ্ঠী ধৰ্ম অনুষ্ঠানলে আমি, যেনে মই মোৰ মৰিয়নী জিলাত আৰম্ভ কৰিছো। এতিয়া সকলো বিধায়কে তেনেকৈ দিয়া আৰম্ভ কৰিছে। প্ৰত্যেক জাতি জনগোষ্ঠীৰ সন্মান আজি এনেধৰণৰ যুগান্তকাৰী পদক্ষেপ যদি চাব য়াও, ইতিমধ্যে দিপ্লু ৰঞ্জন জাঙৰীয়াই কৈছে। মই google ত আৰু Chatgpt ত search কৰিব চেষ্টা কৰিলো যে, RBI য়ে কেতিয়াবা আগতে অসম চৰকাৰক স্বীকৃতি দিছিল নেকি? কেতিয়াও দিয়া নাই। পোনপ্ৰথম বাৰৰ বাবে RBI য়ে স্বীকৃতি দিছে যে, অসম ভাৰতৰ fastest growing State. আজি ভাৰতৰ স্বাধীনতাত ৮০ বছৰত ভৰি দিব উলাইছো। হয় গৰিষ্ঠ সংখ্যক আছিল আমাৰ কংগ্ৰেছ দলৰ চৰকাৰ। Assam's GSDP grew by 45 % which is higher than National average of 29%. 16th Finance Commission ৰ report ৰ কথা যদি আমি চাও, increased share to 3.25%, looking at this exceptional performance of Assam Government, 16th Finance Commission য়ে আমাৰ share আগৰ তুলনাত ৩.২৫ শতাংশ বৃদ্ধি কৰিলে। আগতে কোনো Finance Commission য়ে কোনো State Government ক এনেধৰণে বৃদ্ধি কৰি দিয়া নাছিল। Economic Survey of Assam has projected growth of 16.93% with the GSDP estimated at 8 lakhs 71 thousand 4 hundred 51 crore for the 2025-26, 2026-27. অহা বৰ্ষত আমি এটা এনে পৰ্য্যায়ত পাবলৈ গৈ আছো। আমি যদি চাবলৈ যাও own tax revenue increase হৈছে য'ত আমি কেন্দ্ৰীয় চৰকাৰৰ ওপৰত ভৰষা কৰি আছিলো, সেইটো আমি dependent হ'ব নালাগে। Its a goods sign. আকৌ মোৰ ক'ব মন গৈছে ১০ বাৰ ১০০ বাৰ মন যাব বাজেট utilization অসমৰ ইতিহাসত ৫৮ শতাংশৰ ওপৰত আজিলৈকে ৮০ বছৰ হ'ল কোনো চৰকাৰে কৰিব পৰা নাছিল। কিন্তু ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত মাননীয় বিত্ত মন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে আজি বলিষ্ঠ পদক্ষেপত আমি বাজেট allocation ৰাইজক প্ৰদান কৰিবলৈ সক্ষম হলো। Capital expenditure যদি আমি চাবলৈ যাওঁ এতিয়াও আমি ইতিহাস ৰচিবলৈ গৈ আছো। The capital expenditure have risen over eight times. আকৌ যদি credit deposit চাব যাও, it has also increased from 56.09% to 74.48% reflecting deployment of bank deposit within Assam. অৰ্থাৎ আমাৰ চাহ বাগিচাৰ শ্ৰমিকৰ বেংক একাউন্ট খোলা আৰু লগতে ৰাইজ স্বতঃফূৰ্ত ভাবে বিভিন্ন আঁচনি অৰুণোদয়ৰ পৰা আদি কৰি উজ্বলা গেছৰ লগতে কৰি আয়ুষ্মান ভাৰত আঁচনিকে আদি কৰি মানুহে বেংকৰ একাউন্ট খুলিব লৈছে। বেংকৰ deposit তুলনামুলক ভাবে যদি চোৱা যায় ৫৬.০৯ শতাংশ পৰা ৭৪.৪৮ শতাংশলৈ বৃদ্ধি হৈছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ মহোদয়** ঃ এতিয়া মাননীয় সদস্য, ড° ৰফিকুল ইছলাম,

**ড° ৰফিকুল ইছলাম, সদস্য** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যোৱাকালি যিখিনি লেখানুদান দাখিল কৰিলে, ৬২ হাজাৰ কোটি টকাৰ বাজেট দাখিল কৰিছে। তাতে যোৱা ৫ বছৰ ধৰি চৰকাৰে যিখিনি কাম কৰি আছে আৰু আঁচনি বিলাক লৈছে সেইখিনিৰ বিৱৰণ তাত তেখেতে

উল্লেখ কৰিছে। ৬২ হাজাৰ কোটি টকাৰ estimated budget তেখেতে দাখিল কৰিছে। আমি লক্ষ্য কৰিছো যে অসমৰ দৰে এখন কৃষি প্ৰধান ৰাজ্যত, যোৱা দিনবোৰত ৫ বছৰ কাৰ্য্যকালত কৃষকৰ কাৰণে বিশেষ কোনো কাম কৰা চকুত পৰা পৰিলক্ষিত হোৱা নাই। অসমৰ যদি more than 80% কৃষিজীৱি, খেতিয়ক সকল। কিন্তু ইয়াত Irrigation ৰ কোনো ধৰণৰ বিশেষ ব্যৱস্থা নাই। আজি পাঞ্জাৱ, হাৰিয়ানাৰ নিচিনা ৰাজ্যত more than 90% Irrigated কৰিছে। তাতে কৃষক সকলে আল্লাৰ ভৰষাত বহি থাকিব নালাগে যে, পানী ওপৰৰ পৰা পৰিব আমি খেতি কৰিম। কিন্তু অসমৰ দৰে এখন ৰাজ্যত বানপানী আহিলে এইফালে ঢুই লৈ যায় আনফালে কেতিয়াবা খৰালি, খৰাং কেতিয়াবা হৈ যায়, খেতিবাতি কৰিলে এইখিনি জ্বলি যায়। অৱশেষত খেতিয়ক সকল ক্ষতিগ্ৰস্থ হয় আৰু যিখিনি সামগ্ৰী উৎপাদন হয়, সেই উৎপাদিত সামগ্ৰীখিনিতো তেখেত সকলে সঠিক মূল্য নাপায়। MSP ৰ কোনো বিশেষ ব্যৱস্থা নাই, ধানৰ বাহিৰে। যোৱা দুটা বছৰৰ পৰা চৰকাৰে কিছু পৰিমাণে ধান ক্ৰয় কৰি আছে। তাতে এটা MSP ধাৰ্য্য কৰিছে। ঠিক আছে ২ টকা কৃষকে পাইছে। ইয়াৰ আগতে বিধান সভাত দাবী উত্থাপন কৰিছিলো যে, অকল ধানেই নহয় ধানৰ লগে লগে আৰু বহু কেইবিধ সামগ্ৰী আছে। যিখিনি কৃষকে উচিত মূল্য পাই থকা নাই। সেইখিনিত যদি MSP দিয়া যায় আমাৰ কৃষকে লাভান্বিত হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, নামনি অসমত যদি যায় মোৰ মন্দিয়া সমষ্টিকে আদি কৰি ধুবুৰী, বৰপেটা, দৰং আদি অঞ্চল বিলাকত বহুত আলুৰ খেতি হয় কিন্তু আজিৰ সময়ত তেখেত সকলে যিমানখিনি ১ বিঘা খেতি কৰোতে প্ৰায় ৪০ হাজাৰ মান টকা তেখেত সকলৰ ক্ষতি হয় আৰু এতিয়া আলু খিনি উঠাই বজাৰত বিক্ৰী কৰিলে কেতিয়াবা ৪০ হাজাৰ নাপায়। কিন্তু কিছুদিন যদি শিত'ল ভৰালত থৈ দি বিক্ৰী কৰে তিনিগুণ বেছি মূল্য তেখেত সকলে পাব। যোৱা ৫ টা বছৰে আমি লক্ষ্য কৰিলো বাজেটত শীতল ভৰালৰ বাবে অসমত কতো ঠাই নাপালে আৰু পইচা ধাৰ্য্য কৰা নহ'ল আৰু অসমত নাই কোনো জিলাতে চৰকাৰী ভাবে শীতল ভৰাল কিন্তু নিৰ্মাণ কৰা হোৱা নাই আৰু খেতিয়ক সকলৰ উৎপাদিত সামগ্ৰী তাতে ৰাখি সঠিক মূল্য যাতে তেখেত সকলে পায় তাৰ ব্যৱস্থা কৰা নহ'ল। যিহেতু আজি বিত্তিয় মন্ত্ৰী ডাঙৰীয়ানী আছে, শীতল ভৰালৰ খুব প্ৰয়োজন আছে। কিয় কৃষকৰ সুবিধাৰ বাবে কথাখিনি নকৰে। এইখিনি কথা তেখেতে উল্লেখ কৰিব। অনাগত দিনত মন্দিয়াৰ পৰা ধুবুৰীলৈকে দলগাওঁ আদিত খেতি ভাল হয়। সৰভোগ হ'ল বৰপেটাৰ ডাঙৰ market, দলগাওঁ market, বৰপেটা market, কিন্তু কৃষক সকলে উচিত মূল্যটো নাপায়.।

সৰিয়হ আপুনি দিলে কিন্তু কিনা-বেচা হোৱা নাই সামগ্ৰীৰ ওপৰত যদি MSP দিয়া হয় তেতিয়া খেতিয়ক সকলৰ লাভ হব। দৰকাৰ হলে তাৰ বাবে পইছা বাজেটত ধৰক লগতে Cold Storage বনাওঁক প্ৰত্যেক জিলাত প্ৰত্যেক সমষ্টিত তেতিয়া আমাৰ কৃষক সকল লাভ হব। আমাৰ নিচিনা এখন কৃষি প্ৰধান ৰাজ্যত কৃষক সকলক জলসিঞ্চনৰ ব্যৱস্থা, Cold Storage আৰু MSP ৰ সুবিধা দিয়া নহয়, আমাৰ কৃষক সকল সহজ সৰল পঞ্জাৱ বা হাৰিয়ানাৰ দৰে আন্দোলন কৰিবলৈ নাহে, গতিকে তেখেত সকলক আন্দোলন মুখি কৰাৰ পৰিবৰ্তে চৰকাৰে এইখিনি কৰিব লাগে। বাজেটত শিক্ষাৰ ক্ষেত্ৰত বহুতো পইছা ধাৰ্য্য কৰা থাকে কিন্তু ভেন্সাৰ স্কুলৰ শিক্ষক সকলে যোৱা বাৰো দাবি কৰিছিল আৰু আমাৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানী আছে কিন্তু তেখেত সকলৰ কাৰণে ৫০০/৭০০ টকা বৃদ্ধি কৰিলে, লাগিলে বাজেটত পইছা আৰু বঢ়াই লওক। এজন মানুহে হাজিৰা কৰিলে মাহত অতি কমেও ১৫০০০ টকা পাই কিন্তু এই শিক্ষক সকলে মাহত মাত্ৰ

১২০০০ হেজাৰ টকা পাই গতিকে এই শিক্ষক সকলৰ লগত অন্যায় কৰা হৈছে। এতিয়া চৰকাৰৰ বিত্তীয় অবস্থা ভাল নোহোৱাৰ কাৰণে হয়টো এই বাদ পৰা শিক্ষক খিনিক ল'ব পৰা নাই। ক'লেজৰ পৰা আৰম্ভ কৰি ২০০২-০৩ চনৰ পৰা ক'লেজৰ শিক্ষক লোৱা হৈছিল তাৰে কিছুমানৰ পদ প্ৰাদেশীকৰণ হল বাকী ১৫০ মান শিক্ষকৰ পদ এতিয়াও হোৱা নাই তেওঁলোকৰ ফাইল বছৰ বছৰ ধৰি পৰি আছে। ইয়াৰোপৰি যিখিনি বাদ পৰা শিক্ষক, মাদ্ৰাছা খিনিক Convert কৰা হ'ল কিন্তু লোৱা হোৱা নাই, DISE Code ৰ কাৰণে বাদ দিয়া হল। এই ক্ষেত্ৰত মই ভাৱো শিক্ষা মন্ত্ৰী বা বিত্ত মন্ত্ৰীৰ মন থাকিলেও পইছাৰ অভাৱৰ বাবে কৰিব পৰা নাই। এই শিক্ষক সকল যি সকলে সমাজৰ মানব সম্পদ গঢ় দিয়ে গতিকে তেখেতসকলৰ প্ৰতি অলপ গুৰুত্ব দিয়াটো উচিত। মোৰ জিলা বা সমষ্টিৰ বহুঠাইত এতিয়াও উচ্চতৰ মাধ্যমিক বিদ্যালয় নাই। মোৰ সমষ্টিৰ চতলাত পাচ খন গাওঁ পঞ্চায়তৰ ভিতৰত মাত্ৰ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে যলৈকে ২০ কিঃ মিঃ দূৰৰ পৰা আহিব লাগে। মোৰ সমষ্টিৰ গজিয়া, কাদংবাৰী, চতলা, জয়পূৰ, সত্ৰকণৰা, এই অঞ্চল বিলাকত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বহুত প্ৰয়োজন। এইবাৰ বাজেটত স্বাস্থ্য খণ্ডৰ বাবে বহুতো পইছা ধৰা হৈছে যদিও আৰু হয়টো পইছা লাগিব কাৰণ কৰ্কট ৰোগীৰ সংখ্যা বহুত বাঢ়িছে। যেতিয়া এই কৰ্কট ৰোগী সকলে বি. বৰুৱা বা অন্যান্য হস্পিতাললৈ যায় তাত তেওঁলোকে বহু দিনলৈকে বিনা চিকিৎসাই থাকিব লগা হয় কাৰণে আয়ুস্মান কাৰ্ডৰ সুবিধা নোহোৱাৰ বাবে। যদি কৰ্কট ৰোগী এজনে চিকিৎসাৰ বাবে এমাহ ৰখিব লগিয়া হয় তেতিয়া এই বেমাৰটো বহুত বেছি পৰিমানে বৃদ্ধি হব। গতিকে মই অনুৰোধ কৰিছো যে লাগিলে আৰু পইছা বাজেটত ধৰক কিন্তু কৰ্কট ৰোগীৰ চিকিৎসা বিনামূলিয়া হব লাগে আৰু আয়ুস্মান কাৰ্ড পোৱাৰ বাবে মাহৰ পিছত মাহ অপেক্ষা কৰিব লগীয়া হব নালাগে। তিনি দিনৰ ভিতৰত চিকিৎসাৰ ব্যৱস্থা কৰিব লাগে। ইয়াত জনস্বাস্থ্য কৰিকৰী বিভাগৰ কথা কোৱা হৈছে আৰু জলজীৱন মিছনৰ যিখিনি কাম কৰিছে তাৰ কৰ্মী সকলে পইছা পোৱা নাই। এফালে এই কৰ্মী সকলৰ মাননী বৃদ্ধি কথা কোৱা হৈছে কিন্তু মানুহে পানী পোৱা নাই। আজিৰ পৰা ছয় সাত বছৰ আগতে স্বচ্ছ ভাৰত মিছনৰ অধীনত কাম কৰা বহুত সৰু ঠিকাদাৰে আজিও পইছা পোৱা নাই গতিকে চৰকাৰে এইবোৰৰ প্ৰতি মনোযোগ দিয়াটো উচিত।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাৰ সময় শেষ হল।

**ড০ ৰফিকুল ইছলাম, জনিয়া** ঃ মাননীয় উপাধ্যক্ষ মহোদয় মই আধামিনিটত কথাখিনি শেষ কৰিম। আজি বাজেটত যিখিনি জনমুৰি আয়ৰ কথা কৈছে যে এইটো 1.85 লাখ টকা হল, তেতিয়া হলে এতিয়াও ৮৪ শতাংশ মানুহক বিনামূলীয়া চাউল দিব লগীয়া হৈ আছে। বিনামূলীয়া চাউলৰ নিয়ম আছে যে কোন বোৰ মানুহে পাব। কিন্তু যদি 1.85 লাখ আমাৰ জনমুৰি আয় আৰু আনফালে ৮৪ শতাংশ মানুহক বিনামূলীয়া চাউল দি থকা হৈছে। গতিকে মই ভাবো বিত্ত মন্ত্ৰীয়ে এইটোৰ সঠিক বিশ্লেষন কৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী সঞ্জয় কিষান।

**শ্ৰী সঞ্জয় কিষান, তিনিচুকীয়া** ঃ মাননীয় উপাধ্যক্ষ, আমাৰ বিত্ত মন্ত্ৰী যি বাজেট উত্থাপন কৰিছে তাৰ ওপৰত মই দুটা মান কথা কব বিচাৰিছো। বহুতে বহু ধৰণৰ কথা কৈছে। অলপতে মৰাণৰ ৰাজ পথত প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ উৰাজাহাজ নমাৰ সময়ত তেতিয়া কেৱল অসম বা ভাৰতবৰ্ষই নহয় সমগ্ৰ বিশ্বই এই উপলব্ধি কৰিছিল ভাৰতৰ এখন অসম নামৰ ৰাজ্য আছে আৰু সেইখন ৰাজ্যৰ ৰাজপথৰ ওপৰতে প্ৰধান মন্ত্ৰী উৰাজাহাজ নামিব পৰা পৰিবেশৰ সৃষ্টি হৈছে। ইয়ে বিশ্ববাসীক

বুজাই দিছে যে অসম কি দৰে বিকশিত হৈছে। মই চাহ বাগিছাৰ পৰা অহা বিধায়ক হিচাবে কব বিচাৰো যে যোৱা ১০ টা বছৰত বিশেষকৈ যোৱা ৫ বছৰত চাহ বাগিছা অঞ্চলত যিমান বিলাক আচনি ৰূপায়িত কৰা হ'ল তাৰ পৰা আদিবাসী চাহ জনগোষ্ঠী সমাজ খন উন্নতিৰ দিশত আগবাঢ়ি যাবলৈ সক্ষম হৈছে। কংগ্ৰেছে ইয়াৰ আগতে আটাইতকৈ বেছি সময় ৰাজত্ব কৰিছিল কিন্তু সেই সময়ত অতি দুখ লগা অৱস্থা বিশেষকৈ চাহ বাগিছা অঞ্চলত আছিল। বৃটিছে যি বিলাক LP স্কুল বনাই গৈছিল সেইটোৱে এক মাত্ৰ শিক্ষাৰ ব্যৱস্থা তাৰ বাহিৰে অন্য কোনো শিক্ষাৰ ব্যৱস্থা নাছিল। কিন্তু আমাৰ চৰকাৰ আহাৰ পিছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি ২৫ লাখ টকা খৰছ কৰি একো একোখন চাহ বাগিছাত ২/৩ খনকৈ আদৰ্শ অংগনবাদী কেন্দ্ৰ নিৰ্মাণ কৰাৰ পিছত আমাৰ শিশু সকলে প্ৰথম বাৰৰ বাবে ভাল এখন স্কুলত তেওঁলোকে শিক্ষা গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল তাৰ লগতে যিবোৰ আদৰ্শ বিদ্যালয় বনোৱা হৈছিল তাৰ পৰা যোৱাবাৰ প্ৰায় একোখন বিদ্যালয়ৰ পৰা ২০/২৫ জন ছাত্ৰ-ছাত্ৰীয়ে মেত্ৰিক পাছ কৰিবলৈ সক্ষম হৈছিল আগতে ২/৩ জনহে মেত্ৰিক পাছ কৰিছিল। এতিয়া চাহ বাগিছা অঞ্চলত অংগনবাদী কেন্দ্ৰত ল'ৰাটোৱে নামভৰ্তি কৰিব, তাৰ পৰা হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় পঢ়িব। এই পৰিবেশ আমাৰ চৰকাৰখনেহে দিছে। মই বিৰোধী দলক গৰিহণা দিছো, কাৰণ তেওঁলোকে বছৰ বছৰ ধৰি এই লোক সকলৰ ভোট ল'লে আৰু তেওঁলোকক ভোট বেংক হিচাপে ব্যৱহাৰ কৰিছিল।
সেই সকলৰ দুখ বেদনা তেওঁলোকে কোনো দিনে কোনো কথাই তেওঁলোকে চিন্তা নকৰিলে।

মাননীয় উপাধ্যক্ষ মহোদয়, ঠিক তেনেকৈ স্বাস্থ্যৰ ক্ষেত্ৰতো চাওঁক, আজি বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কিবা এটা হিচাপ দিলে। কিন্তু মই তেখেতক ক'ব বিচাৰিছো যে আজি স্বাস্থ্য দিশত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যি দৰে চাহ শ্ৰমিকসকলে উপকৃত হৈছে। আজি প্ৰতিখন চাহ বাগিছাত নতুনকৈ ambulance প্ৰদান কৰাৰ পিছত, কংগ্ৰেছে এই বিলাক কথা কেতিয়াও ভাবিবই পৰা নাছিল, যাৰ কাৰণে এটা ৰোগী লৈ যোৱাৰ পিছত কেতিয়াবা ট্ৰেক্টৰ আদি তেনেকুৱা ধৰণৰ ব্যৱস্থাৰে নিয়াৰ ফলত ৰাস্তাতে মৃত্যু বৰণ কৰিবলগীয়া হৈছিল। কিন্তু এতিয়া প্ৰতিখন চাহ বাগিছাতে নতুনকৈ ambulance একো একোখন দিয়া হৈছে, য'ত আজি গৌৰৱৰে শ্ৰমিকসকলে তেওঁলোকৰ ৰোগীক চিকিৎসালয়লৈ নিয়াৰ কাৰণে সুবিধা হৈছে।

আজি প্ৰতিখন চাহ বাগিছাতে চৰকাৰৰ ফালৰ পৰা দৰৱ পাতিৰ ব্যৱস্থা কৰা হৈছে। য'ত নেকি আগতে কোৱা হৈছিল চাহ বাগিছাত কেৱল ৰঙা দৰৱে পোৱা যায়। জ্বৰ, পেটৰ বিষ হলে, সকলো বিলাকতে ৰঙা দৰৱ প্ৰদান কৰা হৈছিল। কিন্তু আজিৰ তাৰিখত সেই পৰিৱেশ বিলাক চাহ বাগিছাত নাই। ডাক্তৰৰো উপযুক্ত ব্যৱস্থা কৰা হৈছে।

ঠিক তেনেকৈ গৰ্ভৱতী মহিলাৰ কাৰণে ইতিমধ্যে চৰকাৰে চিন্তা কৰিলে, যোৱা দিন বিলাকত, কংগ্ৰেছ চৰকাৰৰ দিনত আমাৰ শিশু সকলৰ আৰু গৰ্ভৱতী মহিলাসকলৰ মৃত্যু চাহ বাগিছাতে হৈছিল। কিন্তু সেই পৰিৱেশ এতিয়া নাই। তেওঁলোকে যিমানে যি নকওঁক কিয়, সেই পৰিৱেশ বিলাক ইতিমধ্যে পৰিবৰ্তন হৈছে। একো একোগৰাকী গৰ্ভৱতী মহিলাই ১৫ হাজাৰ টকালৈ পোৱাৰ কাৰণে সক্ষম হৈছে। যাৰ কাৰণে তেঁওলোকৰ স্বাস্থ্যৰ উন্নতি হৈছে, গৰ্ভত থকা সন্তানটোৰ যত্ন ল'ব পৰা হৈছে। তেওঁলোকে গৰ্ভপাত কৰাৰ পিছত উপযুক্তভাৱে সকলোবিলাক সুবিধা গ্ৰহণ কৰিব পৰা হৈছে আৰু যাৰ কাৰণে মৃত্যুৰ সংখ্যা ইতিমধ্যে কমি আহিছে। আমি যদি চাওঁ, ২০১৩ চনত আছিল ৫৪ শতাংশ, ২০১৫ চনত আছিল ৪৭ শতাংশ, ২০১৮ চনত আছিল ৪৪ শতাংশ, ২০২০ চনত আছিল ৩৬ শতাংশ, ২০২২ চনত আছিল ৩৮ শতাংশ, ২০২৩ চনত

আছিল ৩৬ শতাংশ, এনেধৰণৰ উদাহৰণ দি আমি ক'ব পাৰো। আজি চাহ বাগিছা অঞ্চলত নাৰ্চ আশাকৰ্মীসকলে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। গৰ্ভৱতী মহিলা গৰাকীয়ে কি খাব, কি নাখাব, কেনেকৈ যত্ন ল'ব, সকলো বিলাক উচিত ব্যৱস্থা কৰা হৈছে। শিশুসকলক উপযুক্ত দৰৰ পাতি সময়মতে প্ৰদান কৰা হৈছে। গৰ্ভৱতী মহিলা গৰাকীক সম্পূৰ্ণভাৱে তদাৰক কৰা হৈছে। যাৰ কাৰণে এনেধৰণৰ পৰিৱেশ বিলাক চাহ বাগিছা অঞ্চলত দেখিবৰ কাৰণে সক্ষম হৈছো।

ইতিমধ্যে প্ৰায় ১.৫ কোটি টকা খৰচ কৰি সুন্দৰভাৱে জগন্নাথ ভৱন বিলাক নিৰ্মাণ কৰা হৈছে। য'ত ৫০০ মানুহ লৈ বিভিন্ন সামাজিক অনুষ্ঠান চাহ শ্ৰমিকসকলে কৰিব পাৰিব লগতে বিবাহ বাৰু কৰিব পাৰিব। তাৰ লগতে কাৰিকৰী শিক্ষাৰ কাৰণে তাত উপযুক্ত দুটা ব্যৱস্থা কৰা হৈছে। য'ত চাহ বাগিচাৰ লৰা ছোৱালীয়ে তাত থাকি কাৰিকৰী শিক্ষা, ছোৱালীৰ ক্ষেত্ৰত কাটিং, বিউটি পাৰ্লাৰ আৰু লৰাৰ ইলেট্ৰিকচিয়ান, ৰাজমিস্ত্ৰী আদি শিকিব পাৰিব। এই পৰিৱেশ বিলাক প্ৰথম বাৰৰ বাবে আমি চাহ বাগিছা অঞ্চলত দেখা পাইছো।

ইতিমধ্যে আপোনালোকে জানে যে মেডিকেলৰ বাবে কিমান কাম চৰকাৰখনে কৰিছে। যোৱা ১০ বছৰৰ ভিতৰত ডিফু মেডিকেল কলেজ পাবলৈ সক্ষম হলো, লখিমপুৰ মেডিকেল কলেজ পাবলৈ সক্ষম হলো, নগাঁও, ধুবুৰী, কোকৰাঝাৰ, তিনিচুকীয়া, নলবাৰী আদিসমূহত মেডিকেল কলেজ পাবলৈ সক্ষম হলো।

মাননীয় উপাধ্যক্ষ মহোদয়, কলে দুখ লাগে, মোৰ তিনিচুকীয়া জিলা, অসমৰ একেবাৰে সীমামুৰীয়া জিলা, এই জিলাখনত দেশ স্বাধীনতা লাভ কৰাৰ পিছত প্ৰায় ৬০-৭০ বছৰ লাগিলে এখন মেডিকেল কলেজ পাবৰ কাৰণে। এইখন অসমত সেই সময়চোৱাত কাৰ ৰাজত্ব আছিল, তেওঁলোকে কোনো দিনে চিন্তা নকৰিলে যাৰ কাৰণে কিমান পিতৃয়ে হয়তো নিজৰ লৰাক হেৰুৱাব লগীয়া হ'ল, লৰাই নিজৰ মাকক হেৰুৱাব লগীয়া হ'ল, মেডিকেল কলেজ এখন নথকাৰ কাৰণে। আমি তিনিচুকীয়াৰ পৰা ডিব্ৰুগড় মেডিকেল কলেজলৈ ৰোগী আনিবলগীয়া হৈছিল। এতিয়া কিন্তু সেই পৰিৱেশ নাই। এতিয়া তিনিচুকীয়া জিলাৰ মানুহে তিনিচুকীয়াতে চিকিৎসা গ্ৰহণ কৰিবৰ কাৰণে সক্ষম হৈছে। এইবিলাক কাম এনেয়েই হোৱা নাই। আন্তৰিকতাৰ অভাৱ আছিল কংগ্ৰেছৰ দিনত। তেওঁলোকে কেৱল ভোট বেংক হিচাপে মানুহখিনিক ব্যৱহাৰ কৰিছিল। তাৰ বাদে তেওঁলোকে একো চিন্তা নকৰিলে আচলতে বা কৰাৰ ইচ্ছা থাকিলে আজি স্বাস্থ্যই হওঁক বা শিক্ষাই হওঁক, বহুত কামেই তেওঁলোকে কৰিব পাৰিলেহেতেন। কিন্তু দূৰ্ভাগ্যঃবশত তেওঁলোকৰ এনেকুৱা চিন্তা অন্তৰত কোনোদিনেই জাগি নুঠিলে, যাৰ কাৰণে এই ভয়াবহ পৰিস্থিতিত মানুহে দিনবোৰ পাৰ কৰিবলগীয়া হৈছিল। গতিকে এনে আৰু বহু কামেই আমাৰ চৰকাৰখনে ইতিমধ্যে কৰিছে।

মেডিকেল কলেজ সমূহ হোৱাৰ বাবে যথেষ্ট ডাক্তৰ আমি পাবলৈ সক্ষম হৈছো। আজি বছৰেকত বহু ডাক্তৰ আমি পাইছো যাৰ কাৰণে গাওঁ বা চাহ বাগিছাসমূহত চিকিৎসা সুলভ হৈছে।

আটাইতকৈ ডাঙৰ আৰ্শীবাদস্বৰূপ হ'ল আমাৰ চৰকাৰৰ দিনত মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ পূৰ্বপুৰুষসকলক ঝাৰখণ্ড, বিহাৰ, উৰিষ্যা, মধ্য প্ৰদেশ ইত্যাদি ৰাজ্য সমুহৰ পৰা লৈ আহিছিলে। আমাৰ পূৰ্বপুৰুষসকলে নিজৰ ভেটি, ঘৰ মাটি এৰি আহিছিল। ইয়াত তেওঁলোকে হাবি জংঘল আদি কাটি পেলাই বৰ্তমান সুন্দৰ অসমৰ এই পৰিৱেশৰ সৃষ্টি কৰিছিলে। কিন্তু দূৰ্ভাগ্যঃবশত যিটো ঘৰত আছিল, ইয়াৰ অধিকাৰ আমাৰ শ্ৰমিকসকলে কোনোদিনে পাবৰ বাবে সক্ষম হোৱা নাছিল। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ আন্তৰিকতাৰ বাবেই এই শক্তিশালী পদক্ষেপ

লোৱা হ'ল এইখন সদনতে। মই আজি এই সুযোগতে সদনত প্ৰত্যেকজন সদস্যকে তাৰ কাৰণে অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। য'ত নেকি গৌৰৱৰে আজি চাহ শ্ৰমিকসকলে নিজৰ থকা ঘৰটো নিজৰ বুলি কবলৈ ভাৰিবৰ কাৰণে সক্ষম হ'ব। ইতিমধ্যে প্ৰায়বিলাক চাহ-বাগিছাতে মাটিৰ পট্টাৰ কাম চলি আছে। অতি সোনকালে, অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ শ্ৰমিক ৰাইজৰ হাতত মাটিৰ পট্টা প্ৰদান কৰিব। মই ভাৰো যে ই আমাৰ চাহ জনগোষ্ঠী আদিবাসী সমাজখনৰ কাৰণে আটাইতকৈ ডাঙৰ আৰ্শীবাদ এই মাটিৰ অধিকাৰটো আৰু মই ভাৰো এই মাটিৰ অধিকাৰ পোৱাৰ লগে লগে আমাৰ যিখিনি শ্ৰমিক ৰাইজ আছে, তেখেতসকলে যথেষ্ট উন্নতিৰ দিশত আগবাঢ়ি যাবৰ কাৰণে সক্ষম হ'ব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। বাজেটৰ ওপৰত আলোচনা বাহাল থাকিব। এতিয়া সদন ১৯-০২-২০২৬ তাৰিখ ৰাতিপূৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।